# এই সংখ্যাত


# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্ৰ মাহেকীয়া
আলোচনী



| | | |
|---|---|---|
| ❐ কৰ সংস্কাৰ ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ এটা প্ৰেক্ষাপট | টি এ অশোক | ৩ |
| ❐ ভাৰতীয় অৰ্থনীতি আৰু সৰ্বসাধাৰণৰ ওপৰত জি এছ টিৰ প্ৰভাৱ | ৰঞ্জিৎ মেহতা | ৮ |
| ❐ সামগ্ৰী আৰু সেৱা কৰ তথা সাংবিধানিক দিশৰ জটিলতা | জয়ন্ত ৰয় চৌধুৰী | ১২ |
| ❐ ভাৰতৰ কৰ ব্যৱস্থাৰ ওপৰত চমু আলোকপাত | মালিনী চক্ৰৱৰ্তী | ১৫ |
| ❐ ভাৰতত সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) আৰু আন্তঃৰাষ্ট্ৰীয় অভিজ্ঞতা | প্ৰভাকৰ চাহু<br>অশ্বিনী বিষ্ণই | ১৯ |
| ❐ ক'লা ধনৰ সংহাৰী ৰূপ ৰোধ কৰিবলৈ চৰকাৰৰ যুদ্ধকালীন তৎপৰতা | দিলাশা শেঠ | ২৪ |
| ❐ প্ৰস্তুত খণ্ডক পুনৰুজ্জীৱিতকৰণৰ বাবে কৰ উদগনি-মূলক ব্যৱস্থাৰে বাণিজ্য বিস্তাৰ কৰাৰ প্ৰয়াস | অমিয় কুমাৰ মহাপাত্ৰ | ২৯ |
| ❐ কৰ পদ্ধতিৰ সুনিয়াৰিকৰণ ব্যৱস্থা | তিমছি জয়পুনিয়া | ৩২ |
| ❐ কৰ সংস্কাৰ আৰু অসমৰ অৰ্থনীতি | অৰূপজ্যোতি শইকীয়া | ৩৪ |
| ❐ আমূল পৰিৱৰ্তনৰ বাহক জি এছ টি এক দেশ এক কৰ | বিদ্যুৎ বৰুণ শৰ্মা | ৩৭ |
| ❐ অসমৰ প্ৰথমটো মহিলা সমবায় বেংক | দেৱদাস ভৰালী | ৪০ |
| ❐ ২০১৯ চনৰ ভিতৰত সকলোলৈ বিদ্যুৎ দুৰ্বণিৰ সপোন হৈ নাথাকিব | অনুপমা আইৰী | ৪৩ |
| ❐ ভাৰতত পুনৰ ব্যৱহাৰযোগ্য শক্তিৰ বিকাশ | জয়ন্ত কুমাৰ শৰ্মা | ৪৭ |
| ❐ ভাৰতৰ বস্ত্ৰ ৰপ্তানিৰ ক্ৰমবিকশিত বজাৰসমূহ | অদিতি দাস ৰাৱট | ৫০ |
| ❐ জি এছ টিৰ সন্দৰ্ভত প্ৰধান মন্ত্ৰীৰ মন্তব্য | | ৫৫ |
| ❐ সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি)ৰ সন্দৰ্ভত অধিক বিষয়ৰ প্ৰশ্ন আৰু উত্তৰ | | ৫৬ |



সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **দীপিকা কচচল**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 47 No. 9**
**সপ্তচত্বাৰিংশ বৰ্ষ ঃ নৱম সংখ্যা**
**নৱেম্বৰ ঃ ২০১৬**

শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা
প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে
১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**


পয়োভৰাত প্ৰকাশিত
প্ৰবন্ধ-পাতিৰ মতামত
লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প

য়ো

ভ

ৰা

## এই সংখ্যাৰ প্ৰসংগত

# কৰ সংস্কাৰ— উন্নয়নৰ বাবে অপৰিহাৰ্য

কৰ— শব্দটোৱে এজন ব্যক্তিক অন্তিম দিনৰ আগতে নিজৰ আয়কৰ পৰিশোধ কৰাৰ বাবে তৎপৰ হোৱাৰ এখন প্ৰতিচ্ছবি দাঙি ধৰে। নতুবা আয়কৰ বিভাগৰদ্বাৰা ব্যৱসায়ীৰ ঘৰত চলোৱা তালাচীত সম্পদ আৰু ধন উন্মোচিত হোৱাৰ এখন ছবি তুলি ধৰে। সি যি কি নহওক শব্দটো আতংকৰ দৰে লাগিব পাৰে কিন্তু এইটো সত্য যে, যিকোনো অৰ্থনীতিৰ বিকাশৰ বাবে কৰ আৱশ্যকীয়। এখন দেশৰ নাগৰিকে পৰিশোধ কৰা কৰ পথ আৰু দলং নিৰ্মাণ, বান্ধ নিৰ্মাণ, ৰেইল নেটৱৰ্ক অব্যাহত ৰখা, স্বাস্থ্য যতন সেৱা আগবঢ়োৱা আদি উন্নয়নমূলক কামত ব্যয় কৰা হয়।

ৰজা মহাৰজাসকলেও কৰ-কাটল সংগ্ৰহ কৰিছিল। অশোক আৰু আকবৰৰ দৰে বিচক্ষণ ৰজাই সাধাৰণ লোকৰ বাবে অসুবিধা সৃষ্টি নকৰাকৈ ৰাজ্য শাসন কৰাৰ বাবে পদ্ধতিগত কৰাৰোপণ নীতি আৰু কৰ সংগ্ৰহ নীতি গ্ৰহণ কৰিছিল। কিছুমান ৰজাৰ স্বেচ্ছাচাৰী কৰ সংগ্ৰহ পদ্ধতি আছিল যিটো তেওঁলোকে নিজৰ বিলাসী জীৱন যাত্ৰা আৰু মজুৰি ৰূপত খৰচ কৰিছিল। সম্প্ৰতি আধুনিক অৰ্থনীতিত, কৰসমূহ বিভিন্ন আইন আৰু বিধিৰদ্বাৰা নিয়ন্ত্ৰণ কৰা হয় আৰু এইবোৰ জনসাধাৰণৰ প্ৰতিনিধিৰদ্বাৰা চোৱা-চিতা কৰা হয়।

কেন্দ্ৰ, ৰাজ্য আৰু স্থানীয় নিকায়সমূহে ৰাজহ সংগ্ৰহৰ বাবে বিভিন্ন প্ৰকাৰ কৰাৰোপণ কৰাৰ ক্ষমতা থকাৰ বাবে ভাৰতৰ কৰ পদ্ধতিটো বিশ্বৰ ভিতৰতে অতি জটিল। বিভিন্ন পৰ্যায়ত সংগ্ৰহ কৰা আয়কৰ আৰু সম্পদ কৰৰ দৰে প্ৰত্যক্ষ কৰ আৰু সামগ্ৰী আৰু সেৱা লাভ কৰাৰ বাবদ মূল্য সংযোজিত কৰ আৰু সেৱা কৰ, কৰ্পৰেট কৰ আদি বিভিন্ন প্ৰকাৰৰ পৰোক্ষ কৰসমূহে সাধাৰণ মানুহক প্ৰভাৱিত কৰিছে। প্ৰত্যেকখন বাজেটেই সাধাৰণ লোক আৰু কৰ্পৰেট উভয়ে কৰ সংস্কাৰ আশা কৰাটো প্ৰত্যক্ষ কৰিছে। সাধাৰণ লোকে আয়ৰ শ্লেব বৃদ্ধি হোৱাটো আৰু কৰ্পৰেটে বিভিন্ন খণ্ডৰ কৰ ৰেহাই আশা কৰে। চৰকাৰে এই অনুৰোধসমূহ অৰ্থনৈতিক প্ৰয়োজনীয়তা অনুসৰি নিয়ন্ত্ৰণ কৰে। বিগত বছৰবোৰত ভাৰতে অৰ্থনৈতিক বিকাশৰ অপ্ৰত্যাশিত হাৰৰ অভিজ্ঞতা লাভ কৰিছে। এই বিকাশৰ বাবে কৰ পদ্ধতি সৰল আৰু বিদেশী আৰু ঘৰুৱা বিনিয়োগকাৰীক আকৰ্ষণ কৰিবলৈ সংস্কাৰৰ প্ৰয়োজন। গোলকীয় অৰ্থনীতিৰ পৰিৱৰ্তনৰ প্ৰতি দৃষ্টি ৰাখি শেহতীয়া দশকটোত ভাৰতীয় কৰাৰোপণ ব্যৱস্থাৰ যুক্তিসিদ্ধ আৰু সৰলীকৰণেৰে উল্লেখযোগ্য সংস্কাৰ সাধন কৰা হৈছে।

অলপতে গৃহীত হোৱা সামগ্ৰী আৰু সেৱা কৰ হ'ল ভাৰতীয় কৰাৰোপণ ইতিহাসত অতি ঐতিহাসিক কৰ সংস্কাৰ। ইয়াৰদ্বাৰা কৰাৰোপণ ব্যৱস্থাটো দক্ষ কৰি তুলিবলৈ বিচৰা হৈছে যাতে সামগ্ৰী আৰু সেৱাৰ বাবে মাত্ৰ এবাৰেই কৰ পৰিশোধ কৰিব পাৰি। এই বিধেয়কখনে চৰকাৰৰ সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদৰ ওপৰত কৰা আলোকপাত অনুসৰি প্ৰায় ১৫খন ৰাজ্য আৰু যুক্তৰাষ্ট্ৰীয় কৰ স্থানচ্যুত কৰিব। সামগ্ৰী আৰু সেৱা কৰ এতিয়ালৈকে ১৬ খন ৰাজ্যই নিশ্চিত কৰিছে, ন্যূনতম প্ৰয়োজনীয় ৫০ শতাংশ ৰাজ্যই নিশ্চিতি দিয়াটো সম্পূৰ্ণ হৈছে। চৰকাৰে ২০১৭ চনৰ ১ এপ্ৰিল তাৰিখে দেশত সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) প্ৰৱৰ্তনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। এই উল্লেখযোগ্য সংস্কাৰে বিশ্ব বাণিজ্যৰ লগত প্ৰতিযোগিতা কৰিবলৈ ভাৰত সমৰ্থ হোৱাকৈ ব্যৱসায় সহজতৰ কৰি তুলিব বুলি আশা কৰা হৈছে।

ভাৰতৰ কৰ ব্যৱস্থা সৰলীকৰণৰ দিশত জি এছ টি এটা প্ৰধান পদক্ষেপ হোৱাৰ সময়তে এতিয়ালৈকে ব্যৱস্থাটোৰ জটিলতাই দেশত কৰ ফাকি আৰু ক'লা ধনৰ সৃষ্টিৰ ক্ষেত্ৰত এটা পৰিণতিৰ সৃষ্টি কৰিছে। ক'লা ধনৰ পৰিমাণ ইমানেই বিশাল যে ইয়াক দেশৰ এটা প্ৰায় সমান্তৰাল অৰ্থনীতি বুলি কোৱা হয়। চৰকাৰে ক'লা ধন উন্মোচিত আৰু নিয়ন্ত্ৰণ কৰিবলৈ তথ্য আৰু প্ৰযুক্তি বিজ্ঞানৰ ব্যৱহাৰেৰে নীতি পৰ্যায়ৰ আঁচনি, অধিক ফলপ্ৰসু বলৱৎকৰণ কাৰ্য, শক্তিশালী বিধেয়ক আৰু প্ৰশাসনীয় গাঁথনি, ব্যৱস্থা প্ৰক্ৰিয়াৰে বহুমুখী কৌশল গ্ৰহণ কৰিছে। ক'লা ধন সন্দৰ্ভত ভল্‌অনটেয়াৰ্ই ডিছক্লু'যৰ অৱ ইন্‌কাম্ স্কীম্ অৰ্থাৎ আয় আঁচনিৰ ঐচ্ছিক প্ৰকাশ (চমুকৈ ভি ডি আই এছ), কন্‌ষ্টিটিউশ্বন্ অৱ ডি স্পেছিয়েল ইন্‌ভেষ্টিগেইশ্বন টীম অৰ্থাৎ বিশেষ অনুসন্ধান গোটৰ সংবিধান (চমুকৈ এছ আই টি), এখন সৰ্বাত্মক নতুন আইন— ডি ব্লেক মানি (অপ্ৰকাশিত বিদেশী আয় সম্পদ) আইন গ্ৰহণ আৰু বিদেশত জমা ৰখা ক'লা ধন বিষয়ত বিশেষভাৱে কাম কৰাৰ বাবে কৰ আইন ২০১৫ আৰোপণ, বেনামী লেনদেন (নিষিদ্ধকৰণ) সংশোধনী বিধেয়কৰ প্ৰৱৰ্তন হ'ল চৰকাৰে এই ক্ষেত্ৰত গ্ৰহণ কৰা কিছুমান শেহতীয়া প্ৰধান আঁচনি।

ভাৰতীয় কৰাৰোপণ ব্যৱস্থা ৰুদ্ধ, জটিল ব্যৱস্থাৰ পৰা মুকলি, সৰল আৰু ভৱিষ্যবাদলৈ বহু দূৰ আগুৱাই আহিল। বৰ্তমানৰ চৰকাৰে ভাৰতক বিশ্বৰ অতি প্ৰিয় বিনিয়োজন আৰু নিৰ্মাণৰ বাবে গন্তব্য স্থান হিচাপে গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

# কৰ সংস্কাৰ ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ এটা প্ৰেক্ষাপট

**টি এ অশোক***

কৰ সংস্কাৰ হ'ল যি কোনো দেশৰ বিকাশ প্ৰক্ৰিয়াৰ এটা অনবদ্য অঙ্গ। আনকি ব্ৰিটেইন আৰু আমেৰিকাৰ দৰে উন্নত দেশবোৰেও বিগত কেইটামান বছৰত এনে সংস্কাৰ কাৰ্য হাতত লৈছে। এই উন্নত দেশবোৰৰ কাৰ্য ব্যৱস্থা ভাৰতৰ দৰে বিকাশমুখী দেশবোৰৰ কাৰণে ভূমিকা গ্ৰহণ কৰাৰ ক্ষেত্ৰত সততেই এটা আৰ্হি স্বৰূপ হয়।

ব্ৰিটেইনৰ কথাই ধৰা যাওক। এই দেশখনৰ কন্‌ছে'ৰভটিভ লিবাৰেল ডে'ম্‌ক্ৰেট মৰ্চা চৰকাৰে ২০১০ আৰু ২০১৫ বৰ্ষৰ মাজত সংস্কাৰ কাৰ্য সাধনৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। ২০১৩ বৰ্ষত আৰম্ভ কৰা সংস্কাৰ সাধন কাৰ্যত চচান্‌ছেলৰ অৱ এ'ক্সচে'কৰ-এ বাজেট প্ৰদান কৰোঁতে দুই নিযুত লোকক আয়কৰ আদায় দিয়াৰ পৰা প্ৰায় মুক্ত কৰিছিল। সংস্কাৰৰ গতিয়ে ব্যক্তিগত বানচৰ ক্ষেত্ৰত বৃদ্ধি সূচায়। এনে বৃদ্ধিৰ অৰ্থ হ'ল কোনেও কোনো ধৰণৰ কৰ আদায় দিব নেলাগে-যেতিয়ালৈকে এজন ব্যক্তিয়ে ৯,৪৪০ পাউণ্ডতকৈ অধিক অৰ্জন নকৰে। এই ধনৰাশিৰ ওপৰত যিসকলে ৪০ শতাংশ হাৰত কৰ আদায় দিয়ে তাৰ পৰিমাণো ৩৪,৩৭০ পাউণ্ডৰপৰা ৩২,০১০ পাউণ্ডলৈ অৱনমিত হয়। অৱশ্যে এই ক্ষেত্ৰত ব্যক্তিগত বানচ ধৰা নহয়।

এই একে সময়তে আয়কৰৰ সৰ্বোচ্চ হাৰ ২০১৩-১৪ বৰ্ষৰ কালছোৱাত ১৫০,০০০ পাউণ্ড অতিক্ৰম কৰা কৰযোগ্য উপাৰ্জনৰ ক্ষেত্ৰত ৫০ শতাংশৰ পৰা ৪০ শতাংশলৈ কমি আহে। এইবাৰ আমেৰিকাৰ কথা ধৰা যাওক। মুক্ত বাণিজ্যৰ প্ৰতীক স্বৰূপ আৰু প্ৰগতিশীল অৰ্থনীতিৰ এই দেশখনে কৰ সংস্কাৰ সাধন কৰা অতিকৈ প্ৰয়োজন হয়। সেই অনুযায়ী এক বহল ভিত্তিক কৰ সংস্কাৰ সাধনৰ ব্যৱস্থা কৰিবলৈ দুখন আইন প্ৰণয়ন কৰিবলৈ চেষ্টা কৰে। চিনেটৰ কৰ কমিটীৰ মুৰব্বী ডে'ম্‌ক্ৰেট সদস্য মেক্স ব'কাছ আৰু হাৰ্ডছ অৱ ৰিপ্ৰেজেণ্টেটিভৰ ৰিপাব্লিকান সদস্য ডাভে কেম্পে যোৱা তিনি বছৰ ধৰি ইয়াৰ অনুশীলনৰ কাম কৰি আছে। তেওঁলোকে বহু লোকৰ সৈতে আলাপ-আলোচনা কৰি আছে আৰু সঠিক সিদ্ধান্তত উপনীত হ'বলৈ সমজুৱাকৈ ভাবধাৰাৰো প্ৰসাৰ আৰু প্ৰচাৰ কৰিছে। এখন সম্পূৰ্ণ আঁচনি প্ৰস্তুত কৰিবলৈ বাকী থাকিলেও তেওঁলোকৰ মতসমূহ সঠিক দিশৰ। নিগম আৰু ব্যক্তি উভয়ৰ কাৰণে কৰৰ হাৰ কম কৰাটোৱেই হ'ল উদ্দেশ্য। এই হাৰ সীমিতকৰণ কিম্বা বিচ্ছিন্ন কৰা প্ৰয়োজন।

যদিও তেওঁলোক সুকীয়া দলৰ, তথাপি ব'কাছ আৰু কেম্পে এইটো অনুভৱ কৰে যে তেনে পদ্ধতিত কোনো এটা বিষয়কে এৰি দিব নেলাগে। আনকি গৃহ খণ্ড, স্বাস্থ্য বীমা, চেচেৰিটি, গৱেষণা আৰু বিকাশৰ বাবে কৰা কাম-কাজতো সামান্যভাৱে হ'লেও কিছু অংশ থাকিব লাগে। অন্যান্য কিছুমান সামগ্ৰীৰ ওপৰত তেওঁলোকে অধিক কৰৰ পোষকতা কৰে। অৰ্থনীতিবিদ ৰূপে চাবলৈ গ'লে ৰাজনৈতিক বাস্তৱতাৰ দিশৰ পিনৰপৰা সুকীয়া ধৰণৰ এনে কৰ ব্যৱস্থাৰ কিছুমান বিষয় টিকি থাকিব, কাৰণ অনুৰূপ ধৰণৰ অ-বিচ্ছিন্ন কৰ আৰোপ কৰাৰ আশা নাই—যিটো পুঁজি বৃদ্ধি কৰাৰ এক অন্যতম উপায় ৰূপে পৰিগণিত হয়।

তথাপি কেম্প আৰু ব'কাছে এক অধিক উপযুক্ত কৰ পদ্ধতি গঢ়ি তুলিবলৈ যথেষ্টভাৱে উমৈহতীয়া ক্ষেত্ৰ বিচাৰি পায়। মাত্ৰ কৰ সংস্কাৰ সাধনৰ ফলত অধিক ৰাজহ উদ্ৰেক কৰা গুৰুত্বপূৰ্ণ বিষয়টোৰ সন্দৰ্ভত তেওঁলোকৰ মতভেদ আছে। এগৰাকী ৰিপাব্লিকান প্ৰতিনিধি ৰূপে কেম্পে এই বিষয়টোৰ সন্দৰ্ভত তেনে কৰিব নেলাগে বুলি মন্তব্য কৰে আৰু আনপিনে ৰাষ্ট্ৰপতি বাৰাক অ'বামাৰ নেতৃত্বাধীন ডে'ম্‌ক্ৰেট দলৰ প্ৰতিনিধি ৰূপে ব'কাছে সেইটো কাম কৰিব লাগে বুলি অনুভৱ কৰে।

ভাৰতো কৰ সংস্কাৰ সাধনৰ ক্ষেত্ৰত ব্যতিক্ৰম নহয়। নবৈ দশকৰ আগভাগৰপৰা আৰম্ভ কৰা অৰ্থনৈতিক সংস্কাৰ সাধন কাৰ্যত কৰ সংস্কাৰ কৰা বিষয়টোও অত্যন্ত প্ৰয়োজন হৈ পৰে। বহু আলোচনাৰ পাছত তেতিয়াৰ চৰকাৰখনে অনুভৱ কৰিছিল যে যি

*লিখখ পি টি আই-ৰ অৰ্থনৈতিক সম্পাদক আৰু ব্যুৰ'ৰ মুখ্য (অৰ্থনীতি)। তেওঁ আন্তঃগাঁথনি/বিত্ত/বাণিজ্য খণ্ড আৰু পৰিৱেশ বিষয়ত বিশেষজ্ঞ

কোনো কৰ পদ্ধতি ন্যায্য, ভাল আৰু অবৈষম্যমূলক হ'ব লাগিব—যাতে প্ৰত্যক্ষ কৰ ব্যৱস্থাৰ অধীনত ব্যক্তিগত কৰদাতাসকলে তেনে কৰ পৰিশোধ কৰাটো দেশখনৰ কল্যাণ সাধনৰ বাবে এটা কৰ্তব্য বুলি ভাবিব পাৰে আৰু সৰহ পৰিমাণৰ পৰোক্ষ কৰ আদায় দিয়া কৰ্পোৰেট তথা উদ্যোগ খণ্ডয়ো কেৱল এক কৰ্তব্য বুলি ভবাই নহয়, তদুপৰি এয়া এক সামাজিক তথা নাগৰিক বাধ্যবাধকতা ৰূপেও অনুভৱ কৰিব পাৰে আৰু এনেধৰণৰ সংগৃহীত কৰৰ ধনৰাশিয়ে বিকাশমূলক যোজনাৰ কাম হাতত ল'বলৈ যি কোনো চৰকাৰৰ বাবে মূল উপাদান শক্তি স্বৰূপ হয়।

গতিকে কৰ সংস্কাৰ ২০১৬ বৰ্ষলৈকে শাসনাধিস্থ চৰকাৰসমূহৰ এটা গতিশীল প্ৰক্ৰিয়া হৈ আছে আৰু এই কৰ সংস্কাৰ সূত্ৰ বহুলভাৱে একেদৰেই আছে—স্বচ্ছ সমাৰ্থক ৰূপৰ আৰু কৰ প্ৰদান পদ্ধতিও ভাল—যাক সহজে প্ৰশাসন ব্যৱস্থাত কামত লগাব পাৰি। শাসনত অধিস্থিত চৰকাৰসমূহে প্ৰত্যক্ষ কৰ গাঁথনি এনেদৰে সজাই তোলে যে ব্যক্তিগত কৰদাতাসকল সৰ্বাধিক উপকৃত হয়।

বছৰৰ পিছত বছৰ ধৰি কৰ আৰোপৰ প্ৰৱেশ স্তৰত থকা ছীলিং সীমা সামান্যভাৱে উঠাই দিয়া হয় আৰু এতিয়া কৰৰ খলপ মুটামুটিভাৱে তিনি খলপাত ৰখা হৈছে। সেয়া হ'ল ১০ শতাংশ, ২০ শতাংশ আৰু ৩০ শতাংশ। যি সকলৰ উপাৰ্জন যথাক্ৰমে ২.৫০ লাখ টকাৰপৰা ৫ লাখ টকা লৈকে হয় আৰু তাৰ ওপৰৰ ১০ লাখ টকালৈকে হয় সেই হিচাপত এই তিনি খলপৰ কৰ ব্যৱস্থা কৰা হৈছে। ২.৫০ লাখ টকাতকৈ কম উপাৰ্জিত লোকসকলে কৰ দিব নেলাগে। ২.৫০ লাখ টকাৰপৰা ৫ লাখ টকা উপাৰ্জন কৰোতাসকলৰ ক্ষেত্ৰত এই কৰৰ হাৰ হ'ল ১০ শতাংশ আৰু ৫ লাখ টকাৰ পৰা ১০ লাখ টকা অৰ্জন কৰোঁতাসকলৰ ক্ষেত্ৰত হ'ল ২০ শতাংশ আৰু ১০ লাখ টকাতকৈ অধিক উপাৰ্জন কৰোঁতাসকলৰ ক্ষেত্ৰত মুঠমাঠ ৩০ শতাংশ কৰ দিব লগা হয়।

কৰ্পোৰেট কৰো একীভূত কৰা হৈছে। তদুপৰি আবকাৰী আৰু শুল্ক আৰোপ প্ৰক্ৰিয়া সৰল কৰা হৈছে। এই সকলোবোৰৰ ক্ষেত্ৰত প্ৰধান লক্ষ্য হ'ল লোকসকলক কৰৰ প্ৰতি বাধিত হ'বলৈ উৎসাহিত কৰা আৰু অধিক সংখ্যক লোকক কৰ ব্যৱস্থাৰ অধীনলৈ অনাৰ প্ৰতি এটা সচেতন ভাব জগাই তোলা —যাতে তাৰদ্বাৰাই জনহিতকৰ কাম-কাজবোৰ সুচাৰুৰূপে কৰিব পৰা যায়। কৰ আৰু মুঠ ঘৰুৱা উৎপাদনৰ (জি ডি পি) সমানুপাতৰ হাৰ প্ৰগতিশীল হ'ব পাৰে, কিন্তু কৰ আৰু জনগাঁথনিৰ মাজৰ সমানুপাতৰ হাৰ তেনেই নগন্য। কোৱা হয় যে কাচিৎহে ২ শতাংশ লোকে কৰ আদায় দিয়ে আৰু এই লোকসকল চহৰাঞ্চলত বাস কৰা লোক।

কৰৰ পৰিধিলৈ অধিক লোকক আনিবৰ কাৰণে চৰকাৰে একাধিক সংস্কাৰ সাধন কৰিছে। কৰ সংগ্ৰহৰ অৱস্থা টনকিয়াল কৰিবৰ বাবেও চেষ্টাৰ ত্ৰুটী কৰা নাই। তথাপি এটা সংস্কাৰ সাধন কাৰ্য আটাইতকৈ গুৰুত্বপূৰ্ণ হৈ পৰিছে। সেয়া হ'ল সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি)। ই এনে বিষয়ৰ সকলো কৰকে সামৰি লৈছে—যাতে সামগ্ৰী প্ৰস্তুতকৰ্তাসকলে এখন দেশৰ ভিতৰতে বহু ধৰণৰ কৰৰ বোজাৰ সন্মুখীন হ'ব লগা নহয়। এই নতুন ব্যৱস্থাত সা-সামগ্ৰী চাল-চলন কৰাত সহজ হৈ পৰিব।

এই সামগ্ৰী আৰু সেৱা কৰ আইনখন কিয় এটা ঐতিহাসিক বিষয় হৈ পৰে তাক চোৱা যাওক। কাৰণ সংসদৰ উভয় সদনতে ইয়াক পৰিশেষত গ্ৰহণ কৰাৰ আগেয়ে বহুত হোঁহকা-পিছলা আৰু অনিশ্চয়তাৰ মাজেৰে গতি কৰিব লগা হৈছিল।

এই জি এছ টিয়ে উপভোক্তাক এনে সা-সুবিধা প্ৰদান কৰিব—যিটো 'ৰজা' সদৃশ বুলি ক'ব পাৰি। লোকসভাত সংবিধান সংশোধনী বিধেয়কখন (১২২ সংশোধন) ২০১৫ চনৰ মেইত প্ৰথমে গৃহীত হৈছিল। তাৰ পিছত ৰাজ্য সভাই কৰা কিছুমান সাল-সলনি অনুমোদন জনাবৰ বাবে নিম্ন সদনত পুনৰ ইয়াক চৰ্চাৰ বাবে হাতত ল'ব লগা হয়। সদৌ শেহত উভয় সদনে ইয়াক অনুমোদন জনায় আৰু ৰাষ্ট্ৰপতিয়েও সন্মতি দান কৰে। চৰকাৰে বিধেয়কখনত থকা ১ শতাংশ অতিৰিক্ত কৰ কৰ্তন কৰাকে ধৰি ছটা সংশোধনী বিষয়ৰ সন্দৰ্ভত সদনত আলোচনা কৰিব লগা হয় আৰু তেনে আলোচনাৰ পিছত সদনে গ্ৰহণ কৰি উচ্চ সদনলৈ প্ৰেৰণ কৰে আৰু শেহান্তৰত উচ্চ সদনে তাত অনুমতি প্ৰদান কৰে।

এই সামগ্ৰী আৰু সেৱা কৰ এক আইনী ব্যৱস্থা হ'ব বুলি আশা কৰিব পাৰি—যি অৰ্থনীতি ৰূপান্তৰ ঘটাত সহায় কৰিব আৰু তাৰদ্বাৰাই স্বচ্ছতাৰ পথ মুকলি কৰিব। আৰু 'এক দেশ এক কৰ'ৰ ভাবধাৰা সূচনা কৰিব। জি এছ টি-ৰাজৰ অধীনত কৰৰ হাৰ 'ন্যূনতম কৰ্মযোগ্য হাৰত' ৰখা হ'ব—যাতে কোনো ৰাজ্য চৰকাৰে জনগণক অধিক হাৰৰ বোজা দি অসন্তুষ্ট কৰিব নোৱাৰে। জি এছ টি পৰিষদৰদ্বাৰা চূড়ান্ত হাৰ নিৰ্দ্ধাৰণ কৰা হ'ব। বিধেয়কখন এতিয়া ২৯ খন ৰাজ্যৰ বিধানসভাৰ ভিতৰত কমেও ১৬ খন বিধানসভাই সংশোধন কৰিব লাগিব। এই কাৰ্য সোনকালেই

কৰা হ'ব বুলি প্ৰধান মন্ত্ৰীয়ে আশা কৰিছে।

ফেডাৰেল আৰু ৰাজ্যৰ কৰসমূহৰ ক্ষেত্ৰত ওপৰা-উপৰিকৈ গ্ৰহণ কৰা ব্যৱস্থাৰ পৰা উলিয়াই আনি জি এছ টিয়ে দেশখনৰ বাবে একক অৰ্থনৈতিক মণ্ডল সৃষ্টি কৰিবলৈ আগবাঢ়িছে। নিউইয়ৰ্ক টাইমছ-এ এই আইনখনক ভাৰতে গ্ৰহণ কৰা আটাইতকৈ বৃহৎ কৰ সংস্কাৰ সাধন ব্যৱস্থা ৰূপে বৰ্ণনা কৰে। ভাৰতে নিজৰ বজাৰখন বাহিৰত প্ৰথম মুকলি কৰিছিল ১৯৯১ চনত। সম্ভাৱনাপূৰ্ণ দিশৰপৰা চাবলৈ গ'লে বিকাশমুখী বিশ্বত ভাৰত হ'ল অতি গতিশীল অৰ্থনীতিৰ দেশ। কিন্তু দেশখনক আচৰিত ধৰণে ৰাজ্যবোৰৰ এলানি কৰ নিয়মাৱলীৰে (Tax Codes) বাধা দান কৰে—যিটোৰে ৰাজ্যৰ ইখন-সিখনৰ মাজত সুচাৰু ৰূপে বেপাৰ-বাণিজ্য কৰাৰ ক্ষেত্ৰত আশানুৰূপ উৎসাহ সঞ্চাৰ নকৰে।

জি এছ টিক কিছুমান সমস্যা সমাধানৰ ক্ষেত্ৰত এটা উপায়ৰ বাহক ৰূপে চোৱা হয়। কাৰণ ই কৰ্তৃপক্ষক সমস্যাৰ প্ৰতি যথোচিত ব্যৱস্থা হাতত ল'বলৈ সুবিধা কৰি দিব— যাৰ ফলত এক সংযুক্ত অৰ্থনীতিৰ পথ মুকলি হ'ব আৰু তাৰদ্বাৰাই সহজভাৱে সমগ্ৰ দেশতে পৰিব্যাপ্ত কৰাকৈ ব্যৱসায়-বাণিজ্যৰ বাবে সুচলতা প্ৰদান কৰিব। নিউইয়ৰ্ক টাইমছ-এ এনেদৰে মত দাঙি ধৰে। ছাউথ এছিয়া প্ৰ'গ্ৰামৰ জ্যেষ্ঠ সহযোগী মিলান বৈষ্ণৱে কাৰ্ণেগি ইন্‌ডাউমেণ্ট ফৰ্ ইণ্টাৰনেশ্বনেল পীছ অনুষ্ঠানত এনেদৰে মন্তব্য কৰে; "এইটো বহু দিনৰ আগতেই কৰিব লগা কাম আছিল। বেপাৰ-বাণিজ্য সহজ কৰিবৰ কাৰণে ইয়াৰ ফল বিপুলভাৱে সহায়ক হ'ব। তদুপৰি এই ব্যৱস্থাৰদ্বাৰা বাহিৰৰ বিশ্বত ভাৰতে যে ২১ শতিকালৈ নিজৰ অৰ্থনীতিক আগুৱাই নিছে তাক দেখুৱাৰৰ কাৰণেও এয়া এটা অনুপ্ৰেৰণাৰ বিষয়।"

জি এছ টিয়ে বৰ্তমানে থকা ১৫ বিধ ৰাজ্য আৰু ফেডাৰেল কৰৰ ঠাইত নিজ স্থিতি গ্ৰহণ কৰিছে আৰু এই ব্যৱস্থাই ভাৰতক ০.৫ তথা ২ শতাংশ পইণ্টৰ দ্বাৰা অৰ্থনৈতিক বৃদ্ধি সাধন কৰাত সহায় কৰিব পাৰে। এই সামগ্ৰী আৰু সেৱা কৰ বৰ্তমান চৰকাৰৰ চিন্তাধাৰা মতেই কাৰ্যকৰী কৰিবলৈ লোৱা হৈছে— য'ত সহযোগিতামূলক ফেডাৰেল ব্যৱস্থা থাকিব আৰু তাৰদ্বাৰাই কেন্দ্ৰ তথা ৰাজ্যবোৰে ৰাষ্ট্ৰৰ হিত সাধনৰ অৰ্থে একেলগে কাম কৰিব। ৰাজ্যসমূহে নিজৰ প্ৰাপ্য অংশও লাভ কৰিব। ৰাজ্যসমূহলৈ অধিক অংশ প্ৰদান কৰিবলৈ চৰকাৰে কৰ ৰাজহ অংশ ভাগৰ সূত্ৰ পুনৰবৰ্দ্ধন কৰে। উদ্দেশ্য হ'ল ৰাজ্যসমূহকো হাতত হাত মিলাই একেলগে আগবাঢ়ি যোৱাৰ কেন্দ্ৰৰ চিন্তাধাৰাৰ সৈতে খাপ খুৱাই লোৱাটো

এই সকলোবোৰ কাম ১৯৯১ চনতেই আৰম্ভ কৰা হৈছিল যেতিয়া চৰকাৰে ৰাজ্যসমূহলৈ অধিক ক্ষমতা প্ৰদানৰ বজাৰ সংস্কাৰ নীতি গ্ৰহণ কৰিছিল। লগতে ৰাজ্যবোৰক অধিক কৰৰ সুবিধা দিবলৈ লৈছিল। এখনৰ পিছত আনখন শাসনাধিস্থিত চৰকাৰে কৰ ব্যৱস্থাৰ পৰিৱৰ্তন সাধাৰ আৱশ্যকতা অনুভৱ কৰিছিল। কাৰণ এইটো পৰিষ্কাৰ হৈ উঠিছিল যে ওপৰা-উপৰিকৈ কৰা 'কৰ নিয়মাৱলী'সমূহে বিকাশ প্ৰক্ৰিয়াত বাধা দিয়ে।

জি এছ টিৰ লাভসমূহ লাহে লাহে আহিবলৈ ধৰিব, সম্ভৱত ঃ ২০১৯ বৰ্ষৰ কালছোৱাৰ ভিতৰত। জি এছ টিয়ে মূৰকত মুদ্ৰাস্ফীতিৰ পিনে গতি কৰাৰো সম্ভাৱনা আছে। এই কথা চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা অৰৱিন্দ সুৱিমণিয়নে উল্লেখ কৰিছে। তেওঁ এই বুলিও মন্তব্য কৰে যে জি এছ টি হ'ল একীভূত কৰ ব্যৱস্থা যাক চোৱা-চিতা কৰিবলৈ বহু চিন্তা-চৰ্চাৰ প্ৰয়োজন হ'ব।

সি যি কি নহওক, অদূৰ ভৱিষ্যতে জি এছ টিয়ে বিদেশৰ বিনিয়োগক আকৰ্ষণ কৰাৰ আশা আছে—যাৰদ্বাৰাই মূলধনী সামগ্ৰীৰ খৰচ হ্ৰাস পাব, প্ৰস্তুত সামগ্ৰী আৰু ৰপ্তানি বৃদ্ধি কৰিব, কৰ সংগ্ৰহৰ পৰিমাণ বৃদ্ধি পাব; আৰু অতিকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল চাকৰি সৃষ্টি কৰিব। এনে চাকৰিৰ ব্যৱস্থা কৰিব পৰাটো হ'ল সময়ৰ আহ্বান —যাৰ প্ৰতি আটায়ে আশাবাদী।

**জি এছ টিৰ গুৰুত্ব**

জি এছ টিক ভাৰতৰ সকলোবোৰ অৰ্থনৈতিক সংস্কাৰৰ মাতৃ ৰূপে গুণ-গান গাবলৈ লোৱা হৈছে। আগশাৰীৰ ব্যৱসায়ী আৰু দেশখনৰ কৰ্পোৰেট খণ্ডই এই বুলি কয় যে এই পৰিৱৰ্তনে তেওঁলোকৰ দৈনন্দিন জীৱনৰ ওপৰত গভীৰ প্ৰভাৱ পেলাব। এইটো আশা কৰা হৈছে যে জি এছ টিএ কৰ সন্ত্ৰাসবাদৰ' অৱসান ঘটাব। এই ক্ষেত্ৰত উদ্যোগৰ উক্তি হ'ল কেন্দ্ৰ আৰু ৰাজ্যবোৰত যি কৰৰ ব্যৱস্থা আছে তাৰ কবলত সম্প্ৰতি বিভিন্ন ধৰণৰ কৰ কৰ্তৃপক্ষৰদ্বাৰা 'হাৰাশাস্তি তথা দোষী সাব্যস্ত' কৰা হয়। উদ্যোগৰ এজন প্ৰতিনিধিৰ মন্তব্য হ'ল এনে ধৰণৰ—'সৰহভাগ সময় আমি কৰৰ আনুষ্ঠানিকতা, কৰ সংগ্ৰহ, কৰ জমা কৰা, প্ৰ-পত্ৰ দাখিল কৰা কামত ব্যস্ত হওঁ। এই পদ্ধতিত আমাৰ টকাও আবদ্ধ হৈ পৰে। আৰু অন্যান্য বিষয় আছে যিবোৰত আমাৰ বহু সময় খৰচ হয়।"

জি এছ টিৰ সন্দৰ্ভত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত যি কঠিন বিষয় উত্থাপন হয় সেয়া হ'ল কৰৰ হাৰ নিৰ্ণয় কৰা সম্পৰ্কত। ৰাজ্যবোৰে নিজৰ ৰাজহ বৃদ্ধি কৰিবলৈ অধিক হাৰ বিচাৰে আৰু কেন্দ্ৰই নিম্ন হাৰৰ ওপৰত জোৰ দিয়ে— যাতে মুদ্ৰাস্ফীতি ৰোধ কৰিব পৰা যায়। ভাৰতৰ অৰ্থনীতি এতিয়া ৭.৬ শতাংশ বৃদ্ধি পাইছে। ফলস্বৰূপে কেইবাটাও দশকৰ ভিতৰত নিম্নতম মুদ্ৰাস্ফীতি হাৰ পৰিলক্ষিত হৈছে। এনে অৱস্থাত চাকৰিৰ সা-সুবিধা বৃদ্ধি হোৱাটো উচিত আছিল, কিন্তু সেইটো হোৱা নাই। কৰ্পোৰেট খণ্ডয়ো সম্প্ৰতি পুঁজিৰ নাটনিত ভুগিছে—যাৰ বাবে প্ৰস্তুত খণ্ডত নীৰৱতাৰ পথ মুকলি কৰিছে। বিকাশৰ গতি ভালেখিনি সেৱা খণ্ডই লাভ কৰিছে। এই খণ্ডৰ তথ্য প্ৰযুক্তি আৰু তথ্য প্ৰযুক্তিৰ সেৱা সমূহে মূল্যৱান বৈদেশিক মুদ্ৰা সংগ্ৰহ কৰাত সফলতা লাভ কৰিছে। এতিয়া ইয়াৰ পৰিমাণ হ'ল ৩৭০ বিলিয়ন মাৰ্কিন ডলাৰ।

কৰ সংস্কাৰ সাধন কাৰ্য জি এছ টিতেই অৱসান ঘটা নাই। এতিয়াও আমি আন এখন ডাঙৰ আইনৰ ব্যৱস্থা কৰিব লগা আছে আৰু সেয়া হ'ল প্ৰত্যক্ষ কৰ নিয়মাৱলী (ডি টি চি)। ই প্ৰত্যক্ষ কৰ গাঁথনি সৰল কৰিব আৰু ইয়াৰ ফলত বৃহৎ সংখ্যক লোক উপকৃত হ'ব। বিত্ত মন্ত্ৰণালয়ে ২০১৬-১৭ বৰ্ষৰ বাজেটত এইটো উল্লেখ কৰিছিল যে 'ডি টি চি'ক বাতিল কৰিবলৈ লোৱা হৈছে। কিন্তু বিত্ত বিষয়ক ষ্টেণ্ডিং কমিটীয়ে বিত্ত মন্ত্ৰণালয়ক জানিবলৈ দিয়ে যে ডি টি চিৰ ব্যৱস্থাৱলী পুনৰ কামত লগোৱা আৱশ্যক। যি কৰ সংস্কাৰৰ ব্যৱস্থা আছে তাক সমুচিত-ভাৱে গতি প্ৰদান কৰিবৰ কাৰণে এয়া এটা ডাঙৰ পদক্ষেপ ৰূপে কামত লগাব পাৰি।

ডি টি চিয়ে কি কৰিব বিচাৰে? ইয়াৰ উত্তৰত এইটোকে ক'ব পাৰি যে চৰকাৰে চিন্তা কৰাৰ দৰে ই ভাৰতীয় আয়কৰ আইন, ১৯৬১ ৰ ঠাই ল'ব বিচাৰিছে। তাৰ বাবে প্ৰত্যক্ষ কৰ সম্পৰ্কিত সকলোবোৰ আইনক সংশোধন কৰি এটা উপযুক্ত সমাৰ্থক প্ৰত্যক্ষ কৰ পদ্ধতি [redacted] লক্ষ্য আৰু তেনে প্ৰত্যক্ষ কৰৰ ভিতৰত কেইটামান হ'ল—আয়কৰ, লাভাংশ বিতৰণ কৰ, 'ফ্ৰিঞ্জ বেনিফিট টেক্স' আৰু সম্পত্তি কৰ। এইবোৰৰ ঠাইত নতুন ব্যৱস্থাই যাতে স্বেচ্ছামূলকভাৱে কৰৰ বিষয়বোৰ সমাধান কৰাত সুবিধা কৰিব পাৰে তথা কৰ-মুঠ ঘৰুৱা উৎপাদনৰ সমানুপাত হাৰ বৃদ্ধি কৰাতো সহায় কৰিব পাৰে তাৰ প্ৰতি ই বেচ সচেষ্ট।

আন এটা উদ্দেশ্য হ'ল বাদ-বিসম্বাদৰ পৰিসৰ হ্ৰাস কৰা তথা মোকৰ্দমা আদিৰ সংখ্যাও কম কৰা। ডি টি চিয়ে কৰ ব্যৱস্থাত স্থিৰতা আনিবলৈ বিচাৰিছে, কিয়নো ই কৰৰ গ্ৰহণযোগ্য সূত্ৰৰ ওপৰত আধাৰিত তথা শ্ৰেষ্ঠ আন্তৰ্জাতিক অভ্যাসৰাজিৰদ্বাৰা উদ্বুদ্ধ। ই মূৰকত এটা একক কৰদাতাৰ 'ৰিপোৰ্টিং ছিষ্টেমৰ' বাবে পথ মুকলি কৰিব। ডি টি চিৰ আলোকপাতৰ বিষয়সমূহ হ'ল— বৰ্তমানৰ আয়কৰ আইনৰ ২৯৮ টা ধাৰা আৰু ১৪ টা সূচীৰ বিপৰীতে প্ৰস্তাৱিত ক'ড ব্যৱস্থাত আছে ৩১৯ টা ধাৰা আৰু ২২ টা সূচী। এবাৰ আইন প্ৰণয়ন কৰিলে পুৰণি তথা কামত নহা আয়কৰ আইনৰ অৱসান ঘটাব। অৱশ্যে আয়কৰ আইনৰ বহু ব্যৱস্থাই ডি টি চিৰ অংশ হৈ থাকিব। বি অ' চি কৰ্তনৰপৰা মিউচুৱেল ফাণ্ড, ইউ এল আই পি বাদ পৰিব। ইকুইটী উন্মেষিত মিউচুৱেল ফাণ্ড কিম্বা ইউ এল আই পিৰপৰা প্ৰাপ্ত আয় কৰৰ পৰিসৰলৈ আহিব। এই কৰৰ হাৰ হ'ব ৫ শতাংশ হিচাপত। 'ফ্ৰিঞ্জ বেনিফিট টেক্স' নিয়োগকৰ্ত্তাতকৈ কৰ্মচাৰীৰ ক্ষেত্ৰতহে প্ৰয়োজ্য হ'ব। মুঠ উপাৰ্জনৰ ৫ শতাংশ পৰ্যন্ত ৰাজনৈতিক বৰঙণি কৰ্তন ব্যৱস্থাৰ অধীনত থাকিব।

এক চিঙ্গল ক'ডৰ অধীনত সকলোবোৰ প্ৰত্যক্ষ কৰক আনিবলৈ বিচৰা হৈছে আৰু একে ধৰণৰ কাৰ্য সাধন প্ৰক্ৰিয়াৰে কৰদাতাসকলৰ সুবিধাৰ অৰ্থে সমুচিত ব্যৱস্থাৰ পথ মুকলি হোৱাৰ আশা আছে। ডিটিচি অৰ্থাৎ ডাইৰেক্ট টেক্স ক'ডত সৰল ভাষা ব্যৱহাৰ কৰি লোকসকলে যাতে স্বেচ্ছামূলকভাৱে কৰ আদায় দিয়াৰ কাৰ্য সাধন কৰিব পাৰে তাক সফল কৰিবলৈ বিচৰা হৈছে। এই ক্ষেত্ৰত কৰ বিধি সমূহো স্পষ্ট হোৱা আৱশ্যক বুলি ডিটিচিয়ে অনুভৱ কৰে। যিমান দূৰ সম্ভৱ পৰা যায় সিমানেই আইনী ব্যৱস্থা গ্ৰহণৰ পৰিসৰ কমাবলৈ লোৱা হৈছে — যাতে তাত কোনো ধৰণৰ অস্পষ্টতা বা জটিলতা নেথাকে। বিৰোধী পক্ষয়ো তেতিয়া ভুলভাৱে গোচৰ উপস্থাপন কৰিব নোৱাৰে। প্ৰতিস্থাপিত বিধি ব্যৱস্থাক এনেদৰে বিকাশ কৰা হৈছে যে বিকশিত অৰ্থনীতিৰ গাঁথনিত কিবা পৰিৱৰ্তন কৰিব লগা হ'লে তাক সামৰি লোৱাৰ সামৰ্থ্য থাকিব। তাৰ বাবে সঘনে সংশোধন কৰাৰ প্ৰয়োজন নহয়।

প্ৰায়ভাগ কৰদাতাই হ'ল ক্ষুদ্ৰ আৰু মজলীয়া শ্ৰেণীৰ। গতিকে প্ৰ-পত্ৰত যি বিধি-নিয়মৰ বিষয়বোৰ প্ৰতিফলিত হয় সেয়াই হ'ল কৰ বিধি। সেইবাবে প্ৰ-পত্ৰত কৰ বিধিসমূহ সুনিয়াৰি আৰু যুক্তিসঙ্গতভাৱে উপস্থাপন কৰা হৈছে। ডিটিচিয়ে ক'ডৰ প্ৰথমৰপৰা চতুৰ্থ

সূচীলৈকে নিৰ্দিষ্ট কৰা প্ৰস্তাৱিত কৰৰ সকলো হাৰত স্থিৰতা প্ৰদান কৰিবলৈও বিচাৰিছে—যাৰদ্বাৰাই বাৰ্ষিক বিত্ত বিধেয়কৰ বাবে আৱশ্যক হোৱা বিষয়বোৰ পুনৰ বিবেচনা কৰিব লগা নহয় আৰু হাৰৰ সন্দৰ্ভত যদি কিবা পৰিৱৰ্তন কৰিব লগা হয়, তেনেহ'লে সূচীত উপযুক্ত সংশোধনৰ জৰিয়তে সংসদত এটা সংশোধনী বিধেয়কৰ আকাৰত কৰা হ'ব।

ডি টি চিৰ সন্দৰ্ভত বহু কথা ভবা হয়; আৰু সেয়ে ইয়াক উলাই কৰিব পৰা নেযায়। নামটো সলনি কৰিব পাৰি, কিন্তু ইয়াৰ সৰহভাগ ব্যৱস্থাই কৰদাতাসকলৰ হিতাৰ্থে ৰৈ যাব।

অধিক কৰ সংস্কাৰ সাধনৰ বাবে কৰ্পোৰেট খণ্ডৰ বাকচত এখন দীঘলীয়া তালিকা আছে। তাৰ ভিতৰত উল্লেখ কৰিব পাৰি ন্যুনতম বিকল্প কৰ উঠাই লোৱা, পশ্চাৎ অনুসৰণ কৰৰ প্ৰেতাত্মাক কবৰ দিয়া (বাকী থকা কৰ আদায় কৰাৰ ক্ষেত্ৰত ভোডাফোন আৰু আয়কৰ বিভাগৰ মাজত দেখা দিয়া মতানৈক্য) আৰু 'টেক্স হলিডে'ক পৰ্যায়ক্ৰমে বন্ধ কৰাৰ কাৰ্যই বিশেষ অৰ্থনৈতিক মণ্ডলত বিনিয়োগৰ পৰিমাণ হ্ৰাস কৰিব পাৰে। শ্বেয়াৰসমূহ পুনৰ ক্ৰয় কৰিবৰ কাৰণে মূলধনী লাভৰ কৰ ব্যৱস্থাক পুনৰস্থিত কৰা কাৰ্যও এনে সংস্কাৰৰ বিষয়।

এনেদৰে সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থা কৰ সংস্কাৰ সাধনৰ ক্ষেত্ৰত দেশখনৰ কাৰণে এটা ডাঙৰ পদক্ষেপ। ইয়াৰদ্বাৰাই প্ৰস্তুতকৰ্তা তথা বিনিয়োগ-কাৰীসকলক অৰ্থনীতি আগুৱাই নিবৰ বাবে প্ৰেৰণা যোগাব। মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধি গতি অধিক কৰিবৰ বাবে ২০১৬-১৭ বৰ্ষৰ বাজেটত কিছু সংস্কাৰ কৰাৰ আশা কৰিব পৰা যায়। ডি টি চি কিম্বা কৰ্পোৰেট বাকচৰ তালিকাৰ সন্দৰ্ভত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰে হয়তো আৰু সময় ল'ব পাৰে, কিন্তু এইটো স্পষ্ট যে কৰ বিধিসমূহ সহজ-সৰল কৰাৰ ঘাই উদ্দেশ্যৰ ওপৰত আলোকপাত কৰি থাকিব—যাতে ব্যক্তিসকলৰ জীৱন ধাৰণ সহজ হৈ পৰে, ব্যৱসায়-বাণিজ্য আগবাঢ়ে তথা বৃহৎসংখ্যক লোকক কৰৰ পৰিসৰৰ ভিতৰতলৈ আনিব পাৰে। লগতে প্ৰতিজন ভাৰতীয়কে কৰ আদায় দিয়াৰ দিশত সচেতন কৰি তুলিব পৰা যায় আৰু এটা সামাজিক কৰ্তব্য বুলিও ভাবিব পাৰে। ❒

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

### ডিচেম্বৰ ২০১৬ — উন্নয়নৰ বাবে বিজ্ঞান

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**
পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩
ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# ভাৰতীয় অৰ্থনীতি আৰু সৰ্বসাধাৰণৰ ওপৰত জি এছ টিৰ প্ৰভাৱ

**ৰঞ্জিৎ মেহতা***

জি এছ টিৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ ঐকান্তিক প্ৰয়াস নিঃসন্দেহে আদৰণীয়। সংবিধান সংশোধনী বিধেয়কৰ প্ৰস্তুতিৰ লগতে জি এছ টি আইনৰ আৰ্হি মুকলি কৰা কাৰ্যই জি এছ টি বলৱৎকৰণৰ দিশত ভাৰত চৰকাৰৰ দৃঢ় ইচ্ছাকে প্ৰতিফলিত কৰে। এই ক্ষেত্ৰত চৰকাৰৰ 'মেইক্ ইন্ ইণ্ডিয়া' প্ৰকল্পই অৰিহণা যোগাব। কাৰণ ইয়াৰ জৰিয়তে ভাৰত হৈ পৰিব সামগ্ৰী উৎপাদন আৰু প্ৰস্তুতকৰণৰ উত্তম থলী। তদুপৰি উদীয়মান যুৱকসকলৰ বাবে নিযুক্তি বা চাকৰিৰ সুযোগ সৃষ্টি কৰিব। ভাৰতক উৎপাদনৰ বাবে উত্তম থলীৰূপে গঢ় দিবলৈ অনুকূল পৰিৱেশ সৃষ্টি কৰা আৱশ্যক যাতে বিদেশী বিনিয়োগকাৰী বা কোম্পানীয়ে ইয়াত ব্যৱসায় কৰিবলৈ আগ্ৰহ অনুভৱ কৰে। ব্যৱসায় সুচাৰুৰূপে পৰিচালনা কৰিবলৈ, বিশেষকৈ উৎপাদন বা প্ৰস্তুতকৰণ খণ্ডত অন্যতম অন্তৰায় হ'ল অনিশ্চিত আৰু অপ্ৰত্যক্ষ কৰ।

সাম্প্ৰতিক বহুস্তৰীয় কৰ ব্যৱস্থাত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ উভয় পক্ষৰ তৰফৰপৰা কৰ আৰোপ কৰা থাকে; ইয়াৰ ফল সুদূৰপ্ৰসাৰী। বিভিন্ন হাৰত বিভিন্ন ঠাইত কৰ আৰোপ হৈ থাকে। কেন্দ্ৰীয় চৰকাৰৰ কৰসমূহ হ'ল আয় কৰ, সেৱা কৰ, কেন্দ্ৰীয় বিক্ৰী কৰ, আবকাৰী শুল্ক আৰু আমানতজনিত লেনদেন কৰ। ৰাজ্য চৰকাৰৰ কৰসমূহ হ'ল বিক্ৰী কৰ বা ভেট, অকট্ৰয়, ৰাজ্যিক আবকাৰী, সম্পত্তি কৰ, প্ৰৱেশ কৰ আৰু কৃষি কৰ। এই কৰসমূহে ভাৰতীয় পণ্যবিলাকত কৰৰ বোজা বৃদ্ধি কৰে। ইয়াৰ পৰিণতিত ঘৰুৱা বা আন্তঃৰাষ্ট্ৰীয় বজাৰত সামগ্ৰীৰ দাম আৰু বিক্ৰীত প্ৰভাৱ পৰে।

ইয়াৰ আশু সমাধানৰ বাবে সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) সংবিধান সংশোধনী বিধেয়ক সংসদত উত্থাপন কৰা হয় (ৰাজ্যসভাত ২০১৬ চনৰ ৩ আগষ্টত আৰু লোকসভাত ২০১৬ চনৰ ৮ আগষ্টত)। ৫০ শতাংশতকৈ অধিক সাংসদে অনুমোদন জনোৱাৰ পিছত ৰাষ্ট্ৰপতিয়েও এই বিধেয়কখনত অনুমোদন জনায়। ভাৰত চৰকাৰে ২০১৭ চনৰ এপ্ৰিলৰ ভিতৰত সামগ্ৰী আৰু সেৱাসমূহত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে আৰোপ কৰা সকলো পৰোক্ষ কৰ প্ৰত্যাহাৰ কৰি জি এছ টি প্ৰৱৰ্তন কৰিব লাগিব।

এই লক্ষ্য পূৰণ কৰিবলৈ ভাৰতৰ দৰে এখন সুবৃহৎ আৰু জটিল ফেডাৰেল গাঁথনি থকা বহুদলীয় গণতান্ত্ৰিক দেশত, য'ত কেন্দ্ৰীয় চৰকাৰৰ উপৰি ২৯ খন ৰাজ্য আৰু দুখন কেন্দ্ৰীয় শাসিত অঞ্চল আছে। কৰ ব্যৱস্থাৰ উন্নীতকৰণৰ এই ব্যৱস্থা নিঃসন্দেহে আধুনিক বিশ্বৰ কৰ ইতিহাসত অভূতপূৰ্ব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহে এইক্ষেত্ৰত আগবঢ়োৱা পদক্ষেপ শলাগিবলগীয়া। যুটীয়াভাৱে এই ঐতিহাসিক সুযোগ গ্ৰহণ কৰা উচিত কাৰণ জি এছ টিয়ে নিশ্চিতভাৱে ভাৰতীয় অৰ্থনীতিৰ ৰূপৰ আমূল পৰিৱৰ্তন সাধন কৰিব।

এছিয়াৰ তৃতীয় বৃহত্তম অৰ্থনৈতিক শক্তিৰ দেশ ভাৰতৰ স্বাধীনতাৰ পিছৰে পৰা জি এছ টি হ'ল আটাইতকৈ উল্লেখনীয় কৰ সংস্কাৰ। জি এছ টিয়ে দেশখনৰ পৰোক্ষ কৰ, শুল্ক, উপ-কৰ আৰু অতিৰিক্ত কৰসমূহ এটা কৰৰ আওতাত শ্ৰেণীভুক্ত কৰিব। ই দেশৰ আহুকলীয়া কৰ ব্যৱস্থা লাঘৱ কৰি বিভিন্ন ৰাজ্যৰ মাজত সামগ্ৰী সৰবৰাহত সহায় কৰিব। ইয়াৰ ফলত কৰ ফাকি ৰোধ হ'ব, ৰাজহ বৃদ্ধি পাব, বিনিয়োগ বৃদ্ধিত অৰিহণা যোগাব। ভাৰতত বিনিয়োগ আৰু ব্যৱসায় কৰাটো পূৰ্বতকৈ অধিক সহজ হৈ পৰিব।

জি এছ টিৰ বাবে কৰ ব্যৱস্থাটোৱে সকলো সামগ্ৰী আৰু সেৱাক কৰৰ আওতালৈ আনিব। সেইবাবে ই এটা সামগ্ৰিক কৰ ব্যৱস্থা ৰূপে পৰিগণিত হ'ব। দেশখনৰ বাবে এই কৰ ব্যৱস্থাই এখন উমৈহতীয়া বজাৰৰ সৃষ্টি কৰিব আৰু ই ভাৰতীয় অৰ্থনীতিৰ আমূল সংস্কাৰ সাধন কৰিবলৈ সমৰ্থ হ'ব। জি

***লিখক নতুন দিল্লীৰ বাণিজ্য আৰু উদ্যোগৰ পি এইছ ডি চেম্বাৰৰ সঞ্চালক। তেওঁৰ আন্তঃগাঁথনি, সক্তি খণ্ড, পুনৰ ব্যৱহাৰযোগ্য শক্তি, তেল আৰু গেছ, গৃহ নিৰ্মাণ খণ্ড, ৰিয়েল ইষ্টেট নিয়ন্ত্ৰক বিধেয়ক, ভূমি অধিগ্ৰহণ বিধেয়ক, দিল্লীৰ মূল আঁচনি, ৰাষ্ট্ৰীয় জল নীতি আদি ভালেমান নীতিৰ লগত জড়িত বিষয়ত ব্যুৎপত্তি আছে।**

এছ টিয়ে কৰ ব্যৱস্থা, কৰ আদায়, কৰ গণনা, জমাধনৰ সদ্ব্যৱহাৰ আদিত প্ৰভাৱ পেলাব।

জি এছ টিয়ে দেশৰ ব্যৱসায়িক ক্ষেত্ৰত প্ৰতি পদক্ষেপতে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব; উদাহৰণস্বৰূপে সামগ্ৰী বা সেৱাসমূহৰ দাম নিৰ্দ্ধাৰণ, যোগান শৃংখল, তথ্য প্ৰযুক্তি, হিচাপ পৰীক্ষণ আৰু কৰ পৰিশোধ আদিত জি এছ টিৰ ব্যাপক প্ৰভাৱ পৰিলক্ষিত হ'ব।

বৰ্তমান সকলো ৰাজ্যতে কৰৰ হাৰ একে নহয়। জি এছ টিয়ে এই হাৰ একে ৰাখিব। 'ইনপুট টেক্স ক্ৰেডিট' প্ৰদান কৰি ভিন্ন কৰৰ বিৰূপ প্ৰভাৱ হ্ৰাস কৰিব। ন্যূনতম ৰেহাইৰে সামগ্ৰিক কৰ ভিত্তি তৈয়াৰ কৰি লোৱাৰ ফলত ঔদ্যোগিক ক্ষেত্ৰক সহায় কৰিব।

**জি এছ টিৰ প্ৰধান সুফলসমূহ ঃ**

☆ জি এছ টিয়ে ভাৰতীয় অৰ্থনীতিক উচ্চ পৰ্যায়ত উপনীত কৰোৱাত বাৰুকৈয়ে সহায় কৰিব। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এটা সাক্ষাৎকাৰত কৈছে যে দাৰিদ্ৰ্য দূৰীকৰণ আৰু ৰাষ্ট্ৰৰ উন্নয়নৰ বাবে ব্যৱহৃত হ'ব পৰা সম্পদসমূহ বৃদ্ধি কৰাত জি এছ টিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। উত্তৰ প্ৰদেশ, বিহাৰ, মধ্য প্ৰদেশৰ দৰে দাৰিদ্ৰ্যপীড়িত ৰাজ্যসমূহত অধিক উপভোক্তা থকা বাবে কৰ ব্যৱস্থাৰ পৰিৱৰ্তনৰ ফলত সম্পদ বৃদ্ধি পাব।

☆ ভাৰতীয় জি এছ টিয়ে দ্বৈত ভেট ব্যৱস্থা অধিক স্বচ্ছ কৰি তোলাৰ বাবে অসুবিধাসমূহ হ্ৰাস পাব। উমৈহতীয়া ভিত্তি আৰু উমৈহতীয়া হাৰ (সামগ্ৰী আৰু সেৱাসমূহৰ ক্ষেত্ৰত) তথা প্ৰায় একে হাৰ (ৰাজ্যসমূহৰ ক্ষেত্ৰত আৰু কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত) প্ৰৱৰ্তন হোৱাৰ ফলত প্ৰশাসনৰ সুবিধা হ'ব। কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত বিক্ৰীৰ ক্ষেত্ৰত কৰ সংগ্ৰহ কৰাত সুবিধা হ'ব।

☆ একক কৰ সমতলৰ আওতালৈ অনাৰ বাবে 'মেইক্ ইন্ ইণ্ডিয়া' অধিক অৰ্থৱহ আৰু কাৰ্যকৰী হৈ পৰিব। সাম্প্ৰতিক কৰ ব্যৱস্থাই দেশখনৰ বজাৰসমূহক বিচ্ছিন্ন কৰি ৰাখিছে। কেন্দ্ৰীয় বিক্ৰী কৰ (চি এছ টি), অসংখ্য আন্তঃৰাজ্যিক কৰ, ঘৰুৱা উৎপাদনৰ আমদানিকৃত সামগ্ৰীৰ ওপৰত শুল্ক ৰেহাইৰ পিছত ক্ষতিপূৰণ আদায় দিয়া আদি বিভিন্ন ব্যৱস্থাৰ বাবে বজাৰত বিৰূপ প্ৰভাৱ পৰে। সেয়ে জি এছ টিৰ আওতালৈ আনি অধিকাংশ কৰ শ্ৰেণীবদ্ধ কৰা হ'ব, চি এছ টিৰ বিলোপ সাধন হ'ব আৰু আমদানিৰ ওপৰত জি এছ টি প্ৰয়োগ কৰাৰ ফলত ঘৰুৱা উৎপাদন বা প্ৰস্তুত সামগ্ৰীক উৎসাহিত কৰাৰ লগতে আমদানিক উদগনি দিব পৰা কাৰকসমূহ দূৰ কৰা হ'ব।

☆ জি এছ টিৰ অন্য এটা উল্লেখনীয় সুফল হ'ল ই দুই প্ৰকাৰে কৰ প্ৰশাসন উন্নত কৰিব। জি এছ টিৰ ফলত ভেট সম্পৰ্কীয় বিষয়সমূহৰ জটিলতা আঁতৰিব আৰু ব্যৱসায়ী-সকল ইয়াৰ পৰা অধিক লাভৱান হ'ব। দ্বিতীয়তে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ সমন্বয়ৰ বাবে কৰ ব্যৱস্থা অধিক শক্তিশালী হোৱাৰ থল আছে। ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ যুটীয়া নিৰীক্ষণৰ বাবে কৰ ফাকি দিয়াটো এতিয়া দুৰূহ হৈ পৰিব।

☆ বহু ধৰণৰ কৰৰ বোজা আৰু জনসাধাৰণৰ ওপৰত ইয়াৰ বিৰূপ প্ৰভাৱ জি এছ টিয়ে দূৰ কৰিব। জি এছ টিৰ প্ৰস্তাৱিত গাঁথনিৰ দুটা স্তৰ আছে, সেয়ে ই ফেৰাডেল পদ্ধতিৰ। জি এছ টিৰ তিনি ধৰণৰ কৰ থাকিব— কেন্দ্ৰীয়, ৰাজ্যিক আৰু সংহত জি এছ টি, যি কেন্দ্ৰ-ৰাজ্যৰ লেনদেনৰ বিষয়টো চোৱা-চিতা কৰিব। সাম্প্ৰতিক জি এছ টি কৰ সংশোধনী অনুসৰি সকলো ধৰণৰ সামগ্ৰী আৰু সেৱাৰ যোগান যেনে— স্থানান্তৰ, বিক্ৰী, বিনিময় আৰু ভাৰাসমূহৰ ক্ষেত্ৰত চি জি এছ টি আৰু এছ জি এছ টি থাকিব।

☆ কেইবাটাও কেন্দ্ৰীয় আৰু ৰাজ্যিক কৰ একক কৰৰ আওতালৈ অহা বাবে দ্বৈত কৰ ব্যৱস্থাৰ অৱসান হ'ব আৰু ইয়াৰ ফলত উমৈহতীয়া ৰাষ্ট্ৰীয় বজাৰৰ উদ্ভৱ হ'ব। উপভোক্তাৰ দৃষ্টিত সামগ্ৰীসমূহৰ সাময়িক কৰৰ বোজা লাঘৱ হ'ব আৰু এই হ্ৰাস বৰ্তমান ২৫ শতাংশৰপৰা ৩০ শতাংশ হ'ব বুলি ধাৰণা কৰা হৈছে।

☆ **দাম হ্ৰাস ঃ** উৎপাদনকাৰী আৰু ব্যৱসায়ীসকলে উৎপাদন ব্যয় অন্তৰ্ভুক্ত কৰাৰ আৱশ্যকতা নাথাকিব। সেয়ে সামগ্ৰীৰ দাম হ্ৰাস পাব।

☆ **প্ৰক্ৰিয়াগত আৰু অধীনস্থ ব্যয় ঃ** প্ৰক্ৰিয়াগত আৰু অন্যান্য ব্যয় হ্ৰাস পাব আৰু চি জি এছ টি, এছ জি এছ টি আৰু আই জি এছ টিৰ সুকীয়া পঞ্জীয়ন আৱশ্যক নহয়।

☆ জি এছ টিৰ সফল ৰূপায়ণে বিদেশী বিনিয়োগকাৰীক ভাৰতত ব্যৱসায় কৰাৰ সুগমতা সন্দৰ্ভত আকৰ্ষিত কৰিব।

☆ উৎপাদনকাৰীৰ ওপৰত কৰৰ বোজা হ্ৰাস পাব আৰু অধিক

উৎপাদনৰ জৰিয়তে বিকাশ ত্বৰান্বিত হ'ব। দ্বৈত কৰ পদ্ধতিৰ অৱসানৰ ফলত উৎপাদনকাৰী-সকল পূৰ্বৰ দৰে সমস্যাৰ সন্মুখীন হ'ব নালাগিব।

- ✯ তালাচী চকী আৰু ট'ল প্লাজাৰ দৰে বিভিন্ন কৰ আদায় দিয়া ব্যৱস্থা থাকিলে কিছুমান সামগ্ৰী পৰিবহনৰ সময়ত নষ্ট হোৱাৰ সম্ভাৱনা থাকে। ইয়াৰ ফলত বহু ক্ষতি হয়। একক কৰ ব্যৱস্থাই এই অন্তৰায় দূৰ কৰিব পাৰিব।
- ✯ উৎপাদনকাৰীৰ ওপৰত একক কৰ ব্যৱস্থা আৰোপ কৰিলে উপভোক্তাই কম দামত সামগ্ৰী কিনিব পাৰিব আৰু সৰ্বসাধাৰণৰ ওপৰত বোজা নাথাকিব। স্বচ্ছ ব্যৱস্থাৰ প্ৰৱৰ্তনৰ ফলত উপভোক্তাই জানিব পাৰিব যে তেওঁলোকে কিহৰ ভিত্তিত আৰু কিমান পৰিমাণৰ কৰ আদায় দিব।
- ✯ সামগ্ৰী বা সেৱাসমূহৰ বাবদ প্ৰস্তুতকৰ্তাই আদায় দিয়া কৰৰ বিপৰীতে জি এছ টিয়ে 'ক্ৰেডিট'-জাতীয় কেতবোৰ সুবিধা প্ৰদান কৰিব। ইয়াৰ ফলত এই প্ৰস্তুতকৰ্তা বা উৎপাদনকাৰীসকলে বিভিন্ন পঞ্জীয়নভুক্ত সংস্থা বা ব্যৱসায়ীৰ-পৰা কেঁচা সামগ্ৰী কিনিবলৈ উৎসাহ লাভ কৰিব আৰু ইয়াৰ ফলত অধিক সংখ্যক বিক্ৰেতা বা যোগানকাৰী এই কৰ ব্যৱস্থাৰ আওতালৈ আহিব। জি এছ টিয়ে ৰপ্তানি কৰা সামগ্ৰীৰ ওপৰত থকা সীমা শুল্কও আঁতৰাব। লেনদেনৰ ক্ষেত্ৰত কম ব্যয় হোৱাৰ বাবে বিদেশী বজাৰত আমাৰ প্ৰতিযোগিতামূলক মনোভাব বৃদ্ধি পাব।

**অৰ্থনীতিৰ কেইটামান প্ৰধান খণ্ডত জি এছ টিৰ প্ৰভাৱ ঃ স্থাৱৰ সম্পত্তি খণ্ড**

স্থাৱৰ সম্পত্তি খণ্ডত জি এছ টিৰ প্ৰভাৱ চকুতলগা। দেশৰ ভিতৰতে কৃষিৰ পিছতে নিৰ্মাণ হ'ল দ্বিতীয় বৃহত্তম নিযুক্তিৰ থলী আৰু মুঠ ঘৰুৱা উৎপাদনলৈ এই খণ্ডই উল্লেখনীয় অৰিহণা আগবঢ়ায়। ২০১৫-১৬ চনৰ অৰ্থনৈতিক সমীক্ষা মতে ২০১৩-১৪ চনত স্থাৱৰ সম্পত্তি খণ্ড হ'ল ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন ৭.৪ শতাংশ। বৰ্তমানৰ পৰোক্ষ কৰা ব্যৱস্থাত স্থাৱৰ সম্পত্তি উদ্যোগত বহু কৰ আৰোপ আৰু এই ব্যৱস্থাৰ অস্পষ্টতাৰ বাবে সংঘাত সৃষ্টি হৈছে।

সাম্প্ৰতিক আইন অনুসৰি স্থাৱৰ সম্পত্তিৰ ওপৰত বিভিন্ন কৰ আৰোপিত হৈ আছে— নিৰ্মাণ কাৰ্য আৰম্ভ কৰাৰ পৰা উপভোক্তাক এই সম্পত্তি বিক্ৰীৰ জৰিয়তে হস্তান্তৰ কৰালৈকে। সেইবোৰ হ'ল— সেৱা কৰ, মূল্য সংযোজিত কৰ (ভেট), দলিল, ভৱন নিৰ্মাণৰ কৰ ইত্যাদি। তদুপৰি স্থাৱৰ সম্পত্তি আহৰণ কৰাৰ সময়তো অন্যান্য বিভিন্ন কৰ (যেনে— আবকাৰী শুল্ক, চি এছ টি আদি) সংলগ্ন হৈ থাকে।

সাম্প্ৰতিক কৰ ব্যৱস্থাত নিৰ্মাণৰত সম্পত্তিৰ ওপৰত বহু কৰ আৰোপিত হয় বাবে বাসগৃহ ক্ৰয় কৰাৰ সময়ত উপভোক্তাই কৰৰ বোজা বহন কৰিব-লগীয়া হয়।

প্ৰস্তাৱিত জি এছ টি ব্যৱস্থাই পৰোক্ষ কৰ ব্যৱস্থাৰ অৱসান ঘটাই সৰলীকৰণৰ লক্ষ্যৰ দিশত আগবাঢ়ি যাব। জি এছ টিয়ে কৰ ব্যৱস্থাটোৰ আমূল পৰিৱৰ্তন সাধন কৰিব।

জি এছ টিয়ে স্থাৱৰ সম্পত্তি খণ্ডত স্বচ্ছতা প্ৰদৰ্শন কৰিব। এই ব্যৱস্থা প্ৰৱৰ্তন হ'লে ব্যাপক কৰ ফাকি ৰোধ কৰিব পৰা যাব। জি এছ টিয়ে বহুমাত্ৰিক আৰু জটিল কৰসমূহৰ সলনি একক কৰ আৰোপ কৰিব। ফলত অৱশেষত উপভোক্তাৰ পাল পৰাৰ সময়ত তেওঁলোকে কম মূল্য ভৰিব লাগিব।

**স্বাস্থ্য সেৱা খণ্ড**

এই খণ্ডত অত্যধিক ব্যয় যন্ত্ৰপাতি ক্ৰয় কৰাটো বৰ দুঃসাধ্য। সাম্প্ৰতিক কৰ ব্যৱস্থাৰ বাবে মূল্যৱান আৰু অত্যাধুনিক যন্ত্ৰপাতি ব্যৱসায়ৰ ক্ষেত্ৰত কৰ লাভদায়ক সাব্যস্ত নহয়। নতুন কৰ ব্যৱস্থাই স্বাস্থ্য সেৱা খণ্ডক উজ্জীৱিত কৰি তুলিব বুলি আশা কৰিব পাৰি। আমদানি শুল্কৰ আধিক্য হ্ৰাস পালে যন্ত্ৰপাতি আমদানি কৰাৰ ক্ষেত্ৰত লাভদায়ক হ'ব। জি এছ টিয়ে কৰ ব্যৱস্থাক সৰলীকৃত কৰি উদ্যোগটোক সহায় কৰিব। তদুপৰি ফাৰ্মাচিউটিকেল উদ্যোগৰ বাবেও জি এ টিয়ে অনুকূল পৰিৱেশ গঢ়ি তুলিব পাৰে। এই উদ্যোগৰ সামগ্ৰীসমূহত বৰ্তমানৰ কৰ ব্যৱস্থা অনুসৰি আঠটা বিভিন্ন কৰ আৰোপ কৰা হৈছে। একক কৰ ব্যৱস্থাই ইয়াৰ অৱসান ঘটালে ব্যৱসায়ৰ জটিলতা হ্ৰাস পাব। জি এছ টি-য়ে ফাৰ্মাচিউটিকেল সামগ্ৰীৰ যোগান শৃংখলৰ কুশলতা বৃদ্ধি কৰিলেই ভাৰতত এই উদ্যোগটোৰ বজাৰৰ পৰিসৰ ২ শতাংশলৈ বৃদ্ধি পাব। এই খণ্ডৰ বাবে ইতিমধ্যে বহুকেইটা কৰ ৰেহাইৰ লগতে লাভ আগবঢ়োৱা হৈছে। অৱশ্যে জি এছ টিৰ আওতাত পৰিলে এই সুফল অব্যাহত থাকিব নে নাই সেই সন্দৰ্ভত নিশ্চিতভাৱে ক'ব পৰা নাযায়। বৰঞ্চ স্বাস্থ্য বীমা আৰু পৰীক্ষাগাৰ বা ৰোগ নিৰ্দ্ধাৰণ কেন্দ্ৰসমূহৰ ওপৰত অধিক কৰ আৰোপিত হ'লে এই সেৱাসমূহ উপভোক্তাৰ বাবে অধিক ব্যয়সাধ্য হোৱাৰ থল আছে।

### বেংক আৰু বিত্তীয় সেৱা খণ্ড

ভাৰতৰ অধিকাংশ বেংক আৰু বিত্তীয় সেৱাৰ ওপৰত সেৱা কৰ ধাৰ্য কৰা আছে। এই কৰৰ হাৰ ১৪.৫ শতাংশ; কিন্তু জি এছ টি হ'বগৈ ১৮ৰ পৰা ২০ শতাংশ। গতিকে এই সেৱা-সমূহ অধিক ব্যয়সাপেক্ষ হ'ব।

ঋণৰ হাৰ, আমানতৰ ধনৰ ব্যৱসায়, বৈদেশিক মুদ্ৰা আৰু খুচুৰা ব্যৱসায় জি এছ টিৰ আওতালৈ আহিব। বেংক উদ্যোগৰ তৰফৰপৰা কোৱা হৈছে যে এনে সেৱা বা আয় জি এছ টিৰ আওতালৈ আনিব নালাগে। অৱশ্যে এই পৰামৰ্শ ৰূপায়ণ কৰা হ'ব নে নহয় জানিব পৰা হোৱা নাই।

সামগ্ৰিকভাৱে দেখা যায় যে বেংক আৰু বিত্তীয় সেৱাৰ ওপৰত জি এছ টি আৰোপ কৰাটো প্ৰত্যাহ্বানমূলক। ভাৰতত এয়া সফল হ'লে ই বিশ্বৰ বাবে আদৰ্শস্বৰূপ হ'ব।

### ভ্ৰমণ, পৰ্যটন আৰু পৰিচৰ্যা আতিথেয়তা

ভাৰত ভ্ৰমণ, পৰ্যটন আৰু অতিথি সেৱাৰ ওপৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বহুকেইটা কৰ ধাৰ্য হৈ আছে। জি এছ টিৰ অন্তৰ্ভুক্ত হ'লে হোটেল আৰু ৰেস্তোৰাঁৰ যোগানসমূহ একক কৰৰ অধীনলৈ আহিব।

### শিক্ষা খণ্ড

শিক্ষা খণ্ডত কৰ ৰেহাই আৰু লাভৰ সুবিধা আছে। বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ সেৱাত কোনো কৰ আৰোপ কৰা হোৱা নাই। জি এছ টি বলৱৎ হোৱাৰ পিছতো এই পৰিস্থিতি অব্যাহত থাকিব। যদি নাথাকে, তেন্তে 'ইনপুট ক্ৰেডিট' বা 'CENVAT ক্ৰেডিট'ৰ সহায়ত সুফল লাভ কৰিব পাৰিব। তেতিয়া উদ্যোগটোৰ সামগ্ৰিক ব্যয় হ্ৰাস পাব।

### জনসাধাৰণ (আম আদমী)ৰ ওপৰত জি এছ টিৰ প্ৰভাৱ

জি এছ টি বৰ্তমান চূড়ান্ত পৰ্যায়ত আছে। ঐতিহাসিক আইন প্ৰণয়নত মুঠ ঘৰুৱা উৎপাদন ২ শতাংশ বৃদ্ধি পাব। তেতিয়া সেৱাসমূহ অধিক ব্যয় সাপেক্ষ হ'লেও উপভোক্তাৰ বাবে মিশ্ৰিত লাভদায়ক হ'ব। সামগ্ৰীসমূহৰ ওপৰত বৰ্তমান ১২.৫ শতাংশ আবকাৰী শুল্কৰ লগতে ৫.১৫ শতাংশ ভেট আৰোপ কৰা হৈছে। ইয়াৰ অন্তিম মূল্য উপভোক্তাই ভৰিব লাগে। জি এছ টিৰ গ্ৰহণীয় হাৰ ১৮ শতাংশ ধাৰ্য কৰিলে উপভোক্তাৰ বাবে সামগ্ৰীৰ দাম কমিব। ঘৰুৱা অত্যাৱশ্যকীয় সামগ্ৰীত (যেনে বস্ত্ৰ, কিতাপ, খোৱা তেল আদি) ৫-৮ শতাংশ কৰ ধাৰ্য কৰা হৈছে; কিন্তু এই হাৰ ১৮ শতাংশ হ'লে সমগ্ৰ প্ৰক্ৰিয়াতে আউল লাগিব। সেৱা উদ্যোগত বৰ্তমানৰ কৰ ১৫ শতাংশৰপৰা ১৮ শতাংশ হ'বগৈ। ৰেস্তোৰাঁত খোৱাটো সস্তীয়া হ'ব, কাৰণ বৰ্তমান আমি সেৱা কৰ আৰু ভেট দুয়োটা ভৰিব লাগে।

জি এছ টিৰ অধীনত একক কৰ ব্যৱস্থা প্ৰযোজ্য হ'ব। ৰাজ্য চৰকাৰসমূহে সেৱা কৰ আৰোপ কৰিব বুলি ধাৰণা কৰা হৈছে আৰু তেনেক্ষেত্ৰত ফোনৰ বিল বেছিকৈ ভৰিব লাগিব। সেইদৰে সাধাৰণ লোকে গ্ৰহণ কৰা সেৱা যেনে— টেলিকম, ৰেল পৰিবহন, বেংক সেৱা, বিমান পৰিবহন আদিও ব্যয়বহুল হ'ব। ইয়াৰ বিপৰীতে সৰু মটৰ গাড়ী, এফ এম চি জি পণ্য (নিত্য প্ৰয়োজনীয় ঘৰুৱা সামগ্ৰী) আদিৰ দাম কমিব।

টেলিভিছনৰ দাম কমিব, কাৰণ 'মেইক ইন্ ইণ্ডিয়া' পদক্ষেপৰ অন্তৰ্গত হোৱা বাবে জি এছ টি কম পৰিমাণে ধাৰ্য হ'ব। বৰ্তমান ২০ হাজাৰটকীয়া এল ই ডি টিভিৰ বাবদ আমি দাম ভৰিব লাগে ২৪.৫ শতাংশ কৰসহ মুঠ ২৪,৯০০ টকা। জি এছ টিৰ আওতালৈ আহিলে এই কৰ ১৮ শতাংশলৈ হ্ৰাস পাব আৰু ইয়াৰ দাম হ'ব ২৩,৬০০ টকা।

অনলাইনত বেগ, জোতা, ইলেক্ট্ৰনিক সামগ্ৰী চৰা দামত কিনিব লাগিব; কাৰণ ই-কমাৰ্চ উদ্যোগ কৰ ব্যৱস্থাৰ আওতালৈ আহিব। বিক্ৰেতাৰ উৎসতে কৰ কৰ্তন (টি ডি এছ) কৰা বাবে প্ৰতিটো ক্ৰয় কৰা পণ্যৰ বিপৰীতে আমি অধিক দাম ভৰিব লাগিব। গতিকে ই-কমাৰ্চৰ ব্যৱসায়ীসকলৰ লাভৰ পৰিমাণ কম হ'ব আৰু সেয়ে তেওঁলোকে প্ৰদান কৰা ৰেহাইৰ পৰিমাণো হ্ৰাস পাব।

সামৰণিত ইয়াকে ক'ব পাৰি যে জি এছ টিৰ সফলতা সাধাৰণ ভাৰতীয় লোকৰ ওপৰত ইয়াৰ প্ৰভাৱ কেনে হ'ব তাৰ ওপৰত নিৰ্ভৰ কৰিব। জি এছ টি-ৰ সাৰমৰ্ম হ'ল সকলো সামগ্ৰী আৰু সেৱাৰ ওপৰত মধ্যমীয়া হাৰত কৰ আৰোপ। 'এখন দেশ, এটা কৰ' বাণীৰে জি এছ টিয়ে সৰ্বসাধাৰণৰ লগতে সামগ্ৰিকভাৱে দেশখনৰ অৰ্থনীতিত ইতিবাচক প্ৰভাৱ পেলাব। যেতিয়া কোনো নতুন আইন প্ৰণয়ন হয়, তেতিয়া বিশেষকৈ সৰ্বসাধাৰণ প্ৰভাৱিত হয়। জি এছ টিৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। ইয়াৰ প্ৰৱৰ্তন হ'লে সৰ্বসাধাৰণ প্ৰত্যক্ষভাৱে প্ৰভাৱিত হ'ব, কাৰণ সামগ্ৰীসমূহৰ সৰ্বশেষ উপভোক্তা তেওঁলোকেই। আমি আশা কৰোঁ যে জি এছ টিয়ে অৰ্থনীতিত বাৰুকৈয়ে ইতিবাচক প্ৰভাৱ পেলাব আৰু সৰলীকৃত কৰ ব্যৱস্থাৰে দেশখনক সংহত ৰাষ্ট্ৰীয় বজাৰমুখী কৰি তুলিব। উন্নত ভাৰতীয় অৰ্থনীতিয়ে নিশ্চিতভাৱে জনসাধাৰণৰ বিত্তীয় উন্নয়ন কঢ়িয়াই আনিব। ❐

# সামগ্ৰী আৰু সেৱা কৰ তথা সাংবিধানিক দিশৰ জটিলতা

**জয়ন্ত ৰয় চৌধুৰী***

বহু দিনৰপৰা অপেক্ষাৰত সামগ্ৰী আৰু সেৱা কৰে যিদৰে কানাডা আৰু ইউৰোপীয় সংঘত গ্ৰহণ কৰা একেধৰণৰ কৰ ব্যৱস্থাই তাত ৰূপান্তৰ সাধন কৰে, ঠিক তেনেদৰে ভাৰততো একক বিপণন ক্ষেত্ৰ গঢ়ি তুলিবলৈ বিচৰা হৈছে। কিন্তু এই প্ৰয়াসত এটা অনিচ্ছাকৃত পৰিণামেও দেখা দিব পাৰে; আৰু সেই পৰিণাম হ'ল— ভাৰতৰ সংবিধানক 'যি একীভূত দৃষ্টিভঙ্গীৰ ফেডাৰেল গাঁথনি'ৰূপে বৰ্ণনা কৰি অহা হৈছে তাৰ ঠাইত এনে এটা চিন্তাধাৰাই গা কৰি উঠিব পাৰে যি 'ফেডাৰেল দৃষ্টিভঙ্গীপুষ্ট ৰাষ্ট্ৰৰ কাৰণেহে সংবিধানখন' পৰিণত হ'ব।

এই সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থা গ্ৰহণ কৰাৰ পূৰ্বতে বিভিন্ন ৰাজ্যত ভিন্ন স্তৰত বহু ধৰণৰ কৰ পদ্ধতি আৰোপ কৰাৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছিল। আনকি কিছুমান স্থানীয় ব্যৱসায়ীয়ে 'এক দেশ, এক কৰ' শ্লোগানেৰে আগবাঢ়ি ওলাই আহিছিল। দেশখনৰ বজাৰ একীভূত কৰাৰ প্ৰক্ৰিয়া এই শতিকাৰ আৰম্ভণিতে 'ভেট' অৰ্থাৎ মূল্য সংযোজিত কৰেৰে আৰম্ভ হৈছিল। তেনে গতি অব্যাহত থাকিলেও ৰাজ্যবোৰে অৱশ্যে নিজৰ কৰ নীতিৰে স্বতন্ত্ৰীয়া হৈ থাকে। কিছুক্ষেত্ৰত নিজৰ বিত্তীয় বাধ্যবাধকতাৰদ্বাৰা পৰিচালিত হ'ব লগা হয়; আৰু এইটোৱে এনে এক পৰিস্থিতিৰ সৃষ্টি কৰিছিল য'ত 'ভেট' ব্যৱস্থাত বিভিন্ন ধৰণৰ কৰ আৰোপেৰে সততেই পৰিপূৰকভাৱে কাৰ্য সমাপন কৰিব লগা হৈছিল। ফলস্বৰূপে ভাৰতক এনে দিশলৈ আগুৱাই নিয়া হৈছিল যাৰ বাবে অন্যতম সৰ্বাধিক কৰ আৰোপিত ৰাষ্ট্ৰ ৰূপে অভিহিত কৰিবলৈ লোৱা হৈছিল।

সেই শ্লোগান আছিল কৰ আঁচনিক উপস্থাপন কৰাৰ ক্ষেত্ৰত সঠিকভাৱে কাৰ্য ৰূপ নিদিয়াৰ এটা প্ৰতিক্ৰিয়া। অৱশ্যে ই বাণিজ্যৰ গতিধাৰা মসৃণ কৰে, কিন্তু স্বাধীনতা লাভ কৰা তথা দেশ বিভাজনৰ পিছত প্ৰস্তুত কৰিব লগা সংবিধান প্ৰক্ৰিয়াত প্ৰতিফলন নঘটায়। এটা একীভূত চিন্তাধাৰাৰে ফেডাৰেল ৰূপ দিবলৈ কৰা ভাৰতৰ সিদ্ধান্তক দেশ বিভাজন কালত লাভ কৰা নিজ অভিজ্ঞতাৰদ্বাৰাই বোল দিব লগা হৈছিল যেতিয়া ৰাজদ্ৰোহীমূলক চিন্তা-ভাবনাই মূৰ দাঙি উঠি একেবাৰে চালুকীয়া হৈ থকা দেশখনক ছিন্ন-ভিন্ন কৰিবলৈ ভাবুকি আহি পৰিছিল।

সংবিধান সভাৰ কাম-কাজত জড়িত থকা বহু লোক তথা স্বতন্ত্ৰীয়া পৰ্যবেক্ষকসকলে প্ৰায়ে এই মত পোষণ কৰে যে সেই সভাত নতুন ৰাষ্ট্ৰৰ একতা তথা অখণ্ডতা নিশ্চিত কৰাৰ আৱশ্যকতাৰ ওপৰত সম্ভৱতঃ অধিকভাৱে আলোকপাত কৰা হৈছিল। প্ৰসঙ্গক্ৰমে সংবিধান সভাত অংশ গ্ৰহণ কৰা বিহাৰৰ সাংসদ শ্যামনন্দন সহায়ে আগবঢ়োৱা এটা দীঘলীয়া বিতৰ্কত এইবুলি যুক্তি দাঙি ধৰিছিল— 'কেন্দ্ৰ আৰু প্ৰদেশসমূহৰ মাজত বিত্তীয় বিষয় বুজা-বুজি কৰাৰ ক্ষেত্ৰত মই ভাবোঁ প্ৰদেশসমূহক যেনেদৰে লোৱা উচিত আছিল' তেনেদৰে ব্যৱহাৰ কৰা হোৱা নাই। মুঠৰ ওপৰত ক'বলৈ গ'লে মোৰ অনুভৱ হয় যে এই সন্দৰ্ভত প্ৰদেশসমূহে ১৯৩৫ চনত প্ৰণয়ন কৰা আইনৰ দিনবোৰতকৈ অধিক বেয়াকৈ ভোগ কৰিছে। জনগণৰ বাবে উপশমমূলক ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে প্ৰদেশসমূহৰ দায়িত্ব, প্ৰতিশ্ৰুতিবদ্ধতাক অটুট ৰখাৰ ক্ষেত্ৰত কেন্দ্ৰতকৈও অধিক কৰিব লগা থাকে আৰু সেই কাৰণে সেই প্ৰদেশবোৰক কৰ ব্যৱস্থাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা প্ৰদান কৰা উচিত আছিল।"

সি যি কি নহওক, অধিক মাত্ৰাত ফেডাৰেল ব্যৱস্থা প্ৰদানৰ শংকাৰ বিষয়টো যুক্তি সহকাৰে আগবঢ়োৱা হয়। কোৱা হয় যে এই অত্যধিক আৰোপৰ কাৰ্যই 'এক ভাৰত' চিন্তাধাৰাৰ বিপৰীতে যাব পাৰে আৰু তাৰ পৰিকাঠামতো প্ৰভাৱ পৰিব পাৰে। সেয়ে ফেডাৰেলবাদৰ সঠিক ব্যৱস্থাই আইনগত আৰু কৰ নিৰ্ণয় সাধনৰ ক্ষমতা ৰাজ্যবোৰতকৈ কেন্দ্ৰৰ হাতত থকাৰ প্ৰতি আলোকপাত কৰিবলৈ লোৱা হয়। ইউনাইটেড প্ৰভিন্সেছৰ সাংসদ, পণ্ডিত হৃদয়নাথ কুঞ্জৰুৱে সেই একেই সংবিধান

***লিখক ডী টেলিগ্ৰাফৰ জ্যেষ্ঠ বাণিজ্য সম্পাদক। তেওঁ আঢ়ৈ দশকৰো অধিক কাল সাংবাদিকতাৰ লগত জড়িত। তেওঁ অৰ্থনৈতিক আৰু ৰাজনীতি-অৰ্থনৈতিক বিষয়ত লেখনীত বিশেষজ্ঞ।**

সভাত এইবুলি কৈছিল— "প্ৰদেশসমূহৰ বিত্তীয় আৰু প্ৰশাসনীয় স্থিৰতা নিৰ্ভৰ কৰে কেন্দ্ৰৰ অৱস্থিতিৰ ওপৰত। কেন্দ্ৰৰ পৰা অধিক মাত্ৰাৰ অংশ দাবী কৰাটো প্ৰদেশসমূহৰ ক্ষেত্ৰত এক কম দৃষ্টিসম্পন্ন বিষয়হে হ'ব— তেহেলৈ কেন্দ্ৰীয় চৰকাৰৰ স্থিৰিৰ ওপৰত প্ৰদেশবোৰে কৰা দাবীৰ প্ৰভাৱ যিয়েই নহওক।"

পূৰ্বৰ কালছোৱাত কংগ্ৰেছ মন্ত্ৰণালয়ৰদ্বাৰা পৰিচালিত সৰহভাগ ৰাজ্যই পণ্ডিত জৱাহৰলাল নেহৰুৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ স'তে তাল মিলাই কাম কৰিছিল আৰু সেইবোৰ ৰাজ্যই কেতিয়াও এই ব্যৱস্থাৰ ক্ষেত্ৰত প্ৰশ্ন উত্থাপন কৰিবলৈ বিচৰা নাছিল। ১৯৬০ দশকৰ পৰাহে যেতিয়া ৰাজ্যসমূহত বিকল্প চৰকাৰে শাসন কৰিবলৈ ধৰে, তেতিয়াহে অনেক প্ৰত্যাহ্বানৰ বিষয় আহি পৰে। ফেডাৰেল গোটসমূহৰ কাৰণে অধিক ক্ষমতা বিচৰা হয়। উদাহৰণ স্বৰূপে এনে কেইখনমান ৰাজ্যৰ কথা ক'ব পাৰি। সেয়া হ'ল— চি পি এম শাসনাধিস্থ পশ্চিম বঙ্গ, এন টি ৰামা ৰাওৰ নেতৃত্বাধীন অন্ধ্ৰপ্ৰদেশ।

সম্প্ৰতি ৰাজ্যবোৰৰ বিভিন্ন ধৰণৰ কৰ, শুল্ক আদিৰ জৰিয়তে নানা ধৰণৰ সামগ্ৰী আৰু ব্যৱসায় সন্দৰ্ভত কৰ আৰোপ কৰাৰ অধিকাৰ আছে আৰু সেই প্ৰক্ৰিয়াকে ৰাজ্যবোৰে বৰ চতুৰালিৰে আইনৰ কিছুমান চৰ্তৰ অস্পষ্টতাৰ সুবিধা লৈ বহল পৰিসৰত কাৰ্য সাধন কৰে। উদাহৰণ স্বৰূপে পশ্চিম বঙ্গৰ কথাকে ক'ব পাৰি। সেই ৰাজ্যখনে সীমান্তৰ বাহিৰত বিক্ৰী কৰা কয়লাৰ ওপৰত কৰ আৰোপ কৰিছিল। আন ৰাজ্যবোৰে নিজ এলেকাৰ সীমান্তৰ সিপাৰৰপৰা অহা সামগ্ৰীৰ কাৰণে প্ৰৱেশ কৰ প্ৰচলন কৰিছিল। এয়া যিকোনো উপভোক্তা বা ব্যৱসায়ৰ প্ৰতি বাস্তৱিকতেই এক স্বৈৰাচৰ আচৰণ। পিছে অধিক কৰ তোলাৰ এই সামৰ্থ্যই ৰাজ্যবোৰক নিজৰ বিশেষ সমস্যা সমাধান কৰিবলৈ বৃহৎ পৰিমাণৰ সম্পদ গোটোৱাত সহায়ক হয় অথবা কোনো কোনো ক্ষেত্ৰত তেনে বৃহৎ সম্পদৰাজিৰ অপচয় হয়। সামগ্ৰী আৰু সেৱা কৰৰ ভালেকেইটা চৰ্তৰ বিৰোধিতা কৰা তামিলনাডুৰ এটা যুক্তিও আছে, যেতিয়া কোৱা হয় যে ৰাজ্যখনে বহল পৰিসৰৰ সামাজিক খণ্ডৰ সংস্কাৰ আঁচনি ৰূপায়ণ কৰে। কৰ আৰোপিত কাৰ্যসূচীৰপৰা যি ধনৰাশি উদ্ৰেক হৈছিল তাৰেই তেনে কাৰ্য সাধন কৰে।

এইটো সত্য যে দাক্ষিণাত্যৰ ৰাজ্যখনে সামাজিক পৰিধিৰ ক্ষেত্ৰত যথেষ্ট ভাল কাম কৰিছে আৰু সেই পৰিধি হ'ল স্বাস্থ্য আৰু শিক্ষা খণ্ড— যি ৰাজ্যখনক প্ৰতিদ্বন্দ্বী ৰাজ্যবোৰতকৈ বহুত আগুৱাই যোৱাত সহায় কৰিছে। তেনে স্থিতিত উপনীত হোৱাৰ বাবেই সেই দুই খণ্ডক অ' ই চি ডি দেশবোৰৰ স'তে তুলনা কৰিব পাৰি। অৰ্থনীতিবিদ জীন দ্ৰেজৰ ভাষাত ক'বলৈ গ'লে এইকেইষাৰ কথা স্মৰণীয়— "কেৰালা আৰু তামিলনাডু বিকাশ সূচীৰ মোটামুটি শ্ৰেণীকৰণত নিয়মীয়াকৈ শীৰ্ষ স্থান কিম্বা তাৰ ওচৰত উপৰিষ্ট হৈছে। সেই দুয়োখন ৰাজ্যই উন্নয়নৰ খৰতকীয়া দিশৰ পিনৰ পৰাও অন্যান্য ৰাজ্যক পাছ পেলাইছে।"

আনকি ৰাজ্যবোৰতকৈ পৌৰ সংস্থাবোৰেহে স্বতন্ত্ৰীয়াকৈ অধিক কৰ প্ৰয়োগ কৰি ভাল উপাৰ্জন কৰিব পাৰে। উদাহৰণ স্বৰূপে মুম্বাই পৌৰ নিগমে অক্ট্ৰয় শুল্কৰপৰা বিপুল পৰিমাণে উপাৰ্জন কৰে। সামগ্ৰী আৰু সেৱা কৰ কাৰ্যকৰী হোৱাৰ লগে লগে সেই বিত্তীয় ৰাশিৰ সন্দৰ্ভত প্ৰত্যাহ্বান জনোৱা হ'ব। কৰ আৰোপ কৰাৰ নিগমৰ ক্ষমতাক যথাৰ্থতেই হ্ৰাস কৰা হ'ব। এই বিষয়টোৰ প্ৰতি মনোযোগ দি নগৰ বিকাশ মন্ত্ৰণালয়ে ৰাষ্ট্ৰজোৰা সামগ্ৰী আৰু সেৱা কৰৰ ৰাজ্যৰ অংশভাগত সকলো চহৰৰ থলুৱা সংস্থাবোৰৰ কাৰণে ২৫ৰ পৰা ৩০ শতাংশ অংশভাগ দিবলৈ কৈছে।

যি ক্ষেত্ৰত এই জি এছ টি-ক অৰ্থাৎ সামগ্ৰী আৰু সেৱা কৰক কেন্দ্ৰ আৰু ৰাজ্যবোৰৰ মাজত এটা পাৰস্পৰিক গ্ৰহণযোগ্য সূত্ৰৰ ওপৰত ভিত্তি কৰি বিভক্ত কৰিবলৈ আশা কৰা হৈছে, তেনে ক্ষেত্ৰত মন্ত্ৰণালয়ে যুক্তি দৰ্শাইছে যে চহৰৰ থলুৱা সংস্থাবোৰে এক বিপুল বিত্তীয় খালী হোৱা অংশক সামৰি ল'বলৈ কাম কৰিব লাগিব যেতিয়াই থলুৱা সংস্থাৰ কৰ, অক্ট্ৰয় আৰু অন্যান্য প্ৰৱেশ কৰসমূহ নতুন কৰ নিৰ্দ্ধাৰণ পদ্ধতিৰ কাৰণে বাট মুকলি কৰিবলৈ এৰি দিব লাগিব।

তদুপৰি আইনগতভাৱে ক'বলৈ গ'লে জি এছ টি সংশোধনী আইনখনে সম্ভাব্য কৰ নিৰ্দ্ধাৰণৰ বৃহৎ গোটৰ কৰ প্ৰয়োগ ক্ষমতাক এটা অনিৰ্বাচিত সংস্থালৈ উপযুক্তভাৱে হস্তান্তৰ কৰা হ'ব। এই ক্ষেত্ৰত আইনখনৰদ্বাৰা প্ৰতিষ্ঠিত জি এছ টি পৰিষদে কেন্দ্ৰৰ সংসদ তথা ৰাজ্যৰ বিধান সভা উভয়ৰপৰা কৰ হাৰ নিৰ্ণয় কৰাৰ ক্ষমতা হাতত ল'ব আৰু এই নিৰ্ণয় কৰ হাৰকেই সমগ্ৰ দেশতে ৰূপায়ণ কৰিব লাগিব। জি এছ টি পৰিষদৰ ভিতৰত ভোট দান ক্ষমতাৰ ওজনৰ বিষয়টোলৈ নগৈ এই কথা স্পষ্ট যে দেশখনৰ চুক-কোণকে ধৰি সমগ্ৰ ঠাইতেই সকলো সামগ্ৰী আৰু সেৱাসমূহৰ ওপৰত কৰ হাৰ নিৰ্ণয় কৰাৰ ক্ষেত্ৰত এতিয়া পৰিষদেই হ'ব

সৰ্বোচ্চ বিধানিক সংস্থা। প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিৰ্বাচিত হোৱা সাংসদ আৰু বিধায়ক নহয়, মুঠতে ক'বলৈ গ'লে এয়া হ'ব নিৰ্বাচিত ভোট দাতাৰদ্বাৰা নিৰ্বাচন কৰা এটা শিক্ষিত 'ছুপাৰ বডী' অৰ্থাৎ সৰ্বোচ্চ সংস্থা।

কেৱল সেয়াই নহয়, ৰাজ্যই আৰোপ কৰা বিভিন্ন ধৰণৰ কৰ অচল কৰি জি এছ টি ব্যৱস্থাৰ অধীনত সাৰ্থক প্ৰয়োগৰ বাবে দিহা কৰা তথা উপাৰ্জন আৰু আবাসিক বিষয়সমূহৰ ক্ষেত্ৰত কৰ ধাৰ্যৰ ক্ষমতা কেন্দ্ৰৰ হাতত থকাৰ অৰ্থ হ'ল ৰাজ্যৰ কাৰ্যবাহী আৰু বিধানিক ব্যৱস্থাৰ নিজ নিজ ৰাজ্যত কি কি কৰ প্ৰয়োগ কৰিব পাৰি সেই সন্দৰ্ভত ক'ব লগা একো নাথাকিব।

বণ্ড আৰু বজাৰৰ ঋণ ব্যৱস্থাৰ জৰিয়তে এখন ৰাজ্যই তুলিব পৰা ধনৰাশিও বিত্তীয় দায়িত্ব তথা বাজেট ব্যৱস্থাপনা আইনখনে বন্ধ কৰে। ৰাজ্যসমূহৰ অৱস্থালৈ চাই ঋণৰ প্ৰতি ধাৱমান হোৱাৰ প্ৰয়োজন হ'লেও বিকাশ পুঁজিৰ কাৰণে অতিৰিক্তভাৱে আৱশ্যক হোৱা বিষয়বোৰ সমাধান কৰিবৰ বাবে ঋণক এটা আহিলা ৰূপে লোৱাটো বন্ধ কৰে। অৱশ্যে উল্লিখিত দুখন আইনৰ সংযোগে অৰ্থাৎ সামগ্ৰী আৰু সেৱা কৰৰ সংবিধান সংশোধনী আইন আৰু বিত্তীয় দায়িত্ব তথা বাজেট ব্যৱস্থাপনা আইনে ৰাজ্যৰ মুখ্য মন্ত্ৰী আৰু কেবিনেটক নিজ নিজ প্ৰদেশৰ ভিতৰত কাৰ্যসূচীবোৰ ৰূপায়ণ কৰা সন্দৰ্ভত ৰাজনৈতিক কাৰ্যবাহী দায়িত্ব প্ৰদান কৰে। কিন্তু তেনে কাৰ্যসূচীৰ বাবে কেনেদৰে পুঁজি সংগ্ৰহ কৰিব লাগিব সেই সম্বন্ধে বিবেচনা কৰাৰ অধিকাৰ নাই অথবা কেন্দ্ৰীয় চৰকাৰৰ স'তে মিলা-মিচা নকৰাকৈ কাৰ্যসূচীক যেন-তেন ভাৱে আগুৱাই নিয়াৰ অধিকাৰ নাই।

কৰ নিৰ্দ্ধাৰণ কৰা ক্ষমতাৰ মূল যুক্তি হ'ল 'সাৰ্বভৌমত্ব' ৰক্ষা কৰা বিষয়টো। ইয়াক আমেৰিকাৰ স্বতন্ত্ৰতা আন্দোলন কালত (আমেৰিকান ৱাৰ অব ইণ্ডিপেণ্ডচ) মহাদেশীয় ৰাজ্যবোৰে আৰম্ভ কৰিছিল। বিত্ত মন্ত্ৰী অৰুণ জেটলীয়ে— যিগৰাকী নিজেই সংবিধান সন্দৰ্ভত নিপুণ অধিবক্তা— বৰ গভীৰ আৰু উপযুক্তভাৱে আপত্তি দৰ্শোৱা বিষয়বোৰ সম্পৰ্কে উত্তৰ দি এনেদৰে কয় ঃ "যিসকলৰ মাজৰ কোনো কোনোৱে এনে ব্যৱস্থাৰদ্বাৰা তেওঁলোকৰ সাৰ্বভৌমত্বক আত্মসমৰ্পণ কৰিবলৈ লোৱা হৈছে বুলি অনুভৱ কৰে আচলতে তেনে নহয়, বৰং ইয়াৰদ্বাৰাই কেন্দ্ৰত ৰাজ্যবোৰৰ সাৰ্বভৌমত্বক স্থিতহে কৰা হ'ব।"

সি যি কি নহওক, এইটো মনত ৰখা ভাল হ'ব যে বিশ্বই এতিয়াও জি এছ টি-ক বিত্তীয় দুৰাৱস্থাৰ বাবে এটা প্ৰতিকাৰৰ উপায় স্বৰূপে সম্পূৰ্ণৰূপে আঁকোৱালি লোৱা নাই। আমেৰিকাই এতিয়াও কোনো ধৰণৰ জি এছ টি-য়ে স্থিতি লাভ কৰিবলৈ সন্মতি দান কৰা নাই। তাৰ কাৰণ সম্ভৱতঃ সংবিধানৰ ফেডাৰেল প্ৰকৃতি। দৰাচলতে ক'বলৈ গ'লে আমেৰিকাৰ ফেডাৰেল কৰ্তৃপক্ষই যিবোৰ কৰ আৰোপ কৰে সেই সন্দৰ্ভত ৰাজ্য তথা অন্যান্য পৌৰ চৰকাৰসমূহে আৰু কিবা নতুন কৰ আহিব বুলি প্ৰায়ে চকিত হৈ থাকে। যিহেতু সেই দেশখনত প্ৰত্যক্ষ কৰ ৰাজ্যবোৰৰ তদাৰকতাত পৰে, সেই কাৰণে সেই ৰাজ্যবোৰ আগ্ৰহান্বিত হোৱাটো স্বাভাৱিক। ভাৰতৰ দৰে ৰাজ্যবোৰৰ তদাৰকতালৈ নাহে। তাত কেন্দ্ৰীয় চৰকাৰে কৰ আৰোপ কৰে আৰু তাৰপিছত ৰাজ্যবোৰে নিৰ্দ্ধাৰিত ফৰমূলা অনুযায়ী ভগাই লয়।

তাত ৰাজ্য আৰু স্থানীয় কৰযোগ্য উপাৰ্জনক ৰাজ্যৰ আইনৰ অধীনত থিৰ কৰা হয়— যদিও ফেডাৰেল কৰযোগ্য উপাৰ্জনৰ হিচাপৰ ওপৰত সততেই ভিত্তি কৰি তাক উলিওৱা হয়, তথাপি কোনো কোনো ক্ষেত্ৰত তেনে নহয়। ৰাজ্যবোৰে কৰযোগ্য উপাৰ্জন হিচাপ কৰাৰ বিকল্প ব্যৱস্থা উদ্ভাৱন কৰি তাক সমাধান কৰে কিম্বা বিকল্প কৰ উপায়েৰেও কাৰ্য সাধন কৰে। ব্যক্তিসকলৰ ওপৰত কৰ আৰোপৰ মুঠ মাপ ৰূপে অনিশ্চিত অৱস্থাত থাকিলেও জি ডি পি অৰ্থাৎ মুঠ ঘৰুৱা উৎপাদনৰ ২৪.৮ শতাংশত নিৰ্ণয় কৰা হয়। ইয়াৰ তুলনাক্ৰমে ভাৰতৰ হিচাপত এই মুঠ ঘৰুৱা উৎপাদনৰ হাৰ হ'ব ১৬.৬ শতাংশ।

কানাডাত জি এছ টি ব্যৱস্থা যোৱা শতিকাত আৰম্ভ কৰা হৈছিল। প্ৰত্যক্ষ কৰৰ ওপৰত তাৰ প্ৰদেশবোৰৰ ক্ষমতা আছে আৰু পৰোক্ষ কৰ আৰোপ কৰাৰ ক্ষমতা ফেডাৰেল চৰকাৰৰ আছে আৰু সেই বাবে ৰাজ্যৰ ক্ষমতাত জি এছ টি-লৈ পৰিৱৰ্তন হোৱাত কোনো প্ৰভাৱ নেপেলায়।

ভাৰতৰ ক্ষেত্ৰত ক'বলৈ গ'লে ৰাজনৈতিক সংস্থাবোৰে সামগ্ৰী আৰু সেৱা কৰ মূৰকত ৰূপায়ণ কৰাৰ প্ৰত্যাহ্বানৰ প্ৰতি কেনেদৰে সঁহাৰি জনায় তাক চাবলৈ এতিয়াও বাকী আছে। সম্প্ৰতি যি উদ্ভাৱন কৰা হৈছে সেই কৰ আৰোপ ক্ষমতাক গ্ৰহণ কৰিব পৰা যায় অথবা কিছুদূৰ গৈ নতুন উদ্ভাৱনৰ যথাযথ স্থিতিৰপৰা পৰিৱৰ্তনো বিচাৰিব পাৰে আৰু যদি ৰাজ্যবোৰে মূৰকত কমভাৱে পোনপটীয়া গতি থকা বিত্তীয় ব্যৱস্থা বিচাৰে, তেনেহ'লে সেইবোৰে অষ্ট্ৰেলিয়াৰ আৰ্হি বাছি ল'বও পাৰে। তাত ফেডাৰেল কিম্বা কমনওৱেল্থ

**(১৮ পৃষ্ঠাত চাওক)**

# ভাৰতৰ কৰ ব্যৱস্থাৰ ওপৰত চমু আলোকপাত

মালিনী চক্ৰৱৰ্তী*

আমি সকলোৱে দৈনন্দিন জীৱনত বিভিন্ন ৰূপত চৰকাৰক কৰ পৰিশোধ কৰোঁ। আমি পৰিশোধ কৰা এই কৰসমূহ চৰকাৰে গ্ৰহণ কৰা বিভিন্ন অৰ্থনৈতিক কাম-কাজত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। চৰকাৰে বহু দায়িত্ব সম্পন্ন কৰিবলগীয়া হয়। এইবোৰৰ ভিতৰত আছে আইনৰ বিধি নিশ্চিতকৰণ, ৰাজহুৱা সামগ্ৰী আৰু সেৱা আগবঢ়োৱা, কায়িক আৰু সামাজিক আন্তঃগাঁথনি গঠন কৰা, জনসাধাৰণৰ শিক্ষাৰ বাবে বিনিয়োগ, দৰিদ্ৰতা নিৰ্মূলকৰণ আদি। স্পষ্টকৈ ক'বলৈ গ'লে চৰকাৰে ইয়াৰ প্ৰতিশ্ৰুতিবোৰ পূৰণ কৰাৰ অৰ্থে এটা আৰ্থিক সম্পদৰ এটা অৰ্থপূৰ্ণ পৰিমাণ ব্যয় কৰিবলগীয়া হয়। চৰকাৰে বিভিন্ন কাম-কাজৰ বাবে পুঁজিৰ যোগান ঘাইকৈ কৰ, ব্যৱহাৰকাৰীৰ মাচুল/সেৱা কৰ আৰু ঋণৰ জৰিয়তে বিত্তীয় সম্পদ পৰিচালনা কৰিবলগা হয়। যিবোৰ পুঁজিয়ে ঋণ সৃষ্টি নকৰে নতুবা সম্পদো হ্ৰাস নকৰে তেনে পুঁজিক ৰাজহ প্ৰাপ্তি বুলি কোৱা হয়। ঋণৰ দৰে পুঁজিৰ আন যিবোৰ উৎসই ঋণ সৃষ্টি কৰে নতুবা যিবোৰ সম্পদ হ্ৰাস কৰে (উদাহৰণ স্বৰূপে নিৰ্বিনিয়োগ) সেইবোৰক মূলধনী প্ৰাপ্তি বুলি কোৱা হয়। সেইবাবে কৰ আৰু ব্যৱহাৰকাৰী মাচুল। সেৱা ব্যয় হ'ল চৰকাৰৰ ৰাজহ প্ৰাপ্তিৰ কিছুমান উদাহৰণ আৰু ঋণসমূহ হ'ল মূলধন প্ৰাপ্তি।

**কৰ ৰাজহ আৰু অ-কৰ ৰাজহ**

চৰকাৰৰ ৰাজহ প্ৰাপ্তি দুটা ভাগত ভগাব পাৰি ঃ কৰ ৰাজহ আৰু অ-কৰ ৰাজহ। **কৰ ৰাজহ ঃ** বিধি প্ৰয়োগৰ জৰিয়তে চৰকাৰে সংগ্ৰহ কৰা ধন এই শ্ৰেণীত পৰে। **অ-কৰ ৰাজহ ঃ** মাচুল ব্যৱহাৰকাৰীৰ ব্যয়, লভ্যাংশ আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগৰ লাভ, সুদ প্ৰাপ্তি, জৰিমনা আদিৰ জৰিয়তে প্ৰাপ্ত ধন এই শাৰীত পৰে। বিশ্বৰ বহু দেশত কৰ ৰাজহে চৰকাৰৰ ৰাজহৰ এটা গুৰুত্বপূৰ্ণ অনুপাত গঠন কৰে।

**প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ**

কৰ পদ্ধতিক প্ৰত্যক্ষ আৰু পৰোক্ষ দুটা ভাগত ভগাব পাৰি।

**প্ৰত্যক্ষ কৰ ঃ** প্ৰত্যক্ষভাৱে আৰোপ কৰা কৰ হ'ল প্ৰত্যক্ষ কৰ। অন্য অৰ্থত চৰকাৰক পৰিশোধ কৰিবলগীয়া কৰৰ বোজা স্থানান্তৰ কৰিব নোৱাৰি নিজেই বহন কৰিবলগা হয়। আয়, সম্পত্তি আৰু সম্পদৰ কৰ এই ভাগত পৰে। আনহাতে পৰোক্ষ কৰ হ'ল সামগ্ৰীৰ ব্যৱসায়িক লেনদেন/সেৱাৰ জৰিয়তে কৰৰ বোজা আন লোকলৈ স্থানান্তৰ কৰিব পাৰি। এইটো হ'ল পৰোক্ষ কৰ— কাৰণ যিজন প্ৰতিনিধিয়ে এই কৰৰ বোজা বহন কৰে তেওঁৰ ওপৰত স্বাভাৱিকভাৱে কৰ আৰোপণ কৰা হোৱা নাই। সীমা শুল্ক, আবকাৰী শুল্ক, সেৱা কৰ, বিক্ৰী কৰ/মূল্য সংযোজিত কৰ আদি ইয়াৰ অন্তৰ্ভুক্ত।

**ভাৰতৰ বিভিন্ন প্ৰকাৰৰ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ**

অৰ্থনীতিৰ ভিতৰত প্ৰত্যক্ষ আৰু পৰোক্ষ উভয় কৰ বৰ্তি আছে যিবোৰ বিভিন্ন প্ৰকাৰৰ উপাৰ্জন, উৎপাদন, সামগ্ৰী বিক্ৰী আৰু সেৱাৰ বাবদ আৰোপণ কৰা হয় আৰু কিছুমান সিমান্তৰ সিপাৰলৈ সৰবৰাহ কৰা সামগ্ৰীৰ ওপৰত আৰোপণ কৰা হয়। ভাৰতত প্ৰচলিত তেনে বিভিন্ন প্ৰকাৰৰ কৰৰ কিছুমান উদাহৰণ ডাঙি ধৰা হ'ল।

**কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত কৰ ক্ষমতাৰ বিভাজন**

ভাৰতীয় সংবিধানে প্ৰশাসনৰ বিভিন্ন স্তৰৰ কৰাৰোপন ক্ষমতাৰ বিষয়ে স্পষ্টকৈ নিৰ্ধাৰণ কৰি দিছে। সেইবাবে কৰ আৰোপণ আৰু শুল্ক নিৰ্ধাৰণৰ ক্ষমতা কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু স্থানীয় নিকায় এই তিনিটা খলপাত বিভাজন কৰিছে।

- নিগম আৰু ব্যক্তিগত উপাৰ্জনৰ (ৰাজ্য চৰকাৰে সংগ্ৰহ কৰিব পৰা কৃষি বিষয়ক আয়ৰ ওপৰত লগোৱা কৰৰ বাহিৰে) ওপৰত কৰ সংগ্ৰহ কাৰ্যৰ ক্ষমতা বেছিভাগ ক্ষেত্ৰতে কেন্দ্ৰীয় চৰকাৰক দিয়া হৈছে।
- পৰোক্ষ কৰৰ এলেকাৰ ভিতৰত, কেন্দ্ৰীয় চৰকাৰৰ উৎপাদন বা

*লিখিকাগৰাকী বৰ্তমান চেণ্টাৰ ফৰ্ বাজেট এণ্ড গভাৰ্ণেন্স একাউণ্টেবিলিটি (চি বি জি এ)ৰ সৈতে কাম কৰি আছে।

| প্ৰত্যক্ষ কৰ | পৰোক্ষ কৰ |
|---|---|
| ▯ **কৰ্পৰেশ্বন কৰ ঃ** এই কৰ দেশৰ পঞ্জীয়নভুক্ত কোম্পানী/কৰ্পৰেশ্বন (ৰাষ্ট্ৰীয়ই হওক বা বহুজাতিক/বিদেশীয়েই হওক) সমূহৰ উপাৰ্জনৰ ওপৰত আৰোপিত কৰ। ভাৰতৰ ৰাষ্ট্ৰীয় কোম্পানীবোৰৰ ওপৰত উৎস আৰু মৌলিকতাৰ পৰিৱৰ্তে তেওঁলোকৰ মুঠ উপাৰ্জনৰ ভিত্তিত কৰ আৰোপণ কৰা হয়। আনহাতে ভাৰতৰ বাহিৰত চলোৱা অভিযানৰ ফলত হোৱা উপাৰ্জনৰ ভিত্তিত বিদেশী কোম্পানীবোৰৰ ওপৰত কৰ আৰোপণ কৰা হয়। **ব্যক্তিগত উপাৰ্জনৰ ওপৰত কৰ ঃ** এই কৰ আয়কৰ আইন, ১৯৬১ৰ অধীনত ব্যক্তি আৰু প্ৰতিষ্ঠান আদিৰ ব্যক্তিগত উপাৰ্জনৰ ওপৰত আৰোপ কৰা হয়।<br>▯ **'সুৰক্ষা লেনদেন কৰ'ৰ** দৰে কৰসমূহ প্ৰত্যক্ষ কৰৰ অন্তৰ্ভুক্ত, যিটো ষ্টক এক্সচেইঞ্জ আৰু পাৰস্পৰিক পুঁজি গোটসমূহত গ্ৰহণ কৰা সুৰক্ষাৰ লেনদেনৰ ওপৰত আৰোপ কৰা হয়।<br>▯ **মূলধন অৰ্জন কৰ ঃ** সম্পদৰ অধিকাৰীয়ে ৰঙীণ চিত্ৰ, ৰত্ন আৰু অলংকাৰ, ব্যৱসায়ৰ অংশ, পাৰস্পৰিক পুঁজি আদি বিভিন্ন প্ৰকাৰৰ সম্পত্তিৰ মূলধনী সম্পদ বিক্ৰীৰ জৰিয়তে হোৱা লাভ হ্ৰস্ব বা দীৰ্ঘকালীনেই হওক মূলধনী লাভ হিচাপে কৰৰ যোগ্য। কৰযোগ্য মূলধনী লাভ বা প্ৰকৃত লাভৰ সম্পদবিধ ক্ৰয় কৰা মূল্য আৰু বিক্ৰী কৰা মূল্যৰ মাজত মৌলিকভাৱে পাৰ্থক্য আছে। মূলধনী সম্পদবিধ বিক্ৰী কৰা বছৰটোত কৰ আৰোপণ কৰা হয়।<br>▯ **সম্পদ কৰ ঃ** এই কৰ সম্পদ কৰ আইন, ১৯৫৭ ৰ অধীনত ব্যক্তি আৰু কোম্পানীকে ধৰি নিৰ্দিষ্ট ব্যক্তিৰ বিশেষ সম্পদৰ ওপৰত আৰোপ কৰা হয়। সম্পদ কৰ উৎপাদনমূলক সম্পদৰ ওপৰত লগোৱা | নহয়। সেইবাবে ব্যৱসায়ৰ অংশ (শ্বেয়াৰ), ঋণপত্ৰ, ইউ টি আই পাৰস্পৰিক পুঁজি আদিত সম্পদ কৰযোগ্য নহয়। সি যি কি নহওক, ২০১৫-১৬ চনত সম্পদ কৰ অতি ধনীসকলে পৰিশোধ কৰিবলগীয়া অতিৰিক্ত কৰৰদ্বাৰা বিলোপ সাধন কৰা হয়।<br>▯ ▯ **সম্পত্তি কৰ ঃ** ভাৰতৰ আয়কৰ আইন অনুসৰি সম্পত্তিৰ পৰা হোৱা আয়, আয়ৰ এটা শিতান হিচাপে বিবেচনা কৰা হয়, এইবোৰৰ ভিতৰত ভৱন, ফ্লেট, দোকান আৰু ভূমি ইত্যাদি অন্তৰ্ভুক্ত।<br>▯ **উৎপাদনী শুল্ক ঃ** দেশত নিৰ্মিত কিছুমান সামগ্ৰী যিবোৰ ঘৰুৱা উপভোগৰ বাবে ব্যৱহাৰ কৰা হয়— তেনে সামগ্ৰীৰ ওপৰত আৰোপিত কৰা এবিধ কৰ।<br>▯ **বিক্ৰী কৰ ঃ** এই কৰ নিৰ্দিষ্ট কৰযোগ্য সামগ্ৰী ক্ৰয় বা বিনিময়ৰ সময়ত আৰোপ কৰা হয় আৰু উৎপাদনবিধৰ মুঠ মূল্যৰ এটা শতাংশ হিচাপে আৰোপ কৰা হয়।<br>▯ **মূল্য সংযোজিত কৰ (ভি এ টি) ঃ** ই হ'ল বহুস্তৰীয় কৰ, যোগান শৃংখলৰ প্ৰত্যেক স্তৰতে 'মূল্য সংযোজন'ৰ ওপৰত এই কৰ আৰোপ কৰা হয় আৰু বিক্ৰীৰ সমগ্ৰ মূল্যৰ ওপৰত আৰোপ কৰা নহয়। মূল্য সংযোজিত কৰত কৰদাতাসকলে যোগান শৃংখলৰ প্ৰথম স্তৰসমূহত কাৰ্য নিয়োজিত শক্তিৰ ওপৰত পৰিশোধ কৰা কৰৰ কাৰণে বিশ্বাসযোগ্যতা লাভ কৰে।<br>▯ এই কৰ কোনোৱে আগবঢ়োৱা সেৱাৰ ওপৰত আৰোপ কৰা হয় আৰু এই কৰ পৰিশোধৰ দায়িত্ব সেৱা আগবঢ়োৱাৰ ওপৰত ন্যস্ত হয়।<br>▯ **আমদানি শুল্ক ঃ** এই প্ৰকাৰৰ কৰ দেশৰ বাহিৰৰ পৰা আমদানি কৰা আৰু ৰপ্তানি কৰা সামগ্ৰীৰ ওপৰত ধাৰ্য কৰা হয়। |

নিৰ্মাণৰ ওপৰত আমদানি শুল্কৰ ব্যাপক স্পেকট্ৰাম আৰোপণ কৰা আৰু আগবঢ়োৱা সেৱাৰ ওপৰত সেৱা কৰ আৰোপ কৰাৰ কৰ্তৃত্ব আছে। আনহাতে সামগ্ৰী বিক্ৰী আৰু আন কিছুমান কৰ আৰোপণ কৰাৰ বাবে ৰাজ্য চৰকাৰৰ ক্ষমতা দিয়া হৈছে। কেন্দ্ৰই আৰোপ কৰিব পৰা কিছুমান পৰোক্ষ কৰ হ'ল আমদানি শুল্ক, কেন্দ্ৰীয় উৎপাদন শুল্ক, বিক্ৰী কৰ আৰু সেৱা কৰ।

▯ ▯ ৰাজ্য চৰকাৰক বিক্ৰী কৰ, মোহৰ শুল্ক/সম্পত্তি হস্তান্তৰ কৰাৰ বাবে শুল্ক /ৰাজ্যিক উৎপাদন শুল্ক (সুৰা প্ৰস্তুতকৰণৰ বাবে শুল্ক), ভূমি ৰাজহ (কৃষি/অ-কৃষি উদ্দেশ্যত ব্যৱহাৰ কৰা ভূমিৰ বাবে কৰ),

আমোদ কৰ আৰু বৃত্তিৰ ওপৰত কৰ আৰোপৰ ক্ষমতা প্ৰদান কৰা হৈছে। ৰাজ্য চৰকাৰে আৰোপ কৰা বিক্ৰী কৰ ব্যৱস্থাটো মূল্য সংযোজিত কৰৰ (ভি এ টি) দ্বাৰা ২০০৫ চনতে আঁতৰোৱা হৈছে কিয়নো সকলো ৰাজ্যৰ মূল্য সংযোজিত কৰ ব্যৱস্থা আওতালৈ অনা হৈছিল।

- **স্থানীয় নিকায়সমূহক কৰ আৰোপণ কৰিবলৈ প্ৰদান কৰা ক্ষমতাৰ ক্ষেত্ৰসমূহ হ'ল ঃ** সম্পত্তিৰ ওপৰত কৰ (ভৱন আদি), অক্টৰই (ব্যৱহাৰৰ বাবে বাহিৰৰ পৰা অনা সামগ্ৰীৰ/স্থানীয় নিকায়ৰ অন্তৰ্গত ক্ষেত্ৰত উপভোগৰ বাবে প্ৰৱেশ কৰ), বজাৰৰ ওপৰত কৰ আৰু পানী যোগান, নলা-নৰ্দমা আদি ব্যৱহাৰৰ বাবে পৰিশোধ কৰিবলগীয়া কৰ/ব্যৱহাৰকাৰীৰ খৰচ আদি। বিগত বছৰবোৰত ভালেমান স্থানীয় নিকায়ত অক্টৰইৰ বিলোপ কৰা হৈছে।

**কেন্দ্ৰীয় কৰ ব্যৱস্থাত সংগৃহীত ৰাজহৰ বিতৰণ**

কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত আৰোপণ ক্ষমতা আৰু ব্যয় দায়িত্বত দেখা বিভিন্ন কাৰণত অভাৰসাম্যৰ সৃষ্টি হয়। এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত বিত্তীয় সম্পদ ভাগ বাটোৱাৰাত পৰামৰ্শ দিবৰ বাবে প্ৰতি পাঁচ বছৰত এখন বিত্তীয় আয়োগ গঠন কৰা হয়, ইয়াৰ গুৰুত্বপূৰ্ণ অংশ হ'ল কেন্দ্ৰীয় চৰকাৰৰ কৰ ব্যৱস্থাত সংগৃহীত ৰাজহৰ ভাগ কৰাৰ লগত প্ৰাসংগিক। বৰ্তমান, সকলো কেন্দ্ৰীয় কৰ, উপকৰৰ পৰা যিবোৰ সংগ্ৰহ বাধা, অতিৰিক্ত মাচুল, কেন্দ্ৰীয়শাসিত অঞ্চলৰ কৰ আৰু কেন্দ্ৰীয় কৰ সংগ্ৰহত হোৱা ব্যয়ৰ সমপৰ্যায়ৰ পৰিমাণ ভাগ কৰিবৰ যোগ্য/কেন্দ্ৰীয় কৰ ৰাজহৰ বিভাজ্য পুঁজি হিচাপে লোৱা হয়। চতুৰ্দশ বিত্ত আয়োগে (২০১৫ চনৰ ১ এপ্ৰিলত আৰম্ভ হোৱা) প্ৰতিবছৰে ৰাজ্যসমূহলৈ ৪২ শতাংশ ভাগ কৰাৰ যোগ্য/ কেন্দ্ৰীয় কৰ ৰাজহৰ বিভাজ্য পুঁজি হস্তান্তৰকৰণ আৰু বাকী থকা পুঁজি কেন্দ্ৰীয় বাজেটৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাখিবলৈ পৰামৰ্শ দিছে।

**কৰ মুঠ ঘৰুৱা উৎপাদন আৰু ভাৰতত কৰসমূহৰ অগ্ৰগতি**

এখন দেশৰ কৰ মুঠ ঘৰুৱা উৎপাদন অনুপাত এটা গুৰুত্বপূৰ্ণ সূচক, কিয়নো ই অৰ্থনীতিৰ সামগ্ৰিক আকাৰৰ তুলনাত চৰকাৰে কিমান কৰ সংগ্ৰহ কৰিলে সেই বিষয়ে বুজিবলৈ সহায় কৰে। উচ্চ কৰ মুঠ ঘৰুৱা উৎপাদন অনুপাতে চৰকাৰৰ বাজেটলৈ অধিক সুযোগ দিয়ে যাতে ই ঋণ অবিহনে অধিক ব্যয় কৰিব পাৰে। সি যি কি নহওক, ভাৰতৰ কৰ মুঠ ঘৰুৱা উৎপাদন ভালেমান বছৰৰ উচ্চ বিকাশৰ সত্বেও নিম্ন পৰ্যায়ত আছে আৰু ব্ৰিকছ দেশসমূহৰ ভিতৰত এইটো সৰ্বনিম্ন কৰ মুঠ ঘৰুৱা উৎপাদন অনুপাত। সেয়েহে এই হাৰ বৃদ্ধি কৰাটো জৰুৰী প্ৰয়োজন।

ভাৰতৰ গাঁথনিৰ আন এটি দিশ হ'ল অগ্ৰগতিৰ অভাৱ। উচ্চ আয়ৰ লোকসকলতকৈ নিম্ন আয়ৰ লোকসকলৰ বাবে কৰ আনুপাতিকভাৱে এটা ডাঙৰ বোজা। (তেওঁলোকৰ ব্যৱহাৰকৰণ বা আয়ৰ প্ৰসংগত) হৈ পৰে আৰু ই পশ্চাদগতি কৰ হিচাপে বিবেচিত হয়। ধনী আৰু দুখীয়া সকলে ব্যৱহাৰ কৰা একেধৰণৰ সামগ্ৰীৰ বাবে একে কৰ হাৰ বহন কৰিবলগীয়া হোৱা বাবে পৰোক্ষ কৰ সাধাৰণতে পশ্চাদগতিৰ হ'ব বুলি বিবেচনা কৰা হয়। আনহাতে প্ৰত্যক্ষ কৰক **প্ৰগতিশীল** বুলি অভিহিত কৰা হয়, কিয়নো এই কৰ কৰদাতাৰ সামৰ্থৰ লগত সংযোগ হৈ থাকে, কাৰণ কৰদাতাৰ উপাৰ্জন বৃদ্ধি হ'লে গড় কৰ হাৰ বৃদ্ধি হয়। ভাৰতত মুঠ সংগৃহীত কৰৰ ৬০ শতাংশতকৈ অধিক (কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ) পৰোক্ষ কৰৰ কাৰণস্বৰূপ হৈ পৰে আৰু সেয়েহে ইয়াৰ কৰ গাঁথনি অত্যধিক পশ্চাদগতিৰ।

**কৰ সংস্কাৰ**

ভাৰতক অধিক কৰমিত্ৰ আৰু ব্যৱস্থাটো কম জটিল কৰি তুলিবৰ বাবে চৰকাৰে পৰোক্ষ কৰৰ ক্ষেত্ৰত বিগত বছৰ সমূহত ভালেমান সংস্কাৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। অলপতে গ্ৰহণ কৰা তেনে এটা সংস্কাৰ কাৰ্যসূচী হ'ল জি এছ টি অৰ্থাৎ সামগ্ৰী আৰু সেৱা কৰ। ২০০৫ চনত সকলো ৰাজ্যতে বিক্ৰী কৰৰ মূল্য সংযোজিত কৰ প্ৰতিষ্ঠাপিত কৰা হয় যদিও বৰ্তমান ভি এ টি-ৰ উপৰি আন কিছুমান পৰোক্ষ কৰ আৰোপ কৰা হৈছে। ই কৰৰ ফলাফলৰ পৰিমাণৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰে, যিটোৰ দ্বাৰা এবিধ সামগ্ৰীৰ ওপৰত উৎপাদনৰ পৰ্যায়ৰ পৰা চূড়ান্ত খুচুৰা বিক্ৰী পৰ্যায়লৈকে বহুবাৰ কৰ আৰোপণ কৰা হয়। ইয়াৰ ফলত সামগ্ৰীসমূহৰ কৰ উপাদান বৃদ্ধি হোৱাত প্ৰভাৱ পেলায় আৰু উচ্চ কৰ প্ৰভাৱিত মূল্যৰ হৈ পৰে। তদুপৰি বিভিন্ন চৰকাৰে বহুধৰণৰ কৰ আৰোপ কৰে আৰু কেন্দ্ৰীয় চৰকাৰে কৰৰ পৰা হাত সাৰিবলৈ বৃহৎ সুবিধা দিয়ে।

সামগ্ৰী আৰু সেৱা কৰে (জি এছ টি) বৰ্তমান প্ৰচলিত বহু প্ৰকাৰৰ পৰোক্ষ কৰৰ জটিলতাৰ জালখনৰ সংশোধন ঘটাই এবিধ পৰোক্ষ কৰ অৰ্থাৎ জি এছ টি প্ৰৱৰ্তন কৰিব। ই মূল্য সংযোজিত কৰৰ

**ভাৰতৰ কৰ-মুঠ ঘৰুৱা উৎপাদন হাৰ (কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সংযোজিত) (শতাংশ হিচাপত)**

| বৰ্ষ | মুঠ হাৰ কৰ-মুঠ ঘৰুৱা উৎপাদন | প্ৰত্যক্ষ কৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ | পৰোক্ষ কৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ |
|---|---|---|---|
| ২০০১-০২ | ১৩.৩৯ | ৩.১১ | ১০.২৮ |
| ২০০২-০৩ | ১৪.০৮ | ৩.৪৫ | ১০.৬৩ |
| ২০০৩-০৪ | ১৪.৫৯ | ৩.৮৬ | ১০.৭৩ |
| ২০০৪-০৫ | ১৫.২৫ | ৪.২৩ | ১১.০২ |
| ২০০৫-০৬ | ১৫.৯১ | ৪.৫৪ | ১১.৩৭ |
| ২০০৬-০৭ | ১৭.১৫ | ৫.৩৯ | ১১.৭৭ |
| ২০০৭-০৮ | ১৭.৪৫ | ৬.৩৯ | ১১.০৬ |
| ২০০৮-০৯ | ১৬.২৬ | ৫.৮৩ | ১০.৪৩ |
| ২০০৯-১০ | ১৫.৫ | ৫.৮ | ৯.৬ |
| ২০১০-১১ | ১৬.৩ | ৫.৮ | ১০.৫০ |
| ২০১১-১২ | ১৬.৩ | ৫.৬ | ১০.৭ |
| ২০১২-১৩ | ১৬.৯ | ৫.৬ | ১১.৩ |
| ২০১৩-১৪ (RE) | ১৭.১ | ৫.৭ | ১১.৪ |
| ২০১৪-১৫ (BE) | ১৭.৪ | ৫.৮ | ১১.৬ |

অনুৰূপ আৰু সেয়েহে ই কৰ সম্পৰ্কীয় জটিলতা হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। এই কৰ পে'ট্ৰ'লিয়াম, ধঁপাত, সুৰা আদি সামগ্ৰী আৰু সেৱাৰ ওপৰত আৰোপণ কৰা হয়। সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) এটা কৰ যদিও ইয়াৰ দুটা উপাদান কেন্দ্ৰীয় জি এছ টি আৰু ৰাজ্যিক জি এছ টিৰে গঠিত হোৱাৰ সম্ভাৱনা আছে। এ সুব্ৰমনিয়ম নেতৃত্বৰ সমিতিখনৰ মতে হাৰৰ পৰিমাণ ১) বেছি সংখ্যক সামগ্ৰী আৰু সেৱাৰ ওপৰত এটা মানবিশিষ্ট হাৰৰ কৰ আৰোপণ ২) যোগ্যতা সম্পন্ন সামগ্ৰী আৰু অত্যাৱশ্যকীয় বস্তুৰ ওপৰত নিম্ন হাৰ আৰু ৩) বিলাসী সামগ্ৰীৰ দৰে অ-যোগ্যতাসম্পন্ন সামগ্ৰীৰ ওপৰত উচ্চ হাৰত সীমাশুল্ক কৰাৰ সম্ভাৱনা আছে। জি এছ টিৰ সৈতে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত কৰাৰোপণ ক্ষমতাৰ সীমা নিৰ্ধাৰণ হ্ৰাস পাব কাৰণ কেন্দ্ৰ আৰু ৰাজ্যসমূহে উৎপাদন আৰু সামগ্ৰী বিক্ৰী আৰু সেৱাৰ ওপৰত পৰোক্ষ কৰ আৰোপ কৰিব পাৰে।

জি এছ টি প্ৰৱৰ্তনে কৰ ব্যৱস্থা সৰলীকৰণ আৰু যুক্তিসিদ্ধ কৰা আৰু বাধ্যতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত সহায় কৰিব বুলি আশা কৰা হৈছে। একে সময়তে ভাৰতৰ কৰ গাঁথনিৰ প্ৰগতিশীলতা বৃদ্ধি কৰাত সহায় কৰিবলৈ প্ৰত্যক্ষ কৰ বৃদ্ধি কৰাৰ কাৰণে চৰকাৰে কিছুমান ব্যৱস্থা গ্ৰহণ কৰাটোও দৰকাৰ। ❐

---

**(১৪ পৃষ্ঠাৰ পৰা)**

চৰকাৰৰদ্বাৰা সকলো কৰৰ ৭৫ শতাংশ সংগ্ৰহ কৰা হয় আৰু এটা সুনিয়াৰি ব্যৱস্থাৰ জৰিয়তে বিতৰণ কৰা হয়। এই সুনিয়াৰি ব্যৱস্থা ভাৰতৰ বিত্ত আয়োগে প্ৰতিষ্ঠা কৰা ব্যৱস্থাৰ স'তে প্ৰায় একে ধৰণৰ। ইয়াৰ অন্যথা ৰাজ্যবোৰে কানাডাৰ আৰ্হিৰ প্ৰতি সন্মতি জনাব পাৰে। তেনে আৰ্হিত ভাৰতৰ ৰাজ্যবোৰে পৰোক্ষ কৰ আৰোপ কৰিবৰ কাৰণে কেন্দ্ৰক ক্ষমতা প্ৰদান কৰিব পাৰে আৰু তাৰ পৰিৱৰ্তে উপাৰ্জনৰ ওপৰত প্ৰত্যক্ষ কৰ আৰোপ কৰাৰ ক্ষমতা নিজে ল'ব কিম্বা সম্পূৰ্ণৰূপে এটা নতুন পদ্ধতি উদ্ভাৱন কৰিবলৈ অধিকাৰ লাভ কৰিব বিচাৰিব পাৰে।

ভাৰতৰ কৰ আইনৰ বাবে ভৱিষ্যৎ কি তাক দেশখনৰ ৰাজনৈতিক সংস্থাবোৰে নিজৰববীয়াকৈ অনন্যভাৱে থিৰ কৰিব। পিছে সাম্প্ৰতিক কালৰ বাবে মন্থন কৰি যি উৎপাদন কৰা হ'ল, সেয়া হ'ল জি এছ টি; আৰু এই সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাই আগতঃ বহু বছৰৰ বাবে ভাৰতৰ ফেডাৰেল সম্পৰ্কক ভালদৰে অটুট ৰাখিব। ❐

# ভাৰতত সামগ্ৰী আৰু সেৱা কৰ (জি এছ্ টি) আৰু আন্তঃৰাষ্ট্ৰীয় অভিজ্ঞতা

**প্ৰভাকৰ চাহু***
**অশ্বিনী বিষ্ণুই***

সৰলীকৃত আৰু সুষম কৰৰ হাৰৰ বাবে দেশৰ বহু প্ৰতীক্ষিত অৰ্থনৈতিক সংস্কাৰ সংসদত ২০১৬ চনৰ ৩ আগষ্টত অনুমোদিত হ'ল। ১১ বছৰৰ ৰাজনৈতিক স্থিতাৱস্থা, বিতৰ্ক আৰু আলোচনাৰ অন্তত সংসদৰ উভয় সদনতে স্বাধীন ভাৰতৰ বৃহত্তম কৰ সংস্কাৰত অনুমোদন জনোৱা হ'ল। তদুপৰি ১৯৯১ চনৰ গঠনাত্মক সংস্কাৰৰ পিছৰ পৰা বৃহত্তম অৰ্থনৈতিক সংস্কাৰৰূপে ই পৰিগণিত হ'ল।

সামগ্ৰী আৰু সেৱাৰ ক্ষেত্ৰত ১৫ বিধ কেন্দ্ৰীয় আৰু ৰাজ্যিক কৰক শ্ৰেণীভুক্ত কৰা সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) প্ৰৱৰ্তনৰ ফলত সমগ্ৰ দেশজুৰি এবিধেই পৰোক্ষ কৰ প্ৰযোজ্য হ'ব আৰু ইয়াৰ ফলত 'মেইক্ ইন ইণ্ডিয়া' হৈ পৰিব প্ৰকৃতাৰ্থত সংঘবদ্ধ বজাৰ। ২০১৭ চনৰ এপ্ৰিল মাহৰপৰা কৰাৰোপণৰ ক্ষেত্ৰত কেউখন ৰাজ্যতে একে ব্যৱস্থা প্ৰৱৰ্তন হ'ব। এই গুৰুত্বপূৰ্ণ সাফল্যই পৰৱৰ্তী কেইটামান বছৰত দেশৰ অৰ্থনৈতিক প্ৰেক্ষাপট সলনি কৰি দিব পাৰে। এয়া অৰ্থনৈতিক সংস্কাৰৰ ক্ষেত্ৰত মোডী চৰকাৰৰ বৃহত্তম সাফল্য। অৱশ্যে জি এছ টি হাৰ এতিয়াও স্থিৰ হোৱা নাই আৰু কাৰ্যকৰী হোৱাৰ পিছত সম্ভাব্য অসুবিধাসমূহ দূৰ কৰিবলৈ এতিয়াও বাকী।

এই কৰ বহুখলপীয়া কৰ ব্যৱস্থাৰ ফলত কেন্দ্ৰীয় মূল্য সংযোজিত কৰ আৰু ৰাজ্যিক মূল্য সংযোজিত কৰৰ প্ৰচলিত ব্যৱস্থাত প্ৰভাৱ পৰিব। দুয়োবিধ কৰ আন্তঃসংযোগী নহয় বাবে এই ব্যৱস্থাই উপভোক্তাসকলৰ ওপৰত উচ্চ হাৰত কৰ আৰোপ কৰিব, কেন্দ্ৰ আৰু ৰাজ্যৰ তৰফৰপৰা বিভিন্ন 'ইন পুট টেক্স ক্ৰেডিট' কাৰ্যকৰী কৰাৰ লগতে মূল্য সংযোজিত কৰৰ হাৰত ৰাজ্যভেদে পাৰ্থক্য আনিব। ভাৰতত বিনিয়োগকাৰী আৰু উদ্যোগৰ বাবে আটাইতকৈ কঠিন প্ৰত্যাহ্বানসমূহৰ এটা হ'ল কেন্দ্ৰ আৰু ৰাজ্যত একাধিক হাৰেৰে জটিল কৰ ব্যৱস্থা। কৰ আৰোপ নীতি অনুসৰি চলিবলৈ গ'লে বহু ধন আৰু সময়ৰ প্ৰয়োজন। যোৱা দশকটোলৈ লক্ষ্য কৰিলে চকুত পৰিব যে সৰলীকৰণেই হ'ল বিনিয়োগকাৰী আৰু উদ্যোগৰ বাবে আটাইতকৈ প্ৰয়োজনীয় সংস্কাৰ। সংহত কৰ ব্যৱস্থাৰ ফলত কৰ দাতাসকলে অধিক ধন ভৰাৰ পৰা হাত সাৰিব পাৰিব। বিনিয়োগকাৰীয়েও মূলধনৰ বাবে এবাৰতে সম্পূৰ্ণ কৰ আদায় দিব পাৰিব।


কেন্দ্ৰ আৰু ৰাজ্যত প্ৰচলিত ভেট ব্যৱস্থাৰ কেতবোৰ ত্ৰুটি আছে। কেন্দ্ৰীয় পৰ্যায়ত কেৱল কেঁচা সামগ্ৰীৰ বাবে আদায় দিয়া কৰক 'ইন পুট ক্ৰেডিট' প্ৰদান কৰা হয়, কিন্তু নিৰ্মাণ বা প্ৰস্তুত কৰাৰ পিছত হোৱা ব্যয়ৰ বাবে কৰ আদায় দিবলগীয়া নহয়। সীমিতসংখ্যক পণ্যৰ ওপৰতহে সেৱা কৰ প্ৰযোজ্য; পণ্যসমূহক প্ৰস্তুত কৰা প্ৰক্ৰিয়াত ব্যয় হোৱা সেৱা কৰ কাটি ৰখাটো কঠিন। সামগ্ৰিক জি এছ টি ব্যৱস্থাই সামগ্ৰী আৰু সেৱা উভয়ৰে ওপৰত কৰ আৰোপ কৰিব আৰু সেইবাবে বহুস্তৰীয় কৰ হ্ৰাস কৰাটো আৱশ্যকীয়।

সাম্প্ৰতিক ৰাজ্যিক ভেটৰ ত্ৰুটি অনুসৰি ইতিমধ্যে কেন্দ্ৰক আদায় দিয়া আবকাৰী শুল্কৰ ওপৰতো ভেট আৰোপ কৰা হৈছে। এইবোৰৰ ওপৰত বিলাসিতা কৰ, আমোদ কৰ আদি অন্যান্য পৰোক্ষ কৰ আৰোপ কৰা হয়। এই ব্যৱস্থাত কেন্দ্ৰীয় বিক্ৰী কৰ (চি এছ টি) ত 'ইন পুট ক্ৰেডিট' গ্ৰহণ কৰাৰ থল নাই। সেইবাবে ৰাজ্যিক জি এছ টি আৰু কেন্দ্ৰীয় জি এছ টিৰ সামঞ্জস্য ৰক্ষা কৰিবলৈ সংকুচিত জি এছ টিৰ প্ৰয়োজন। সামগ্ৰিকভাৱে সৰলীকৃত কৰ ব্যৱস্থাই বহুস্তৰীয় কৰ আৰোপ সাধাৰণ বজাৰৰ উন্নয়ন, কৰ আধাৰ প্ৰশস্ত কৰা আৰু কৰ আদায়ৰ ক্ষেত্ৰত হোৱা ব্যয় হ্ৰাস আদি বিষয়ক সহজসাধ্য কৰি তুলিব।

প্ৰস্তাৱিত দ্বৈত জি এছ টি (কেন্দ্ৰীয় আৰু জি এছ টি) ব্যৱস্থাই সাম্প্ৰতিক কৰ ব্যৱস্থাৰ বিলুপ্তি ঘটাব। কেন্দ্ৰীয় বিক্ৰী কৰৰ সলনি সংহত সামগ্ৰী আৰু সেৱা কৰ (আই জি এছ টি) প্ৰৱৰ্তন কৰা

*লিখক দিল্লীৰ ইনষ্টিটিউট অৱ্ ইক'নমিক গ্ৰ'থৰ সহযোগী অধ্যাপক

**Figure-1 : GST and Macroeconomic Performance in Canada**




Source : World development Indicators, World Bank

হ'ব। ভাৰতৰ আন্তঃৰাজ্যিক সামগ্ৰী বা সেৱা যোগানৰ ক্ষেত্ৰত আই জি এছ টি আৰোপ কৰা হ'ব আৰু এই কৰ কেন্দ্ৰীয় চৰকাৰে সংগ্ৰহ কৰিব। সামগ্ৰী আৰু সেৱাৰ আমদানি তথা সামগ্ৰী আৰু সেৱাৰ আন্তঃৰাজ্যিক ভঁৰাল স্থানান্তৰৰ ওপৰত আই জি এছ টি আৰোপ কৰা হ'ব। জি এছ টি গন্তব্যস্থল নিৰ্ভৰ কৰ হোৱা বাবে মূল ৰাজ্যৰপৰা গৈ সামগ্ৰী বা সেৱা গ্ৰহণ কৰা ৰাজ্যলৈ কৰাৰোপণ সলনি হয় আৰু সেয়ে প্ৰস্তুতকৰ্তা আৰু উন্নত ৰাজ্যৰ বাবে ৰাজহ কম অৰ্জন হয়। জি এছ টিয়ে উন্নত ৰাজ্যসমূহক প্ৰথম ৫ বছৰৰ ৰাজহ ক্ষতিৰ বাবদ ক্ষতিপূৰণ দিব যদিও এয়া উন্নত ৰাজ্যসমূহৰ বাবে আশাপ্ৰদ খবৰ নহয়। কাৰণ সেই ৰাজ্যসমূহে বিকাশৰ বাবে আন্তঃগাঁথনি আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰি বিনিয়োগকাৰী আৰু উদ্যোগক আকৰ্ষণ কৰে। সেইবাবে সেৱা গ্ৰহণকাৰী বা গন্তব্যস্থলী ৰাজ্যসমূহ (যেনে—ওড়িশা, উত্তৰ প্ৰদেশ, বিহাৰ আৰু কেৰালা) ৰ লাভ হ'ব। ইয়াৰ বিপৰীতে মূল ৰাজ্যসমূহ (যেনে-তামিলনাডু, গুজৰাট আৰু মহাৰাষ্ট্ৰ) লোকচানৰ সন্মুখীন হ'ব। সামগ্ৰিকভাৱে দেশজোৰা একক পৰোক্ষ কৰৰ হাৰে এখন উমৈহতীয়া বজাৰৰ সৃষ্টি কৰিব আৰু ইয়াৰ ফলত উপভোক্তাসকলৰ ওপৰত কম কাৰ্যকৰী কৰৰ বোজা পৰিব।

বৰ লাভদায়ক ক্ষেত্ৰ (যেনে-সুৰা, বিজুলী, স্থাৱৰ সম্পত্তি আৰু পেট্ৰ'লিয়াম পণ্য) সমূহত জি এছ টি প্ৰযোজ্য নহ'ব; ৰাজ্যসমূহে এই ক্ষেত্ৰসমূহত বিভিন্ন হাৰৰ কৰ আৰোপ কৰিব। অৱশ্যে পেট্ৰ'লিয়াম পণ্যৰ দাম বৃদ্ধিয়ে অন্যান্য সামগ্ৰীৰ দাম বৃদ্ধিত বাৰুকৈয়ে প্ৰভাৱ পেলায় বাবে ইয়াক জি এছ টি পৰিষদে নিৰ্দিষ্ট সময়ৰ পৰা জি এছ টিৰ আওতালৈ আনিব।

সুষম সৰ্বভাৰতীয় জি এছ টিয়ে বিভিন্ন ৰাজ্যজুৰি সামগ্ৰী আৰু সেৱাৰ নিৰন্তৰ যোগান অব্যাহত ৰাখিব। সামগ্ৰিকভাৱে আদান-প্ৰদানৰ ব্যয় হ্ৰাস পাব আৰু অৱশেষত উপভোক্তাসকল লাভান্বিত হ'ব।

সম্প্ৰতি বিভিন্ন ৰাজ্যত প্ৰচলিত বিভিন্ন হাৰৰ কৰে বৈষম্যৰ সৃষ্টি কৰে। বিনিয়োগকাৰীসকলে উৎপাদন আৰু পৰিবহনৰ সুবিধাৰ বাবে আটাইতকৈ কম কৰৰ হাৰ আৰু সুপ্ৰশাসন আশা কৰে। জি এছ টিৰ ফলত কৰ-প্ৰভাৱিত উৎপাদন গাঁথনি নাথাকিব আৰু ই হ'ব 'মেইক্ ইন্ ইণ্ডিয়া'ৰ বাবে সু-সংবাদ। সেই বাবে জি এছ টিৰ জৰিয়তে সৰলীকৃত কৰ ব্যৱস্থা হ'ব দেশৰ অৰ্থনীতিৰ বাবে আশীৰ্বাদস্বৰূপ। অৱশ্যে ভূমি অধিগ্ৰহণ আৰু নমনীয় শ্ৰমিক আইন আদিৰ দৰে গুৰুত্বপূৰ্ণ সংস্কাৰৰ আৱশ্যকতা থাকিব।

**আন্তঃৰাষ্ট্ৰীয় অভিজ্ঞতা**

আন্তঃৰাষ্ট্ৰীয় অভিজ্ঞতাই দেখুৱায় যে জি এছ টিৰ সাফল্য কাৰ্যকৰী ৰূপায়ণ আৰু আৰ্হিৰ ওপৰত নিৰ্ভৰশীল। সময়ৰ লগে লগে বহু দেশে বিকাশ, ৰাজহ আৰু মূল্যৰ স্থিৰতাৰ দিশত লাভান্বিত হ'বলৈ মূল নীতি বা আধাৰৰ সামান্য সাল-সলনি ঘটাইছে। এতিয়ালৈকে অষ্ট্ৰেলিয়া, কানাডা আৰু নিউজিলেণ্ডৰ দৰে দেশৰ অভিজ্ঞতালৈ লক্ষ্য কৰিলে দেখা যায় যে সেই দেশসমূহত হ্ৰস্বকালীন আৰু মধ্যকালীন মূল্যৰ স্থিৰতা আৰু অৰ্থনীতি উন্নত হৈছে। অৱশ্যে জি এছ টিৰ হাৰ উচ্চ হ'লে তাৎক্ষণিকভাৱে দাম বৃদ্ধিৰ আশংকা বৃদ্ধি পাব।


বহু সেৱা (যেনে-শিক্ষা, স্বাস্থ্য তথা আৰু বাণিজ্যিক আৰু ব্যৱসায়িক সেৱা) ৰ ওপৰত কৰ আৰোপ কৰা হোৱা নাই বা অতি কম হাৰত কৰ আৰোপিত হৈছে। প্ৰস্তাৱিত জি এছ টি হাৰ ১৮-২২ শতাংশ হোৱা বাবে হ্ৰস্বকালীনভাৱে মুদ্ৰাস্ফীতি ঘটিব পাৰে। আন্তঃৰাষ্ট্ৰীয় অভিজ্ঞতাই দেখুৱায় যে জি এছ টিৰ অধীনত পূৰ্বে কৰ আৰোপ নকৰা বহু নতুন সামগ্ৰী আৰু সেৱাত কৰ ধাৰ্য কৰা বাবে হ্ৰস্বকালীনভাৱে মুদ্ৰাস্ফীতি ঘটে।

সংহত তথ্য প্ৰযুক্তিৰ আন্তঃগাঁথনি অবিহনে জি এছ টিৰ সামগ্ৰিক মূল্য শৃংখলত প্ৰভাৱ পৰিব পাৰে।

বিশ্বৰ ১৬০ খন ৰাষ্ট্ৰত বৰ্তমান ভেট বা জি এছ টি প্ৰযোজ্য হৈছে। ASEAN-ৰ সাতখন, এছিয়াৰ ১৯ খন, ইউৰোপৰ ৫৩, ওচেনিয়াৰ ৭ খন, আফ্ৰিকাৰ ৪৪ খন, দক্ষিণ আমেৰিকাৰ ১১ খন, কেৰিবিয়ান, চেণ্ট্ৰেল আৰু নৰ্থ আমেৰিকাৰ ১৯ খন ৰাষ্ট্ৰত জি এছ টি প্ৰৱৰ্তন কৰা হৈছে। ইউৰোপতেই আটাইতকৈ বেছিসংখ্যক ৰাষ্ট্ৰত ভেট বা জি এছ টি প্ৰযোজ্য হৈছে। উল্লেখযোগ্য যে ফ্ৰান্সত সৰ্বপ্ৰথমে ১৯৫৪ চনত জি এছ টি প্ৰৱৰ্তন কৰা হৈছিল। ইয়াৰ পিছত ১৯৬৮ চনত জাৰ্মানীত আৰু ১৯৭৩ চনত ইউনাইটেড কিংডমত জি এছ প্ৰৱৰ্তিত হয়। জি এছ টি সন্মিলিত কৰ ব্যৱস্থাৰূপে অধিকসংখ্যক ৰাষ্ট্ৰতে প্ৰচলিত হৈ আছে যদিও ব্ৰাজিল আৰু কানাডাত ভাৰতৰ দৰে দ্বৈত জি এছ টি প্ৰৱৰ্তন কৰা হৈছে। অধিকসংখ্যক ৰাষ্ট্ৰতে ভেট/জি এছ টিৰ নিৰ্দ্ধাৰিত হাৰ ১৬-২০ শতাংশ— যিটো ভাৰতৰ ১৮-২২ শতাংশ জি এছ টি হাৰৰ সৈতে প্ৰায় একে।

অষ্ট্ৰেলিয়া, কানাডা, নিউজিলেণ্ড, ছিংগাপুৰ, জাপান, কোৰিয়া, ইউনাইটেড কিংডম আদিৰ দৰে প্ৰধান ৰাষ্ট্ৰসমূহে বৃহৎ অৰ্থনীতিৰ সূচক অনুসৰি সফলতা অৰ্জন কৰিছে। ৰাষ্ট্ৰভেদে জি এছ টিৰ গাঁথনি ভিন্ন ধৰণৰ। উদাহৰণস্বৰূপে, অষ্ট্ৰেলিয়া আটাইতকৈ কম নিৰপেক্ষ আৰু নিউজিলেণ্ড আটাইতকৈ বেছি নিৰপেক্ষ হোৱাৰ বিপৰীতে কানাডাৰ জি এছ টি মধ্যৱৰ্তী। কানাডা, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, কোৰিয়া, ছিংগাপুৰ আৰু ইউনাইটেড কিংডমত বৃহৎ অৰ্থনীতিৰ সূচক যেনে—মুঠ ঘৰুৱা উৎপাদনৰ

আৰ্হি ঃ কানাডাৰ জিএছটি আৰু বৃক্ষ অৰ্থনৈতিক কৃতিত্ব




উৎস ঃ বিশ্ব উন্নয়ন সূচক, বিশ্ব বেংক

বিকাশৰ হাৰ, বিত্তীয় ভাৰসাম্য, কাৰেণ্ট একাউণ্ট বেলেন্স, কৰ-মুঠ ঘৰুৱা উৎপাদন অনুপাত আদি উন্নত হৈছে। গতিকে জি এছ টিৰ দৰে সৰল আৰু সংহত কৰ ব্যৱস্থাই এই ৰাষ্ট্ৰসমূহৰ অৰ্থনীতি অধিক প্ৰতিযোগিতামূলক কৰি তোলাৰ লগতে ৰপ্তানি উন্নত কৰাত সহায় কৰিছে। ৰাজকোষলৈ অধিক ৰাজহ অনাৰ উপৰি জি এছ টিয়ে দাম সুস্থিৰকৰণত অৰিহণা যোগাইছে।

জি এছ টি গাঁথনি গ্ৰহণ কৰা দেশসমূহৰ সাফল্য অনুসৰণ কৰি এছিয়াৰ ভিতৰত পোনপ্ৰথমে মালয়ছিয়াই জি এছ টি প্ৰৱৰ্তন কৰে আৰু চীনে সুষম কৰ ব্যৱস্থাৰ দিশত আগবাঢ়িছে। মালয়ছিয়াই ২০১৫ চনৰ ১ এপ্ৰিলৰপৰা ৬ শতাংশ জি এছ টি প্ৰৱৰ্তন কৰে। দক্ষিণ এছিয়াৰ বাংলাদেশ, শ্ৰীলংকা, পাকিস্তান আৰু নেপালকে ধৰি অধিকসংখ্যক ৰাষ্ট্ৰই ১৯৯০ চনৰপৰা ২০০০ চনলৈ ভেট প্ৰৱৰ্তন কৰে। ভাৰতৰ পূৰ্বে বুৰুণ্ডি, কংগো, গাম্বিয়া, মোজাম্বিক আৰু ছিচেল্‌ছক বাদ দি আফ্ৰিকাৰ অধিক সংখ্যক ৰাষ্ট্ৰতে ভেট প্ৰৱৰ্তন কৰা হৈছে।

ভাৰতৰ দৰে কেৱল কানাডাত দ্বৈত জি এছ টিৰ ধাৰণা গ্ৰহণ কৰা হৈছে। কানাডাত ৰাজনৈতিক দলৰ প্ৰবল বিৰোধিতা সত্ত্বেও জি এছ টি প্ৰৱৰ্তন কৰা হ'ল। দৰাচলতে বাস্তৱবাদী ৰাষ্ট্ৰ কানাডাই জি এছ টি ৰূপায়ণ কৰাৰ পূৰ্বে ইয়াৰ হাৰ হ্ৰাস কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল। কানাডাত ১৯৯১ চনত জি এছ টি প্ৰৱৰ্তন হোৱাৰ পূৰ্বে প্ৰস্তুত কৰ্তাৰ বিক্ৰী কৰ প্ৰচলিত আছিল। এই কৰে নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰী (গেলামাল), ঘৰ ভাৰা, চিকিৎসা সেৱা আৰু বিত্তীয় সেৱাক সামৰি লোৱা নাছিল। জি এছ টি প্ৰৱৰ্তন কৰাৰ পিছত বিকাশ, চৰকাৰী বিত্তীয় ব্যৱস্থা, কৰ ৰাজহ আৰু মূল্যমানৰ সুস্থিৰতাৰ ক্ষেত্ৰত উন্নতি পৰিলক্ষিত হৈছে। একেদৰে ২০০০ চনত জি এছ টি প্ৰৱৰ্তন কৰা অষ্ট্ৰেলিয়াতো কৰ ৰাজহ আৰু কাৰেণ্ট একাউণ্ট বেলেন্সৰ ক্ষেত্ৰত ইতিবাচক ফল দৃষ্টিগোচৰ হৈছে।

অৱশ্যে প্ৰৱৰ্তন কৰাৰ কম দিনৰ ভিতৰতে বহু দেশত কৰৰ হাৰ বৃদ্ধি কৰিবলগীয়া হৈছে। এই বিষয়টো ভাৰতৰ ক্ষেত্ৰতো প্ৰাসংগিক হ'ব। আৰম্ভণিতে জি এছ টিৰ হাৰ ২৭ শতাংশ নিৰ্দ্ধাৰণ কৰা হ'ব বুলি আলোচনা কৰা

হৈছিল যদিও এতিয়া ব্যৱহাৰিক দিশত উপযোগী হোৱাকৈ ১৬-১৮ শতাংশ কৰাৰ বিষয়ে চৰ্চা চলিছে। জি এছ টিৰ সাফল্য সৰ্ব গ্ৰহণযোগ্য হাৰৰ ব্যৱস্থা গ্ৰহণৰ ওপৰত নিৰ্ভৰ কৰিব।

**আন্তঃৰাষ্ট্ৰীয় অভিজ্ঞতাৰপৰা লাভ কৰা শিক্ষা**

জি এছ টি প্ৰৱৰ্তন কৰা অধিক সংখ্যক দেশেই মুখামুখি হোৱা এটা মূল প্ৰত্যাহ্বান হ'ল প্ৰচলিত কৰতকৈ কাৰ্যকৰী কৰৰ হাৰ অধিক হ'লে জি এছ টিয়ে মুদ্ৰাস্ফীতিত অৰিহণা যোগায়। উদাহৰণস্বৰূপে, ১৯৯৪ চনত ছিংগাপুৰত জি এছ টি প্ৰৱৰ্তন কৰাৰ পিছৰে পৰা মুদ্ৰাস্ফীতি বৃদ্ধি হৈছে। সেয়ে প্ৰশাসকসকলে লক্ষ্য ৰাখিবলগীয়া গুৰুত্বপূৰ্ণ বিষয়টো হ'ল কৰাৰোপণৰ পিছত কেনেকৈ সামগ্ৰী আৰু সেৱা মূল্যমান স্থিৰৰ কৰি ৰাখিব পৰা যায়। মালয়ছিয়াত এই দিশটো চোৱা-চিতা কৰিছিল ঘৰুৱা বাণিজ্য আৰু উপভোক্তা পৰিক্ৰমা মন্ত্ৰণালয়ে। দেশখনত জি এছ টিৰ ফলত বৃদ্ধি হোৱা মূল্যমান বহু পৰিমাণে এই মন্ত্ৰালয়ে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছিল।

মালয়ছিয়াৰপৰা শিকিবলগীয়া গুৰুত্বপূৰ্ণ বিষয়টো হ'ল জি এছ টি প্ৰৱৰ্তনৰ বাবে সাজু হৈ থকাৰ লগে লগে আনুষংগিক দিশসমূহৰ কাম-কাজ আৰম্ভ কৰা ব্যৱস্থা। জি এছ টিৰ বাবে ডেৰ বছৰে প্ৰস্তুতি চলোৱাৰ পিছতো মালয়ছিয়া চৰকাৰে তীব্ৰ অসন্তুষ্টিৰ সন্মুখীন হ'ব লগাত পৰিছিল। ইয়াৰ বিপৰীতে ভাৰতত এই বিষয়টো অধিক প্ৰত্যাহ্বানমূলক হ'ব; কাৰণ ২০১৭ চনৰ ১ এপ্ৰিল জি এছ টি প্ৰৱৰ্তনৰ সম্ভাব্য তাৰিখ নিৰ্দ্ধাৰণ কৰাৰ অৰ্থ হ'ল ভাৰতে জি এছ টিৰ বাবে মাথোঁ ৯ মাহ প্ৰস্তুতি চলাইছে।

জি এছ টিৰ আন্তঃৰাষ্ট্ৰীয় অভিজ্ঞতাতপৰা বুজিব পাৰি যে কৰ ৰেহাই অতি কমসংখ্যক সামগ্ৰী বা সেৱাত ক্ষেত্ৰতহে প্ৰযোজ্য হোৱাটো বাঞ্ছনীয়। কিন্তু বিভিন্ন ৰাজনৈতিক দলৰ হেঁচাৰ সন্মুখত এয়া কাৰ্যকৰী কৰাটো সহজসাধ্য নহয়। কিন্তু প্ৰত্যেক ৰাজ্যৰ সৈতে সমিল-মিলেৰে কাম কৰি এই তালিকাখন সন্মিলিতভাৱে প্ৰস্তুত কৰি উলিওৱাটোৱেই বাস্তৱসন্মত।

বিভিন্ন দিশসমূহৰ ভিতৰত নিউজিলেণ্ডতে আটাইতকৈ কম সংখ্যক সামগ্ৰী বা সেৱাৰ ক্ষেত্ৰত ৰেহাইৰ ব্যৱস্থা কৰা হৈছে যদিও ভাৰতৰ দৰে দেশত এই ব্যৱস্থা কাৰ্যকৰীকৰণত অসুবিধাৰ সৃষ্টি হ'ব।

গতিকে শিক্ষণীয় কথাটো হ'ল সৰ্বসাধাৰণ লোক, ব্যৱসায়ী আৰু ব্যৱসায়িক সংস্থা-আটায়ে এই জি এছ টি একমুখে স্বীকাৰ কৰি ল'ব বুলি আশা কৰাটো সমীচীন নহ'ব। ইয়াৰ বাবে প্ৰয়োজন হ'ব আগতীয়া পৰিকল্পনা, উদ্যোগসমূহক দিব লাগিব পৰ্যাপ্ত সময়, ব্যৱসায়ী সম্প্ৰদায় আৰু প্ৰশাসকৰ মাজত নিৰন্তৰ বৈঠক, পৰিকল্পনা ৰূপায়ণৰ ক্ষেত্ৰত উদ্যোগসমূহৰ সহযোগিতা, গ্ৰহণযোগ্য কৰৰ হাৰ, বিধেয়ক নথিৰ উপযুক্ত সময়ত প্ৰকাশ আদি ব্যৱস্থা। সি যি কি নহওক, আৰম্ভণিৰ পৰ্যায়ত অসুবিধাজনক হ'লেও জি এছ টি হ'ল কাৰ্যকৰী কৰ সংগ্ৰহ ব্যৱস্থা।

**কাৰ্যকৰীকৰণৰ সমস্যা**

সংবিধান সংশোধনীৰ দৰে মূল অন্তৰায় আঁতৰিল বাবে জি এছ টি কাৰ্যকৰীকৰণৰ বাবে অবিলম্বে ব্যৱস্থা গ্ৰহণৰ উদ্যোগ গ্ৰহণ কৰা হৈছে। ২০১৭ চনৰ ১ এপ্ৰিলৰপৰা ভাৰতত জি এছ টি প্ৰৱৰ্তন কৰা হ'ব বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে ইতিমধ্যে অংগীকাৰ কৰিছে। এতিয়াও বহু সমস্যা সমাধান কৰিবলৈ বাকী আছে যদিও কেন্দ্ৰ এই দিশত আগবঢ়াটো পৰিলক্ষিত হৈছে; কাৰণ জি এছ টি হ'ল অত্যন্ত গুৰুত্বপূৰ্ণ সংস্কাৰ-মূলক বিধেয়ক। অৱশ্যে ভাৰতৰ জটিল কৰ ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত জি এছ টি ৰূপায়ণৰ ক্ষেত্ৰত প্ৰত্যাহ্বান থাকিব। দুটা প্ৰধান প্ৰত্যাহ্বান হ'ব ৰাজহ-নিৰপেক্ষ হাৰ (আৰ এন আৰ) আৰু জি এছ টিৰ প্ৰাৰম্ভিক সীমা। 'টেক্স ক্ৰেডিট' প্ৰদান কৰা সত্ত্বেও আৰ এন আৰৰ জৰিয়তে যাতে চৰকাৰীৰ ৰাজহ একে থাকে সেই বিষয়টো নিশ্চিত কৰাটো বাধ্যতামূলক। একেদৰে উপযুক্ত প্ৰাৰম্ভিক সীমা প্ৰত্যাহ্বান হ'ব, কাৰণ দেশৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ ওপৰত যাতে কৰৰ বোজা নপৰে সেই দিশতো নিশ্চয়তা প্ৰদান কৰিব লাগিব।

প্ৰথমবাৰৰ বাবে সকলো ৰাজনৈতিক দলে একেলগে আগবাঢ়ি আহি সৰ্বসন্মতিক্ৰমে জি এছ টি বিধেয়কত অনুমোদন জনালে। এয়া নিসন্দেহে এক পৰিপক্ক পদক্ষেপ। তদুপৰি ই চৰকাৰৰ বাবে বৃহৎ সাফল্য। জি এছ টি বিশ্বৰ সৰ্বাধিক জটিল কৰ সংস্কাৰ। এটা জি এছ টি পৰ্টেলতে ৭.৫ নিযুত ব্যৱসায়ীয়ে পঞ্জীয়ন কৰিব, ধন আদায় দিব আৰু কৰ পৰিশোধ কৰিবলৈ সক্ষম হ'ব। এয়া হ'ব ব্যৱসায়ীসকলৰ বাবে বৃহৎ সকাহ। থোৰতে ক'ব পাৰি যে এই কৰ ব্যৱস্থা বহু প্ৰতীক্ষিত উল্লেখনীয় সংস্কাৰ।

জি এছ টিৰ কাৰ্যকাৰিতা সন্দেহাতীত হ'লেও ইয়াৰ পুংখানুপুংখ দিশসমূহে আউল লগোৱাৰ আশংকা পৰিলক্ষিত হ'ব। কেৱল সময়েহে ইয়াৰ সাফল্য নিৰূপণ কৰিব।

**তালিকা -১ ঃ জি এছ টি ৰূপায়িত দেশবোৰৰ অৰ্থনৈতিক কৃতিত্ব**

| দেশ | প্ৰৱৰ্তন কৰা বৰ্ষ | মুঠ ঘৰুৱা উৎপাদন বিকাশ শতাংশ | | | | | | ৰাজস্ব জমা | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | ১৯৬১-৭০ | ১৯৭১-৮০ | ১৯৮১-৯০ | ১৯৯১-২০০০ | ২০০১-১০ | ২০১১-১৫ | ১৯৬১-৭০ | ১৯৭১-৮০ | ১৯৮১-১৯৯০ | ১৯৯১-২০০০ | ২০০১-১০ | ২০১১-১৪ |
| অষ্ট্ৰেলিয়া | ২০০০ | ৫.০৯ | ৩.০২ | ৩.৪২ | ৩.৩২ | ৩.০৫ | ২.৬৪ | - | ০.১১ | ০.০৪ | -১.৩৬ | -০.১৪ | -২.৫০ |
| ব্ৰাজিল | ১৯৬৪ | ৬.১৯ | ৮.৫১ | ১.৭৭ | ২.৬০ | ৩.৭৩ | ১.০২ | - | - | -৩.৩৯ | -২.২৬ | -২.৩৭ | -২.১৩ |
| কানাডা | ১৯৯১ | ৫.২১ | ৪.০৬ | ২.৬৭ | ২.৮৭ | ১.৮৭ | ২.১৩ | - | - | - | -২.১৭ | ০.৭৭ | -০.১৬ |
| ফ্ৰান্স | ১৯৫৪ | ৫.৫৭ | ৩.৬৪ | ২.৪৯ | ২.১০ | ১.২২ | ০.৮৫ | - | ১.১৬ | -১.০৫ | -৪.৫০ | -৪.৯৪ | -৪.২১ |
| জাপান | ১৯৮৯ | ৯.৩০ | ৪.৫০ | ৪.৬৪ | ১.১৪ | ০.৮০ | ০.৬২ | - | -৩.৩২ | -৩.৩১ | - | -৪.০১ | -৭.৭২ |
| কোৰিয়া ৰিপা. | ১৯৭৭ | ৮.৭১ | ৯.০৫ | ৯.৭৪ | ৬.৬৩ | ৪.৪৪ | ২.৯৬ | - | - | ১.৫৩ | -১.৯০- | ১.৪৯ | ১.৬৯ |
| মেক্সিকো | ১৯৮০ | ৬.৮১ | ৬.৭১ | ১.৮৮ | ৩.৬৪ | ১.৮২ | ২.৮৪ | - | - | -২.৫৫ | ০.৪৫ | - | - |
| নিউজীলেণ্ড | ১৯৮৬ | - | ১.২৬ | ১.৯১ | ৩.০৬ | ২.৫৫ | ২.৭১ | - | ০.৪৯ | -২.৪৭ | - | ১.৪১ | -২.১৬ |
| ছিংগাপুৰ | ১৯৯৪ | ৯.৩৫ | ৯.০৯ | ৭.৭৯ | ৭.১৯ | ৫.৯১ | ৩.৯৬ | - | - | ১০.৫১ | ১৪.৯৫ | ৫.৭৫ | ৮.৯২ |
| গ্ৰেট বৃটেইন | ১৯৭৩ | ৩.০৬ | ২.১৪ | ২.৯৫ | ২.৪৪ | ১.৬২ | ২.১০ | - | -১.২৪ | -০.৭০ | -৩.৬২ | -৪.৯০ | -৬.৪৪ |
| প্ৰৱৰ্তন কৰা বৰ্ষ | | বৰ্তমানৰ হিচাপ জমা | | | | | | মুঠ ঘৰুৱা উৎপাদনৰ কৰ | | | | | |
| | | ১৯৬১-৭০ | ১৯৭১-৮০ | ১৯৮১-১৯৯০ | ১৯৯১-২০০০ | ২০০১-১০ | ২০১১-১৫ | ১৯৬১-৭০ | ১৯৭১-৮০ | ১৯৮১-১৯৯০ | ১৯৯১-২০০০ | ২০০১-১০ | ২০১১-১৪ |
| অষ্ট্ৰেলিয়া | ২০০০ | - | - | -৫.৫৬ | -৩.৯৫ | -৫.৩২ | -৩.৬৪ | - | ১৯.৪০ | ২২.২৭ | ২১.৪৩ | ২৩.৭৫ | ২১.৫৩ |
| ব্ৰাজিল | ১৯৬৪ | - | -৪.৪০ | -১.৫৫ | -১.৯৩ | -০.৬৮ | -৩.৩২ | - | - | ১২.০১ | ১১.৩১ | ১৫.৩৯ | ১৪.৫০ |
| কানাডা | ১৯৯১ | ১.৯১ | -২.৮৭ | -২.২৮ | -১.৪৩ | ০.৪৯ | -৩.০০ | - | - | - | ১৪.১৬ | ১৩.০৭ | ১১.৭৫ |
| ফ্ৰান্স | ১৯৫৪ | - | ০.২৩ | -০.৫৮ | ১.২৬ | ০.১১ | -০.৮৪ | - | ১৮.৪৫ | ১৯.৩২ | ২০.৪৫ | ২২.১২ | ২২.৭৪ |
| জাপান | ১৯৮৯ | - | - | - | ২.৩৯ | ৩.৪৪ | ১.৬৪ | - | ১০.২৭ | ১১.৮৪ | ১২.২৭ | ৯.৮৪ | ১০.২৪ |
| কোৰিয়া ৰিপা. | ১৯৭৭ | - | -৩.৮০ | -০.৭৪ | ০.৬০ | ১.৬৪ | ৫.১২ | - | - | ১৩.৩৫ | ১৩.০৮ | ১৪.২৩ | ১৪.৪৪ |
| মেক্সিকো | ১৯৮০ | - | -৪.৬৯ | -০.৭৯ | -৩.২৮ | -১.৩০ | -১.৯৩ | - | - | ১১.৭৮ | ৯.৫৩ | - | - |
| নিউজীলেণ্ড | ১৯৮৬ | - | - | - | -৩.৩০ | -৪.৩২ | -৩.১৭ | - | ২৭.৮৬ | ৩০.৪২ | - | ২৯.৭৪ | ২৭.৩৪ |
| ছিংগাপুৰ | ১৯৯৪ | - | -১১.৪১ | ০.৩৪ | ১৩.৯৯ | ১৯.৭১ | ১৯.২১ | - | - | ১৪.৫৪ | ১৫.৪৫ | ১২.৮০ | ১৩.৫৮ |
| গ্ৰেট বৃটেইন | ১৯৭৩ | ১.৫১ | -০.৩০ | -০.৭৭ | -১.৩৩ | -২.৩২ | -৩.৯৯ | - | ২৩.০২ | ২৪.২৬ | ২৫.৩৩ | ২৬.৩৩ | ২৫.৫২ |
| প্ৰৱৰ্তন কৰা বৰ্ষ | | সামগ্ৰী আৰু সেৱাৰ ওপৰত কৰ ৰাজহ | | | | | | মুদ্ৰাস্ফীতি জি পিৰ বিকাশ | | | | | |
| | | ১৯৬১-৭০ | ১৯৭১-৮০ | ১৯৮১-১৯৯০ | ১৯৯১-২০০০ | ২০০১-১০ | ২০১১-১৪ | ১৯৬১-৭০ | ১৯৭১-৮০ | ১৯৮১-১৯৯০ | ১৯৯১-২০০০ | ২০০১-১০ | ২০১১-১৪ |
| অষ্ট্ৰেলিয়া | ২০০০ | - | ২১.১০ | ২৩.১২ | ২০.০৪ | ২৪.০৩ | ২৩.৩৭ | ২.৪৭ | ১০.৪৫ | ৮.১৩ | ২.২২ | ৩.০১ | ২.৩০ |
| ব্ৰাজিল | ১৯৬৪ | - | - | ২৪.১৭ | ২৫.০৯ | ৩১.০২ | ২৫.৯৯ | - | - | - | - | ৬.৬৯ | ৬.৭২ |
| কানাডা | ১৯৯১ | - | - | - | ১৭.৩৮ | ১৫.৯৭ | ১৪.২১ | ২.৯৪ | ৮.০৬ | ৫.৯৭ | ২.০০ | ২.০২ | ১.৬৮ |
| ফ্ৰান্স | ১৯৫৪ | - | ৩৪.৪৭ | ২৯.৬৭ | ২৬.৩৭ | ২৩.৫৯ | ২১.৫৭ | ৪.২২ | ৯.৬৭ | ৬.৩৭ | ১.৭২ | ১.৭১ | ১.১০ |
| জাপান | ১৯৮৯ | - | ২২.২২ | ১৯.৩৮ | ১৩.৮৭ | ৩১.৭৮ | ৩৭.০৪ | ৫.৮০ | ৯.১০ | ২.০৬ | ০.৮৪ | -০.২৬ | ০.৭২ |
| কোৰিয়া ৰিপা. | ১৯৭৭ | - | - | ৩৪.৭২ | ৩২.৩৩ | ২৮.০১ | ২৪.৮৮ | - | ১৬.৪৮ | ৬.৩৯ | ৫.১০ | ৩.১৯ | ১.৯০ |
| মেক্সিকো | ১৯৮০ | - | - | ৫৬.০৫ | ৫৫.০৩ | - | - | ২.৮৭ | ১৬.৮০ | ৬৯.০৮ | ১৮.৬৯ | ৪.৬৮ | ৩.৬১ |
| নিউজীলেণ্ড | ১৯৮৬ | - | ১৮.৯৪ | ২১.০৬ | - | ২৬.২৭ | ২৬.২৯ | ৪.০২ | ১২.৫২ | ১০.৭৬ | ১.৮৩ | ২.৫৭ | ১.৫৭ |
| ছিংগাপুৰ | ১৯৯৪ | - | - | ১৬.০০ | ১৭.০৭ | ২২.৮৩ | ২৪.৪৯ | ১.১৯ | ৬.৭২ | ২.২৮ | ১.৭৩ | ১.৬২ | ২.৫৩ |
| গ্ৰেট বৃটেইন | ১৯৭৩ | - | ২৬.২৩ | ২৯.৯৯ | ৩২.৮০ | ৩১.৩২ | ৩২.৯৮ | - | - | - | ২.৬৯ | ২.১০ | ২.২৭ |

**উৎস ঃ বিশ্ব উন্নয়ন সূচক, বিশ্ব বেংক**

# ক'লা ধনৰ সংহাৰী ৰূপ ৰোধ কৰিবলৈ চৰকাৰৰ যুদ্ধকালীন তৎপৰতা

**দিলাশা শেঠ***

৩০ ছেপ্টেম্বৰৰ দিনা মাজনিশা হ'বলৈ দুঘণ্টা বাকী থকালৈকে দেশখনৰ বিভিন্ন কৰ কাৰ্যালয়বোৰত লোকসকলৰ সোঁত বৈ থকা দেখা গৈছিল। ইপিনে আন বহুতে নিজৰ কম্পিউটাৰ স্ক্ৰীণত একাণপতীয়াকৈ ধ্যান দি কামত লাগি আছিল। সেই কাম আৰু কাৰ্যালয়লৈ সোঁত বোৱাৰ কাৰণ আছিল হিচাপত নধৰা তেওঁলোকৰ যি সা-সম্পত্তি আছিল সেই সকলোবোৰৰ বিষয়ে ঘোষণা কৰা আৰু নিজকে নিকা কৰি তোলা। তেওঁলোক আছিল ৬৪,২৭৫ জন ব্যক্তিৰ ভিতৰৰে—যি চৰকাৰে আগবঢ়োৱা 'এককালীন সুবিধা'' গ্ৰহণ কৰিছিল। তেওঁলোকে তেওঁলোকৰ দখলত থকা ক'লা ধনৰ বিষয়ে ঘোষণা কৰিছিল। ইয়াৰ সময়সীমা আছিল চাৰি মাহ। ১ জুনত খুলি দিছিল সেই অঘোষিত তহবিলৰ খিৰিকীখন। ক'লা ধনৰ সংহাৰী ৰূপ ধাৰণৰ বিৰুদ্ধে যুঁজিবলৈ চৰকাৰৰ যুদ্ধকালীন তৎপৰতাৰ মাজত এই মাজনিশাৰ লৰা-ঢপৰা কৰা কাৰ্যই ক'লা ধন ঘোষণাকাৰীসকলক ভৱিষ্যতৰ বাবে শান্তিৰে শুব পৰাটো নিশ্চিত কৰিলে। ঘোষণাকাৰীসকলে আয়কৰ আইন, সম্পত্তি আইন আৰু বেনামী আইনৰ অধীনত শাস্তি পোৱাৰ পৰা হাত সাৰিব। যদিও চৰকাৰে অহা বছৰৰ ছেপ্টেম্বৰৰ ভিতৰত উপাৰ্জন ঘোষণা আঁচনিৰ (ইন্‌কাম ডিক্লাৰেচন স্কীম্) পৰা কৰৰ বাবদ ৩০,০০০ কোটি টকাৰ ওচৰা-উচৰি ধনৰাশি পাব, তথাপি ই বৰফাবৃত শিলাখণ্ডৰ মাত্ৰ এটা টোপোলহে হ'ব পাৰে। সেই পাব লগা ধনৰাশি ঘোষণা কৰা প্ৰায় ৬৫,২৫০ কোটি টকাৰ ৪৫ শতাংশ ভাগহে হ'ব। এইখিনিতে মন কৰিবলগা কথাটো হ'ল প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ক'লাধন উদ্ধাৰ কৰা কাৰ্যক অভিযান ভাবধাৰাৰে হাতত লৈছে। এই কথা তেওঁ যোৱা মাহত কৰা উক্তিৰ পৰা ঠাৱৰ কৰিব পাৰি। ক'লা ধনৰ সন্দৰ্ভত ফাকি দিওঁতাসকলক ৩০ ছেপ্টেম্বৰৰ পিছত কঠোৰ সিদ্ধান্ত লোৱা হ'ব বুলি তেওঁ ঘোষণা কৰিছিল।

দেশৰ ১২০ কোটিতকৈ অধিক জনসংখ্যাৰ ভিতৰত ৫ শতাংশতকৈ কম সংখ্যক কিম্বা ৫.৪৩ কোটি ব্যক্তিয়ে কৰ দিয়ে। নিজৰ উপাৰ্জন কিমান তাক ঘোষণা নকৰা যথেষ্ট সংখ্যক ব্যক্তিয়ে কৰ আদায় নিদিয়াৰ বাবদ সৎ কৰ দাতাসকলে অনেক পৰিমাণৰ কৰৰ বোজাৰ সন্মুখীন হ'ব লগা হয়। অৰ্থনীতিত কিমান পৰিমাণৰ ক'লা ধনৰ সোঁত প্ৰৱাহিত হয় তাক নিশ্চিত কৰা মস্কিল হ'লেও বিভিন্ন হিচাপ-নিকাচ আৰু প্ৰতিবেদনসমূহে তাক ২০ শতাংশ আৰু ৭০ শতাংশৰ মাজত ৰাখিছে। এয়া ২ ট্ৰিলিয়ন ডলাৰৰ দেশখনৰ অৰ্থনীতিৰ আকাৰলৈ চাই অনুমান কৰা হৈছে। ছুইছ চৰকাৰৰ মতে ভাৰতীয় নাগৰিকে ২০১০ চনৰ শেষলৈকে সকলোবোৰ ছুইছ বেংকত ৯,৫০০ কোটি টকা জমা ৰাখিছিল। প্ৰায় ৮ লাখ কোটি টকা প্ৰত্যক্ষ কৰ ৰাজহৰ ভিতৰত সংগৃহীত ধনৰাশি বৈশিষ্ট্যপূৰ্ণভাৱে কৰ্পোৰেট কৰৰ পক্ষতেই থাকে—যাৰ অংশ ভাগ ৬০ শতাংশ আৰু ব্যক্তিগত আয়কৰৰ ভাগ ৪০ শতাংশ। এইটোৱে কৰৰ আধাৰ প্ৰসাৰিত কৰাৰ সম্ভাৱনাক আলোকিত কৰে। ২৫কোটি PAN কাৰ্ড গৰাকীৰ ভিতৰত মাত্ৰ ৫.৪৩ কোটিয়েহে কৰ দিয়ে। নিৰ্বাচনত দিয়া আশ্বাস অনুযায়ী ক'লা ধনৰ বিৰুদ্ধে চৰকাৰে যি কঠিন পদক্ষেপ গ্ৰহণ কৰিবলৈ লৈছে সেইটোৱে কৰ ফাকি দিওঁতাসকলৰ বাবে মস্কিল হৈ উঠিব। তেনেদৰে বিদেশত হিচাপত নথকা সম্পত্তিৰ ক্ষেত্ৰতো ভুক্তভোগীসকল শান্তিৰে থাকিব নোৱাৰিব।

ক'লা ধনৰ সংহাৰী ৰূপ ৰোধ কৰিবৰ কাৰণে চৰকাৰে বহু দিশৰ কৌশল অৱলম্বন কৰাৰ ওপৰত কাম কৰি আছে। তাৰ ভিতৰত এইকেইটা বিষয় উল্লেখ কৰিব পৰা যায়। উপাৰ্জন ঘোষণা আঁচনিৰ (আই ডি এছ) উপৰি অন্য ব্যৱস্থাসমূহৰ ভিতৰত আছে 'বিদেশী সম্পদ ঘোষণা উইন্ড' ক'লা ধনৰ বাবে বিশেষ তদন্তকাৰী দল (Special Investigative Team, চমুকৈ SIT), দ্বিপাক্ষিক কৰ চুক্তি পুনৰ

*লিখিকা বিযনিছ ষ্টেন্ডাৰ্ড (Business Standard) বাতৰি কাকতৰ বিশেষ সংবাদদাতা। তেওঁ বিত্ত মন্ত্ৰণালয়ৰ বাতৰি দিওঁতা। তেওঁ পূৰ্বে The Economic Timesৰ সংবাদদাতা আছিল।

কাৰ্যকৰণ, ২ লাখ টকাৰ ওপৰৰ লেন-দেনৰ বাবে PAN কাৰ্ড বাধ্যতামূলক কৰা, প্ৰকল্পৰ অন্তৰ্দৃষ্টি আৰোপ তথা বিভিন্ন দেশৰ সৈতে তথ্য বিনিময় চুক্তি স্বাক্ষৰ। অহা বিত্তীয় বৰ্ষৰ পৰা এটা অন্যতম বৃহৎ কৰ সংস্কাৰ কাৰ্যৰ প্ৰচলনে পৰোক্ষ কৰ দিয়াৰ পৰা এৰাই চলিবলৈ কঠিন কৰি তুলিব আৰু সেই কৰ সংস্কাৰ কাৰ্য ব্যৱস্থা হ'ল সামগ্ৰী আৰু সেৱা কৰ (GST)। এই ব্যৱস্থাই সামগ্ৰিকভাৱে হাৰ নিৰ্ণয় সাধন উন্নত কৰাৰ সম্ভাৱনা আছে। জি এছ টিয়ে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ বিভিন্ন পৰোক্ষ কৰ সামৰি ল'ব। তেনেবোৰ কৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— সেৱা কৰ, আবকাৰী শুল্ক, অক্ৰয় মূল্য সংযোজিত কৰ ইত্যাদি। তাৰ লগতে ই পুঁজি ঘূৰাই দিবৰ বাবে (Refund) এটা 'ইনপুট টেক্স ক্ৰেডিট' (Input Tax Credit) ব্যৱস্থাৰ সৃষ্টি কৰিব।

**নিৰ্দিষ্টভাৱে কৰ এৰাই চলাসকলৰ প্ৰতি পৰোক্ষ ব্যৱস্থা**

বিত্ত মন্ত্ৰণালয়ৰ তথ্য মতে ১৬,০০০ কোটি টকা সংগ্ৰহ কৰা হয় কোনো বলপূৰ্বক ব্যৱস্থা গ্ৰহণ নকৰাকৈ। এই ক্ষেত্ৰত উন্নীত আই টি ডাটাবেছ-ৰ বাবদ প্ৰয়োজন হোৱা PAN নম্বৰ উদ্ধৃত কৰি তৃতীয় পক্ষৰ তথ্য ব্যৱহাৰ কৰা হয়।

সম্প্ৰতি প্ৰায় ৯২ শতাংশ কৰ বিভাগৰ ৰাজহ উৎসতে কৰ কৰ্তন কৰা (TDS), অগ্ৰীম কৰ আৰু স্ব-নিৰ্দ্ধাৰিত কৰৰ পৰা আহে। বাকী ৮ শতাংশ পৰীক্ষা-নিৰীক্ষা কৰাৰ পিছত পোৱা হয়। এয়া এটা পৰিৱৰ্তনৰ গতি আৰম্ভ হোৱা যেনেই লাগে।

কৰ ফাকি দিওঁতাসকলক ধৰিবৰ কাৰণে অধিক প্ৰযুক্তিৰ সমৰ্থন কামত লগোৱা দৰকাৰ। L&T infotech সহায়ত 'প্ৰজেক্ট ইনছাইট'-এ বিভিন্ন উৎসৰ পৰা পোৱা আয়কৰ বিভাগে মজুত ৰখা সন্দেহৰাশি চৰকাৰে মিলাই চাব পাৰিব। আৰু PAN নম্বৰৰ সবিশেষ ব্যৱহাৰ কৰিও পদ্ধতিগতভাৱে ব্যক্তিবিশেষৰ বিতং তথ্য লাভ কৰিব পাৰিব। সকলো লেনদেনৰ সবিশেষ আয়কৰ বিভাগৰ ওচৰত সুনিয়াৰিকৈ পোৱা যাব। স্থাৱৰ সম্পত্তি ক্ৰয় কৰা, গহনাপাতি আৰু মটৰগাড়ী কিনা আদি সন্দেহো আয়কৰ বিভাগৰ ওচৰত থাকিব— যাৰদ্বাৰাই কৰ ফাকি দিওঁতা-সকলক চিনাক্তকৰণ কৰা সহজ হ'ব। উক্ত অন্তৰ্দৃষ্টি প্ৰকল্পই উদ্ধাৰ কৰিব পৰা কৰৰ ধনৰাশিৰ ওপৰত ভিত্তি কৰি কৰ ফাকি দিওঁতাৰ শ্ৰেণী নিৰ্ণয় কৰাৰো আশা আছে আৰু তাৰ দ্বাৰাই কৰ্তৃপক্ষই সৰ্বাধিক মূল্যৰ লক্ষ্য নিৰ্দ্ধাৰিত কৰা কৰ ফাকি দিওঁতাসকলৰ ওচৰলৈ প্ৰথমে যোৱাৰ পথ প্ৰশস্ত কৰিব। এই প্ৰকল্পৰ সন্দৰ্ভত বহু চৰকাৰী বিভাগে মিলি-জুলি কাম কৰি আছে। তেনে বিভাগসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল ছেণ্ট্ৰেল বৰ্ড অৱ ডাইৰেক্ট টেক্সেছ (Central Board of Direct Taxes) Intelligence Bureau দাখিল কৰাটো বাধ্যতামূলক কৰিছে। ২০১৬ চনৰ পহিলা জানুৱাৰীৰ পৰা ইয়াক কাৰ্যকৰী কৰা হৈছে। সোণৰ গহনাপাতিৰ ক্ষেত্ৰতো PAN নম্বৰ আৰু অন্যান্য।

চৰকাৰে ২ লাখ টকাৰ ওপৰৰ সকলো লেন-দেনৰ ক্ষেত্ৰত PAN নম্বৰ দিয়াৰ ধনৰাশিৰ সীমা সলনি কৰা হৈছে। পূৰ্বৰ ৫ লাখ টকা সীমাৰ পৰা এতিয়া ২ লাখ টকাৰ অধিক কৰা হৈছে। ডাকঘৰ, সমবায় বেংক, নিধি, নন্-বেংকিং বিত্তীয় কোম্পানীসমূহত সকলো নিৰ্দিষ্ট জমাৰাশিৰ (Fixed deposit) ক্ষেত্ৰতো PAN নম্বৰৰ আৱশ্যক হ'ব।

বৰ্তমানে তৃতীয় পক্ষৰ সাতটা উৎসই (Sources) লেনদেন সম্বন্ধে জনাব লাগিব আৰু তাক বাধ্যতামূলক কৰা হৈছে। বাৰ্ষিক তথ্যৰ প্ৰতিবেদনো (Annual Information return, চমুকৈ AIR) দাখিল কৰিব লাগিব। এই উৎসৰ ভিতৰত আছে—যি কোনো ব্যক্তিৰ পৰা এবছৰত ১০ লাখ টকা বা ততোধিক নগদ জমা ধন গ্ৰহণ কৰা বেংক, যিকোনো ব্যক্তিৰ বাবে এটা বছৰত ২ লাখ টকাতকৈ অধিক ধনৰাশিৰ বিলৰ বিপৰীতে আদায় দিয়া টকাৰ ক্ষেত্ৰত ক্ৰেডিট কাৰ্ড ইছ্যু কৰা বেংক বা কোম্পানী, যিকোনো ব্যক্তিৰদ্বাৰা ইউনিট বিক্ৰীৰ বাবদ ২ লাখ বা ততোধিক টকা সংগ্ৰহ কৰা মিউছুৱেল ফাণ্ড, শ্বেয়াৰ, বণ্ড, ডিবেঞ্চাৰৰ বিপৰীতে ৫ লাখ বা ততোধিক টকা লাভ কৰা কোম্পানী, ৩০ লাখ টকাৰো অধিক স্থাৱৰ সম্পত্তি ক্ৰয়-বিক্ৰয় সন্দৰ্ভত পঞ্জীয়ক আৰু উপ-পঞ্জীয়ক তথা ৫ লাখ টকাৰ অধিক মূল্যৰ বণ্ড ইছ্যু কৰা ৰিজাৰ্ভ বেংক।

**আয়কৰ জাল বিস্তাৰ**

অনুসন্ধান আৰু জব্দীপ ব্যৱস্থা অধিকভাৱে হাতত লোৱা হেতু যোৱা আঢ়ৈ বছৰ কালত বুজন সংখ্যক ধনৰাশি জব্দ কৰিবলৈ সফলতা লাভ কৰা হয়। ইয়াৰ ভিতৰত আছিল ১,৯৮৬ কোটি টকাৰ আয়কৰ আৰু ৩৭৮ কোটি টকাৰ আঘোষিত উপাৰ্জন। আয়কৰ বিভাগে জব্দ কৰা সৰহভাগ ধনৰাশি আছিল চিকিৎসা আৰু শিক্ষা খণ্ডৰ।

তৃতীয় পক্ষৰ তথ্যপাতি ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বিভাগৰ কাৰ্যকাৰিতাৰ গুৰিতে আছিল CBDT চি বি ডি টি-এ ব্যক্তিসকললৈ ৭ লাখ পত্ৰ কৰৰ সন্দৰ্ভত সকলোবোৰ লেঠা দূৰ কৰিবৰ বাবে

লিখিছিল। এইবোৰৰ ভিত্তি আছিল বিনা PAN নম্বৰৰ ৯০ লাখ সন্দেহৰ তথ্যৰ ওপৰত। তদুপৰি আয়কৰ বিভাগে অধিক মূল্যৰ লেনদেনৰ ক্ষেত্ৰত এনুৱেল ইনফৰমেশ্বন ৰিটাৰ্ণ পৰীক্ষা কৰে। ইয়াৰ ফলত সঞ্চয় বেংক হিচাপ বহীত নগদ ১০ লাখতকৈও অধিক ধন জমা কৰাটো ওলাই পৰে। ৩০ লাখ বা ততোধিক টকা মূল্যৰ স্থাৱৰ সম্পত্তি কিনা-বেচা কৰাটো ধৰা পেলোৱা হয়। এনে ধৰণৰ বহু লেনদেনৰ ক্ষেত্ৰত PAN-ৰ ব্যৱস্থা নাছিল।

কেইমাহমানৰ পূৰ্বে কৰ বিষয়া-সকলৰ আগত ভাষণ দিওতে প্ৰধান মন্ত্ৰী মোডীয়ে কৈছিল যে যদি প্ৰত্যক্ষ কৰৰ কেন্দ্ৰীয় বোৰ্ডৰ (CBDT) ৪২,০০০ বিষয়াক পোনপটীয়া কৰ ৰাজহ নিশ্চিত কৰিবৰ বাবে ন্যস্ত কৰা হয়, তেনেহ'লে কৰৰ জালখন আৰু অধিক বিস্তাৰিত কৰিব লাগে।

বোৰ্ডে বিষয়াসকলক খনিজ কামত ন্যস্ত থকা কোম্পানীসমূহৰদ্বাৰা দাখিল কৰা কৰ ৰিটাৰ্ণ আৰু উৎপাদন সবিশেষবোৰ পৰীক্ষা কৰিবলৈ নিৰ্দেশ দিছে আৰু যদি কিবা সেইবোৰত অকামিলা আছে তেনেহ'লে সেই বিষয়েও উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছে। পৰোক্ষ কৰৰ ক্ষেত্ৰত বৰ্দ্ধিত বলবৎকৰণ ব্যৱস্থাই ৫০,০০০ কোটি টকাৰ পৰোক্ষ কৰ ফাকি দিয়া আৰু ২১,০০০ কোটি টকাৰ অঘোষিত উপাৰ্জন ধৰা পেলোৱাত সহায় কৰে।

**ধন লেনদেনৰ ক্ষেত্ৰত অনুসন্ধানকাৰী দল**

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ এম বি শ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত বিশেষ অনুসন্ধানকাৰী দলক ক'লা ধন প্ৰতিহত কৰিবৰ বাবে আহ্বান জনায়। তেওঁ কয়, অৰ্থ ব্যৱস্থাত এনে ক'লা ধনৰ প্ৰসাৰ বন্ধ কৰিবৰ কাৰণে ৩ লাখ টকাতকৈ অধিক পৰিমাণৰ নগদ ধনৰ লেনদেন সম্পূৰ্ণভাৱে নিষেধ কৰিব লাগে আৰু বোৰ্ডৰ শেহতীয়া প্ৰতিবেদনত ১৫ লাখ টকা নগৰ ধনৰ পৰিমাণ সীমিত কৰিব লাগে। বিভিন্ন দেশৰ ব্যৱস্থাৱলী পৰীক্ষা কৰি চোৱাৰ পিছত যদি এই পৰামৰ্শ গ্ৰহণ কৰা হয়, তেনেহ'লে উল্লিখিত ধনত অধিক লেনদেন কিম্বা নগদ ধনৰাশি ৰখোৱাটো বেআইনী আৰু আইন মতে শাস্তি প্ৰদানযোগ্য হ'ব পাৰে। কোৱা বাহুল্য যে ক'লা ধন বিষয়ক বিশেষ অনুসন্ধানকাৰী দল ২০১৪ চনত গঠন কৰা হয়।

আন এটা বিষয় হ'ল ধন লেনদেনৰ সীমা অতিক্ৰম কৰিব পাৰে যদিহে নগদ ধন ৰখাৰ পৰিমাণ সীমিত অৱস্থাত আছে। এই ক্ষেত্ৰত এনেদৰে পৰামৰ্শ আগবঢ়োৱা হৈছে যে উদ্যোগৰ কোনো ব্যক্তিয়ে অধিক নগদ ধন ৰখাৰ প্ৰয়োজন হয়, তেনেহ'লে তেনে লোকে সংশ্লিষ্ট এলেকাৰ আয়কৰ আয়ুক্তৰ পৰা প্ৰয়োজনীয় অনুমতি ল'ব পাৰে।

বিশেষ দলটোৰ (SIT) পেনেলে ৰিজাৰ্ভ বেংকক এটা প্ৰতিষ্ঠানমূলক ব্যৱস্থাৰ বিকাশ কৰিবলৈ কৈছে। তাৰ বাবে ৰাজহ বিভাগৰ সৈতে আলোচনা কৰি আগবঢ়াৰ ওপৰত গুৰুত্ব দিছে—যাতে অনুসন্ধানকাৰী এজেন্সীৰ সৈতে আমদানি-ৰপ্তানি তথা বিদেশী বিনিময় লেনদেনৰ তথ্যপাতি সন্দৰ্ভত ভাগ লৈ দেশৰ বাহিৰলৈ যোৱা বেআইনী বিত্তীয় সোঁতক বন্ধ কৰিব পাৰে। বলবৎকৰণ ব্যৱস্থা হাতত লোৱা কৰ্তৃপক্ষৰ সৈতে ৰিজাৰ্ভ বেংকৰ ডাটাভিত্তিক তথ্যত ভাগ ল'বলৈ উপযুক্ত ব্যৱস্থাৰ বাবে আহ্বান জনায় আৰু সেই বলবৎকৰণ কৰ্তৃপক্ষ হ'ল ৰাজহ তথ্য (Revenue Intelligence) সঞ্চালকালয় আৰু বলৱৎকৰণ সঞ্চালকালয় এই ডাটা-ভিত্তিক তথ্যসমূহ পৰীক্ষা-নিৰীক্ষা কৰিবৰ কাৰণেই উল্লিখিত সংস্থাৰ সহযোগৰ আৱশ্যক। ৰাজহ তথ্য সঞ্চালকালয়ক যিবোৰ কোম্পানীয়ে ৰপ্তানিৰ উপাৰ্জনখিনি ভাৰতলৈ ননাকৈ শুল্ক দাবী কৰিছে সেইবোৰৰ বিৰুদ্ধে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। এনে ক্ষেত্ৰত দেশে দুটা কাৰণত ক্ষতিগ্ৰস্ত হয়—এটা হ'ল ৰপ্তানিৰ বাবদ পাব লগা ধনৰাশি আৰু আনটো হ'ল ভুলকৈ দাবী কৰি শুল্কৰাশি উলিয়াই নিয়াৰ বাবে।

**বিদেশত জমা কৰি ৰখা বিনাহিচাপৰ ধন**

অন্যান্য দেশৰ সৈতে কৰা তথ্য বিনিময় চুক্তিয়ে বিদেশৰ একাউণ্টত থকা ক'লা ধনৰ বিষয়ে জনাটো অধিক প্ৰত্যাহ্বানমূলক কৰি তুলিব। যোৱা বছৰ বলবৎ হোৱা ইন্দো-ইউ এছ ফৰিন্ একাউণঅট টেক্স কম্প্লাইন্ছ এক্ট-ৰ লক্ষ্য হ'ল বিদেশত থকা সম্পদৰ পৰা উদ্ৰেক হোৱা উপাৰ্জনৰ ওপৰত কৰ আদায় দিয়াটো নিশ্চিত কৰা। ইতিমধ্যে ভাৰতে উল্লিখিত ভাৰত-আমেৰিকা আইনখনৰ (অৰ্থাৎ Account Tax Compliance Act) অধীনত স্বয়ংক্ৰিয় বিনিময় তথ্য (Automatic Exchange of Information) পাবলৈ আৰম্ভ কৰিছে। অন্য দেশবোৰৰ পৰা এই তথ্য বিনিময়ৰ অধীনত ২০১৭ চনৰ পৰা এই সন্দেহ লাভ কৰিবলৈ আৰম্ভ কৰিব।

বিনিময় কাৰ্য বলবৎ হ'লে তথ্যসমূহ লাভ কৰাৰ লগতে এনে ব্যৱস্থাই কৰ বিভাগক কোনো এক প্ৰতিষ্ঠান বা ব্যক্তিৰ অতীত লেনদেনৰ গাণনিক তহবিলৰ পম খেদাত সদায় কৰিব পাৰে।

এইছ এছ বি চি-ৰ বেংক একাউণ্টত বিদেশত জমা ৰখা ক'লা ধনৰ ১৭৫ টা গোচৰৰ ভিতৰত চৰকাৰে ১৬৪ টা অপৰাধমূলক গোচৰ দাখিল কৰিছে। এইবোৰ বেংক একাউণ্টৰ ধনৰাশিৰ পৰিমাণ হ'ল ৮,০০০ কোটি টকা। ইণ্টাৰনেশ্বনেল কন্‌ছৰ্টিয়াম অৱ ইন্‌ভেষ্টিগেইটিভ্ জৰ্নেলিষ্ট-এ (ICIJ) কৰা অনুসন্ধানৰ ভিত্তিত চৰকাৰে ৫০০০ কোটি টকা মূল্যৰ বিদেশৰ একাউণ্টত ৰখা অঘোষিত জমাৰাশি ধৰা পেলাইছে আৰু ৫৫ টা অপৰাধৰ গোচৰ দাখিল কৰিছে।

একেদৰে পানামাৰ কাকতবোৰে কৰা অনুসন্ধানে অন্য দেশত ২৫০ টা তেনে প্ৰাসঙ্গিকতাৰ পথ মুকলি কৰে আৰু কৰ ফাকি দিওঁতা, বেংক একাউণ্ট ইত্যাদি সম্বন্ধে সবিশেষ বিচৰা হৈছে। ইয়াৰ বাহিৰেও বিদেশত গুপুতে ৰখা অঘোষিত সম্পত্তিৰ ক্ষেত্ৰত ২০১৫ চনত লোৱা কাৰ্য ব্যৱস্থাৰ ফলত চৰকাৰে ৪,১৪৭ কোটি টকা মূল্যৰ হিচাপ লাভ কৰে আৰু ইয়াৰ ওপৰত ধাৰ্য কৰা ৬০ শতাংশ কৰ ২৪২৮ কোটি টকা ৰাজহলৈ পৰিণত কৰা হয়।

পানামা কাকতবোৰে ১১ নিযুতৰকৈ অধিক গোপনীয় কৰি ৰখা নথি-পত্ৰ প্ৰকাশ কৰে। ইয়াৰ ভিতৰত কমেও ৫০০ ভাৰতীয় লোকৰো নাম উল্লেখ আছে। এওঁলোকে নিয়ম-নীতি উলংঘা কৰি তেনে কাৰ্য সাধন কৰিছিল। এই সকল ভাৰতীয়ৰ ভিতৰত অমিতাভ বচ্চন, ঐশ্বৰ্য্য ৰায় আৰু নীৰা ৰাডিয়াৰ নামো সাঙুৰ খাই আছে। উল্লিখিত নথি-পত্ৰসমূহ ২১৪,০০০টা দূৰ উপকূলীয় ব্যক্তি আৰু প্ৰতিষ্ঠানৰ আৰু ইয়াৰ কাল অবধি হ'ল ৪০ বছৰ। কাকতসমূহ Mossack Fonsecaৰ পৰা ওলায়। ই হ'ল পানামাত থকা আইন প্ৰতিষ্ঠান ইয়াৰ কাৰ্যালয়সমূহ ৩৫ খনতকৈ অধিক দেশত পৰিব্যাপ্ত হৈ আছে।

পানামাই কৰা গোপনীয়তা প্ৰকাশৰ ভিত্তিত স্পেচিয়েল ইনভেষ্টিগেইচন টীমে ক'লা ধন (Undisclosed Foreign Income and Assets) আৰু আইন, ২০১৫ সংশোধন কৰা বিষয়ে পৰামৰ্শ দিছে। এই সংশোধন গ্ৰহণ কৰি কাৰ্যকৰী হ'লে এজন সম্পদ অধিকাৰীয়ে বিদেশত কোনো ধন বিনিয়োগ অথবা সম্পত্তি ক্ৰয় কৰাৰ পূৰ্বে ৰাজ্যৰ আয়কৰ বিভাগৰ সংশ্লিষ্ট আয়ুক্তক নিশ্চয়কৈ জনাব লাগিব—যদিও ভাৰতৰ ৰিজাৰ্ভ বেংকৰ অনুমতি আৱশ্যক নকৰে।

**দ্বৈত কৰ পৰিহাৰ চুক্তিৰ পুনৰবৰ্দ্ধন**

কৰ ফাকি দিওঁতাসকলে কম কিম্বা শূন্য কৰ বিৰাজ কৰা ক্ষেত্ৰবোৰৰ সৈতে থকা কৰ চুক্তিৰ যি সুৰঙা বিচাৰি পায় তাৰ সুবিধা সততে লৈ সম্পূৰ্ণৰূপে কৰ পৰিহাৰ কৰাটো নিশ্চিত কৰে। তেনে কিছুমান ক্ষেত্ৰৰ ভিতৰত আছে মৰিছাছ, ছিঙ্গাপুৰ আৰু চাইপ্ৰাছ। ফলস্বৰূপে বিদেশত থকা হিচাপবিহীন ধনৰাশি বিদেশৰ মূলধন ৰূপে পুনৰ ভাৰতলৈ গতি কৰা হয়। যিক্ষেত্ৰত দ্বৈত কৰ পৰিহাৰ চুক্তিৰ (Douae Taxsation Avoidance Agreements) লক্ষ্য হ'ল কৰদাতা সকলে উভয় দেশতে দুগুণ কৰ বোজাৰ সন্মুখীন হোৱাৰ নিশ্চিত কৰা, তেনে ক্ষেত্ৰত কৰ ফাকি দিওঁতাসকলে উভয় দেশতে কৰ এৰাই চলাৰ ব্যৱস্থা কৰে। সেয়ে কেন্দ্ৰীয় চৰকাৰে এই দেশবোৰৰ সৈতে দ্বৈত কৰ পৰিহাৰ চুক্তি পুনৰবৰ্দ্ধন কৰিবলৈ তৎপৰ আৰু তাৰদ্বাৰাই মূলধনী লাভৰ ওপৰত কৰ অধিকাৰ লাভ কৰিবলৈ সচেষ্ট। এই মূলধনী লাভ সম্প্ৰতি কম কিম্বা কৰ নথকা এলেকাবোৰে লাভ কৰে। ভাৰতে মৰিছাছ আৰু চাইপ্ৰাছৰ সৈতে এই দ্বৈত চুক্তি পুনৰবৰ্দ্ধিত কৰিছে। ছিঙ্গাপুৰৰ সৈতেও ইয়াক সংশোধন কৰাৰ পথত আছে।

মৰিছাছ আৰু ছিঙ্গাপুৰ হ'ল ভাৰতৰ দুখন শীৰ্ষ বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ উৎস। এই দুয়োখন দেশে আমাৰ দেশত মুঠ প্ৰত্যক্ষ বিনিয়োগৰ প্ৰায় আধা ভাগ লগ্নী কৰে। বিগত ডেৰ দশকতকৈও অধিক কাল মৰিছাছৰ পৰা লগ্নী কৰা মুঠ প্ৰত্যক্ষ বিনিয়োগৰ পৰিমাণ হ'ল ৯৫.৯ বিলিয়ন মাৰ্কিন ডলাৰ আৰু মৰিচাছৰ হ'ল প্ৰায় ৪৫.৮ বিলিয়ন মাৰ্কিন ডলাৰ।

তালিকাত চাইপ্ৰাছৰ স্থান হ'ল অষ্টম। বিনিয়োগৰ পৰিমাণ ৮.৫ বিলিয়ন মাৰ্কিন ডলাৰ।

২০১৭ চনৰ ১ এপ্ৰিলৰ পৰা বলবৎ হ'ব লগা জে'নেৰেল এণ্টি এভইডেঞ্চ (GAAR)ৰ আগেয়ে এই কম কৰৰ ব্যৱস্থা থকা এলেকাৰ দেশবোৰে স্বেচ্ছাই আইনত থকা সুৰুঙাবোৰ বন্ধ কৰিবলৈ চুক্তি পুনৰবৰ্দ্ধন কৰিবৰ বাবে আগবাঢ়ি আহে। GAAR হ'ল এনে এলানি নিয়ম-বিধি যাক এনেদৰে প্ৰস্তুত কৰা হৈছে— যিবোৰে ভাৰতীয় কৰ্তৃপক্ষক পৰীক্ষা-নিৰীক্ষা তথা কৰ লেনদেন কৰাৰ অধিকাৰ প্ৰদান কৰে।

ভাৰতে এপ্ৰিল মাহত মৰিছাছৰ সৈতে থকা ডি টি এ এ সংশোধন কৰে। ইয়াৰ দ্বাৰাই নতুন দিল্লীক শ্বেয়াৰসমূহৰ ওপৰত মূলধনী লাভাংশ আৰোপ কৰিবলৈ সন্মতি দিয়া হয়। অহা বিত্তীয় বৰ্ষৰ পৰা মৰিছাছৰ জৰিয়তে ভাৰতত পুঁজি প্ৰবাহ কৰা কোম্পানীবোৰে হ্ৰস্বকালীন মূলধনী লাভাংশ কৰ আদায় দিব লাগিব। ২০১৭ বৰ্ষৰ এপ্ৰিলৰপৰা আৰম্ভ হোৱা দুবছৰীয়া নিৰ্দিষ্ট কালছোৱাৰ চলিত হাৰত এনে কৰৰ পৰিমাণ হ'ল ৫০ শতাংশ। সম্প্ৰতি এই হ্ৰস্বকালীন মূলধনী লাভাংশৰ কৰ হাৰ

হ'ল ১৫ শতাংশ। সম্পূৰ্ণ ৰূপত কৰ হাৰ ২০১৯ চনৰপৰা আৰোপ কৰা হ'ব। ৫০ শতাংশ ৰেহাই হাৰ নতুনকৈ অন্তৰ্ভুক্ত কৰা লিমিটেশ্বন অব্ বেনিফিট্-ৰ (LOB) চৰ্ত্ত পূৰণ সাপেক্ষে কাৰ্যকৰী হ'ব। পূৰ্বৰ বিত্তীয় কালছোৱাত মৰিছাছৰ ক্ষেত্ৰত এই ব্যয়ৰ পৰিমাণ হ'ল কমেও ২৭ লাখ টকা। ছিঙ্গাপুৰ চুক্তি সংশোধনী কাম দুই পক্ষৰদ্বাৰা আলোচনা কৰি মীমাংসা কৰিবলৈ লোৱা হৈছে। ২০১৭ চনৰ ১ এপ্ৰিলৰপৰা ইয়াক সহজতেই সংশোধন কৰা হ'ব, কিয়নো ই মৰিছাছৰ দৰে একেই প্ৰটোকলৰ অধীনত পৰে।

৮২ খন দেশৰ সৈতে ভাৰতৰ দ্বৈত কৰ পৰিহাৰ চুক্তি আছে। সকলো জনপ্ৰিয় কৰ ব্যৱস্থা থকা দেশবোৰো ইয়াৰ পৰা বাদ পৰা নাই। ইয়াৰ ভিতৰত ভাৰতে ৩০ খন দেশৰ সৈতে চুক্তি সম্প্ৰসাৰিত কৰিছে। তেনে সম্প্ৰসাৰণৰ বাবে ইখন-সিখন দেশৰ হৈ কৰ সংগ্ৰহ কৰিবৰ কাৰণে পাৰস্পৰিক প্ৰয়াসৰ আৱশ্যক হয়।

ছাইপ্ৰাছ্ক ব্লেকলিষ্টৰ পৰা উঠাই লোৱাৰ বিনিময়ত সেই দেশখনে শ্বেয়াৰসমূহৰ সন্দৰ্ভত ভাৰতক কৰ অধিকাৰ দিবলৈ সন্মত হৈছে। যিবোৰ কোম্পানীয়ে ইউৰোপ আৰু আমেৰিকাক কেন্দ্ৰস্থল কৰি কাম কৰি আছে সেইবোৰে বিনিয়োগৰ ধনৰাশি ভাৰতলৈ প্ৰেৰণ কৰে আৰু তাৰ বাবে পূৰ্ণ কৰ পৰিহাৰৰ সুবিধা লয়; কিয়নো কৰ চুক্তিয়ে শূন্য মূলধনী লাভাংশৰ সুবিধা প্ৰদান কৰে আৰু সুত আদায়ৰ ক্ষেত্ৰত ১০ শতাংশ কমাই দিয়াৰো সুবিধা আগবঢ়ায়। এয়া ছাইপ্ৰাছ্ক আধাৰ কৰি কাম কৰা প্ৰতিষ্ঠানসমূহেই তাৰ সুফল ভোগ কৰে। সি যি কি নহওক, ছাইপ্ৰাছ্ক ব্লেকলিষ্টৰ পৰা উঠাই ল'বলৈ ভাৰতে সন্মতি দান কৰে। পূৰ্বতে ছাইপ্ৰাছ্ক ২০১৩ চনত ভাৰতে অসহযোগাত্মক এলেকা ৰূপে ঘোষণা কৰিছিল। তাৰ কাৰণ আছিল ভাৰতীয় একাউণ্টৰ গৰাকী সকলৰ সন্দৰ্ভত সেই দেশে ভাৰতক তথ্যপাতি দিয়া নাছিল। এয়া আছিল প্ৰথম কৰ ক্ষেত্ৰ— যাৰ ওপৰত ভাৰতে ব্লেকলিষ্টৰ মোহৰ মাৰিব লগা হৈছিল। তাৰ ফলস্বৰূপে চাইপ্ৰাছ্ক দিয়া সকলোবোৰ পৰিশোধ কৰা ধনৰ ক্ষেত্ৰত ৩০ শতাংশ কৰ ধৰি ৰাখিব লগা হৈছিল আৰু ভাৰতীয় প্ৰতিষ্ঠানসমূহে তাত লাভ কৰা পুঁজি সম্বন্ধেও বিতংভাৱে পৰীক্ষা কৰিব লগা হৈছিল। টকাৰ উৎস কি তাৰো সন্ধান কৰিব লগা হৈছিল।

**বেনামী লেনদেন আইন**

আগষ্টত সংসদে বেনামী লেনদেন (নিষেধ) সংশোধনী আইনত (Benami Transactions Prohibition) Amendement Act) অনুমোদন জনায়। এই সংশোধন ক্ৰমে ইয়াৰ পৰিসৰ বৃদ্ধি পায় আৰু কৰ এৰাই চলিবলৈ যিসকলে আন লোকৰ নামত কিম্বা ভুৱা নামত সম্পত্তি ৰাখে তেনেলোকৰ বাবে জৰিমনা আৰু শাস্তি বিধান বৃদ্ধি পায়। আইনখনৰ উদ্দেশ্য হ'ল বেনামী লেনদেন উপযুক্তভাৱে নিষিদ্ধ কৰা। বেনামী লেনদেনৰ সংজ্ঞা বিস্তৃত কৰা হয় ভুৱা নামত লেনদেন কৰা বিষয়টো অন্তৰ্ভুক্ত কৰিবলৈ।

আৰু এটা বিষয় হ'ল ধন লুকুৱাবলৈ সম্পত্তি বা ৰিয়েল ইষ্টেটত বিনিয়োগ কৰা মানসিকতা। তেনে ধৰণৰ বিনিয়োগ সাধাৰণতেই কৰা হয়। ৰিয়েল ইষ্টেটৰ ক্ষেত্ৰত এটা বুজন সংখ্যক লেনদেনৰ বিষয়ে কৰ্তৃপক্ষক জনোৱা হোৱা নাই অথবা জনোৱাৰ অৱস্থাত আছে।

বিধেয়কখনে জৰিমনা আৰু শাস্তি বিধানৰ ব্যৱস্থা অধিক কঠোৰ কৰিছে। সংশোধিত আইনৰ অধীনত শাস্তি হিচাপে এবছৰৰ পৰা সাত বছৰলৈকে কাৰাবাস খাটিব লাগিব আৰু জৰিমনা বেনামী সম্পত্তিৰ বজাৰৰ মূল্য হিচাপত ২৫ শতাংশলৈকে হ'ব পাৰে। বৰ্তমানৰ চলিত আইন মতে এনে শাস্তি হ'ল তিনি বছৰ পৰ্যন্ত কাৰাবাস কিম্বা জৰিমনা অথবা দুয়োটাই। ভুল তথ্য দিয়াৰ বাবে শাস্তি হ'ব ছমাহৰ পৰা পাঁচ বছৰ পৰ্যন্ত কাৰাবাস আৰু জৰিমনা। এই জৰিমনা বেনামী সম্পত্তিৰ বজাৰৰ মূল্য হিচাপত ১০ শতাংশলৈকে বাঢ়িব পাৰে।

**আগলৈ যোৱাৰ পথ**

ক'লা-ধন উচ্ছেদকৰণৰ কাৰ্যত কিছুমান চুক্তিৰ প্ৰতি বিশ্বৰ সকলোবোৰ বৃহৎ অৰ্থনীতিৰ দেশসমূহে ঐক্যবদ্ধ হোৱালৈ চাই কৰ ফাঁকি দিয়া কাম সাধন কৰিবলৈ বৰ কঠিন হৈ পৰিব। সেই চুক্তিৰ ভিতৰত উল্লেখযোগ্য হ'ল "বেইছ্ ইৰ'শ্বন এণ্ড প্ৰফিট্ শ্বেয়াৰিং এগ্ৰিমেণ্ট" আৰু "মাল্টিলেটাৰেল্ ইনফৰমেশ্বন এ'ক্সচেইঞ্জ পেক্ট্ছ্"। দেশ-সমূহৰ মাজত তথ্যপাতিৰ মুক্ত বিনিময়ে অপৰাধকাৰীক ধৰা পেলাবলৈ কৰ বিষয়াসকলক এতিয়া অধিক সহজ কৰিব। বৈশিষ্ট্যপূৰ্ণভাৱে ভাৰত চৰকাৰে ক'লা ধন উদ্ধাৰ কৰিবলৈ প্ৰয়াস কৰিছে আৰু সেই মতে পদক্ষেপ গ্ৰহণ কৰিছে। এয়া কেৱল আগলৈ যোৱা প্ৰয়াসৰ বিস্তাৰিতকৰণ স্থিতিহে। প্ৰযুক্তিৰ সহায়ত সেই স্থিতিক অধিক গতি প্ৰদান কৰা হ'ব। তেনে প্ৰযুক্তিৰ ভিতৰত এটা হ'ল প্ৰজেক্ট ইনছাইট্। প্ৰযুক্তি ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত যি প্ৰচেষ্টা হাতত লোৱা হৈছে সেয়া সঠিক দিশতেই আগবাঢ়িছে। এতিয়া আলোকপাতৰ বিষয় নিশ্চয়কৈ হ'ব লাগিব নগদ ধন লেন-দেনত নিৰুৎসাহিত কৰা আৰু কাৰ্ডৰ জৰিয়তে ধন আদায় দিয়া কামক উৎসাহিত কৰা। এয়াই হ'ব ক'লা ধন প্ৰসাৰ ৰোধকৰণৰ মূল চাবি-কাঠী। ❐

# প্ৰস্তুত খণ্ডক পুনৰুজ্জীৱিতকৰণৰ বাবে কৰ উদ্দগনিমূলক ব্যৱস্থাৰে বাণিজ্য বিস্তাৰ কৰাৰ প্ৰয়াস

**অমিয় কুমাৰ মহাপাত্ৰ***

**পাতনি ঃ**

ভাৰত ২০২০ চনৰ ভিতৰত বিশ্বৰ ''তৰুণতম ৰাষ্ট্ৰ'' হ'ব বুলি প্ৰক্ষেপণ কৰা হৈছে আৰু আমাৰ জনসংখ্যাৰ গড় হিচাপে বয়স হ'ব প্ৰায় ২৯ বছৰ। তদুপৰি তেতিয়ালৈ আমাৰ ৪৭ নিযুত যুৱক কোনো কাম-কাজত নিযুক্তি নোপোৱাকৈ অধিক হৈ থাকিব। আনপিনে বিকাশমূলক কাৰ্যসূচী আগুৱাই নিবৰ কাৰণে বিশ্বই ৫৬ নিযুত যুৱকৰ নাটনিৰ সন্মুখীন হ'ব। সেই কাৰণে চহকী জনগাঁথনিৰ লাভাংশক আমাৰ বিকাশ প্ৰক্ৰিয়া বৃদ্ধি তথা অধিকতৰ মুঠ ঘৰুৱা উৎপাদন লাভ কৰিবৰ বাবে উপযুক্তভাৱে কামত লগোৱা আৱশ্যক। এনে জনগাঁথনিমূলক লাভাংশৰ সুফল একমাত্ৰ এই তৰুণ চামক স্বাস্থ্য, শিক্ষা আৰু দক্ষতা বিকাশৰ দিশত উপযুক্ত কৰি তুলি উপলব্ধ কৰিব পৰা যাব। সেই দিশত উপনীত হ'বৰ কাৰণে ভাৰতৰ প্ৰস্তুত খণ্ডত বহুত সম্ভাৱনা আছে— যাৰদ্বাৰাই এই তৰুণসকলক গ্ৰহণ কৰি দক্ষতাপূৰ্ণ কৰি তুলিবৰ বাবে এক সঠিক পটভূমি প্ৰদান কৰি কাৰ্য সাধন কৰিব পাৰে। যদিও সেৱা খণ্ডই মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত সৰ্বাধিক বৰঙণি যোগায় আৰু এতিয়াও সেই গতিধাৰা ই অটুট ৰাখিছে আৰু দেশখনক 'জ্ঞানৰ অৰ্থনীতি' কৰি তুলিছে, তথাপি যিকোনো ৰাষ্ট্ৰৰ দীৰ্ঘকালীন বিকাশৰ বিষয়কো প্ৰস্তুত খণ্ডৰ বৰঙণিৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে— যাতে তেনে বিকাশ প্ৰক্ৰিয়া নিজৰ ওপৰত ভৰ দি আগুৱাই যাব পাৰে। সেই দিশৰপৰা চাবলৈ গ'লে ই এটা মূল্যৱান খণ্ড; কাৰণ মুঠ ঘৰুৱা উৎপাদন, নিয়োগ, দক্ষতাৰ বিকাশ আদিলৈ যোগোৱা বৰঙণি বেচ উল্লেখযোগ্য। পিছে এই খণ্ডটোৰ বৰঙণি কেইটামান বছৰত মুঠ ঘৰুৱা উৎপাদনৰ হিচাপত প্ৰায় ১৬ শতাংশতেই আবদ্ধ কৰি ৰখা হয়। সেই দেখি প্ৰস্তুত খণ্ডৰ বিকাশ পৰিক্ৰমাৰ ওপৰত আলোকপাত কৰা প্ৰয়োজন হৈ পৰিছে।

**ৰাষ্ট্ৰীয় প্ৰস্তুতকৰণ নীতি**

নীতি বিশেষৰ ক্ষেত্ৰত কোনো ধৰণৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰিলে আৰু তেনে অৱলম্বন ক্ৰমে যদি সামাজিক আৰু অৰ্থনৈতিকভাৱে জনগণ উপকৃত হয়, তেনেহ'লে তেনে নীতি ভাৰতৰ বিকাশ কাৰ্যসূচীত সদায়েই অধিক গুৰুত্ব পায়। সেয়ে প্ৰস্তুত খণ্ডৰ অৱৰুদ্ধ বিকাশ গতি ত্বৰান্বিত তথা কু-চক্ৰৰ জাল ছিন্ন কৰিবৰ কাৰণে ভাৰত চৰকাৰে 'ৰাষ্ট্ৰীয় প্ৰস্তুত নীতি' তৈয়াৰ কৰে— যাতে খণ্ডটোক আগুৱাই নিব পাৰি। সেই নীতি অনুযায়ী খণ্ডটোৰ সামৰ্থ্যলৈ চাই বহু পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু ২০২৫ চনৰ ভিতৰত ২৫ শতাংশ মুঠ ঘৰুৱা উৎপাদন লাভ কৰাৰ লক্ষ্য থিৰ কৰা হৈছে।

৯০ নিযুত চাকৰি সৃষ্টি কৰাৰ বৃহৎ ক্ষমতা ভাৰতীয় প্ৰস্তুত খণ্ডৰ আছে আৰু ১ ট্ৰিলিয়ন মাৰ্কিন ডলাৰ অৰ্জন কৰাৰো সামৰ্থ্য আছে। তাৰ লগতে ই ২০২৫ চনৰ ভিতৰত মুঠ ঘৰুৱা উৎপাদনলৈ প্ৰায় ২৫-৩০ শতাংশ বৰঙণি যোগাব পাৰে (মেক্‌কিনছে প্ৰতিবেদন, ২০১২)। ইয়াৰ বাবে খণ্ডটোক উৎসাহিত কৰিবলৈ 'ৰাষ্ট্ৰীয় বিনিয়োগ আৰু প্ৰস্তুত মণ্ডল' সৃষ্টি কৰা হৈছে। আন্তঃগাঁথনি নিৰ্মাণ দৃষ্টিভঙ্গীৰ ওপৰত আধাৰিত এই মণ্ডলে এক অনুকূল পৰিৱেশ সৃষ্টি কৰি প্ৰয়োজনীয় উৎসাহ-উদ্দগনি আগবঢ়ায়— যাতে প্ৰস্তুত খণ্ডটোত অত্যাৱশ্যকীয় উন্নয়ন সাধন কৰিব পৰা যায়। খণ্ডসমূহৰ জটিল বিষয়ৰ কাম-কাজ সমাধান কৰিবৰ বাবে এই ৰাষ্ট্ৰীয় বিনিয়োগ তথা প্ৰস্তুত মণ্ডলে ''ছিঙ্গল উইণ্ডো''ৰ সুবিধা আগবঢ়াবলৈ পৰিকল্পনা কৰে আৰু আৱশ্যকীয় আইন তথা নিয়ামক ব্যৱস্থা সহজভাৱে সমাপন কৰিবৰ বাবেও দায়বদ্ধ হয়।

'মেইক্ ইন্ ইণ্ডিয়া' অৰ্থাৎ 'ভাৰত নিৰ্মাণ কৰক' ভাৱধাৰা চলন্তি ক্ৰমে ভাৰতৰ বিনিয়োগ ক্ষেত্ৰখনত অভূতপূৰ্ব-ভাৱে পৰিৱৰ্তন আনে। বহুৰাষ্ট্ৰীয় কোম্পানীবোৰক আহ্বান কৰা হয় আৰু ভাৰতত প্ৰস্তুত খণ্ডক উৎসাহিত কৰিবৰ কাৰণে নিজস্ব প্ৰস্তুতশৈলীৰে বৰঙণি যোগাবলৈও অনুৰোধ কৰা হয়। ভাৰত

*ড° অমিয় কুমাৰ মহাপাত্ৰ নতুন দিল্লীৰ ফৰচুন ইনষ্টিটিউট অৱ ইন্টাৰনেশ্বনেল বিজনেছৰ সহযোগী অধ্যাপক। পাঁচখন গ্ৰন্থৰ প্ৰণেতা মহাপাত্ৰ ইণ্ডিয়ান ইক'নমিক এছোচিয়েশ্বন আৰু ইণ্ডিয়ান কমাৰ্চ এছোচিয়েশ্বনৰ এগৰাকী আজীৱন সদস্য।

চৰকাৰে ‘মেইক্ ইন্ ইণ্ডিয়া’ক সফল কৰি তুলিবৰ বাবে আৱশ্যকীয় পথৰ দিহা কৰিছে। প্ৰস্তুত খণ্ডৰ প্ৰকৃত পৰিচয় আৰু সম্ভাৱনাৰাজিক প্ৰকাশ কৰিবৰ কাৰণেও ‘দক্ষ ভাৰত’ৰ প্ৰতি অৱলোকন কৰিছে।

**কৰ সংস্কাৰ আৰু**

পৰিৱেশৰ খৰতকীয়া পৰিৱৰ্তন হৈ থকা অৱস্থাত ৰাজহুৱা নীতিক বুজি-বাজি নিৰ্দ্ধাৰণ কৰা আৰু সেইমতে পৰৱৰ্তী কালত বিকাশ সাধনৰ বাবে প্ৰয়োজনীয় পদক্ষেপ হাতত লোৱাটো বৰ আৱশ্যক আৰু তাৰদ্বাৰাইহে আগলৈ এক ভাল ভৱিষ্যতৰ কথা ভাবিব পৰা যায়। ৰাজহুৱা নীতি আৰু ইয়াক কেনেদৰে ৰূপায়ণ কৰা হয় তাতহে আমাৰ অৰ্থনৈতিক বৃদ্ধি আৰু সামাজিক বিকাশ সাধনৰ ক্ষেত্ৰত অপৰিসীম প্ৰভাৱ পৰাৰ বিষয়টো নিহিত আছে। সেয়ে এই নীতিবোৰ পুনৰ বিশ্লেষণ কৰি নতুনকৈ গঢ় দিয়াৰ আৱশ্যক— যাতে সেইবোৰক অৰ্থনীতিৰ প্ৰচলিত প্ৰয়োজনীয়তা অনুসৰি খাপ খুৱাই ল’ব পাৰি। সেয়ে বাস্তৱ আৱশ্যকতাৰ স’তে ৰজিতা খুৱাই ল’বৰ কাৰণে চৰকাৰে এলানি কৰ সংস্কাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। তেনে ধৰণৰ কিছুমান হ’ল কৰ ৰেহাই, কৰ হ্ৰাস, টেক্স হলিডে’ অৰ্থাৎ কৰ বন্ধ, কৰৰ নিয়ম-কানুন সৰলীকৰণ আৰু ন্যায়িক পৰিকাঠামোক সহজভাৱে গ্ৰহণ কৰাৰ ব্যৱস্থা। খৰতকীয়াকৈ অৰ্থনৈতিক বিকাশ সাধনৰ কাম ত্বৰান্বিত কৰিবলৈকে এইবোৰৰ আৱশ্যক।

কৰ সংস্কাৰ সাধন কাৰ্যক উপযুক্ত হোৱা বুলি বিবেচনা কৰিব পাৰি যেতিয়া ই কৰ ৰাজহ বৃদ্ধি কৰাত ফল দিয়ে; আৰু সেই বৃদ্ধিয়ে উৎপাদন বঢ়োৱাৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলায় তথা নিয়োগ প্ৰদানৰ সা-সুবিধাও বৃদ্ধি কৰে। লগতে দক্ষতাৰ বিকাশ সাধন ক্ৰমে চাকৰি সৃষ্টিৰ পথ মুকলি কৰে। কৰ সংস্কাৰৰ পৰিষ্কাৰ দিশটো হ’ল কৰৰ ক্ষেত্ৰত নিশ্চয়তা প্ৰদান কৰা যাৰদ্বাৰাই স্বচ্ছভাৱে কৰ আৰোপেৰে ইতিবাচক ৰূপত দীৰ্ঘকালীন অৰ্থনৈতিক প্ৰভাৱেৰে আচ্ছাদিত কৰি ৰাখিব পাৰে। সংস্কাৰ সাধন কাৰ্যই নিশ্চয়ে দুটা উদ্দেশ্য সমাধান কৰিব লাগিব। সেয়া হ’ল— ৰূপায়ণৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্যতা আৰু ৰাজহ উদ্রেককৰণত নিৰন্তৰ গতি অব্যাহত ৰখা।

সেয়ে উপৰি উক্ত বিষয় বিবেচনা কৰি ভাৰতীয় অৰ্থনৈতিক বিকাশ সাধন কৰাৰ ক্ষেত্ৰত বিত্তীয় ব্যৱস্থাত অতি প্ৰয়োজনীয় বিপ্লৱ আনিবৰ বাবে কৰ সংস্কাৰ (প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ উভয়ৰ ক্ষেত্ৰত) কৰা আৱশ্যক। প্ৰস্তুত খণ্ডক পুনৰুজ্জীৱিত কৰিবৰ কাৰণে সাধাৰণতে প্ৰস্তুত গোটবোৰলৈ আৰু বিশেষকৈ নিৰ্দিষ্ট খণ্ড বিশেষলৈ কৰ উদগনিমূলক ব্যৱস্থা প্ৰদান কৰা আৱশ্যক আৰু এই আৱশ্যকতা প্ৰস্তুত খণ্ডৰদ্বাৰা ২৫ শতাংশ মুঠ ঘৰুৱা উৎপাদনৰ লক্ষ্য পাবৰ বাবে মনত ৰাখিয়েই কৰা দৰকাৰ।

**কৰ সংস্কাৰ আৰু উদগণি**

- ☆ পৰোক্ষ কৰ সংস্কাৰ সাধন কাৰ্য ইতিমধ্যে আমাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বাধীন বৰ্তমান চৰকাৰখনৰদ্বাৰা আৰম্ভ কৰা হৈছে। তাৰবাবে ‘সামগ্ৰী আৰু সেৱা কৰ’ৰ জৰিয়তে একীভূত কৰ পদ্ধতি তৈয়াৰ কৰি আৰম্ভ কৰা হৈছে। এই জি এছ টি-ৰ প্ৰচলনক ভাৰতীয় বিত্তীয় পদ্ধতি তথা পৰোক্ষ কৰ ৰাজৰ ভাৰতীয় ফেডাৰেল বিত্ত ব্যৱস্থাত অসাধাৰণ সংস্কাৰ ৰূপে বিবেচনা কৰা হয়।
- ☆ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ বহু পৰোক্ষ কৰক গোটাই লৈ একক কৰ নিয়মাৱলীত পৰিণত কৰাটোৱে বিশেষকৈ প্ৰস্তুত খণ্ডৰ খৰচ আৰু মূল্য অৱনমিত কৰিব। পৰোক্ষ কৰৰ ওপৰা-উপৰিকৈ কৰা আৰোপ তথা প্ৰভাৱ আৰু ওপজ সামগ্ৰী উৎপাদন খৰচৰ ওপৰত হোৱাই-নোহোৱাই সেইবোৰৰ আক্ৰান্তমূলক ৰূপ ভাৰতীয় প্ৰস্তুত খণ্ডৰ বাবে বৃহত্তম প্ৰত্যাহ্বানৰ বিষয় হৈ আছিল। পিছে এতিয়া কৰ নিয়মাৱলীয়ে একীকৰণ ৰূপ ধাৰণ কৰিছে আৰু জি এছ টি-ৰ ৰূপায়ণ ক্ৰমে কৰ্মক্ষম হ’বলৈ ধৰিছে।
- ☆ ভাৰতৰ ৰাজ্যসমূহত কৰ নিয়মাৱলীৰ বিভিন্ন তথা ওপৰা-উপৰি আৰোপ ক্ৰমে আন্তঃৰাজ্যিক বেপাৰ-বাণিজ্য কম প্ৰতিযোগিতামূলক কৰি তোলে আৰু লগতে অধিক প্ৰত্যাহ্বানাত্মক হৈ থিয় দিয়ে। কিন্তু জি এছ টি-ৰ প্ৰচলন হেতু একীভূত আৰু একেধৰণৰ পৰোক্ষ কৰ ক’ডৰ স্থিতি গ্ৰহণে পৰোক্ষ কৰৰ ওপৰত জধে-মধে পৰা প্ৰভাৱক নস্যাৎ কৰে আৰু উৎপাদন সামগ্ৰীৰ মূল্য আৰু খৰচ সৰলীকৃত হৈ পৰে আৰু তাৰদ্বাৰাই উৎপাদক আৰু উপভোক্তাক উপকৃত কৰিবলৈ লৈছে। জি এছ টি-য়ে ৰাজ্যসমূহৰ মাজত থকা আন্তঃৰাজ্যিক বাধাসমূহ ভাঙি পেলাব আৰু ই এখন উমৈহতীয়া ৰাষ্ট্ৰীয় বজাৰৰ বিকাশ সাধন কৰিব তথা ভাৰত আৰু বিশ্বত প্ৰস্তুত খণ্ডক অধিক প্ৰতিযোগিতামূলক কৰি তুলিব।
- ☆ জি এছ টি-ৰ ৰূপায়ণ ক্ৰমে উৎপাদনৰ খৰচ পৰোক্ষ কৰ আৰোপ কৰা উপাদানসমূহৰ ওপৰত ১৫-২৫ শতাংশ হ্ৰাস পাব বুলি আশা কৰা হৈছে। ই

মুদ্ৰাস্ফীতি পৰিস্থিতি ৰোধ কৰাত সহায় কৰিব আৰু প্ৰস্তুত খণ্ডত লাভ অৰ্জনৰ পথৰো উন্নতি সাধিব।

☆ জি এছ টি-ৰ লগতে দেশখনক গোলকীয় প্ৰস্তুতকৰণ কাৰ্যৰ কেন্দ্ৰস্থল কৰি তুলিবৰ কাৰণে গোচৰ-মোকৰ্দমা মুক্ত বিনিয়োগ অনুকূল পৰিৱেশ সৃষ্টি কৰিবলৈ চৰকাৰে প্ৰয়াস কৰিছে।

☆ চলিত বাজেটত চৰকাৰে উদ্যোগ আৰম্ভ কৰাসকলৰ বাবে এটা ব্যৱস্থা ৰাখিছে য'ত প্ৰথম পাঁচ বছৰৰ ভিতৰত তিনি বছৰ কাল লাভ কৰা ধনৰাশিৰ ১০০ শতাংশ কৰ্তনযোগ্য হ'ব। ২০১৬ চনৰ এপ্ৰিল আৰু ২০১৯ চনৰ মাজত স্থাপন কৰা উদ্যোগৰ ক্ষেত্ৰত এইটো প্ৰযোজ্য হ'ব।

☆ নতুন প্ৰস্তুতকাৰী কোম্পানী যিবোৰে ২০১৬ চনৰ পহিলা মাৰ্চ আৰু তাৰ পিছত উৎপাদনৰ কাম আৰম্ভ কৰিছে তেনেবোৰ কোম্পানীক প্ৰয়োজনীয় উপ-মাচুল আৰু উপ-কৰসহ ২৫ শতাংশ কৰ আৰোপ কৰিবলৈ সুবিধা দিয় হয়। এই ক্ষেত্ৰত তেনে কোম্পানীৰ আন প্ৰযোজ্য বিষয়বোৰ সমাপন কৰাৰ ওপৰতহে নিৰ্ভৰ কৰে আৰু পূৰ্বৰ বছৰতকৈ যদি তাৰ পৰিমাণ কম হয়, তেনেহ'লে সেই বিকল্প ব্যৱস্থা থাকিব।

☆ সৰু সৰু উদ্যোগবোৰক উৎসাহিত কৰিবৰ বাবে চৰকাৰে তুলনামূলক-ভাৱে ক্ষুদ্ৰ উদ্যোগৰ কাৰণে কৰ্পোৰেট কৰ কমাই দিছে অৰ্থাৎ যিবোৰ কোম্পানীৰ লেনদেন ৫ কোটি টকাতকৈ অধিক নহয় সেই ক্ষেত্ৰতহে এয়া প্ৰযোজ্য।

☆ ঘৰুৱা প্ৰস্তুতকাৰী উদ্যোগসমূহৰ মাজত খৰচ হ্ৰাস তথা প্ৰতিযোগিতামুখী কাৰ্যৰ উন্নতি সাধিবলৈ চৰকাৰে 'মেইক্ ইন্ ইণ্ডিয়া' আঁচনি আকৰ্ষণমূলক কৰি তুলিবৰ কাৰণে কোনো কোনো ওপজ সামগ্ৰীৰ ওপৰত সীমা শুল্ক আৰু আবকাৰী শুল্কৰ হাৰ হ্ৰাস কৰিছে।

☆ 'মেইক্ ইন্ ইণ্ডিয়া' আঁচনি সফল কৰিবৰ বাবে চৰকাৰে প্ৰবাসী বিনিয়োগকাৰী— যিসকলে 'ছেজ' অৰ্থাৎ বিশেষ অৰ্থনৈতিক মণ্ডলত সা-সামগ্ৰী প্ৰস্তুত কৰে তাৰ বাবে 'মেট' (এম এ টি) উঠাই লোৱা ব্যৱস্থাক পুনৰ কাৰ্যকৰী কৰিছে। প্ৰস্তুত খণ্ডৰ বিকাশ সাধন ব্যৱস্থাক অধিক গতিশীল কৰি 'মেইক্ ইন্ ইণ্ডিয়া' অভিযানক অধিকভাৱে উৎসাহ প্ৰদান কৰিব।

☆ চৰকাৰে প্ৰস্তুতকাৰীসকলক মূলধনী সামগ্ৰী শূন্য সীমা শুল্কত বাহিৰৰ পৰা আনিবলৈ অনুমতি প্ৰদান কৰিছে। উদ্দেশ্য 'শূন্য শুল্ক ৰপ্তানি উৎসাহিতকৰণ মূলধনী সামগ্ৰী আঁচনি' (যীৰ' ডিউটি এক্সপোৰ্ট প্ৰমোচন কেপিটেল গুড্ছ স্কীম)ৰ অধীনত বৈদ্যুতিন খণ্ডক উৎসাহ-উদগনি বঢ়োৱা।

**সামৰণি**

অৰ্থনীতিৰ আৱশ্যকতা কি তাক বুজাৰ পিছতহে নীতিৰ ৰূপৰেখা তৈয়াৰ কৰা উচিত হ'ব আৰু এয়া আৰ্থ-সামাজিক তথা ৰাজহুৱা প্ৰয়োজনীয়তাৰ প্ৰসঙ্গতহে কৰিব লাগিব। ভাৰতীয় প্ৰস্তুত খণ্ড প্ৰযুক্তিৰদ্বাৰা পৰিচালিত হোৱাতকৈ ঘাইকৈ সম্পদৰদ্বাৰাহে পৰিচালিত হয় আৰু সেই বাবে ইয়াৰ ওপজ সামগ্ৰীৰ খৰচ তথা ইয়াৰ ওপৰত আৰোপ কৰা পৰৱৰ্তী কৰৰ বিষয়টোৱে খণ্ডটোকে অধিক প্ৰত্যাহ্বানমূলক কৰি তুলিছে। এই খণ্ডটো কিছুমান বিত্তীয় ব্যৱস্থাৰ জৰিয়তে শক্তিশালী কৰিব পৰা যায় আৰু তেনেবোৰ ব্যৱস্থা হ'ল— কৰ ৰেহাই, প্ৰস্তুত প্ৰক্ৰিয়াৰ ওপৰত কৰ হ্ৰাস— বিশেষকৈ প্ৰযুক্তিৰ আমদানি, গৱেষণা আৰু বিকাশৰ কাৰ্যৰ ওপৰত। তদুপৰি ওপজ সামগ্ৰীৰ খৰচ, প্ৰযুক্তি আৰু কাৰখানাৰ যন্ত্ৰপাতি আমদানি কৰাত ৰাজসাহায্য তথা অন্যান্য বিত্তীয় ব্যৱস্থাই বিনিয়োগৰ বাতাৱৰণ আৰু ইক'-পদ্ধতিৰ পৰিৱৰ্তন সাধন কৰিব। তাৰ লগে লগে প্ৰস্তুত খণ্ডক উৎসাহ প্ৰদান কৰিবলৈও তেনে ব্যৱস্থাই সমৰ্থৱান কৰি তুলিব। উপযুক্তভাৱে নীতিসমূহৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰাটো হ'ল এতিয়াৰ সময়ৰ আহ্বান আৰু বৰ্তমানৰ চৰকাৰখনে যি প্ৰয়াস কৰিছে সেয়া আগলৈ চোৱা আৰু তেনেদৰে তাক আগবঢ়াই নিয়া— বিশেষকৈ কৰ ক্ষেত্ৰখনত। যিবোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে তাৰ কৃতকাৰ্যতাৰ সুফল পোৱাৰ ওপৰত (মুঠ ঘৰুৱা উৎপাদনলৈ বৰঙণি আৰু নিয়োগ আদি) নিৰ্ভৰ কৰে আৰু লগতে সেইবোৰৰ কাৰ্যকাৰিতা সম্বন্ধে চৰকাৰে কেনেদৰে বিভিন্ন আঁচনিসমূহ পুনৰীক্ষণ কৰি ৰূপায়ণৰ প্ৰকৃত ৰূপ বাস্তৱায়িত কৰে তাৰ ওপৰতো নিৰ্ভৰ কৰে। ৰাষ্ট্ৰ আৰু বিশেষকৈ প্ৰস্তুত খণ্ডৰ সামগ্ৰিক বিকাশৰ কাৰণে অৰ্থ কৰা কাৰ্যসূচী প্ৰকৃতভাৱে ৰূপান্তৰ সাধন কৰাও এটা উল্লেখনীয় বিষয় হোৱা দৰকাৰ। পৰিশেষত এইটো কোৱা সমীচীন হ'ব যে "মেইক্ ইন্ ইণ্ডিয়া" অভিযানক উৎসাহ-উদগনি জনোৱাত জি এছ টি-ৰ ৰূপায়ণে এটা সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব আৰু ই প্ৰস্তুত খণ্ড তথা দেশখনক বহুত সকাহ প্ৰদান কৰিব। বিক্ৰী কৰ, মূল্য সংযোজিত কৰ আদিৰ দৰে কৰবোৰৰ উপৰ্যুপৰি প্ৰভাৱৰপৰা অব্যাহতি পাই ই এটা গঠনমূলক গতি প্ৰক্ৰিয়াৰে দেশখনক আৰু আগুৱাই নিব। ❐

# কৰ পদ্ধতিৰ সুনিয়াৰিকৰণ ব্যৱস্থা

**তিমছি জয়পুনিয়া***

অনিশ্চিত কৰ নীতিৰ সন্দৰ্ভত গোলকীয়ভাৱে সমালোচনাৰ সন্মুখীন হোৱাৰ পিছত ভাৰতে যোৱা দুবছৰ কালত কৰ ব্যৱস্থাক সুনিয়াৰি কৰা কামত মনোযোগ দিয়ে; আৰু এইটোৱে নৰেন্দ্ৰ মোডীৰ সংস্কাৰ সাধন কৰা প্ৰয়াসত এটা গতি দান কৰিবলৈ লৈছে। আয়কৰৰ অধীনত ক্ৰমান্বয়ে কৰ হাৰ হ্ৰাস কৰিবৰ কাৰণে যি ব্যৱস্থা হাতত লোৱাৰ কথা ঘোষণা কৰা হৈছে তাৰপৰা এইটোকে সূচায় যে অহা চাৰি বছৰ কালত কৰ্পোৰেট কৰৰ হাৰ ৩০ শতাংশৰপৰা ২৫ শতাংশলৈ হ্ৰাস কৰা হ'ব। লগতে কৰ বিধিবোৰ সৰল কৰিবলৈ ৰেহাই ব্যৱস্থা নিশ্চিহ্ন কৰা হ'ব আৰু কৰ্তন প্ৰক্ৰিয়াৰো এটা স্পষ্ট ধাৰা থাকিব— যাৰদ্বাৰাই এনেবোৰ কাৰ্যক নিকা আৰু স্বচ্ছ কৰিব পৰা যায়।

ঔদ্যোগিক (এণ্ট্ৰেপ্ৰেনিয়ৰ) উৎসাহ প্ৰদান কৰা নীতিৰ কথাই কওক। উদ্যোগ আৰম্ভ কৰিবৰ কাৰণে উদগনিমূলক ব্যৱস্থা এটা মন কৰিব লগা বিষয়। এনে ধৰণৰ এলানি সংস্কাৰৰ বাবে ভাৰতে গ্ৰহণ কৰিবলৈ লোৱা পদক্ষেপৰ বৈশিষ্ট্য আছে।

আন এটা বিষয় হ'ল উপাৰ্জন ঘোষণা আঁচনি। দেশৰ ভিতৰতে ক'লা ধন উদ্ধাৰ কৰিবৰ কাৰণে হাতত লোৱা এই আঁচনিখনৰ শেহতীয়া সফলতা উল্লেখ্যযোগ্য। এইবোৰ সংস্কাৰেৰে ভাৰতে ৰাজহ বৃদ্ধি কৰিছে আৰু গোলকীয় স্তৰত প্ৰসংশা লাভ কৰিছে।

বিত্ত মন্ত্ৰীয়ে তেওঁৰ বাজেট ভাষণত ঘৰুৱা কৰদাতাসকলৰ কাৰণে এক সীমিত কালৰ বাধিত সুযোগৰ বিষয়ে প্ৰস্তাৱ কৰিছিল যাতে তেওঁলোকে অঘোষিত উপাৰ্জন ৰাশি ঘোষণা কৰিব পাৰে— তেহেলৈ সেয়া ভাৰতত থকা সম্পদৰ ক্ষেত্ৰত কৰা বিনিয়োগ বা অন্যধৰণৰ আকাৰতেই হওক। অঘোষিত উপাৰ্জনৰ মুঠমাঠ ৪৫ শতাংশ আদায় দি তেওঁলোকৰ অতীত কৰৰ লেঠা নিষ্পত্তি কৰাৰ বিষয়েও উল্লেখ কৰিছিল।

আঁচনিখন ২০১৬ চনৰ ১ জুনৰ পৰা ৪ মাহৰ কাৰণে বলবৎ হয় (অৰ্থাৎ ২০১৬ চনৰ ৩০ ছেপ্টেম্বৰ পৰ্যন্ত)। সেই আঁচনিৰ সঁহাৰি অভূতপূৰ্ব। ভাৰতৰ লোকে ৬৫,০০০ কোটিতকৈ অধিক টকাৰ হিচাপত নথকা উপাৰ্জনৰ বিষয়ে ঘোষণা কৰে। এই আঁচনিৰ অধীনত কৰা ঘোষণা অধিক কৰ আৰু জৰিমনাই স্পৰ্শ কৰিব নোৱাৰে। আৰু তেনে ঘোষণাৰ সন্দৰ্ভত কোনো পৰীক্ষা বা তদন্তও কৰা নহয়।

উদ্যোগ আৰম্ভ কৰিবৰ বাবে উদ্যোগীসকলক (এণ্ট্ৰেপ্ৰেনিয়ৰ) উৎসাহ প্ৰদান কৰিবলৈ চৰকাৰে এইবুলি ঘোষণা কৰে যে তেনে আৰম্ভণিসূচক কাম-কাজত যি উপাৰ্জন লাভ কৰা হ'ব সেয়া অৱস্থা সাপেক্ষ বিবেচনাধীন বিষয় আৰু সেয়া আয়কৰ আৰোপ কৰিবলগা নহ'ব। উদ্যোগৰ বাবে তেওঁলোকে এক মূল্যত মূলধন প্ৰাপ্ত কৰিব পাৰিব; আৰু সেই মূল্য বজাৰৰ মূল্যৰ সৈতে সমান নহ'বও পাৰে।

১৯৫৭ চনত প্ৰচলন কৰা সম্পত্তি কৰ চৰকাৰে উঠাই ল'বলৈ সিদ্ধান্ত লয়। এই কৰ ১ শতাংশ হাৰত ব্যক্তি, অবিভক্ত হিন্দু পৰিয়াল তথা কোম্পানী সমূহৰ ওপৰত আৰোপ কৰা হৈছিল। তেনে লোক বা প্ৰতিষ্ঠানৰ মুঠ সম্পত্তিৰ পৰিমাণ ৩০ লাখ টকাৰো অধিক হোৱাৰ ক্ষেত্ৰতহে প্ৰযোজ্য হৈছিল।

গোচৰ, মোকৰ্দমা আদি হ্ৰাস কৰিবৰ কাৰণে মোডী চৰকাৰে প্ৰত্যক্ষ কৰ বিবাদ সমাধান আঁচনিৰ দিহা কৰে। ইয়াৰ দ্বাৰাই কৰ দাতাসকলক নিৰ্দিষ্ট কৰ, সুত কিম্বা পূৰ্বৰ নিদিয়াকৈ থকা কৰৰ সন্দৰ্ভত জৰিমনা দিব লগা থাকিলে তাক পৰিশোধ কৰি অতীতৰ সমস্যাবোৰ সমাধান কৰিবলৈ এক সুযোগ প্ৰদান কৰা হৈছে আঁচনিখনৰ মূল উদ্দেশ্য হ'ল বিচাৰ নোহোৱাকৈ পৰি থকা প্ৰত্যক্ষ কৰ সম্বন্ধীয় মোকৰ্দমা হ্ৰাস কৰা। ইয়াত সাঙুৰ খাই পৰা বিভিন্ন কৰ্পোৰেট, ব্যক্তিগত কৰৰ গোচৰ কিম্বা বাদ-বিবাদসমূহক একেবাৰতে মীমাংসা কৰিব পাৰি।

আন এখন আঁচনি হ'ল 'Advance Pricing Agreements। আয়কৰ আইনত ইয়াক ২০১২ চনত আৰম্ভ কৰা

*লিখিকা বৰ্তমান CNBC TV 18-ৰ বিশেষ সংবাদদাতা। তেওঁ বিগত আঠ ধৰি আৰু Hindustan Times, Financial Express আৰু Pioneerৰ বাণিজ্য সংবাদদাতা হিচাপে কৰ্মৰত।

হৈছিল। আৰু পিছলৈ উভতি যোৱাৰ ব্যৱস্থাৱলী ২০১৪ চনত প্ৰচলন কৰা হৈছিল। এই আঁচনিখনক এক অন্যতম গুৰুত্বপূৰ্ণ আঁচনি প্ৰচলনৰ প্ৰয়াস ৰূপে চোৱা হয় — যি হস্তান্তৰকৰণ মূল্যৰ ক্ষেত্ৰত কৰদাতাক এক নিশ্চিত ব্যৱস্থাৰ যোগান ধৰে। মূল্য নিৰ্ণয় কৰা পদ্ধতি নিৰ্দিষ্ট কৰি আৰু আগতীয়াকৈ আন্তৰ্জাতিক লেনদেনৰ মূল্য কিমান দিন টিকিব তাক থিৰ কৰি সাধন কৰিবলৈ লোৱা হয়। ইয়াৰ অগ্ৰিম সৰ্বাধিক কাল অৱধি হ'ল পাঁচ বছৰ। ইয়াৰ উপৰি কৰদাতাসকলে পূৰ্বৰ চাৰিটা বছৰৰ বাবে এ পি এ-ক (অগ্ৰিম মূল্যমান চুক্তি) ওভোতাই নিবলৈ বিকল্প আছে। চাৰিটা বছৰ কালত ৭০০ তকৈও অধিক আবেদনকাৰীয়ে (এক পক্ষ আৰু দ্বিপাক্ষিক উভয়ে) আবেদন-পত্ৰ দাখিল কৰে।

আগতে কেতিয়াও নৰ্থ ব্লকক এনে ধৰণৰ বিপ্লৱাত্মক মনোভাবত দেখা নগৈছিল। কিন্তু এতিয়া ই বিভিন্ন আইনী (গোচৰ, মোকৰ্দমা আদি) বিষয়বোৰ সমাধান কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লয়। ব্যৱস্থাপনা বিষয়ক বাদ-বিবাদ সন্দৰ্ভত কৰ প্ৰশাসন সংস্কাৰ সমিতিয়ে দাখিল কৰা প্ৰথম প্ৰতিবেদনৰ এলানি অনুমোদনাৱলীৰ কাৰ্যত ৰূপায়ণ কৰিবলৈ হাতত লোৱা হৈছে।

প্ৰত্যক্ষ কৰ বিষয়ক কেন্দ্ৰীয় বোৰ্ডে সময়ে সময়ে কৰ ব্যৱস্থাৱলীক প্ৰয়োগ কৰা সন্দৰ্ভত একে ধৰণৰ দৃষ্টিভংগী আৰোপ কৰিবৰ কাৰণে নিৰ্দিষ্ট পৰিচালনামূলক টোকা, নিৰ্দেশনা আৰু পৰামৰ্শ জাৰি কৰে। এই প্ৰক্ৰিয়াক ত্বৰান্বিত কৰিবলৈ স্পষ্টীকৰণৰ আৱশ্যক হোৱা বিষয়বোৰ চিহ্নিত কৰিবৰ কাৰণে বিত্ত মন্ত্ৰণালয়ে গঠন কৰি দিয়া উচ্চ পৰ্যায়ৰ সমিতিৰ অনুমোদনাৱলীৰ ওপৰত প্ৰস্তুত কৰা নিৰ্দেশনাসমূহ জাৰি কৰি অধিক শক্তিশালী কৰিবলৈ লোৱা হৈছে। বোৰ্ডে মোকৰ্দমা আদি হ্ৰাস কৰিবৰ কাৰণে আৰু বাধিত কামৰ বোজা কমাবৰ অৰ্থে আয়কৰ আইনৰ বিভিন্ন ব্যৱস্থাৱলী সম্বন্ধেও স্পষ্টভাবে সদৰি কৰে। সংশোধন তথা স্পষ্টীকৰণ পৰোক্ষ হস্তান্তৰ, বিদেশৰ কৰ ঋণ বিধিৰ সন্দৰ্ভতো জাৰি কৰা হয়। এনে কৰাৰ ফলত ই কেৱল বিভাগৰদ্বাৰা গ্ৰহণ কৰিব লগা আইনী ব্যৱস্থাকেই হ্ৰাস কৰা নাই, তদুপৰি বিবাদমূলক কৰৰ সীমাও বৃদ্ধি কৰিছে।

এনে কাৰ্যবোৰৰ ফলত অধিক প্ৰয়োজন হোৱা স্পষ্টতাৰ দিশ কোণবোৰ ভুক্তভোগী আৰু জনমানসৰ আগত ভালদৰে প্ৰতিফলিত হয় আৰু তাৰ দ্বাৰাই কাম-কাজ ৰূপায়ণত ইতিবাচক প্ৰভাৱ পৰে। ইতিমধ্যে যোৱা কেইবছৰমানৰ ভিতৰত এটা বৃহৎ পৰিৱৰ্তনৰ ছবি প্ৰতিফলিত হোৱা দেখা গৈছে আৰু সেয়া হ'ল প্ৰধান মন্ত্ৰীয়ে নিজেই আয়কৰ বিষয়াসকললৈ নিৰ্দেশ জাৰি কৰিছে বিভাগটোৰ প্ৰতি থকা ধাৰণা সংশোধন কৰিবলৈ। এয়া হ'ল বিপদ সংকুলহীন কৰ-ৰাজ প্ৰতিষ্ঠা কৰা দিশৰ পিনে কৰা এক প্ৰয়াস।

ইয়াৰ বাবে প্ৰত্যক্ষ কৰ বিষয়ক কেন্দ্ৰীয় বোৰ্ডে ২০১৪ চনৰ ৭ নৱেম্বৰত বিভাগৰ বিষয়াসকললৈ তেনে কাৰ্য সাধন কৰিবৰ কাৰণে দৃঢ়ভাৱে নিৰ্দেশ জাৰি কৰে। বিষয়াসকলক বোৰ্ডে সময়ে সময়ে জাৰি কৰা নীতি-নিৰ্দেশনাৰ প্ৰতি সচেষ্ট থাকিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ বাহিৰেও সহজভাৱে কাম-কাজবোৰ আগুৱাই নিবৰ কাৰণে বিভিন্ন পদ্ধতিগত সংস্কাৰ সাধন কৰা হয়। এই ক্ষেত্ৰত এক কেন্দ্ৰস্থল কৰা হয়— য'ত সকলো আয়কৰ বিষয়াক সংযোগ সাধন কৰিব পাৰি আৰু তেনে সংযোগৰে সঠিক সময়ত জানিব লগা বিষয়বোৰ আৰু ওজৰ-আপত্তি সমাধান কৰাত সূচল হয়। PAN আৰু TAN আবেদন প্ৰক্ৰিয়াক কামত লগাই কৰণীয় কাৰ্যবোৰ খৰতকীয়া কৰিবলৈ লোৱা হয় আৰু তাৰ বাবে কাগজত লিখি দিহা দিয়াৰ শামুকীয়া গতি অৱলম্বন কৰাৰ দৰকাৰ নকৰে।

আপোনাৰ আৰু মোৰ দৰে কৰদাতাৰ বোজা পাতলাবৰ কাৰণে আয়কৰ বিভাগে 'ডিজিটেল চিগ্‌নেচাৰ' অথবা 'ইলেকট্ৰনিক ভেৰিফিকেশ্বন ক'ড'ৰ ব্যৱহাৰ প্ৰচলন কৰে। ইয়াৰ দ্বাৰাই কাগজত নিলিখাকৈ ভাৰতৰ ভিতৰত আয়কৰ ৰিটাৰ্ণ দাখিল কৰিব পাৰে। আধাৰ নম্বৰ, নেট, বেংকিং, এ টি এম অথবা কৰ দাতাৰ ৰেজিষ্টাৰ্ড ই-মেইল আৰু ম'বাইল নম্বৰ ব্যৱহাৰ কৰি ইভিচি অথাৎ ইলেক্ট্ৰনিক ভেৰিফিকেচন ক'ডৰ কাৰ্য সম্পাদন কৰিব পাৰি। ইভিচি প্ৰক্ৰিয়াৰ অধীনত অধিক কৰদাতা অন্তৰ্ভুক্ত কৰিবৰ বাবে বোৰ্ডে অলপতে এখন জাননী জাৰি কৰিছে। দুটা অতিৰিক্ত পদ্ধতিৰে এই কাম কৰিব পাৰিব। সেয়া হ'ল কৰদাতাৰ বেংক একাউণ্ট অথবা ডিমেট একাউণ্টৰ সবিশেষ। বৈদ্যুতিন পৰীক্ষা তথা কাগজবিহীন আয়কৰ ৰিটাৰ্ণৰ বাবে ই ভি চিক কামত লগাব পাৰিব।

কাগজত লিখিতভাৱে নজনোৱাকৈ কৰ আদি বিষয় নিৰ্দ্ধাৰণৰ বাবে ই-হিয়েৰিং ব্যৱস্থাৰ দিহা কৰা হৈছে। হাৰাশাস্তি ভোগা ওজৰ-আপত্তি হ্ৰাস কৰিবলৈ কৰ বিষয়াসকলৰ সৈতে মুখামুখিকৈ হোৱা বৈঠক কৰ্তন কৰিবলৈ লোৱা হৈছে। এই ভাবধাৰাত কাগজবিহীন পৰীক্ষা-নিৰীক্ষা কাৰ্যৰ বাবে ই-মেইল ভিত্তিক যোগাযোগ পৰীক্ষা-

**(৩৬ পৃষ্ঠাত চাওক)**

# কৰ সংস্কাৰ আৰু অসমৰ অৰ্থনীতি

**অৰূপজ্যোতি শইকীয়া***

এখন দেশৰ অৰ্থনীতিত ৰাজহ সংগ্ৰহৰ প্ৰধান উপায় হিচাপে কৰ ব্যৱস্থাৰ বিশেষ গুৰুত্ব আছে। এই কৰ ব্যৱস্থাটো পৰিৱৰ্তিত সময়, বিশ্ব অৰ্থনীতিত চলা পৰিৱৰ্তন আৰু দেশৰ অৰ্থনীতিৰ বাবে উপযোগীকৈ গঢ়ি তুলিবৰ বাবে সংস্কাৰ সাধন কৰা হয়। ভাৰতীয় অৰ্থনীতিতো বিভিন্ন পৰ্যায়ত কৰ সংস্কাৰ কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। চৰকাৰী ৰাজহ বৃদ্ধি কৰাটো মুখ্য উদ্দেশ্য হ'লেও কৰ সংস্কাৰৰ লগত জড়িত হৈ থকা আন কেতবোৰ উদ্দেশ্য হ'ল কৰ ব্যৱস্থাৰ সৰলীকৰণ, প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ মাজত সমন্বয় সাধন, কৰ প্ৰশাসনৰ দক্ষতা বৃদ্ধি, সম্পদৰ সঠিক বিতৰণ, উৎপাদন ব্যৱস্থাৰ উন্নতি সাধন, কৰ ফাকি ৰোধ, কৰৰ পৰিমিতকৰণ, কৰ সংগ্ৰহৰ ব্যয় নিম্নকৰণ, বহনক্ষম উন্নয়ন, জনকল্যাণ সাধন ইত্যাদি।

ভাৰত চৰকাৰে গ্ৰহণ কৰা কৰ সংস্কাৰ কাৰ্যসূচীক সময় অনুসৰি দুটা পৰ্যায়ত ভাগ কৰিব পাৰি। প্ৰাক্‌নব্য অৰ্থনৈতিক নীতিকালীন কৰ সংস্কাৰ আৰু নব্য অৰ্থনৈতিক নীতিৰ পৰৱৰ্তী কালৰ কৰ ব্যৱস্থাৰ সংস্কাৰ। ১৯৫৩ চনত ড° জন মাথাইৰ সভাপতিত্বত গঠন কৰা কৰ অনুসন্ধান আয়োগে দ্বিতীয় পৰিকল্পনাৰ কালত কাৰ্যকৰী হোৱাকৈ কৰ ব্যৱস্থাৰ শুধৰণিৰ বাবে পৰামৰ্শ আগবঢ়ায়। এই আয়োগে কৰ ব্যৱস্থাৰ বোজা পৰীক্ষা কৰি মুদ্ৰাস্ফীতিৰ সময়ত কাৰ্যকৰী হোৱাকৈ কৰ ব্যৱস্থাৰ শুধৰণিৰ চেষ্টা কৰিছিল। ১৯৫৬ চনত নিক'লাছ কেলডৰে ভাৰতৰ কৰ ব্যৱস্থাৰ পৰিসৰ বৃদ্ধিৰ উদ্দেশ্যেৰে আৰু কৰ ফাকি ৰোধ কৰিবৰ বাবে বহুতো মূল্যৱান পৰামৰ্শ আগবঢ়ায়। ১৯৬৮ চনত এছ ভুংগলিমনৰ নেতৃত্বত গঠন কৰা কমিটীয়ে আয়কৰ ৰেহাইৰ সীমা বৃদ্ধি, উত্তৰাধিকাৰী কৰ আৰোপ আদি গুৰুত্বপূৰ্ণ বিষয়ত পৰামৰ্শ আগবঢ়ায়। ১৯৭০ চনত ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰণালয়ে গঠন কৰা ওৱানচু কমিটীয়ে কৰ ফাকি ৰোধ কৰা আৰু কৰ প্ৰশাসনৰ দক্ষতা বৃদ্ধিৰ বাবে পৰামৰ্শ আগবঢ়ায়। আকৌ ১৯৭২ চনত কে এন ৰাজৰ সভাপতিত্বত গঠন কৰা কমিটীয়ে কৃষি কৰৰ ওপৰত উল্লেখনীয় পৰামৰ্শ আগবঢ়ায়। ভাৰতৰ পৰোক্ষ কৰ ব্যৱস্থাত থকা আসোঁৱাহ আঁতৰ কৰিবৰ বাবে ১৯৭৮ চনত গঠন কৰা এল কে ঝা কমিটীয়ে ৰাজ্যসমূহৰ মাজত বিক্ৰী কৰৰ ক্ষেত্ৰত সংঘাত আঁতৰ কৰা, মূল্য সংযোজিত কৰৰ প্ৰৱৰ্তন, আমদানি শুল্ক হ্ৰাস আদি বিষয়ত পৰামৰ্শ আগবঢ়ায়। ১৯৭৭ চনত এন এ পাল্কিৱালাৰ নেতৃত্বত গঠন কৰা কমিটীখন পৰৱৰ্তী সময়ত চি চি চুকচিৰ সভাপতিত্বত গঠন কৰা কমিটীয়ে প্ৰতিবেদন দাখিল কৰে। এই কমিটীখনে আয়কৰ, উপ-কৰ, দান কৰ, সম্পদ কৰ এই চাৰিটা কৰৰ মাজত সমন্বয় সাধন আৰু কৰ সম্পৰ্কীয় বিবাদ মীমাংসাৰ বাবে পৰামৰ্শ আগবঢ়ায়।

বিশ্ব অৰ্থনীতিত চলা পৰিৱৰ্তনৰ বাবে ১৯৮০ চনৰ পৰা প্ৰায়বোৰ ৰাষ্ট্ৰতে কৰ সংস্কাৰ ধাৰণাই অধিক গুৰুত্ব লাভ কৰিছে। বিশ্বায়নোত্তৰ কালত ভাৰত ৰাষ্ট্ৰই কৰ সংস্কাৰৰ বাবে গ্ৰহণ কৰা কাৰ্যসূচী পূৰ্বৰ সংস্কাৰ কাৰ্যসূচীতকৈ কিছু পৃথক বুলিব পাৰি। নতুন অৰ্থনৈতিক নীতিৰ পিছত ড° ৰাজা জে চেলাইয়াৰ সভাপতিত্বত ১৯৯১ চনৰ আগষ্ট মাহত গঠন কৰা প্ৰত্যক্ষ আৰু পৰোক্ষ কৰ অনুসন্ধান কমিটী, ১৯৯৩ চনৰ জানুৱাৰী মাহত প্ৰতিবেদন দাখিল কৰা ৰেখী কমিটী, ২০০২ চনৰ কেল্‌কাৰ কমিটীৰ উপৰি দশম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালত গঠন কৰা কৰ পৰামৰ্শদাতা দল আদিৰ পৰামৰ্শ উল্লেখযোগ্য। নতুন অৰ্থনৈতিক নীতি গ্ৰহণৰ পৰৱৰ্তী সময়ত পৰোক্ষ কৰৰ সংস্কাৰ অধিক গুৰুত্ব দিয়া হৈছে। সীমা শুল্ক হ্ৰাস, কৰ ৰেহাইৰ জৰিয়তে বজাৰ দখল আৰু বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। ৰাজ্যসমূহৰ মাজত বিবাদ দূৰ কৰি সুস্থিৰ বিক্ৰী কৰ ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যেৰে ২০০১ চনত কেন্দ্ৰীয় মূল্য সংযোজিত কৰ প্ৰৱৰ্তন কৰা হয়। ইয়াৰ ভিত্তিতে ২০০৪-০৫ চনত ৰাজ্যসমূহত বিক্ৰী কৰৰ ঠাইত মূল্য সংযোজিত কৰ বা ভেট আৰোপ কৰা হয়। কিন্তু 'ভেট' কৰ ব্যৱস্থাও আসোঁৱাহমুক্ত নাছিল। ভেট ব্যৱস্থাত থকা আসোঁৱাহসমূহ আঁতৰ

*অৰূপজ্যোতি শইকীয়া সহকাৰী অধ্যাপক, নকছাৰি মহাবিদ্যালয়, নকছাৰি

কৰি পৰোক্ষ কৰ ব্যৱস্থাক অধিক পৰিমিতকৰণৰ উদ্দেশ্যেৰে চলিত বৰ্ষৰ ১ আগষ্টত দুয়োখন সদনৰ অনুমোদনৰ পিছত সামগ্ৰী আৰু সেৱা কৰ বিল গৃহীত হয় আৰু ২০১৭ চনৰ এপ্ৰিল মাহৰ পৰা এই যুগান্তকাৰী কৰ ব্যৱস্থা প্ৰচলন হ'ব।

ভাৰতৰ অংগৰাজ্য হিচাপে আমাৰ অসম ৰাজ্যতো এই কৰ সংস্কাৰ কাৰ্যসূচীয়ে অৰ্থনীতিটো প্ৰভাৱিত কৰি আহিছে। আমাৰ এই আলোচনাত কৰ সংস্কাৰ কাৰ্যসূচীয়ে শেহতীয়াকৈ অসমৰ অৰ্থনীতিত পেলোৱা প্ৰভাৱৰ এক চমু আভাস দাঙি ধৰা হ'ল।

স্বাধীনতাৰ পিছৰে পৰা নিজাববীয়া ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত অসম পাছপৰি আছে। মহাৰাষ্ট্ৰ, দিল্লী, গুজৰাট, কৰ্ণাটক আদি ৰাজ্যৰ তদনুৰূপ অসম চৰকাৰে নিগম কৰ আৰু আয়কৰ সংগ্ৰহ কৰিব পৰা নাই। পৰিসংখ্যা অনুসৰি শেহতীয়া বৰ্ষকেইটাত কেন্দ্ৰীয় আয়কৰ ৰাজহলৈ অসমৰ বৰঙণি মাথোঁ একৰ পৰা দুই শতাংশৰ ভিতৰতে আছে। গতিকে, নিজাববীয়াকৈ ৰাজহ সংগ্ৰহৰ বাবে অসমে পৰোক্ষ কৰৰ ওপৰত অধিক গুৰুত্ব দিব লগা হয়। পৰোক্ষ কৰৰ ভিতৰত মূলতঃ বিক্ৰী কৰৰ লগতে আবকাৰী কৰ, যান-বাহন কৰ আদি উল্লেখযোগ্য। কিন্তু অসমৰ পৰোক্ষ কৰ সংগ্ৰহৰ তথ্য সমপৰ্যায়ৰ আন ৰাজ্যৰ তুলনাত নিম্ন হোৱাটো ইয়াত উদ্ধৃত তালিকাই প্ৰমাণ কৰে।

কৰ সংস্কাৰ কাৰ্যসূচীৰ জৰিয়তে ভাৰত তথা অসমত আজি পৰ্যন্ত পৰীক্ষা-নিৰীক্ষা চলি আছে। সেয়ে সময়ে সময়ে নতুন কৰৰ প্ৰৱৰ্তন আৰু কৰ প্ৰশাসন ব্যৱস্থাৰ ব্যাপক সাল-সলনিৰ যোগেদি কৰ ব্যৱস্থাৰ সংস্কাৰ যত্ন কৰা হৈছে। আমাৰ আলোচনাত অসমত প্ৰৱৰ্তিত

তালিকা-১ ঃ অসম আৰু সমপৰ্যায়ৰ ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ তুলনা ঃ
(২০১৩-১৪ বৰ্ষত, কোটি টকা হিচাপত)

| কৰৰ ধৰণ | অসম | ছত্তিশগড় | উত্তৰাখণ্ড | কেৰালা | ওড়িছা | ঝাৰখণ্ড | হিমাচল প্ৰদেশ |
|---|---|---|---|---|---|---|---|
| যান-বাহন কৰ | ৩৫১ | ৬৫১ | ৩৬৯ | ২১৬১ | ৮৬০ | ৪৯৫ | ২০৮ |
| দ্ৰব্য-সামগ্ৰীৰ কৰ | ৪১৪ | ৯৪৬ | - | - | ১৬১৪ | ১০৮ | ১০৫ |
| ৰাজ্যিক আবকাৰী কৰ | ৬১০ | ২৫৪৯ | ১২৭০ | ১৯৪১ | ১৭৮৬ | ৬২৭ | ৯৫২ |

**উৎস ঃ** এন আই পি এফ পি, মিনিষ্ট্ৰী অফ ফাইনেন্স, নিউডেলহী

কেৱল পৰোক্ষ কৰক সামৰিহে পৰ্যালোচনা কৰা হৈছে। ১৯৫৭ চনৰ ১ মে'ত কেন্দ্ৰীয় বিক্ৰী কৰ আইন প্ৰৱৰ্তন হোৱাৰ পিছত অসমতো এই আইন প্ৰৱৰ্তন হয়। ১৯৯৩ চনৰ ১ জুলাইত এই আইন বাতিল হোৱাত সাধাৰণ বিক্ৰী কৰ আইন প্ৰৱৰ্তন হয়। পৰৱৰ্তী সময়ত ২০০৫ চনত প্ৰৱৰ্তিত মূল্য সংযোজিত কৰ-ভেটৰ অসমতো প্ৰচলন হয়। অসমত ভেট প্ৰৱৰ্তনৰ পৰৱৰ্তী সময়ত আৰম্ভণিতে কৰ সংগ্ৰহৰ পৰিমাণ হ্ৰাস পাইছিল। অসম ভাৰতৰ সীমামূৰীয়া ৰাজ্য হোৱাৰ বাবে কিছুমান অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম অভাৱনীয় হাৰত বৃদ্ধি পাইছিল। দুৰ্বল প্ৰশাসনিক ব্যৱস্থা, দক্ষ বিষয়া কৰ্মচাৰীৰ অভাৱ, অসমতাপূৰ্ণ কৰৰ হাৰ আদিৰ বাবে ভেটৰ জৰিয়তে অসমত পৰ্যাপ্ত ৰাজহ সংগ্ৰহ কৰিব পৰা নগৈছিল। ওপৰোক্ত ২ নং তালিকাই এই কথাকেই প্ৰতীয়মান কৰে—

তদুপৰি শ্ৰীৰামপুৰ গেইট্, ৰাজ্যৰ বিভিন্ন স্থানত থকা টোলগেইট্ আৰু চেকগেইট্‌সমূহৰ যোগেদি সংগ্ৰহ কৰিব-লগীয়া বিক্ৰী কৰ ৰাজহ সন্তোষজনক নাছিল। এইবিলাক প্ৰকৃততে ৰাজনৈতিক নেতা, ৰাজনৈতিক নেতাৰ আশীৰ্বাদপুষ্ট দুষ্ট চক্ৰৰ খীৰঁতী গাই সদৃশ আছিল। সেয়েহে এটা বিকল্প কৰ ব্যৱস্থা হিচাপে শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে প্ৰৱৰ্তন কৰা দ্ৰব্য আৰু সেৱা কৰ গুডছ এণ্ড ছাৰ্ভিচ টেক্স চমুকৈ জি এছ টি ক ভাৰতৰ প্ৰথমখন ৰাজ্য হিচাপে যোৱা ১২ আগষ্টত অসমে প্ৰৱৰ্তন কৰাৰ সাহসী সিদ্ধান্ত গ্ৰহণ কৰিছে। লগে লগে অসমৰ অৰ্থনীতিলৈ সম্ভাৱনাৰ লগতে সংশয়ৰ ডাৱৰো নামি আহিছে। অৰ্থনৈতিক বিশ্লেষকসকলে জি এছ টি সম্পৰ্কত আগবঢ়োৱা মতামতৰ আঁত ধৰি ক'ব পাৰি যে জি এছ টি য়ে ৰাজ্যৰ ৰাজহ সংগ্ৰহৰ হাৰ বৃদ্ধি কৰিব। জি এছ টিৰ জৰিয়তে দেশজুৰি একক কৰ প্ৰৱৰ্তন হোৱা বাবে উপভোক্তা ৰাজ্য হিচাপে স্বীকৃত অসম লাভান্বিত হ'ব। জি এছ টি আৰোপৰ ফলত অসমত দ্ৰব্য সামগ্ৰীৰ দৰ আপেক্ষিকভাৱে কমিব বুলি আশা কৰা হৈছে। আনহাতে এই কৰ ব্যৱস্থাই ৰাজ্যত বিনিয়োগকাৰীসকলকো উৎসাহিত কৰিব। উত্তৰ পূৰ্বাঞ্চল আৰু হিমাচল প্ৰদেশৰ বাবে ৰখা বিশেষ সাহাৰ্য্য ব্যৱস্থা প্ৰকৃত অৰ্থত লাভ কৰিলে অসম উপকৃত হ'ব। আকৌ জি এছ টি ব্যৱস্থাত প্ৰাকৃতিক দুৰ্যোগৰ বাবে বিশেষ

তালিকা-২

ভেট গ্ৰহণৰ পূৰ্বে আৰু পৰৱৰ্তী সময়ত বিক্ৰী কৰ ৰাজহ সংগ্ৰহৰ এক তুলনামূলক খতিয়ান

| **ভেট গ্ৰহণৰ পূৰ্বে** | | | **ভেট গ্ৰহণৰ পৰৱৰ্তী সময়ত** | | |
|---|---|---|---|---|---|
| বৰ্ষ | প্ৰকৃত সংগ্ৰহ | বাৰ্ষিক বৃদ্ধিৰ হাৰ (%) | বৰ্ষ | প্ৰকৃত সংগ্ৰহ | বাৰ্ষিক বৃদ্ধিৰ হাৰ (%) |
| ২০০১-০৩ | ১৪৪১ | ৩৪৩০ | ২০০৫-০৬ | ২৫৬৮ | ২২.৩৪ |
| | | | ২০০৬-০৭ | ২৭৮৩ | ৮.৩৭ |
| ২০০৩-০৪ | ১৫৫১ | ৭.৬৩ | ২০০৭-০৮ | ২৭২৭ | -২.০১ |
| | | | ২০০৯-১০ | ৩৫৩৫ | ১৩.৬৩ |
| ২০০৪-০৫ | ২০৯৯ | ৩৫.৩৩ | ২০১০-১১ | ৪৩১৯ | ২২.১৮ |
| | | | ২০১৪-১৫ | ৭৩৫১ | ৭% |

**উৎস ঃ** ৰিপৰ্টছ অভ্ কম্পট্ৰ'লাৰ এণ্ড অডিটৰ জেনেৰেল অভ্ ইণ্ডিয়া, ২০১১-১২, ২০১২-১৩, ২০১৪-১৫

ৰেহাই তথা কৰৰ ব্যৱস্থাই বানপানীয়ে জুৰুলা কৰা অসমক সহায় কৰিব।

অৱশ্যে অসমৰ পটভূমিত জি এছ টিৰ কিছু নেতিবাচক প্ৰভাৱো সু-স্পষ্ট। কৰৰ হাৰ বৰ্তমানৰ ১৫ শতাংশৰ পৰা ১৮ শতাংশলৈ বৃদ্ধি পালে অসমত দূৰ-সংযোগ বিভাগৰ সেৱা অধিক ব্যয়বহুল হৈ পৰিব। ডিজিটেল ইণ্ডিয়াৰ পৰিকল্পনা কৰা ভাৰত চৰকাৰৰ কাৰ্যসূচী অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত দুৰূহ হৈ পৰিব। কৰৰ হাৰ বৃদ্ধি পোৱাৰ ফলত ঔষধৰ দাম বৃদ্ধি হ'লে দৰিদ্ৰ জনগণক ক্ষতিগ্ৰস্ত কৰিব।

জিএছটিৰ প্ৰভাৱসমূহ অসমৰ বাবে সমস্যা বহুল অৰ্থনীতিত কি দৰে পৰিব তাক একে আষাৰতে ক'ব পৰা নাযাব। কিয়নো সম্প্ৰতি বিশ্বৰ ১৫০ খন ৰাষ্ট্ৰৰ জি এছ টি প্ৰৱৰ্তন কৰাৰ পিছত উন্নত প্ৰশাসন ব্যৱস্থা থকা সত্ত্বেও আমেৰিকা যুক্তৰাষ্ট্ৰই জি এছ টি গ্ৰহণ নকৰাটো লক্ষণীয়। কেৱল ৰাজনৈতিক অভিপ্ৰায়েৰে কৰ সংস্কাৰ ব্যৱস্থা আঁকোৱালি ল'লে অৰ্থনীতিত ইয়াৰ প্ৰভাৱ তাৎক্ষণিকভাৱে অনুভৱ কৰিব নোৱাৰি। কৰ সংস্কাৰৰ শেহতীয়া কাৰ্যসূচীৰে ভাৰত তথা অসমৰ বহুধাবিভক্ত কৰ ব্যৱস্থা সংশোধন ঘটাই অধিক ৰাজহ সংগ্ৰহ কৰাত সহায়ক হ'ব বুলি আশা কৰিব পাৰি। ❐

**(৩৩ পৃষ্ঠাৰ পৰা)**

মূলকভাৱে ব্যৱহাৰ কৰা হৈছে। বিভিন্ন বিভাগত এতিয়া এই কাম সম্পাদন কৰিবলৈ লোৱা হৈছে। ইয়াৰ অতিৰিক্ত কেন্দ্ৰীয় বোৰ্ডে অলপতে বৈদ্যুতিন যোগাযোগ সুৰক্ষিতভাৱে প্ৰেৰণৰ নিশ্চয়তা কৰিবলৈ যিবোৰ নিয়ম আৰু মান অনুসৰণ কৰিব লাগে সেই বিষয়ে জাননীকৃত কৰিছে।

কেন্দ্ৰীয় চৰকাৰৰ বিত্ত মন্ত্ৰণালয়ে ২০১৫ চনৰ ১০ ডিচেম্বৰত এটা প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে উৎসতে কৰ কটাৰ সবিশেষ আগতীয়াকৈ দাখিল কৰিবৰ কাৰণে এটা নতুন ব্যৱস্থা দিহা কৰাৰ বিষয়ে ঘোষণা কৰিছিল। আয়কৰ বিভাগৰ ই-ফাইলিং পোৰ্টেলত দিয়া অনুৰোধ ক্ৰমে অন্-লাইন সংশোধন সূচী দাখিলৰ সময়ত এইটো কৰিব লাগে।

প্ৰত্যক্ষ কৰৰ ক্ষেত্ৰত এনে ধৰণৰ ব্যৱস্থাৱাজি, প্ৰচলিত পদ্ধতিবিশেষৰ পৰিৱৰ্তন সাধন তথা তাৰ সৈতে জড়িত ৰূপান্তৰ প্ৰক্ৰিয়া আৰু মান উন্নীতকৰণৰ প্ৰয়াস বিশ্বৰ উৎকৃষ্ট কাম-কাজ আৰু অভ্যাসৰাজিৰ সমানেই ভাৰততো চলি আছে। ❐

*পয়োভৰা ৰাইজৰ আলোচনী—*

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# আমূল পৰিৱৰ্তনৰ বাহক জি এছ টি এক দেশ এক কৰ

**বিদ্যুৎ বৰুণ শৰ্মা***

এ ভাৰতৰ পৰোক্ষ কৰ গাঁথনিৰ ক্ষেত্ৰত বিগত ২৫ বছৰৰ ভিতৰত আটাইতকৈ ডাঙৰ সংস্কাৰ বুলি পৰিগণিত জি এছ টি (গুডছ এণ্ড ছাৰ্ভিচেজ টেক্স) বা সামগ্ৰী আৰু সেৱা কৰ বাস্তৱত পৰিণত হোৱাৰ পথত। মুক্ত অৰ্থনীতিৰ ৰূপালী জয়ন্তীৰ সোণালী ক্ষণত দেশবাসীয়ে ভাৰতীয় অৰ্থনীতিলৈ এই কৰ ব্যৱস্থাই আমূল পৰিৱৰ্তন অনাৰ আশা কৰিছে। ইতিমধ্যে ইয়াৰ বাবে সংবিধান সংশোধনী (১২২ সংখ্যক) বিধেয়ক ৰাজ্যসভাত উত্থাপিত হৈছে আৰু সৰ্বসন্মতিক্ৰমে গৃহীতও হৈছে। 'লেহতীয়া' সময়ছোৱাত ইও এটা অভিলেশ সদৃশ হৈ পৰিছে। কিয়নো ইয়াৰ পূৰ্বৰ অধিৱেশনত জি এছ টিক লৈ বিৰোধীৰ যুদ্ধংদেহী স্থিতি সকলোৰে নিশ্চয় স্মৰণীয় হৈ আছে। আনহাতে বিধেয়কখন ইতিপূৰ্বে লোকসভাতো গৃহীত হৈছে আৰু ৰাজ্যসমূহে অনুমোদন জনোৱাৰ প্ৰক্ৰিয়াও ইতিমধ্যে আৰম্ভ হৈছে। এই ক্ষেত্ৰত অসমে বিধেয়কখনত দেশৰ ভিতৰতে প্ৰথমে অনুমোদন জনাই অভিলেখৰ গৰাকী হৈছে। বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত অসম বিধানসভাত সৰ্বসন্মতিক্ৰমে বিধেয়কখন গৃহীত হয়। ইয়াৰ পিছতে অ-বিজেপি বা অ-এন ডি এ ৰাজ্য হিচাপে বিহাৰে বিধেয়কখনত অনুমোদন জনায়। দ্বি-সদনযুক্ত ৰাজ্যখনত বিশেষ এদিনীয়া অধিৱেশনত দুয়ো সদনতে বিধেয়কখন গৃহীত হয়। উল্লেখযোগ্য যে বৰ্ষাকালীন অধিৱেশনত সংসদত গৃহীত বিধেয়কখনত দেশৰ ৩১ খন বিধান-সভাৰ ১৬ খনে অনুমোদন জনোৱাৰ প্ৰয়োজন হ'ব। ইতিমধ্যে সৃষ্টি হোৱা নজিৰে আশাৰ সঞ্চাৰ কৰিছে। কিয়নো বিগত সময়ছোৱাত কংগ্ৰেছকে ধৰি বিভিন্ন বিৰোধী ৰাজনৈতিক দলে বিধেয়কখনৰ সম্পৰ্কত বিভিন্ন আশংকা ব্যক্ত কৰি পূৰ্বৰ অধিৱেশনবোৰত বিধেয়কখন গৃহীত হোৱাৰ পথ ৰুদ্ধ কৰি তুলিছিল। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ তৎপৰতা, কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেটলীৰ কাৰ্যদক্ষতা আৰু বিৰোধীৰে বাৰম্বাৰ কৰা আলোচনাই জি এছ টি ৰ পথ মুকলি কৰি দিলে। বিৰোধীৰ আশংকা নুই কৰিবলৈ ইতিমধ্যে বিধেয়কখনৰ ক্ষেত্ৰত ভালেমান সালসলনি ঘটাবলৈ কেন্দ্ৰ মান্তি হৈছিল। আনকি জি এছ টিৰ ফলত হ'বপৰা ৰাজ্যৰ ক্ষতি পাঁচ বছৰ পৰ্যন্ত পূৰণৰো প্ৰতিশ্ৰুতি দিছিল কেন্দ্ৰই। সদৌ শেষত জি এছ টিৰ বাবে সেউজ সংকেত দিছিল বিৰোধী দলসমূহে। যি কি নহওঁক প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ সপোনৰ উমৈহতীয়া কৰ ব্যৱস্থাৰ বাস্তৱৰূপ জি এছ টি সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়োজন আছে। স্মৰ্তব্য যে ২০০০ চনতে তদানীন্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে সমগ্ৰ দেশতে এটা কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ ধাৰণা পোষণ কৰিছিল আৰু ইয়াৰ বাবে এখন সমিতিও গঠন কৰা হৈছিল। এই ধাৰণাই মূল্য সংযোজিত কৰৰ জন্ম দিছিল। ২০০৫ চনৰ পহিলা এপ্ৰিলৰপৰা বহু ৰাজ্যত বিক্ৰী কৰাৰ স্থান লৈ পেলালে ৰাজ্যিক ভেট-এ। কিন্তু এই কৰৰ হাৰ ৰাজ্যভেদে পৃথক হ'ল। ৰাজ্যসমূহে যাতে কেন্দ্ৰৰ সৈতে আলোচনামৰ্মে সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিব পাৰে তাৰ বাবে ৰাজ্যসমূহক সহায় কৰিবলৈ সেই সমিতিখনকে দায়িত্ব দিয়া হয়। উল্লেখযোগ্য যে ভেটৰ দৰে জি এছ টিৰ আধাৰো একেই নীতি। সেই বাবেই জি এছ টি আৰু ভেট শব্দাংশ পৰিপূৰক ৰূপেও ব্যৱহাৰ কৰা হয়। অৱশ্যে ভেট ৰাজ্যভেদে পৃথক, জি এছ টি সমগ্ৰ দেশতে একেই। সেই বাবেই জি এছ টিক দেশজোৰা ভেট বোলা হৈছে।

এতিয়া কথা হ'ল জি এছ টি মানে কি? জি এছ টি অৰ্থাৎ সামগ্ৰী আৰু সেৱা কৰ হৈছে সামগ্ৰী আৰু সেৱাৰ উৎপাদন, বিক্ৰী আৰু উপভোগৰ ওপৰত আৰোপিত সৰ্বাত্মক ৰাষ্ট্ৰব্যাপী পৰোক্ষ কৰ। ইয়াৰ উদ্দেশ্য হৈছে সমগ্ৰ দেশৰ বাবে এটা মাত্ৰ পৰোক্ষ কৰৰ ব্যৱস্থা কৰা যিয়ে ভাৰতবৰ্ষক সংগবদ্ধ উমৈহতীয়া বজাৰ এখনত পৰিণত কৰিব। আনহাতে 'ইনপুট টেক্স ক্ৰেডিট পদ্ধতিৰে সেৱা বা সামগ্ৰীৰ বিক্ৰী আৰু

*লিখক 'দৈনিক অসম' কাকতৰ জ্যেষ্ঠ সাংবাদিক

ক্ৰয়ৰ প্ৰতিটো স্তৰতে জি এছ টি আৰোপ কৰা হ'ব আৰু সংগ্ৰহ কৰা হ'ব। পৰিণতিত সামগ্ৰীৰ কেৱল উৎপাদনতে নহয় বৰঞ্চ আন্তঃৰাজ্যিক পৰিবহনতো সুবিধা হ'ব।

প্ৰশ্ন হ'ব পাৰে জি এছ টিয়ে কিদৰে কাম কৰিব আৰু কি কি কৰ অন্তৰ্ভুক্ত কৰিব? জি এছ টি হৈছে সামগ্ৰী আৰু সেৱাৰ যোগানত আৰোপিত এটা মাত্ৰ কৰ যি উৎপাদনত আৰম্ভ হৈ গ্ৰাহক বা উপভোক্তাতহে অন্তপৰে। প্ৰতিটো স্তৰত আদায় দিয়া কৰ পৰৱৰ্তী মূল্য সংযোজনত থাকিব অৰ্থাৎ প্ৰতিটো স্তৰত মূল্য সংযোজনতহে কৰ আৰোপ কৰা হ'ব। অন্তিম গ্ৰাহকজনে কেৱল যোগান শৃংখলৰ অন্তিমজন ডীলাৰ বা ব্যৱসায়ীৰদ্বাৰা আৰোপিত লাভৰ ওপৰতহে জি এছ টি আদায় দিব লাগিব যিয়ে সকলো স্তৰতে পক্ষকে লাভান্বিত কৰিব।

কেন্দ্ৰৰ ক্ষেত্ৰত কেন্দ্ৰীয় আবকাৰী শুল্ক, আবকাৰী শুল্ক (ঔষধ আৰু প্ৰসাধন সম্পৰ্কীয়), অতিৰিক্ত আবকাৰী শুল্ক (বিশেষ গুৰুত্বপূৰ্ণ সামগ্ৰী), অতিৰিক্ত সীমা শুল্ক (চি ভি ডি ৰূপে খ্যাত), বিশেষ অতিৰিক্ত সীমা শুল্ক (এছ এ ডি), সেৱা কৰ, সামগ্ৰী আৰু সেৱাৰ যোগান সম্পৰ্কীয় কৰ আৰু অতিৰিক্ত কৰৰ ঠাই ল'ব জি এছ টিয়ে। আনহাতে ৰাজ্যৰ ক্ষেত্ৰত ৰাজ্যিক ভেট, কেন্দ্ৰীয় বিক্ৰী কৰ, ক্ৰয় কৰ, বিলাস কৰ, প্ৰৱেশ কৰ, আমোদ কৰ (স্থানীয়ভাবে আৰোপিত নহয়), বিজ্ঞাপন কৰ, লটাৰী, বেটিং আৰু জুৱাৰ কৰ, ৰাজ্যিক কৰ আৰু অতিৰিক্ত কৰৰ ঠাই ল'ব জি এছ টিয়ে।

জি এছ টিয়ে বিভিন্ন ধৰণে সহায় কৰিব। ভাৰতত পৰোক্ষ কৰ ব্যৱস্থাত ই যুগান্তকাৰী পদক্ষেপৰূপে পৰিগণিত হ'বলৈ ওলাইছে। একাধিক কেন্দ্ৰীয় আৰু ৰাজ্যিক কৰক লগ লগাই এটা মাত্ৰ কৰ কৰি পেলোৱাৰ ফলত দ্বৈত কৰৰ সম্ভাৱনা হ্ৰাস কৰি ই উমৈহতীয়া বজাৰ এখনৰ সন্ধান দিব। উপভোক্তাসকল আন্তঃৰাজ্যিক ক্ষেত্ৰত কৰৰ বোজা কমি যোৱা বাবে লাভৱান্বিত হ'ব। উমৈহতীয়া কৰৰ ফলত কৰৰ হাৰ আৰু গাঁথনিত সমতা থাকিব যাৰ ফলত ব্যৱসায়-বাণিজ্যত সুবিধা হ'ব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ বাবে জি এছ টিয়ে প্ৰশাসন আৰু বিধি বলবৎ কৰাত সহায় কৰিব। উপভোক্তাৰ দৃষ্টিভংগীৰ আটাইতকৈ ডাঙৰ লাভ বা উপকাৰটো হ'ব সামগ্ৰীৰ ক্ষেত্ৰত সামগ্ৰিকভাৱে কৰৰ বোজা লাঘৱ হোৱাটো।

অৱশ্যে জি এছ টি কিদৰে হ'ব সেই লৈ অদ্যাপি আশংকা দূৰ হোৱা নাই। সংসদৰ কাম-কাজৰ সমান্তৰালকৈ উদ্যোগ-বাণিজ্য ক্ষেত্ৰৰ লোকসভালৈ জি এছ টিৰ প্ৰধান দুটা ভাগ থাকিব— কেন্দ্ৰীয় জি এছ টি (চি জি এছ টি) আৰু ৰাজ্যিক জি এছ টি (এছ জি এছ টি)। কেন্দ্ৰ আৰু ৰাজ্যসমূহে একে সময়তে মূল্য শৃংখল (ভেলু চেইন) ৰ ওপৰত জি এছ টি আৰোপ কৰিব। এখন ৰাজ্যত সামগ্ৰী আৰু সেৱাৰ যোগানৰ ওপৰত কৰ আৰোপ কৰা হ'ব। সকলো লেন-দেনতে কেন্দ্ৰই আৰোপ কৰা কৰৰ অংশ আৰু ৰাজ্যই আৰোপ কৰা কৰৰ অংশ লাভ কৰিব। আনহাতে ৰাজ্যিক কৰ বা প্ৰৱেশ কৰৰ বাবে ইমানদিনে বাহাল থকা ব্যৱস্থা লোপ পোৱাৰ ফলত সামগ্ৰীৰ সৰবৰাহ বহু সহজ হৈ পৰিব। ৰাজ্যিক সীমাত ঘণ্টাৰ পিছত ঘণ্টা কৰ পৰিশোধৰ বাবে সামগ্ৰীৰ গাড়ী ৰৈ থাকিবলগীয়া হোৱা প্ৰতিচ্ছবিখনো নাইকীয়া হৈ পৰিব যিয়ে যোগান সময় অনুসৰি কৰাটো সম্ভৱ কৰি তুলিব।

যিহেতু ভাৰত এখন ফেডাৰেল প্ৰজাতন্ত্ৰ, যি এছ টি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহে একে সময়তে প্ৰৱৰ্তন কৰিব।

মন কৰিবলগীয়া যে জি এছ টিক কেৱল কৰ সংস্কাৰ বুলিলেই যথেষ্ট নহ'ব। ক'লা ধনৰ বিৰুদ্ধেও ই এপাট ফলপ্ৰসূ অস্ত্ৰৰূপে পৰিগণিত হ'ব। কিয়নো ইমানদিনে অঘোষিত লেন-দেন ধৰা পেলোৱাত থকা সমস্যাবোৰৰ অধিকাংশই জি এছ টিৰ বাবে নাইকীয়া হ'ব। কাৰণ জি এছ টি ব্যৱস্থাত প্ৰতিটো পইচাৰ লেন-দেনৰ প্ৰতিটো স্তৰৰ হিচাপ তথা প্ৰযুক্তিবিদ্যাৰ সহায়ত ৰাখিব পৰা যাব।

এইখিনিতে জি এছ টি বৰ্তমানৰ কৰ ব্যৱস্থাতকৈ কেনেদৰে পৃথক হ'ব সেই সম্পৰ্কে আলোচনা কৰা যুগুত হ'ব। মন কৰিবলগীয়া যে সম্প্ৰতি কাৰ্যকৰী হৈ থকা কৰ ব্যৱস্থাটোত স্বৰূপাৰ্থতে কৰৰ ওপৰত কৰ পৰিশোধ কৰিবলগীয়া হয়। কিয়নো উপভোক্তাই ক্ৰয় কৰা সেৱা আৰু সামগ্ৰীৰ ওপৰত ইতিমধ্যে আদায় দি থকা কৰ ৰেহাই পোৱাৰ ব্যৱস্থা নাই। বৰ্তমানৰ কৰ ব্যৱস্থাৰ ক্ষেত্ৰত চাৰ্ট উৎপাদনৰ বিষয় এটা উদাহৰণস্বৰূপে ল'ব পাৰি। চাৰ্ট প্ৰস্তুতাকৰ্তাই ১০০ টকাৰ কেঁচা সামগ্ৰী (সূতা আদি কেঁচামাল) ক্ৰয় কৰিলে তাত ১০ টকাৰ কৰ সোমাই থাকে। ধৰা হ'ল তেওঁ উৎপাদন কৰা চাৰ্টৰ মূল্য তেওঁ যোগ কৰা লাভ ৩০ টকাকৈ ধৰি ১৩০ টকা হ'লগৈ। ১০ শতাংশ হাৰত তেওঁ ইয়াৰ বাবে কৰ দিব লাগিব ১৩ টকা। কাৰণ তেওঁ ইতিমধ্যে আদায় দিয়া ১০ টকা কৰৰপৰা তেওঁ ৰেহাই নাপায়। গতিকে পাইকাৰী বিক্ৰেতাৰ বাবে ইয়াৰ মূল্য হ'ব ১৩০+১৩ টকা অৰ্থাৎ ১৪৩ টকা। পাইকাৰী বিক্ৰেতাই ইয়াৰ লগত

১০ টকা নিজৰ লাভৰ বাবে যোগ দিলে মূল্য হ'বগৈ ১৫৩ টকা। ইয়াৰ ওপৰত তেওঁ ১০ শতাংশ হাৰত কৰ আদায় দিব লাগিলে ১৫.৩০ টকা কৰ হিচাপে দিব লাগিব। ফলত তেওঁ খুচুৰা বিক্ৰেতাক এই চাৰ্ট বিক্ৰী কৰিব লাগিব ১৭৯.৩০ টকাত। খুচুৰা বিক্ৰেতাই ১৭৯.৩০ টকাত ক্ৰয় কৰা একোটা চাৰ্টত নিজৰ লাভ ১০ টকা যোগ দিয়াৰ উপৰি ১৭৯.৩০ টকাত ক্ৰয় কৰা একোটা চাৰ্টত নিজৰ লাভ ১০ শতাংশ কৰ অৰ্থাৎ ১৮.৯৩ টকা যোগ দি চাৰ্টটোৰ মূল্য ২০৮.২৩ টকা হিচাপে বিক্ৰী কৰিব লাগিব। পূৰ্বে আদায় দিয়া কৰৰপৰা ৰেহাই পোৱা ব্যৱস্থা নথকা বাবে এই ব্যৱস্থাত কেঁচা সামগ্ৰীৰপৰা গ্ৰাহকৰ হাতত চাৰ্ট পোৱালৈকে আদায় দিবলগীয়া মুঠ কৰ হ'ব ১০+১৩+১৬.৩০+১৮.৯৩=৫৮.২৩ টকা। কিন্তু জি এছ টি আৰোপ হ'লে এই কৰ হ'ব পৃথক ধৰণৰ। উদাহৰণ স্বৰূপে চাৰ্টৰ উৎপাদক এজনৰ কথাকে ক'ব পাৰি। তেওঁ কেঁচামাল যেনে সূতা, কাপোৰ, বুটাম আদি ১০০ টকাত কিনে য'ত ১০ টকা কৰ সংযুক্ত হৈ থাকে। অৰ্থাৎ ১০ টকা কৰ দিয়ে। চাৰ্ট উৎপাদন প্ৰক্ৰিয়াত উৎপাদকজনে তেওঁৰ চাৰ্টত নিজৰ মূল্য বা লাভ সংযোগ কৰে। ধৰা হ'ল তেওঁ লাভ হিচাপে ৩০ টকা যোগ দিলে। ফলত চাৰ্টৰ মুঠ মূল্য হ'ল ১৩০ টকা। কিন্তু জি এছ টি হ'লে তেওঁ দিব লগা এই ১০ শতাংশ কৰ তেওঁ ইতিপূৰ্বে আদায় দিয়া কৰৰপৰা ৰেহাই পাব পাৰিব। তেওঁ যিহেতু কেঁচামালত ১০ টকা কৰ দি থৈছে সম্প্ৰতি তেওঁ দিব লগা কৰ হ'ব মাত্ৰ ৩ টকা (১৩-১০ টকা = ৩ টকা)।

আকৌ আমি পাইকাৰী বিক্ৰেতাৰ ক্ষেত্ৰত কথাটো এইদৰে ক'ব পাৰো। উৎপাদকৰপৰা পাইকাৰী বিক্ৰেতালৈ সামগ্ৰী যায়। পাইকাৰী বিক্ৰেতাই চাৰ্ট এটা ১৩০ টকাত কিনে আৰু নিজৰ লাভ ২০ টকা (ধৰা হ'ল) যোগ দিয়ে। ফলত তেওঁ ১৩০+২০=১৫০ টকা কৰি পেলায় মুঠ মূল্য। এই মূল্যৰ ওপৰত ১০ শতাংশ কৰ হ'লে কৰ হ'ব ১৫ টকা। কিন্তু তেওঁ যিহেতু উৎপাদকৰপৰা সামগ্ৰী বিধ ক্ৰয় কৰিছে আৰু উৎপাদকে ১৩ টকা কৰ কেঁচামালত দি থৈছে, তেওঁ এতিয়া দিবলগীয়া কৰ হ'ব ১৫-১৩ টকা = ২ টকা মাত্ৰ। (প্ৰকৃততে পূৰ্বে কৰ ১০ টকা কৰ দিয়া বাবে মাত্ৰ ৩ টকা কৰ দিছিল)

সদৌ ক্ষেত্ৰত এজন খুচুৰা বিক্ৰেতাই চাৰ্ট এটা পাইকাৰী বিক্ৰেতাৰপৰা কিনিব। ১৫০ টকাত কিনা চাৰ্টটোত খুচুৰা ব্যৱসায়ীজনে নিজৰ লাভ ১০ টকা (ধৰা হ'ল) যোগ দিব। ফলত মুঠ মূল্য হ'ব ১৬০ টকা (১৫০+১০)। ইয়াৰ ওপৰত ১০ শতাংশ কৰ দিলে দিব লাগিব ১৬ টকা। কিন্তু যিহেতু পাইকাৰী বিক্ৰেতাই ১৫ টকা কৰ হিচাপে দি থৈছে পূৰ্বে কৰ ১৩ টকা দি থোৱা বাবে ২ টকা কৰ দিছে আদায়) গতিকে তেওঁ দিব লাগিব মাত্ৰ ১ টকা (১৬-১৫=১)।

এইদৰে কেঁচামালৰপৰা খুচুৰা বিক্ৰেতালৈ সামগ্ৰিক মূল্য শৃংখলত মুঠ জি এছ টি হ'ব = ১০+৩+২+১=১৬ টকা।

উল্লেখযোগ্য যে অসম আৰু বিহাৰৰ দৰে আন ১৪ খন বিধান সভায়ো এই জি এছ টি বিধেয়কখনত অনুমোদন জনালে জি এছ টি পৰিষদ গঠন কৰা হ'ব আৰু এই পৰিষদ ৰাষ্ট্ৰপতিয়ে গঠন কৰিব। দেশৰ বিত্তমন্ত্ৰী ইয়াৰ অধ্যক্ষ হ'ব। প্ৰতিখন ৰাজ্যৰ বিত্তমন্ত্ৰী বা মনোনিত ৰাজ্যিক মন্ত্ৰী একোজন ইয়াৰ সদস্য হ'ব। তিনি-চতুৰ্থাংশ সদস্যৰ সংখ্যাগৰিষ্ঠতাৰে ইয়াত সিদ্ধান্ত লোৱা হ'ব। কেন্দ্ৰৰ ইয়াত এক-তৃতীয়াংশ ভোট থাকিব, ৰাজ্যসমূহৰ থাকিব দুই-তৃতীয়াংশ ভোট। কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ সহযোগত কেন্দ্ৰীয় জি এছ টি, সংহত জি এছ টি আৰু ৰাজ্যিক জি এছ টি বিধেয়কৰ খচৰাসমূহ প্ৰস্তুত কৰা হ'ব। জি এছ টিৰ সমগ্ৰ বিষয়টোক বিতৰ্ক-প্ৰতিক্ৰিয়া অদ্যপি অব্যাহত থাকিলেও ই দেশৰ অৰ্থনীতিলৈ আমূল পৰিৱৰ্তন অনাৰ আশা কৰা হৈছে। জি এছ টিৰ হাৰ এতিয়াও চূড়ান্ত হোৱা নাই। যাৰ বাবে এই সম্পৰ্কত আশংকা জল্পনা-কল্পনাৰো অদ্যপি ওৰ পৰা নাই। তথাপি দেশত অধিকাংশ লোকেই আশাবাদী জি এছ টিক লৈ। সৰলীকৃত কৰ ব্যৱস্থা এটাৰ নিঃসন্দেহে সকলোৱে পোষকতা কৰে যাৰ বাবে জি এছ টিক লৈ বেছিভাগেই আশাবাদী। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়েও প্ৰবল আশাৰে কৈছে যে জি এছ টিয়ে ভাৰতীয় অৰ্থনীতিক প্ৰকৃতাৰ্থত সচল কৰি তুলিব, যিয়ে দেশৰ অৰ্থনীতিলৈ সুস্থিৰতা আনিব বুলিও তেওঁ আশা ব্যক্ত কৰিছে। সৰ্বসাধাৰণে জি এছ টিৰ মাধ্যমত কিঞ্চিৎ হ'লেও সকাহ পাব বুলি আমি আশাবাদী। ❐

# অসমৰ প্ৰথমটো মহিলা সমবায় বেংক

**দেৱদাস ভৰালী***

অসমৰ সমবায় খণ্ডৰ প্ৰথমটো মহিলা বেংক 'কনকলতা মহিলা আৰবান কো-অপাৰেটিভ বেংক লিমিটেড'ৰ প্ৰতিষ্ঠা হয় ১৯৯৮ চনৰ ১৪ নৱেম্বৰ তাৰিখে। অসম চৰকাৰৰ সমবায় আইন, ১৯৪৯, অধীনত পঞ্জীয়নভুক্ত এই মহিলা সমবায় বেংকটোৱে বেংকিং ব্যৱসায় সংক্ৰান্তীয় লেনদেনৰ বাবে ২০০৮ চনৰ ১৬ ফেব্ৰুৱাৰীত ভাৰতীয় ৰিজাৰ্ভ বেংকৰপৰা অনুজ্ঞা পত্ৰ (লাইচেন্স) লাভ কৰাৰ পিছত ২০০৮ চনৰ ২৬ ফেব্ৰুৱাৰীৰ পৰা ব্যৱসায়িক কাম-কাজ আৰম্ভ কৰে।

মহিলা সকলৰ উদ্যোগত স্থাপিত আৰু মহিলা সকলৰদ্বাৰা পৰিচালিত কনকলতা মহিলা আৰবান কো-অপাৰেটিভ বেংকে ইতিমধ্যে ব্যৱসায় আৰম্ভ কৰাৰ ১৭ বছৰ সম্পূৰ্ণ কৰিছে। নিঃসন্দেহে অসমৰ ইতিহাসত কনকলতা মহিলা সমবায় বেংকৰ প্ৰতিষ্ঠা এটা উল্লেখযোগ্য পদক্ষেপ। সোতৰটা বছৰ এটা বিত্তীয় প্ৰতিষ্ঠানৰ বাবে বৰ দীঘলীয়া সময় নহয়। সমবায় আইনৰ বিধি-বিধান আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বেংকিং নীতি নিৰ্দেশনা মানি চলি এটা বেংকিং প্ৰতিষ্ঠান চলাই নিয়াটো নিতান্তই কঠিন কাম। বেংকটোত ব্যৱসায়ৰ পৰিসীমাৰ সীমাবদ্ধতা, মূলধন আৰু গ্ৰাহকৰ ক্ষেত্ৰত থকা বাধ্য-বাধকতাৰ বাবে এইখিনি সময়ৰ ভিতৰতে বেংকটোৰ পৰা চমৎকাৰ কিবা এটা আশা কৰাটো নিশ্চয় সমীচিন নহয়। তৎসত্ত্বেও পৰ্য্যাপ্ত মূলধন আৰু বিশাল জমাধনেৰে সচ্ছল ৰাজহুৱা আৰু ব্যক্তিগতখণ্ডৰ বেংকসমূহৰ লগত খোজমিলাই আগবাঢ়ি যোৱাৰ যি প্ৰচেষ্টা লোৱা হৈছে, সেই প্ৰচেষ্টাই মহিলা বেংকটোৰ স্থিতি সবল কৰাৰ উপৰি যি সকল দৰিদ্ৰ সীমাৰেখাৰ তলৰ মহিলা বেংকটোৰ গ্ৰাহক হ'বলৈ আগবাঢ়ি আহিছে, সেই সকলৰ আস্থা আৰু সদিচ্ছা লাভ কৰিবলৈ বেংকটো সফল হৈছে। আজিৰপৰা প্ৰায় সোতৰ বছৰ আগতে মহিলা সবলীকৰণৰ যি দৃষ্টি আগত লৈ মহিলা বেংকটোৰ কাম-কাজ আৰম্ভ হৈছিল সেই উদ্দেশ্য কিছু পৰিমাণে হ'লেও সফল হোৱাটোৱেই বেংকটোৰ ঘাই কৃতিত্ব বুলি ক'ব লাগিব।

বিয়াল্লিছৰ শ্বহীদ কনকলতা বৰুৱাৰ নামেৰে মহিলা বেংকটোৰ নামকৰণ কৰাটো অৰ্থৱহ হৈছে। ৰাজনৈতিক স্বাধীনতাৰপৰা অৰ্থনৈতিক স্বাধীনতালৈ ঠিক এনে এটা মতাদৰ্শৰে কনকলতাৰ আদৰ্শ আগত লৈ বেংকটোৱে এতিয়া অৰ্থনৈতিকভাৱে আৰু সামাজিকভাৱে পাছপৰা মহিলা সকলৰ সবলীকৰণৰ বিভিন্ন আঁচনিৰে কামত আগবঢ়াটো নিশ্চয় উল্লেখযোগ্য কথা। কনকলতা মহিলা সমবায় বেংকে মহিলা সবলীকৰণৰ ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে ভাৰত চৰকাৰৰ মহিলা আৰু শিশু মন্ত্ৰণালয়ে ২০১৬ চনৰ আন্তৰ্জাতিক নাৰী দিৱসৰ দিনা ২০১৫ বৰ্ষৰ নাৰী শক্তি পুৰস্কাৰ দেৱী অহল্যা বাঈ হোলকাৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান কৰে। নিঃসন্দেহে এই স্বীকৃতিৰে কনকলতা মহিলা সমবায় বেংকে অসমৰ সমবায় ক্ষেত্ৰলৈ সুনাম কঢ়িয়াই আনিলে।

কনকলতা মহিলা সমবায় বেংকটোৰ দৈনন্দিন কাম-কাজ চোৱা-মেলাৰ দায়িত্বত আছে বেংকটোৰ বৰ্তমান পৰিচালন সঞ্চালিকা লখিমী বৰুৱা। উল্লেখযোগ্য যে বৰুৱা, শকুন্তলা দেৱী আৰু আন কেইগৰাকীমান মহিলা বেংকটোৰ জন্মলগ্নৰ পৰাই জড়িত হৈ আছে। স্বল্পপাৰ্থত যোৰহাটৰ দক্ষিণ সৰ্বাইবন্ধাৰ মহিলা সমাজৰ এই দুয়োগৰাকী আৰু আন আন মহিলা সদস্যসকলৰ চেষ্টা আৰু কৰ্মোদ্যমৰ ফলতে কনকলতা মহিলা সমবায় বেংকে আজিৰ অৱস্থাপ্ৰাপ্ত হৈছেহি। লখিমী বৰুৱা যোৰহাট কেন্দ্ৰীয় সমবায় বেংকৰ বিষয়া হৈ থকাৰ অভিজ্ঞতাৰ আলমতে এই মহিলা বেংকটোৰ ধাৰণা আৰু কাম কাজ আগুৱাই নিব পাৰিছিল। ক'বলৈ গ'লে বৰুৱাক আগত লৈয়ে মহিলা সমাজৰ সদস্যাসকলে বেংকটোৰ প্ৰতিষ্ঠাৰ কামত আগবাঢ়িছিল। প্ৰায় ১৫ গৰাকী সদস্যা আৰু সদস্যৰে গঠিত কনকলতা মহিলা সমবায় বেংকৰ পৰিচালনা মণ্ডলীৰ সভানেত্ৰী হ'ল শকুন্তলা দেৱী। যোৰহাটৰ বাহনা

***লিখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক।**

কলেজৰ প্ৰাক্তন অধ্যক্ষা শকুন্তলা দেৱী অৰ্থনীতি বিভাগৰো প্ৰবক্তা আছিল। সেইসূত্ৰে বিত্তীয় পৰিচালনাৰ ক্ষেত্ৰখন তেওঁৰ বাবে অচিনাকি নহয়। বেংকটোৰ সঞ্চালক মণ্ডলীত ৰিজার্ভ বেংকে মনোনীত কৰা পুৰুষ সদস্য দুগৰাকীৰ বাহিৰে বাকী কেউগৰাকীয়ে মহিলা। ইয়াৰ বাহিৰেও মহিলা বেংকটোৰ চাৰিটা শাখাত কৰ্মৰত আটাইকেউ গৰাকীয়েই মহিলা। ৫ গৰাকী মহিলা কৰ্মচাৰীৰে আৰম্ভ কৰা বেংকটোত বৰ্তমান ২২ গৰাকী কৰ্মচাৰী আছে। এই কেইগৰাকী কৰ্মচাৰীৰ উপৰি বেংকটোত প্ৰায় ৪০ গৰাকী মহিলা সমন্বয়ৰক্ষী বিষয়াক মাজে মাজে বেংকৰ কাম-কাজৰ সুবিধাৰ বাবে নিয়োগ কৰিছে। সমন্বয়ৰক্ষী কেউগৰাকীয়ে বেংকৰ কাম-কাজৰ বিষয়ে নিৰক্ষৰ মহিলা গ্ৰাহকসকলক বেংকৰ বিত্তীয় লেনদেন আৰু সময়মতে ঋণ আদায় দিয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে দিহা-পৰামৰ্শ দিয়ে। সমন্বয়ৰক্ষী সকলৰ কামৰ ওপৰত নিৰ্ভৰ কৰি কমিছন বা পাৰিতোষিক দিয়া হয়।

**ব্যৱসায়ৰ পৰিসীমা আৰু গ্ৰাহকৰ বৈশিষ্ট্য ঃ**

কনকলতা মহিলা সমবায় বেংকৰ ব্যৱসায়িক এলেকা যোৰহাট, গোলাঘাট আৰু শিৱসাগৰ জিলাৰ ভিতৰতে সীমাবদ্ধ। অৱশ্যে বেংকটোৰ বৰ্তমান ব্যৱসায়িক লেন-দেন যোৰহাট আৰু শিৱসাগৰ জিলাৰ ভিতৰতে সম্প্ৰসাৰিত হৈছে। যোৰহাট চহৰত দুটা শাখাৰ উপৰি মৰিয়নিতো শাখা খোলা হৈছে। বেংকৰ চতুৰ্থ শাখাটো শিৱসাগৰত আৰম্ভ কৰা হৈছে ২০১৪ চনৰ ২ জুনত। গোলাঘাট জিলাত বেংকটোৰ পঞ্চমটো শাখা খোলাৰ প্ৰস্তুতি চলি আছে বুলি বেংকৰ ২০১৫-১৬ চনৰ বাৰ্ষিক প্ৰতিবেদনত উল্লেখ কৰিছে।

এই মহিলা বেংকটোৰ গ্ৰাহকৰ ক্ষেত্ৰত কিছু বৈশিষ্ট্য লক্ষ্য কৰা হৈছে। ইয়াৰ সৰ্বাধিক গ্ৰাহক হৈছে মহিলা। অৱশ্যে পুৰুষসকলো বেংকটোৰ গ্ৰাহক হৈছে যদিও সেই সংখ্যা বৰ বেছি নহয়। অৱশ্যে পুৰুষ গ্ৰাহক সকলক বেংকটোৰ ঋণ আঁচনিৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই। বৰ্তমান ছয় শতাধিক আত্মসহায়ক গোটসহ বেংকটোৰ গ্ৰাহকৰ সংখ্যা ৩০ হেজাৰৰো অধিক। গ্ৰাহকৰ ক্ষেত্ৰত এই বেংকৰ আন এটা বৈশিষ্ট্য হৈছে প্ৰায় ৮০ শতাংশ মহিলা গ্ৰাহকেই দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ, অনুসূচিত জাতি, জনজাতি, চাহ বাগিচাৰ শ্ৰমিক আৰু সংখ্যালঘু সম্প্ৰদায়ৰ। আন এটা তাৎপৰ্যপূৰ্ণ বৈশিষ্ট্য হৈছে প্ৰায় ৬০ শতাংশ গ্ৰাহকেই নিৰক্ষৰ। এই সকল মহিলা গ্ৰাহকে আন বাণিজ্যিক বেংকৰ গ্ৰাহক হোৱাতকৈ এই বেংকৰ মহিলা কৰ্মচাৰীসকলৰ লগত নিজৰ ভাব বিনিময় কৰি তেওঁলোকৰ অভাৱ-অভিযোগসমূহ মুকলিকৈ আলোচনা কৰিবলৈ সুবিধা পায়। সাধাৰণতে এনে গ্ৰাহকে বেংকৰ মূলধন আৰু জমাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৰিহণা যোগাব নোৱাৰে। সেইবাবেই বেংকৰ জমাৰ অংক আৰু ঋণ প্ৰদান সন্তোষজনক-ভাৱে বৃদ্ধি হোৱা নাই। কিন্তু মহিলা সবলীকৰণৰ যি মহৎ উদ্দেশ্য লৈ এই বেংকৰ কাম-কাজ আৰম্ভ কৰা হৈছিল, সেই উদ্দেশ্য সফল হোৱা বুলি ক'ব পাৰি। বেংকৰ পৰিচালনা সঞ্চালক-গৰাকীৰ লগত হোৱা কথোপকথনৰ সময়ত আমাক জনোৱা হৈছিল যে যি গৰাকী মহিলাই বেংকৰ পৰা মাথোন ৫০০ টকাৰ ঋণ লৈ পাণ-তামোলৰ দোকান আৰম্ভ কৰিছিল তেনে মহিলাক পৰৱৰ্তী সময়ত বেংকৰ পৰা ৫০০০/১০,০০০ টকালৈকে ঋণ দিয়াৰ বাবে উপযুক্ত বিবেচনা কৰা হৈছে। এনে পদক্ষেপ নিঃসন্দেহে গ্ৰাহক আৰু বেংক দুয়োৰে বাবে উৎসাহজনক।

**কনকলতা মহিলা বেংকৰ মূলধন**

ঘাইকৈ মহিলা অংশীদাৰৰ মূলধনেৰে গঠিত বেংকটোৰ বৰ্তমান অংশীদাৰৰ সংখ্যা ৯৩৯৪ গৰাকী। বেংকৰ স্বীকৃত মূলধন ৫০,০০,০০০ (পঞ্চাছ লাখ টকা) আৰু পৰিশোধিত মূলধন ৪৭.৪৭ লাখ টকা। প্ৰতি অংশৰ মূল্য ১০০ টকা। শেহতীয়াকৈ পোৱা খবৰ অনুসৰি ২০১৫-১৬ চনৰ বাৰ্ষিক সাধাৰণ সভাত বেংকৰ উপবিধি সংশোধন কৰি বেংকৰ স্বীকৃত মূলধন ১০ (দহ) কোটি টকালৈ বৃদ্ধি কৰাত অনুমোদন জনোৱা হৈছে। নেডফিৰ তৰফৰপৰা বেংকটোলৈ ৫,০০,০০০ টকাৰ আনুষ্ঠানিক মূলধন আগবঢ়োৱা হৈছে।

**বেংকৰ ব্যৱসায়িক কাম-কাজ ঃ**

ইতিমধ্যে উল্লেখ কৰা হৈছে অসমৰ সমবায় খণ্ডৰ প্ৰথমটো মহিলা বেংকে ব্যৱসায়িক লেনদেনৰ সোতৰটা বছৰ সম্পূৰ্ণ কৰিছে। মহিলাসকলৰ দ্বাৰা পৰিচালিত কনকলতা মহিলা সমবায় বেংকে ইতিমধ্যে মহিলা-সকললৈ আগবঢ়োৱা বেংকিং সেৱাৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিবলৈকো সমৰ্থ হৈছে। বেংক এটাৰ ঘাই কাম জমা ধন সংগ্ৰহ আৰু ঋণ বিতৰণৰ ফালৰপৰা চাবলৈ গ'লে কনকলতা

বেংকে চমকপ্ৰদ ফলাফল লাভ কৰিব পৰা নাই যদিও মহিলা সবলীকৰণৰ ক্ষেত্ৰত বেংকৰ কাম-কাজক স্বীকৃতি দিয়া হৈছে। বেংকৰ পৰিচালনাৰ লগত জড়িত সকলোৰে বাবে ই অতি প্ৰেৰণামূলক কথা, এইখিনি কোৱাৰ পিছতো এটা কথা উল্লেখ কৰিব লাগিব যে বেংক এটাৰ কাম-কাজৰ মূল্যায়ন কৰা হয় ঘাইকৈ ইয়াৰ বাণিজ্যিক বা ব্যৱসায়িক আদান-প্ৰদানৰ সফলতাৰ প্ৰতি লক্ষ্য ৰাখিহে।

কনকলতা মহিলা সমবায় বেংকে ইয়াৰ সোতৰ বছৰীয়া পৰিক্ৰমাত চমকপ্ৰদভাৱে নহ'লেও ধীৰে সুস্থিৰে বেংকিং কাম-কাজ আগবঢ়াই নিছে। সফল ব্যৱসায়িক দিশত আগবাঢ়িবলৈ বেংকৰ মূলধনৰ বৃদ্ধিৰ লগতে জমা সংগ্ৰহৰ ক্ষেত্ৰতো সবল স্থিতি ল'ব লাগিব। চৰকাৰী সহযোগিতাৰ ২০১৪-১৫ চনত বেংকৰ জমাধন ১০ কোটিলৈ বৃদ্ধি হৈছিল যদিও তেনে সহযোগিতা হ্ৰস্বম্যাদী হোৱা বাবে পিছৰ বছৰত অৰ্থাৎ ২০১৫-১৬ চনত জমাসংগ্ৰহ ৬.৪৮ কোটিলৈ হ্ৰাস পায়। ২০১৪-১৫ বৰ্ষত জমা অনুপাতে ঋণ প্ৰদান কৰিব নোৱাৰাত ঋণ-জমাৰ অনুপাত প্ৰায় ৩৮ শতাংশলৈ হ্ৰাস পায়। অৱশ্যে পৰৱৰ্তী বৰ্ষত (২০১৫-১৬) এই অনুপাত প্ৰায় ৭০ শতাংশলৈ বৃদ্ধি হোৱাটো সন্তোষৰ কথা।

| থোৰতে বেংকটোৰ বিষয়ে ঃ ৩১ মাৰ্চ, ২০১৬ তাৰিখ পৰ্যন্ত | |
|---|---|
| নাম ঃ কনকলতা মহিলা আৰবান কো-অপাৰেটিভ বেংক লিমিটেড<br>মুখ্য কাৰ্যালয় ঃ শ্বহীদ কনকলতা বৰুৱা স্মৃতি ভৱন, গড়আলি, যোৰহাট-৭৮৫০০১<br>অনুজ্ঞা পত্ৰ ঃ ভাৰতীয় ৰিজাৰ্ভ বেংক নং ASSAM-0002 P তাৰিখ ১৬/২/২০০০<br>শাখাসমূহ ঃ (১) যোৰহাট, (২) গড়আলি (৩) মৰিয়নি (৪) শিৱসাগৰ | |
| স্বীকৃতিপ্ৰাপ্ত মূলধন ঃ | ৫০ লাখ টকা |
| আদায়ী মূলধন ঃ | ৪৭.৪৭ লাখ টকা |
| মুঠ অংশীদাৰ ঃ | ৯৩৯৪ গৰাকী |
| মুঠ গ্ৰাহক ঃ | ২৯,২২৯ গৰাকী |
| আছুতীয়া পুঁজি ঃ | ৮৮.৮৭ লাখ |
| জমা ঃ | ৬৪৮.৭৮ লাখ |
| ঋণ ঃ | ৪৪০.৯৮ লাখ |
| বাৰ্ষিক লাভ ঃ | ৫.৯০ লাখ |
| কাৰ্যকৰী মূলধন ঃ | ১১৩১.৭০ লাখ |
| মুঠ এন পি এ | ১.৮৭ শতাংশ |
| পৰিচালন সঞ্চালিকা ঃ | লখিমী বৰুৱা |
| সঞ্চালনা পৰিষদৰ অধ্যক্ষা ঃ | শকুন্তলা দেৱী |

আনহাতে দীৰ্ঘকালীন আৰু হ্ৰস্বকালীন চৰকাৰী পত্ৰত বিনিয়োগ, বিভিন্ন ৰাষ্ট্ৰীয়কৃত বেংকত বিধিগতভাৱে ৰখা দীৰ্ঘম্যাদী আৰু হ্ৰস্বম্যাদী টকাৰ বাবে বেংকৰ আৰ্থিক অৱস্থা সবল বুলিয়েই ক'ব লাগিব। অৱশ্যে আগতে কোৱাৰ দৰে ক্ৰমবৰ্দ্ধমান আৰু সুস্থ ব্যৱসায়িক লেন-দেনহে বেংকৰ আন্তঃগাঁথনি উন্নত কৰাৰ লগতে বেংকৰ আয় বৃদ্ধি কৰাত সহায়ক হ'ব। বেংকৰ ক্ষুদ্ৰ ঋণ আঁচনি, আত্মসহায়ক গোটলৈ আগবঢ়োৱা ঋণৰ উপৰি ব্যক্তিগত ঋণ, ব্যৱসায়িক ঋণ বৃদ্ধিও কৰাৰ কথাত চিন্তা কৰিব লাগিব। আনহাতে জমাধন বৃদ্ধিৰ বাবে মহিলাসকলৰ শিক্ষানুষ্ঠান যেনে মহিলা কলেজ, ছোৱালী হাইস্কুল, আদিৰ পুঁজি কনকলতা মহিলা বেংকত জমা ৰখাৰ বাবে সংশ্লিষ্ট চৰকাৰী বিভাগক অনুৰোধ কৰাৰ কথাও চিন্তা কৰিব পাৰে। আজি-কালি মহিলা উন্নয়ন শিতানৰো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বিভিন্ন পুঁজিৰ ব্যৱস্থা কৰিছে। তেনে পুঁজিৰ কনকলতা মহিলা বেংকৰ যোগেদি লেনদেনৰ বাবে চৰকাৰৰ সমবায় বিভাগ আৰু কেন্দ্ৰীয় চৰকাৰৰ মহিলা উন্নয়ন বিভাগৰ লগত যোগাযোগ কৰিলে বেঙ্কৰ পুঁজি টনকিয়াল হ'ব।

আমি আশা কৰিছো বৰ্তমানৰ পৰিচালন সঞ্চালকগৰাকীৰ উদ্যম আৰু অভিজ্ঞতা, পৰিচালক মণ্ডলীৰ দিহা-পৰামৰ্শ, মহিলা কৰ্মচাৰীসকলৰ একাগ্ৰতা আৰু সকলো গ্ৰাহকৰ সহযোগিতাৰে কনকলতা মহিলা সমবায় বেংকে অসমৰ সমবায় খণ্ডলৈ আশাৰ বতৰা কঢ়িয়াই আনিব। ❐

# ২০১৯ চনৰ ভিতৰত সকলোলৈ বিদ্যুৎ দূৰণিৰ সপোন হৈ নাথাকিব

অনুপমা আইৰী*

দেশৰ শক্তি খণ্ডত বৰ্তমান চৰকাৰে গ্ৰহণ কৰা উল্লেখযোগ্য ভালেমান সংস্কাৰৰ ফলস্বৰূপে ভাৰতৰ “সকলোলৈ বিদ্যুৎ” আঁচনি এতিয়া দূৰণিৰ সপোন হৈ নাথাকে অতি সোনকালেই এইটো বাস্তৱায়িত হোৱাৰ পথত।

পৰৱৰ্তী তিনি বছৰ অৰ্থাৎ ২০১৯ চনৰ ভিতৰত সকলোলৈকে বহন কৰিব পৰা হাৰত দিনটোৰ ২৪ ঘণ্টাই বিদ্যুৎ উপলব্ধ কৰিব পৰা যাব বুলি চৰকাৰ আত্মবিশ্বাসী হোৱা বিষয়টোৱে বিশ্বজুৰি চৰ্চা লাভ কৰিছে।

সেই কাৰণে প্ৰকৃততে এইবোৰ সংস্কাৰ কেনেধৰণৰ শক্তি খণ্ডৰ ধ্বজাবাহী আঁচনি যিবোৰে পৰিৱৰ্তনৰ প্ৰতিশ্ৰুতি আছিল আৰু এসময়ত অতি সমালোচিত আছিল।

এই দেশত অতি সৰ্বাত্মক সংস্কাৰ ব্যৱস্থা হিচাপে আৰম্ভ কৰা আঁচনিখন হ'ল ৰাজ্যিক বিতৰণ কোম্পানীৰ উদয় আঁচনি বা উজ্বল ডিছকাম (ডি আই এছ চি ও এম) নিশ্চিত আঁচনি যিটোক সাধাৰণতে ডিছকাম (DISCOMs) বুলি জনা যায়।

ডিছকাম হ'ল ভাৰতৰ শক্তি খণ্ডৰ ৰাজহাড় স্বৰূপ আৰু কোনো আঁচনিত উদগনি বা সংস্কাৰ আঁচনি সফল হ'বলৈ হ'লে প্ৰথম আৰু সবাতোকৈ উল্লেখযোগ্য কথাটো হ'ল এই বিত্তীয় প্ৰতিষ্ঠানসমূহ আৰু এইবোৰ স্বাস্থ্যকৰ কৰি গঢ়ি তোলা। শক্তি বিষয়টো উমৈহতীয়া সূচীৰ বিষয় হোৱা বাবে সংস্কাৰসমূহ ৰাজ্যৰ ওপৰত জাপি দিব নোৱাৰি আৰু ৰাজ্যসমূহে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব বুলি আশা কৰিয়েই উদয় (য়ু ডি এ ৱাই) আঁচনিখন প্ৰৱৰ্তন কৰা হৈছে।

ডিছকমৰ অত্যুত্তম ঋণৰ সৈতে ২০১১-১২ চনৰ পৰা ২.৪ লাখ কোটি টকাৰে আৰম্ভ কৰি ২০১৪-১৫ চনত ৪.৩ লাখ কোটি টকা আৰু ১৪-১৫ শতাংশ সুদৰ হাৰেৰে এই ডিছকমসমূহ সমগ্ৰ শক্তি মূল্য শৃঙ্খলত দুৰ্বল সংযোগ হিচাপে স্পষ্ট হৈ পৰিছে।

কিছুমান ৰাজ্যত হোৱা সঘন বিদ্যুৎ কৰ্তন কোম্পানীসমূহৰ বাবে অভিযান সংক্ৰান্তীয় আলোচনাৰ বিষয় সৃষ্টি কৰে। তাৰ ফলস্বৰূপে সেই ৰাজ্যত ঔদ্যোগিক আৰু নিৰ্মাণ সম্পৰ্কীয় কাম-কাজত বেয়াকৈ প্ৰভাৱ পেলায় আৰু বিদ্যুৎ শক্তিৰ নিৰ্ভৰশীলতা নথকাৰ বাবে বিনিয়োগকাৰীসকল সেই ৰাজ্য এৰিবলৈ বাধ্য হয়। সেয়েহে ২৪×৭ অভিযান হ'ব বহনক্ষম আৰু পৰিৱেশ মিত্ৰ ‘সকলোৰে বাবে শক্তি’, এই ৰাজ্যসমূহৰ কোম্পানীবোৰৰ শক্তি বিতৰণৰ নীতিৰ সন্দৰ্ভত আলোকপাত কৰাৰ বাবে চৰকাৰৰ সিদ্ধান্ত আৱশ্যক আৰু অত্যন্ত প্ৰয়োজনীয় আছিল।

উদয় আঁচনিৰ তাৎপৰ্য স্বীকাৰ কৰি ৰাজ্যসমূহে উপলব্ধি কৰিছিল যে, উদয় তেওঁলোকৰ বাবে বাচি থকাৰ বাবে নিখুঁত আঁচনি হোৱাৰ উপৰি এই শৃঙ্খলত দুৰ্বলতম অৱস্থাৰ পৰা শক্তিশালী অৱস্থালৈ ৰূপান্তৰিত কৰি নিজৰ ঋণত পোত গৈ থকা অৱস্থাৰ পৰা ৰক্ষা পোৱাৰ একমাত্ৰ আঁচনি।

উদয়ত যোগদান কৰি ৰাজ্যসমূহে নিজৰ ডিছকমসমূহক আৰ্থিক আৰু ব্যৱহাৰিকভাৱে স্বাস্থ্যবান কৰি এটা নতুন জীৱন দান কৰিছে আৰু ইয়াৰ ফলত ডিছকমসমূহে অধিক শক্তি যোগান ধৰিবলৈ সমৰ্থ হ'ব।

শক্তিৰ বাবে উচ্চ চাহিদাৰ অৰ্থ হ'ল য়ুনিট উৎপাদনৰ উচ্চ পি এল এফ আৰু সেই কাৰণে প্ৰতি য়ুনিট বিদ্যুতৰ কম ব্যয়, ইয়াৰ অৰ্থ হ'ল গ্ৰাহকলৈ প্ৰতি য়ুনিটত কম ব্যয়ত বিদ্যুৎ যোগান। সৰ্বশেষত শক্তিৰ সুস্থিৰ আৰু বহন কৰিব পৰা ক্ষমতাৰ ভিতৰত যোগান কাৰ্যই ৰাজ্যখনত ঔদ্যোগিক আৰু নিৰ্মাণ কাৰ্যত সাফল্য অৰ্জন কৰাৰ উৎসাহ প্ৰদান কৰে আৰু সুস্থ বিনিয়োগৰ বাতাবৰণ সৃষ্টি কৰে।

২০১৫ চনৰ নৱেম্বৰ মাহত প্ৰৱৰ্তন কৰা উদয় আঁচনিয়ে ৰুগ্ন ডিছকমসমূহক পৰৱৰ্তী ৩ বছৰত লাভযোগ্য হৈ উঠিবলৈ স্পষ্ট মানচিত্ৰ আৰু সুবিধা প্ৰদান কৰিছে।

উদয়ৰ আৰ্হি ব্যৱসায়ীসকলৰ ব্যাপক আলোচনাৰ জৰিয়তে কৰা হৈছে আৰু ৰাজ্যসমূহৰ বাবে পৰিৱৰ্তনকাৰী হৈ উঠিছে। উদয়ৰ অধীনত প্ৰত্যেক ডিছকমে ২০১৯ চনত আৰম্ভ কৰি প্ৰতি বছৰত ১

*অনুপমা আইৰী এগৰাকী জ্যেষ্ঠ স্বতন্ত্ৰ সাংবাদিক আৰু Energyinfrapost.com-ৰ প্ৰতিষ্ঠাতা আৰু সম্পাদক

লাখ ৮০ হাজাৰ কোটিৰো অধিক টকা সম্ভাৱনাপূৰ্ণ ৰাহি কৰি ২০১৯-২০ চনৰ ভিতৰত লোকচান-সমূহ আঁতৰ কৰিব বুলি আশা কৰা হৈছে। সেয়েহে এই আঁচনিখন বিকল্প হোৱাৰ সত্ত্বেও ২০ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে ইয়াত যোগদান কৰাত সন্মতি প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত ৰাজস্থান, উত্তৰ প্ৰদেশ, ছট্টিছগড়, ঝাৰখণ্ড, পঞ্জাৱ, বিহাৰ, হাৰিয়ানা, গুজৰাট, উত্তৰাখণ্ড, কৰ্ণাটক, গোৱা, জম্মু আৰু কাশ্মীৰ আৰু অন্ধ্ৰ প্ৰদেশ আদি ১৩ খন ৰাজ্যই কেন্দ্ৰীয় চৰকাৰৰ লগত বুজাবুজিৰ চুক্তিত ইতিমধ্যে স্বাক্ষৰ কৰিছে। ১ লাখ কোটি টকা মূল্যৰ উদয় বণ্ড তিনি সপ্তাহৰ ভিতৰত উলিয়াই দিছে।

২০১৫-১৬ চনত ঝাৰখণ্ড ৰাজ্যসমূহত বাকী ৰৈ যোৱা ঋণ মুকলি কৰাৰ বাবে ৫০ শতাংশ আৰু জম্মু আৰু কাশ্মীৰত বাকী ৰৈ যোৱা চি পি এছ যু-ৰ প্ৰাপ্য মুকলি কৰি দিয়াৰ বাবে অংশগ্ৰহণকাৰী ৰাজ্যসমূহৰদ্বাৰা ৯৯,৫৪১ কোটি টকা মূল্যৰ বণ্ড আছুতীয়াকৈ ৰখা হয়। তদুপৰি ১১,৫২৪ কোটি টকা মূল্যৰ ডিছকম বণ্ড আছুতীয়াকৈ ৰখা হয়। ২০১৬-১৭ চনত ৰাজস্থান, উত্তৰ প্ৰদেশ আৰু পঞ্জাৱে ৪৮,৩৯১ কোটি টকা মূল্যৰ বণ্ড আছুতীয়াকৈ ৰাখে।

উদয়ৰ অধীনত ডিছকমৰ নীতিসমূহ তলত উল্লেখ কৰা উপায়ৰ জৰিয়তে সম্ভৱপৰ কৰি তোলা হৈছে—

(১) ডিছকমসমূহৰ অভিযানমূলক দক্ষতা বিকাশৰ জৰিয়তে
(২) শক্তিৰ মূল্য হ্ৰাস
(৩) ২০১৫ চনৰ ৩০ ছেপ্তেম্বৰত দুবছৰৰো অধিক কালৰ বাবে ডিছকমৰ ৭৫ শতাংশ ঋণ ৰাজ্যই গ্ৰহণ কৰাৰ জৰিয়তে ডিছকম-সমূহৰ সুদৰ ব্যয় হ্ৰাস আৰু বাকী থকাখিনি বণ্ড আৰু নিম্ন সুদৰ হাৰৰ জৰিয়তে পুনৰ মূল্য নিৰ্দ্ধাৰণ,
(৪) ৰাজ্যসমূহৰ বিত্ত যোগানৰ জৰিয়তে বিত্তীয় শৃঙ্খলা বলৱৎকৰণ।

১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে ইতিমধ্যে উদয়ত যোগদান কৰাৰ কাৰণে চুক্তিত স্বাক্ষৰ কৰিছে আৰু এই আঁচনিৰ জৰিয়তে উপকাৰ লাভ কৰিছে। উদয়ে ডিছকম সংস্কাৰসমূহ উত্থাপন কৰিব আৰু সকলোলৈ ২৪×৭ শক্তি উপলব্ধ কৰোৱাটো বাস্তৱত পৰিণত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। সমাধান কৰা, লাভ, বাণিজ্যৰ জৰিয়তে শক্তি সামৰ্থ্য এল ই ডি বাল্ব, কৃষি পাম্প, ফেন, শীতলীকৰণ যন্ত্ৰ আৰু দক্ষ ঔদ্যোগিক সঁজুলিৰ দৰে উদয়ৰ চাহিদা সূচক হস্তক্ষেপসমূহে সৰ্বোচ্চ চাহিদা সময়ৰ, কম চাহিদাৰ সময়ৰ বক্ৰৰেখা হ্ৰাস কৰাত ৰাজ্যসমূহক সহায় কৰিব আৰু এনেদৰে শক্তি খৰচৰ চাহিদা হ্ৰাস কৰিব। অভিযান দক্ষতাৰ উপকাৰ সাধনে ডিছকমসমূহৰ আন্তঃগাঁথনি বিকাশ আৰু বৰ্তমানৰ গাঁথনিৰ উৎকৰ্ষৰ কাৰণে ভৱিষ্যতত সস্তা হাৰত ধাৰ ল'বলৈ সমৰ্থ কৰিব। উদয়ৰ বুজাবুজি চুক্তিত স্বাক্ষৰে সৰ্বশেষত সংশ্লিষ্ট ৰাজ্যসমূহৰ জনসাধাৰণক উপকৃত কৰিব। সৰবৰাহৰ স্তৰ হ্ৰাসকৰণৰ অৰ্থ হ'ল বিদ্যুৎ উপভোক্তালৈ প্ৰতি য়ুনিট বিদ্যুৎ কম ব্যয়ত যোগান ধৰা।

**সকলোলৈ ২৪×৭ ঘণ্টাই শক্তি আঁচনি**

আজিৰ তাৰিখত সকলো ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ অংশীদাৰিত্বত ২৪×৭ নথি চূড়ান্ত কৰা হৈছে, উত্তৰ প্ৰদেশৰ বাহিৰে ২৮ খন ৰাজ্যই এই নথিত ইতিমধ্যে স্বাক্ষৰ কৰিছে। নথিখনত থকা আঁচনি কাৰ্যকৰী-কৰণৰ কাম ইতিমধ্যে আগবাঢ়িছে। এই কাম ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে যুটীয়াভাৱে তদাৰক কৰিছে। এই আঁচনিসমূহৰ সফল ৰূপায়ণে সকলো উপভোক্তালৈ দিনটোৰ ২৪ ঘণ্টাই নিৰ্ভৰযোগ্য আৰু বহন কৰিব পৰা ক্ষমতাৰ বিদ্যুৎ উপলব্ধকৰণ নিশ্চিত কৰিব।

এই আঁচনিসমূহে ২০১৯ চনৰ ভিতৰত ৰাজ্যৰ নীতি অনুসৰি প্ৰতিটো পৰিয়াললৈ বিদ্যুৎ যোগান আৰু কৃষি উপভোক্তালৈ পৰ্যাপ্ত পৰিমাণৰ শক্তি যোগান আগবঢ়োৱাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে।

প্ৰত্যেক ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পূৰ্বালোকন হ'ল—সংগ্ৰহ দক্ষতা আৰু সফল মিটাৰ ব্যৱহাৰ বৃদ্ধি কৰি আৰ্থিকভাৱে ৰূপায়ণসাধ্য ২৪×৭ শক্তি যোগান লক্ষ্যত উপনীত হোৱা, ই ২৪ ঘণ্টাই শক্তি যোগান ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা ট্ৰেন্সমিশ্বন আৰু চাব-ট্ৰেন্সমিশ্বন নেটৱৰ্ক বিকাশ কৰাৰ সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰিছে।

**'অসংযোজিতক সংযোগকৰণ' বা হাজাৰ হাজাৰ গাঁও বৈদ্যুতিকৰণ—** বিদ্যুৎ এটা সপোন হৈ থকা গ্ৰাম্য অঞ্চলত বিদ্যুতেৰে সংযোগকৰণ বৰ্তমান চৰকাৰৰ আন এটা ডাঙৰ সংস্কাৰ আঁচনি। প্ৰধান মন্ত্ৰীয়ে স্বাধীনতা দিৱসত দেশবাসীক উদ্দেশ্যি দিয়া ভাষণত ১০০০ দিনৰ ভিতৰত অৰ্থাৎ ১ মেইৰ ভিতৰত দেশৰ ১৮,৪৫২ খন গাঁৱত বিদ্যুৎ সংযোগ কৰাৰ আঁচনিৰ বিষয়ে ঘোষণা কৰিছিল।

২০১৫ চনৰ ১৫ আগষ্টৰ দিনা বিদ্যুতৰ খুঁটা, বিদ্যুতৰ তাঁৰ আৰু

এহেজাৰ দিনৰ ভিতৰত ১৮,৫০০ গাঁৱত বিদ্যুৎ সংযোগ দিয়াৰ শপত গ্ৰহণ কৰা হৈছিল।

শক্তি মন্ত্ৰণালয়ে এই প্ৰকল্পটো অভিযানৰ ৰূপত গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লৈছে আৰু ইয়াৰ বাবে লক্ষ্য নিৰ্দ্ধাৰিত সময়তকৈ এবছৰৰ আগতেই সংকল্প পূৰণ কৰাৰ বাবে গাঁওসমূহত বৈদ্যুতিকীকৰণৰ কৌশলৰ বিষয়ে ঘোষণা কৰে। এই কৌশলৰ অংশ হিচাপে ৰূপায়িতকৰণ কাৰ্যসূচী ১২ মাহলৈ হ্ৰাস কৰিছে আৰু সমগ্ৰ গ্ৰাম্য বৈদুতিকীকৰণ কাৰ্যসূচী ১২টা মাইলৰ খুঁটিত ভাগ কৰিছে। সংজ্ঞায়িত সময় সীমাৰ তদাৰকৰ সৈতে ১২টা পৰ্যায়ৰ মাইলৰ খুঁটিত ভাগ কৰিছে।

বৰ্তমান, ২০১৬ চনৰ ৭ জুলাই তাৰিখে ৮,৬৮১ খ গাঁও ইতিমধ্যে বৈদ্যুতিকীকৰণ কৰা হৈছে আৰু বাকী ৯,৭৭১ খন গাঁৰৰ ৪৭৯ খন গাঁও বসতিহীন, ৬,২৪১ খন গাঁও গ্ৰীডৰ জৰিয়তে বৈদ্যুতিকীকৰণ কৰা হয়, ২৭২৭ খন গাঁও অফ্-গ্ৰীডৰ জৰিয়তে কৰা হ'ব। এই গাঁওবোৰ ভৌগোলিক প্ৰতিৰোধৰ বাবে গ্ৰীড সমাধান সামৰি ল'ব নোৱাৰিব আৰু ৩২৪ খন গাঁৱত ৰাজ্য চৰকাৰসমূহৰদ্বাৰা বিদ্যুৎ সংযোগ কৰা হ'ব।

পৰৱৰ্তী কালৰ অগ্ৰগতি চোৰা-চিতা কৰাৰ কাম গ্ৰাম্য বিদ্যুৎ অভিযন্তা (জি ভি এ) জৰিয়তে কৰা হ'ব আৰু মাহ ভিত্তিত নিয়মিতভাৱে অগ্ৰগতিৰ কাম, ৰাজ্যৰ ডিছকমসমূহৰ লগত বিদ্যুৎ সংযোগ কৰিবলগীয়া গাঁৰৰ তালিকা আৰু মাইলৰ খুঁটিৰ অগ্ৰগতিৰ কাম বিলম্ব হোৱা গাঁওসমূহৰ চিনাক্তকৰণ আদি বিষয়বোৰ পৰ্যালোচনা কৰা হ'ব। গাঁও বৈদ্যুতিকীকৰণ কাৰ্যসূচী দীন দয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনাৰ (ভি ডি য়ু জি জে ৱাই) অধীনত ৰূপায়িত কৰা হৈছে।

চৰকাৰৰ সংস্কাৰ কাৰ্যসূচীৰ বিষয়ে কওঁতে চৰকাৰী আঁচনি উজ্বালা (য়ু জে এ এল এ) বা 'সকলোৰে কাৰণে বহনযোগ্য এল ই ডি-ৰদ্বাৰা 'উন্নত জ্যোতি'ৰ কাৰ্যসূচীৰ অধীনত সফল শক্তি দক্ষতা ব্যৱস্থাৰ বিষয়ে উল্লেখ নকৰিলে অসম্পূৰ্ণ হৈ ৰ'ব। শক্তি ৰাহি মানে শক্তি উৎপাদন, শক্তি দক্ষতা ব্যৱস্থাৰ জৰিয়তে এই চৰকাৰে গ্ৰহণ কৰা দীৰ্ঘ পদক্ষেপ যিকোনো লোকৰ বাবে কল্পনাৰো অতীত।

ৰাজ্য অধিকাৰৰ অধীন শক্তি দক্ষতা লিমিটেড (Energy Efficiency Service Ltd.)-এ দুবছৰ পূৰ্বে এবছৰত প্ৰায় ৬ লাখ এল ই ডি বাল্ব বিতৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল আৰু বৰ্তমান ৮ লাখ বাল্ব বিতৰণ কৰি অভিলেখ সৃষ্টি কৰিছে। চৰকাৰৰ ই এছ এলৰদ্বাৰা নেতৃত্ব লোৱা চৰকাৰৰ উজ্বালা বা সকলোৰে কাৰণে বহনযোগ্য এল ই ডি-ৰদ্বাৰা উন্নত জ্যোতি কাৰ্যসূচী তপত কৰিলে উজ্বল হৈ উঠা লেম্প/চি এফ এল বাল্ব আঁতৰাই এল ই ডি বাল্ব ব্যৱহাৰ কৰি শক্তি ৰাহি কৰি গ্ৰাহকৰ বিলৰ পৰিমাণ হ্ৰাস কৰাৰ লগত জড়িত।

এইখিনিতে উল্লেখ কৰাটো প্ৰাসংগিক হ'ব যে, ২৪×৭ কাৰ্যসূচীত উজালা আঁচনিৰ অধীনত তপত কৰিলে উজ্বল হৈ উঠা লেম্প/চি এফ এল বাল্ব আঁতৰাই এল ই ডি বাল্ব ব্যৱহাৰ কৰি পুনৰ ব্যৱহাৰযোগ্য আৰু শক্তি দক্ষতা ব্যৱস্থাৰ জৰিয়তে উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্য অন্তৰ্ভুক্ত কৰা হৈছে।

উজালা আঁচনিৰ অধীনত ই ই এছ এল-এ এতিয়ালৈকে ১২ কোটিতকৈয়ো অধিক এল ই ডি বাল্ব বিক্ৰী আৰু বিতৰণ কৰা হৈছে। ভাৰতৰ বৰ্তমান গোলকীয় এল ই ডি বজাৰত শীৰ্ষত আছে, যি ২০১৯ চনৰ ভিতৰত শক্তি দক্ষ এল ই ডি বাল্বৰদ্বাৰা ৭৭ কোটি আন বাল্ব স্থানচ্যুত কৰিব। ২০১৩-১৪ চনৰ কালছোৱাত ৬ লাখ এল ই ডি বাল্ব বিতৰণ কৰাৰ বিপৰীতে ২০১৫-১৬ চনত ৯ কোটিৰো অধিক বাল্ব বিতৰণ কৰা হয়। যিটো ১৫০ গুণতকৈ অধিক। পথ পোহৰ আঁচনিৰ অধীনত ই ই চি এল-এ এখন অভিযোজিত আঁচনি 'আপুনি ৰাহি কৰাৰ ধৰণেৰে পৰিশোধ কৰক'ৰ অংশ হিচাপে পৰম্পৰাগত পথ পোহৰ বাল্ব আঁতৰাই এল ই ডি বাল্ব ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে, পথ পোহৰ এল ই ডি প্ৰকল্পত এল ই ডি বাল্বৰদ্বাৰা পৰম্পৰাগত পথ বাল্ব আঁতৰাই দিয়া কাৰ্যৰ ব্যয় এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত শক্তি হ্ৰাস আৰু পৌৰ প্ৰশাসনৰ তদাৰক ব্যয়ৰ উপায়েৰে ক্ষতিপূৰণ কৰে।

ই ই এছ এল-ৰ 'আপুনি ৰাহি কৰাৰ ধৰণেৰে পৰিশোধ কৰক' বাক্যশাৰী ভাৰতত বিয়পি পৰাৰ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আদি উন্নত দেশেও নিৰীক্ষণ কৰিছে। তদুপৰি ই ই এছ এল-এ নেপাল, শ্ৰীলংকা, ভূটান আৰু মালদ্বীপ আদি প্ৰতিবেশী দেশৰ লগত উজালা আঁচনিৰ সম্প্ৰসাৰণৰ বিষয়ে আলোচনা কৰিছে।

এই চৰকাৰৰ আন এখন অভিযোজিত আঁচনি হ'ল— স্মাৰ্ট শক্তি কৃষি পাম্পৰ লগত সংযোজিত ম'বাইল ফোনৰ এছ আই এম বিতৰণ আৰু পুৰণি কৃষি পাম্পসমূহ স্থানচ্যুত কৰা। এই স্মাৰ্ট কৃষি পাম্পসমূহে ভাৰতীয় কৃষকক তেওঁলোকৰ ঘৰত আৰামকৈ বহাৰ সুবিধা আৰু ম'বাইল ফোনৰ জৰিয়তে পাম্পসমূহ ব্যৱহাৰ কৰাৰ সুবিধা প্ৰদান কৰিছে। ই ই এছ এল-ৰ আন আঁচনিসমূহ হ'ল— শক্তি দক্ষ বিজুলী

পাংখা, টিউব লাইট আৰু শীতলীকৰণ যন্ত্ৰ।

উদয় (উজ্বল ডিছকম এশ্বুৰেএন্স যোজনা)ৰ ঘোষণাৰ পৰা ঘৰুৱা কয়লা যোগানৰ উন্নতি সাধনলৈকে দেশৰ ৰুগ্ন সৰবৰাহ নেটৱৰ্কে প্ৰকল্পসমূহলৈ ৰাজসাহায্যকৃত গেছ আগবঢ়োৱালৈকে, শক্তি ৰাহি কৰি বিদ্যুতৰ বিল হ্ৰাস কৰাৰ কাৰণে এল ই ডি বাল্বৰদ্বাৰা তপত কৰি জ্বলোৱা লেম্প/চি এফ এল বাল্ব আঁতৰাবলৈ উজ্বালা আঁচনি প্ৰৱৰ্তন আদি ভালেমান আঁচনি এই দুটা বছৰত গ্ৰহণ কৰা হৈছে।

বিগত দুটা বছৰত ঘৰুৱা কয়লা যোগান উন্নত হৈছে আৰু আন্তৰ্জাতিক কয়লাৰ মূল্য হ্ৰাস পাইছে। ২০১৫-১৬ বৰ্ষত দেশৰ ৭০ শতাংশ তাপ বিদ্যুৎ শক্তি উৎপাদন ৫ শতাংশ বৃদ্ধি পাই ৯৪৩ বিলিয়ন হৈছে। দেশৰ তাপবিদ্যুৎ শক্তি ২০১৬ চনৰ মাৰ্চ মাহলৈকে ১১ শতাংশৰ পৰা ২, ১০,৬৭৫ মেগাৱাটলৈ বৃদ্ধি হৈছে। চৰকাৰৰ নিৰ্দ্ধাৰিত লক্ষ্য অনুসৰি দেশৰ শক্তি প্ৰেৰণ (ট্ৰেন্সমিশ্বন) লাইন নেটৱৰ্ক ২০১৭ চনৰ মাৰ্চ মাহৰ ভিতৰত ৩,৬৪,৯০০ CKmলৈ সম্প্ৰসাৰণ ঘটোৱাহ'ব। ২০১২-১৬ চনৰ কালছোৱা ২,৪৯,৪০০ MVA ট্ৰেন্সফৰমেশ্বন সামৰ্থ্যৰ সংযোজন আছিল দেশৰ ইতিহাসৰ সৰ্বোচ্চ।

**এই চৰাকাৰৰদ্বাৰা পুনৰ ব্যৱহাৰ-যোগ্য শক্তি উৎপাদনৰ ওপৰত প্ৰদান কৰা আলোকপাত** হ'ল গোলকীয়ভাৱে স্বীকৃত এখন উল্লেখযোগ্য আঁচনি। বিশ্বৰ পৰিষ্কাৰ শক্তিৰ ৰাজধানী হোৱাৰ পথত আগবঢ়া ভাৰতে ২০১৪ চনত ৩২,০০০ মেগাৱাটৰ বিপৰীতে ২০২২ চনত ১,৭৫,০০০ মেগাৱাট সামগ্ৰিক পুনৰ ব্যৱহাৰযোগ্য সামৰ্থ্য বৃদ্ধি কৰাৰ নিৰ্দ্ধাৰিত লক্ষ্যৰে বিশ্বৰ সৰ্ববৃহৎ পুনৰ ব্যৱহাৰযোগ্য শক্তি সম্প্ৰসাৰণ আঁচনিখন বৰ্তমান চলাই আছে। ইয়াৰ লগতে, ১২১ খন দেশৰ আন্তৰ্জাতিক সৌৰ মৰ্চাৰ নেতৃত্বৰ ভূমিকা গ্ৰহণ আৰু বিশ্বৰ সৰ্ববৃহৎ পুনৰ ব্যৱহাৰযোগ্য বিত্তীয় সন্মিলন আৰ ই ইনভেষ্ট-২০১৫ৰ আয়োজন কৰি চৰকাৰে এই খণ্ডত ব্যাপক বৰ্দ্ধনৰ আধাৰশিলা ইতিমধ্যে স্থাপন কৰিছে।

শক্তি খণ্ড, কয়লা আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তি খণ্ডত চলি থকা সংস্কাৰ পদক্ষেপৰ কাৰণে ধন্যবাদ। যিখন দেশে সঘন শক্তি ইন্ধনৰ অভাৱ ভোগাৰ ফলত শক্তি কোম্পানীবোৰৰ উৎপাদন আঁচনিত ব্যাঘাত জন্মিছিল— আজি সেই দেশে কয়লা আৰু শক্তি ৰাহি কৰিব পাৰিছে।

নাটনিৰ পৰা ৰাহি কৰাৰ এই কাহিনীত শক্তিৰ নাটনি বিষয়টো স্পষ্টভাৱেই অতীতৰ কথা হৈ পৰিছে। বিগত দুটা বছৰত বৰ্তমানৰ পৰম্পৰাগত শক্তি সামৰ্থ্যৰ প্ৰায় এক-পঞ্চমাংশ অভিলেখ পৰিমাণৰ সামৰ্থ্য সংযোজন আৰু ১৫৭ শতাংশ সৌৰ শক্তি সংযোজনে শক্তি উৎপাদন বৃদ্ধিত মুখ্য ভূমিকা গ্ৰহণ কৰিছে।

বৰ্তমান এটাও শক্তি প্ৰকল্পই কয়লাৰ নাটনিত ভোগা নাই, যিটো ২০১৪ চনত ঘটিছিল, দুই-তৃতীয়াংশ প্ৰধান শক্তি প্ৰকল্পবোৰে ৭ দিনৰো কম কয়লা মজুত থকা জটিল সমস্যাৰ সন্মুখীন হৈছিল। আমাৰ চৰকাৰে যুদ্ধকালীন তৎপৰতাৰে কাম কৰি দেশত কয়লা নাটনিৰ সমস্যা সম্পূৰ্ণৰূপে নিৰ্মূল কৰিছে। ২০২০ চনৰ ভিতৰত দুগুণ অৰ্থাৎ ১০০ কোটি টন কয়লা উৎপাদনৰ নিৰ্দ্ধাৰিত লক্ষ্য গ্ৰহণ কৰি বিগত দুটা বছৰত সৰ্বোচ্চ পৰিমাণৰ ৭.৪ কোটি টন কয়লা উৎপাদন হোৱাটো দেশবাসীয়ে প্ৰত্যক্ষ কৰিছে।

এজন সাধাৰণ লোকৰ কাৰণে এই সকলো আঁচনি আৰু সংস্কাৰ কাৰ্যসূচী প্ৰশংসনীয়ভাৱে উত্থাপন আৰু সৰলভাৱে প্ৰদৰ্শন কৰা হৈছে। এই প্ৰত্যেকটো নতুন আৰু অভিযোজিত ধাৰণাৰ নেপথ্যত আছে নিৰৱচ্ছিন্ন দলগত কৰ্মৰ প্ৰয়াস, বিশ্ৰামহীন, পুংখানুপুংখভাৱে আৰু অন্তঃকৰণেৰে আমাৰ দেশক ইয়াৰ পূৰ্ণ সম্ভাৱনাত উপনীত কৰোৱা আৰু দেশবাসীক ২৪×৭ সৰ্বোচ্চ হিত-উপলব্ধ কৰোৱাত আন্তৰিক প্ৰচেষ্টা। ❐

২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।

# ভাৰতত পুনৰ ব্যৱহাৰযোগ্য শক্তিৰ বিকাশ

**জয়ন্ত কুমাৰ শৰ্মা***

শক্তি (Energy) এৰোখন ৰাষ্ট্ৰৰ আৰ্থ-সামাজিক বিকাশৰ চালিকা শক্তি। ৰাষ্ট্ৰৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি, দৰিদ্ৰতা দূৰীকৰণ, স্বাস্থ্য শিক্ষা, প্ৰশাসন তন্ত্ৰ পৰিচালনা তথা বিভিন্ন দিশত শক্তিৰ যোগান অবিহনে সম্ভৱ নহয়। মূলতঃ শক্তি হ'ল ৰাষ্ট্ৰৰ মূল্য নিৰূপণৰ বাহক।

২০০০ চনত ভাৰত বিশ্বৰ সপ্তম শক্তি ব্যৱহাৰ কৰা ৰাষ্ট্ৰৰপৰা ২০১০ চনলৈ চতুৰ্থ তথা শেহতীয়াকৈ চীন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ পিছতে তৃতীয় শক্তি ব্যৱহৃত ৰাজ্য হৈছে। উল্লেখযোগ্য যে বিশ্বৰ ভিতৰত ভাৰতেই প্ৰথম ৰাষ্ট্ৰ য'ত ১৯৮০ চনত 'পৰম্পৰাগত শক্তি সম্পদ মন্ত্ৰণালয়' নামেৰে শক্তি সম্পদক কেন্দ্ৰ কৰি এটি দপ্তৰ গঠন কৰে।

ভাৰতত ২০১৬ চনৰ ৩০ এপ্ৰিলৰ মতে পুনৰ ব্যৱহাৰযোগ্য শক্তি আহৰণ কৰা মুখ্য উৎস তথা শতাংশৰ হাৰ হ'ল— বতাহ শক্তিৰ (Wind Power) ৬২.৭ শতাংশ, সৌৰ শক্তিৰ (Solar Power) পৰা ১৫.৮ শতাংশ, জৈৱ শক্তি (Bio-Power) খণ্ডৰ পৰা ১১.৩ শতাংশ তথা ক্ষুদ্ৰ জলবিদ্যুৎ শক্তি (Small Hydro Power) আৰু বৰ্জিতৰ পৰা ১০.৫ শতাংশ। তালিকা-১ত বিভিন্ন খণ্ডৰ পৰা লাভ কৰা শক্তিৰ পৰিমাণ উল্লেখ কৰা হ'ল।

তালিকা-১ ঃ **ক্ৰমবৰ্দ্ধনশীল শক্তিৰ ধাৰণ ক্ষমতা (MW)**

| **বিভিন্ন খণ্ডসমূহ** | **১৯/০২/২০১৬** | **৩০/০৪/২০১৬ পৰ্যন্ত** |
|---|---|---|
| বতাহ শক্তি | ২৫২১৭.২৯ | ২৬৮৬৬.৬৪ |
| সৌৰ শক্তি | ৫৫৪৭.২১ | ৬৭৬২.৮৫ |
| ক্ষুদ্ৰ জলবিদ্যুৎ শক্তি | ৪১৯৪.০০ | ৪২৭৩.৪৭ |
| জৈৱ গেছ শক্তি | ৪৮২৬.৫৩ | ৪৮৩১.৩ |
| বৰ্জিতৰ পৰা শক্তি | ১১৫.০৮ | ১১৫.০৮ |
| **সৰ্বমুঠ** | **৩৯৯০০.৫১** | **৪২৮৪৯.৩৮** |

কেন্দ্ৰীয় শক্তি প্ৰাধিকৰণ (Central Energy Authority)ৰদ্বাৰা প্ৰকাশিত তথ্য মতে ৰাষ্ট্ৰত পুনৰ ব্যৱহাৰযোগ্য শক্তিৰ উৎপাদন বৃদ্ধি পাইছে যথাক্ৰমে গিগাৱাটছ্ (Giga Watts) ২০০৭ চনত ১০.২ জি ডব্লিউ, ২০০৮ চনত ১২.৩ জি ডব্লিউ, ২০০৯ চনত ১৪.৪ জি ডব্লিউ, ২০১০ বৰ্ষত ১৬.৮ জি ডব্লিউ, ২০১১ বৰ্ষত ২০ জি ডব্লিউ, ২০১২ বৰ্ষত ২৪.৫ জি ডব্লিউ, ২০১৩ বৰ্ষত ২৮.১ জি ডব্লিউ, তথা ২০১৭ চনলৈ ৩২ গিগাৱাটছ্ৰ উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ৰাজ্য অনুসৰি পুনৰ ব্যৱহাৰযোগ্য শক্তিৰ ভিতৰৰে বতাহ আৰু সৌৰ শক্তিৰ বিকাশত তামিলনাড়ু, কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, গুজৰাট আৰু ৰাজস্থান উল্লেখযোগ্য উৎপাদনকাৰী ৰাজ্য।

অতীতৰে পৰা মানুহে বতাহৰ শক্তিক সাগৰত জাহাজ চলাচলত ব্যৱহাৰ কৰিছিল। ভাৰত হ'ল বিশ্বৰ চতুৰ্থ বৃহৎ বতাহ শক্তিত আগবঢ়া বিকশিত ৰাষ্ট্ৰ। ৰাষ্ট্ৰৰ বিভিন্ন স্থানৰপৰা বতাহৰপৰা শক্তি আহৰণৰ সম্ভাৱনা ১,০২,৭৮৮ গিগাৱাটছ। ৰাষ্ট্ৰীয় বতাহ সম্পদ মূল্যায়ণৰ অধীনত ৰাষ্ট্ৰৰ ২০ মিটাৰৰপৰা ১২০ মিটাৰ উচ্চতাত প্ৰায় ৮০০ নিৰীক্ষণ কেন্দ্ৰ প্ৰতিষ্ঠা হৈছে। অৱশ্যে বছৰৰ সকলো সময়তে বতাহৰ পৰা শক্তি আহৰণ কৰা সম্ভৱ নহয়। তদুপৰি বতাহৰ গভীৰতা বৃদ্ধিয়ে টাৰবাইন আৰু ব্লেডৰ অনিষ্ট সাধন কৰে। তথাপি ২০২২ চনলৈ ৰাষ্ট্ৰই বতাহৰ পৰা ৬০ হাজাৰ গিগাৱাটছ্ উৎপাদনৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। বতাহ শক্তিৰে বিকশিত কেইখনমান ৰাজ্যৰ উৎপাদন হ'ল (মেগাৱাটত) তামিলনাডু ৭২৬৯.৫০, মহাৰাষ্ট্ৰ ৪১০০, গুজৰাট ৩৪৫৪.৩০, ৰাজস্থান ২৭৮৪.৯০, কৰ্ণাটক ২৩১৮.২০, অন্ধ্ৰপ্ৰদেশ ৭৪৬.২০, মধ্য প্ৰদেশ ৪২৩.৪০ মেগাৱাট। এই ৰাজ্যকেইখনে ৰাষ্ট্ৰীয় বতাহ শক্তি উৎপাদনত ১৪ শতাংশ বহন কৰিছে। কিন্তু যেনেকৈয়ে নহওক ৰাষ্ট্ৰই এই খণ্ডৰ পৰা ২০২২ পৰ্যন্ত ৬০,০০০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ

*জয়ন্ত কুমাৰ শৰ্মা ভূগোল বিভাগৰ সহযোগী অধ্যাপক, নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ (যোৰহাট)

লক্ষ্য নির্দ্ধাৰণ কৰিছে। ৰাষ্ট্ৰৰ ৫টা দক্ষ বতাহ শক্তি কেন্দ্ৰ হ'ল—

তালিকা-২ ঃ **বতাহ শক্তি কেন্দ্ৰ (মেগাৱাটত)**

| উৎপাদন গোট | ৰাজ্য | উৎপাদন |
|---|---|---|
| ১। মুপানদাল উইণ্ড ফচ্ | তামিলনাডু | ১৫০০ |
| ২। জয়চালমাৰ উইণ্ড ফাৰ্ম | ৰাজস্থান | ১২৭৫ |
| ৩। ব্ৰহমানডাল উইণ্ড ফাৰ্ম | মহাৰাষ্ট্ৰ | ৫২৮ |
| ৪। ধলগাঁও | মহাৰাষ্ট্ৰ | ২৭৫ |
| ৫। চাকালা উইণ্ড ফাৰ্ম | মহাৰাষ্ট্ৰ | ২১৭ |

ভাৰতে সৌৰ শক্তি খণ্ডৰ পৰা দ্বিতীয় সৰ্বোচ্চ শক্তি ২০১৬ চনত ৬৭৬২.৮৫ মেগাৱাট উৎপাদন কৰিবলৈ

তালিকা-৩ ঃ **তুলনামূলক উৎপাদন (মেগাৱাট)**

| বতাহ শক্তি আহৰণ | | | সৌৰ শক্তি আহৰণ | | |
|---|---|---|---|---|---|
| চন | ভাৰত | চীন | চন | ভাৰত | চীন |
| ২০১১ | ১৪,১৫৫ | ৬২,৭০০ | ২০১১ | ৩০০ | ৩,৩০০ |
| ২০১২ | ১৭,৩৫২ | ৭৫,০০০ | ২০১২ | ৭০০ | ৮,৩০০ |
| ২০১৩ | ১৯,০৫০ | ৯১,৪২৪ | ২০১৩ | ১২০০.০০ | ১৭,৮০০ |
| ২০১৪ | ২২,৪৬৫ | ১১৪,৭৬৩ | ২০১৪ | ২২০৮ | ২৮,১৯৯ |
| ২০১৫ | ২৩,৪৪৪ | ১২৪,৮০০ | ২০১৫ | ৩৭৫২ | ৩৩,১২০ |

সক্ষম হৈছে। অৱশ্যে ২০১১ চনত ৰাষ্ট্ৰই ৩০০ মেগাৱাটৰ পৰা ২০১৫ চনলৈ ৩৭৩২ মেগাৱাটলৈ বৃদ্ধি কৰিলে যদিও, উন্নত ৰাষ্ট্ৰ চীনৰ তুলনাত বতাহ বা সৌৰ শক্তি উৎপাদনত বহু পাছ পৰি ৰৈছে। তালিকা-৩ত এই দুই খণ্ডৰ উৎপাদনৰ এটা তুলনাত্মক ধাৰণা আগবঢ়োৱা হ'ল। সম্প্ৰতি এই শক্তি খণ্ডৰ সৰ্বোচ্চ বিকাশৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ অধীনত 'ৰাষ্ট্ৰীয় সৌৰ অভিযান'এ ২০২২ চনলৈ ১০০ গিগাৱাটছ উৎপাদনৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। ইয়াৰে ভিতৰত ৬০ গিগাৱাটছ বৃহৎ আৰু মধ্যমীয়া সৌৰ শক্তি প্ৰকল্প অন্তৰ্ভুক্ত। তদুপৰি ২০১০ চনৰ ১১ জানুৱাৰীত গঠন হোৱা জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় সৌৰ অভিযান এই খণ্ডৰ বিকাশৰ কাৰণে দায়বদ্ধ। এই অভিযানৰ অধীনত প্ৰথম পৰ্যায়ত গ্ৰীড শক্তিৰ ব্যৱহাৰ, ঘৰৰ মূধচত ২০১৩লৈ ১০০০-২০০০ মেগাৱাট, দ্বিতীয় পৰ্যায়ত লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে ২০১৩-২০১৭ চন পৰ্যন্ত ৪০০০-১০,০০০ মেগাৱাট পৰ্যন্ত; তৃতীয় পৰ্যায়ত উৎপাদন (২০১৭-২০২২) ২০,০০০ মেগাৱাট।

অতি সম্প্ৰতি সৌৰ শক্তি ব্যৱহাৰৰ কাৰণে কমেও ২৫০ দিনৰ পৰা ৩০০ ফৰকাল বতৰৰ ওপৰত নিৰ্ভৰ কৰি, গুজৰাট আৰু ৰাজস্থানত বিশেষ সফল হ'ব পাৰিছে। ভাৰতৰ শীৰ্ষ পাঁচ সৌৰ শক্তি কেন্দ্ৰ হ'ল— (১) চাৰাংঠ সৌৰ প্ৰকল্প (গুজৰাট), (২) নিমুখ সৌৰ প্ৰকল্প (মধ্য প্ৰদেশ), (৩) ফালোডা সৌৰ প্ৰকল্প (গুজৰাট), (৪) আদানি, (৫) মিঠাপুৰ (গুজৰাট)।

ভাৰত হ'ল বিশ্বৰ সপ্তম বৃহৎ জলবিদ্যুৎ উৎপাদন কৰা ৰাষ্ট্ৰ। ২০১৬ৰ ৩১ মাৰ্চ পৰ্যন্ত জলবিদ্যুৎ উৎপাদনৰ সামৰ্থ্য আছে ৪২,৭৮৩ মেগাৱাট। অথচ ৩১ মাৰ্চ ২০১৬ অনুসৰি ক্ষুদ্ৰ জলবিদ্যুৎ ৰূপত আহৰণ কৰা হৈছে ৪২৭৪ মেগাৱাট। ২০১৪-১৫ বৰ্ষত সৰ্বমুঠ জলবিদ্যুৎ আহৰণ কৰা হৈছিল ১২৯ বিলিয়ন কিলোৱাট। উল্লেখযোগ্য যে, ১৮৯৮ আৰু ১৯০২ চনত দাৰ্জিলিং আৰু শিৱসমুদ্ৰপুৰামত এছিয়া মহাদেশৰ ভিতৰত প্ৰথম জলবিদ্যুৎ কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হয়। অৱশ্যে ভাৰতে প্ৰয়োজনীয়তা পূৰণ কৰিবৰ কাৰণে ভূটানৰ পৰাও জলবিদ্যুৎ আমদানি কৰে। নদীকেন্দ্ৰিক ভাৰতত জলবিদ্যুৎ আহৰণৰ সম্ভাৱনা তালিকা-৪ত উল্লিখিত ধৰণৰ।

তালিকা-৪ (২০১১ চন অনুসৰি)

| নদী অৱবাহিকা | উৎপাদন ক্ষমতা (এম ডব্লিউ) |
|---|---|
| সিন্ধু অৱবাহিকা | ৩৩,৮৩২ |
| গঙ্গা অৱবাহিকা | ২০,৭১১ |
| মধ্য ভাৰত নদী | ৪,১৫২ |
| দক্ষিণ ভাৰতৰ পশ্চিম বাহিনী নদী | ৯,৪৩০ |
| দক্ষিণ ভাৰতৰ পূব বাহিনী নদী | ১৪,৫১১ |
| ব্ৰহ্মপুত্ৰ অৱবাহিকা | ৬৬,০৬৫ |
| **সৰ্বমুঠ** | **১,৪৬,৭০১** |

ভাৰতৰ কেইটিমান উল্লেখযোগ্য জলবিদ্যুৎ আঁচনি হ'ল— বাবেইল (উত্তৰ প্ৰদেশ), ভাণ্ডাৰদ্ধাৰা (মহাৰাষ্ট্ৰ), বেলকা (উত্তৰ প্ৰদেশ), চেনানী (জম্মু-কাশ্মীৰ), ইন্দিৰা সাগৰ (মহাৰাষ্ট্ৰ), ভাক্ৰা (পঞ্জাব) ইত্যাদি। অৱশ্যে ৰাষ্ট্ৰৰ সামৰ্থ্য থকা ৪২৭৮৩ মেগাৱাটৰ ভিতৰৰে কেন্দ্ৰীয় চৰকাৰৰ অধীন ১১৫৭১, ৰাজ্যিক চৰকাৰৰ ২৮,০৯২ তথা ব্যক্তিগত খণ্ডৰ অধীন ৩১২০ মেগাৱাট।

ভাৰতৰ শক্তিৰ বিকাশত তাপ বিষয়ক খণ্ডৰ অৰিহণা ৬৯.৮৩ শতাংশৰ বিপৰীতে পুনৰ ব্যৱহাৰযোগ্য শক্তি খণ্ডৰ বিকাশৰ অৰিহণা মাত্ৰ ২৮.২৫ শতাংশহে। ৰাজ্য অনুসৰি পুনৰ ব্যৱহাৰযোগ্য শক্তি খণ্ডত অৰিহণা গুজৰাটৰ ২৫.০৪ শতাংশ, কৰ্ণাটকৰ ১৩.০৮ শতাংশ, তামিলনাডুৰ ১১.১৭ শতাংশ, মহাৰাষ্ট্ৰৰ ৬.৯০ শতাংশ, ৰাজস্থানৰ ৪.২১ শতাংশৰ বিপৰীতে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ বিকাশৰ হাৰ নগণ্য। যথাক্ৰমে অসমৰ ০.৩৯ শতাংশ, অৰুণাচল প্ৰদেশৰ ১.০৭ শতাংশ, মণিপুৰৰ ০.১২ শতাংশ, মেঘালয়ৰ ০.২২ শতাংশ, মিজোৰামৰ ০.১২ শতাংশ, নগালেণ্ডৰ ০.১৫ শতাংশ, ছিকিমৰ ০.২৫ শতাংশ তথা ত্ৰিপুৰাই ০.০৪ শতাংশ উৎপাদনেৰে ৰাষ্ট্ৰীয় উৎপাদনত মাত্ৰ ২.৩৬ শতাংশহে বহন কৰিছে। (৩১/৩/১৪ অনুসৰি)

নৰেন্দ্ৰ মোডী নেতৃত্বৰ কেন্দ্ৰীয় চৰকাৰে অতি সম্প্ৰতি শক্তি সম্পদৰ বিকাশত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ এটা অংশৰূপে ২০১৫ চনৰ ১৮ ছেপ্টেম্বত "সংহত শক্তি উন্নয়ন আঁচনি" শুভাৰম্ভ কৰিছে। এই আঁচনিৰ মূল লক্ষ্য হৈছে বিত্তীয় সাহায্যৰ ৰাজ্যিক আৰু ব্যক্তিগত শক্তি খণ্ডক উৎসাহিত কৰি ২৪ ঘণ্টাই বিদ্যুৎ অব্যাহত ৰখা। উল্লেখযোগ্য লক্ষ্যৰ দিশসমূহ হ'ল— ❍ উপ-ট্ৰেন্সমিছন নেট্ৱৰ্কৰ শক্তি বৃদ্ধি, ❍ আই টি প্ৰৱৰ্তন, ❍ ক্ৰেতাৰ সেৱা বৃদ্ধি, ❍ সৌৰ পেনেল যোগান, ❍ চৰকাৰী গৃহৰ ছাতত সৌৰ শক্তিৰ যোগান। এই সকলোবিলাক দিশৰ সফল ৰূপায়ণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে বাজেটত ৪৫,৮০০ কোটি টকা ধাৰ্য কৰিছে। সৌৰ শক্তি খণ্ডৰ বিকাশৰ পটভূমিত, কৃষি খণ্ডত ১,৩৮,২৬৭টা সৌৰচালিত পাম্প অনুমোদনৰ বিপৰীতে ৩৪,৯৪১টা যোগান ধৰিছে। খোৱাপানীৰ কাৰণেও অনুমোদিত ১৫,৩৩০টা সৌৰ পাম্পৰ ভিতৰৰে ২০০টা যোগান ধৰিছে। ২০১১ চনৰ মতে ৰাষ্ট্ৰৰ ৬৭.২ শতাংশ গৃহহে বিদ্যুতে সামৰি লৈছে তথা ৪৩.২ শতাংশ গ্ৰাম্য বসতিয়ে পোহৰৰ কাৰণে কেৰাচিন ব্যৱহাৰ কৰে। সেয়েহে দুৰ্দশাগ্ৰস্ততাৰে আৱৰা, তথা দৰিদ্ৰতা, বিধ্বস্ত অৰ্থনীতিৰে আৱৰা, বৃহৎ গ্ৰাম্য বসতিৰ ভাৰতবৰ্ষত ২০১৯ চনৰ ভিতৰত সকলো গৃহলৈ প্ৰধান মন্ত্ৰীৰ বিদ্যুৎ যোগান আঁচনি সফল হ'লে নিশ্চয় বিশ্ব অৰ্থনীতি তথা সামাজিক বিকাশত ৰাষ্ট্ৰ জিলিকি উঠিব। ❐


## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

▯ 'পয়োভৰা'ৰ প্ৰতিখনৰ মূল্য ২২.০০ টকা আৰু বিশেষ সংখ্যাৰ মূল্য ৩০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। আনহাতে এবছৰৰ বাবে গ্ৰাহক মূল্য হ'ব ২৩০.০০ টকা, দুবছৰৰ বাবে ৪৩০.০০ টকা আৰু তিনি বছৰৰ বাবে ৬১০.০০ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ▯ গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। ▯ গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। ▯ মণি-অৰ্ডাৰ পঠোৱাৰ ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩। ▯ আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# ভাৰতৰ বস্ত্ৰ ৰপ্তানিৰ ক্ৰমবিকশিত বজাৰসমূহ

**অদিতি দাস ৰাৱট***

প্ৰাক-ঔদ্যোগিক যুগৰ পৰাই বাণিজ্যত বস্ত্ৰৰ বিচিত্ৰতাৰ বাবে ভাৰতৰ সুখ্যাতি আছিল। ইবন বটুতাৰ দৰে অনেক বিদেশী পৰ্যটকে ছুলতানৰ শাসনকালত বজাৰত বিক্ৰী বস্ত্ৰৰ বিষয়ে বিস্তাৰিত বিৱৰণ দি থৈ গৈছে। প্ৰাচীন কালত ভাৰতীয় বস্ত্ৰ চীন, ইণ্ডনেছিয়াৰ সমান্তৰালভাৱে ৰোমান বিশ্বতো বিক্ৰী কৰা হৈছিল। ১৫ শতিকাৰ শেষৰ ফালে ভাস্কো ডা গামা ভাৰতলৈ অহাৰ পিছত ৰোমান বণিকসকলক প্ৰতিস্থাপিত কৰিছিল আৰবীয় ব্যৱসায়ীসকলে আৰু তাৰ পিছত পৰ্তুগীজসকলে প্ৰতিস্থাপিত কৰে। কালক্ৰমত, যোড়শ শতিকাত ইউৰোপীয় কোম্পানীয়ে এই উপমহা-দেশত ভেটি প্ৰতিষ্ঠা কৰে আৰু এই লাভজনক বাণিজ্যৰ সৈতে সংযোগ স্থাপন কৰে। ভাৰত বস্ত্ৰ বাণিজ্যৰ সৰ্বোচ্চ স্থানত অধিষ্ঠিত হৈছিল অষ্টাদশ-ঊনবিংশ শতিকাত আৰু বস্ত্ৰ খণ্ডৰ বৃহত্তম ৰপ্তানিকাৰক হৈ পৰিছিল।

মোগল শাসনকালত দেশৰ প্ৰধান আমদানিকৃত সামগ্ৰীসমূহ আছিল ৰছী, কেঁচা ৰেচম, ঘোঁৰা, হাতীৰ দাঁত আৰু মূল্যৱান পাথৰ, মখমল আদি। ৰপ্তানিৰ অন্তৰ্ভুক্ত আছিল মূলতঃ বিভিন্ন বস্ত্ৰ, নীল, মচলা আৰু বিবিধ পণ্য। সেই সময়ত ভূমিপথ আছিল অতি সীমাবদ্ধ আৰু বিপদ-বিঘিনিপূৰ্ণ, সেই বাবেই সমুদ্ৰ পথ আৰু নদীকেই বাণিজ্যিক উদ্দেশ্যত ব্যৱহাৰ কৰা হৈছিল। ভাৰতীয় বস্ত্ৰই শতাব্দীজুৰি দক্ষিণ-পূব এছিয়াৰ সমান্তৰালভাৱে ভাৰত মহাসাগৰীয় অঞ্চলৰ বাণিজ্যত প্ৰাধান্য বিস্তাৰ কৰিছিল।

বৈদেশিক বজাৰত যিবোৰ ভাৰতীয় কাপোৰ মানুহে কিনিছিল সেইবোৰ মাথোঁ সস্তাই নাছিল, আছিল সুন্দৰো। সেই সময়ৰ ভাৰতীয় আৰ্হিকাৰকে বজাৰৰ নিৰ্দিষ্ট চাহিদালৈ লক্ষ্য কৰি নমুনা প্ৰস্তুত কৰিছিল আৰু পৰীক্ষামূলকভাৱে নতুন নক্সাৰে কাপোৰ বৈছিল। ভাৰতীয় শিপিনী আৰু ৰং চৰোৱা মানুহবোৰৰ কৌশল বিস্তৃত পৰিসৰৰ আছিল আৰু চাহিদা বৃদ্ধি কৰিবলৈ এই পৰিৱৰ্তন দ্ৰুতভাৱে কৰাত সক্ষম হৈছিল। ইংৰাজী শব্দকোষত অন্তৰ্ভুক্ত হোৱা শব্দৰ সংখ্যাৰ জৰিয়তে ভাৰতীয় বস্ত্ৰ উদ্যোগৰ জনপ্ৰিয়তা পৰিমাপণ কৰিব পাৰি, যেনে—কেলিক', পাইজামা, মুছলিন, গিংহাম, শ্বল, ডুংগাৰী, চিণ্টছ, খাঁকী ইত্যাদি।

### আন্তৰ্জাতিক বাণিজ্য ঃ প্ৰৱণতা

ইতিহাসৰ ছন্দপতনত ভাৰতীয় বস্ত্ৰৰ বিশেষ হাত আছে। ঔপনিৱেশিক কালছোৱাত ভাৰতলৈ যন্ত্ৰত প্ৰস্তুত কৰা সস্তীয়া কাপোৰ আৰু বিভিন্ন সৰু-সুৰা পণ্যৰ বিপুল আমদানি আৰম্ভ হ'ল আৰু ফলত ঘৰত কাপোৰ বোৱা আৰু শিপিনীৰ সংখ্যা হ্ৰাস পাবলৈ আৰম্ভ কৰিলে। অতি সাম্প্ৰতিক কালত বিশ্বায়ন আৰু পৰিৱৰ্তনৰ ঢৌৱে একাধিক উৎপাদন 'হাব' আৰু সামূহিক আন্তৰ্জাতিক যোগান শৃংখলতৰ স্থৱিৰতাত প্ৰভাৱ পেলাইছে। ভাৰতৰ বৈচিত্ৰময় বয়নে অৱশ্যে সুন্দৰ পণ্য আৰু বজাৰৰ স্থিতি অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে।

বিগত কেইবা বছৰ ধৰি বিশ্ব বাণিজ্যৰ বৃদ্ধি ধীৰ আৰু অমসৃণ পুনৰুদ্ধাৰেৰে উন্নয়নশীল দেশৰ প্ৰবৃদ্ধি স্তিমিত কৰিছে আৰু প্ৰধান উন্নত দেশত বৃদ্ধি মজলীয়া কৰি তুলিছে। ২০১৫ চনৰ তুলনাত এই বছৰো বিশ্ব বাণিজ্যৰ মাত্ৰা ২.৮ শতাংশত অপৰিৱৰ্তিত হৈ থাকিব বুলি ধাৰণা কৰা হৈছে। বিশ্ব বাণিজ্য সংস্থাৰ মতে এই বছৰ এছীয় অৰ্থনীতিৰ উন্নয়নশীল দেশৰ আমদানিকৃত পণ্যৰ চাহিদা বৃদ্ধি হ'ব বুলি আশা কৰাৰ বিপৰীতে উন্নত দেশৰ আমদানী মজলীয়া হ'ব বুলি ধাৰণা কৰা হৈছে। বিশ্ব বাণিজ্য সংস্থাৰ অৰ্থনীতি-বিদসকলৰ মতে ২০১৭ চনত আন্তৰ্জাতিক বাণিজ্যৰ বৃদ্ধি ৩.৬ শতাংশ পৰ্যন্ত বৃদ্ধি হ'ব পাৰে।

বিশ্বব্যাপী বাণিজ্যিক পৰিৱেশ সম্প্ৰতি অৱধাৰিতভাৱে প্ৰত্যাহ্বানপূৰ্ণ। বছৰৰ পিছত বছৰ ধৰি ভাৰতৰ বাণিজ্য লাহে লাহে উন্নয়নশীল বজাৰলৈ পৰিৱৰ্তিত হৈছে যদিও মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ইউৰোপীয় সংঘৰ দৰে পৰম্পৰা-গত বজাৰো আমাৰ টি এণ্ড চি ৰপ্তানিৰ বাবে গুৰুত্বপূৰ্ণ দুৰ্গ বুলিব পাৰি। বহুতো ডাঙৰ উন্নয়নশীল অৰ্থনীতি এটা প্ৰত্যাহ্বানপূৰ্ণ পৰিস্থিতিৰ মুখামুখি হৈছে। ২০১৬ বৰ্ষত ব্ৰাজিল, ভাৰত,

*অদিতি দাস ৰাৱট বাণিজ্য উপদেষ্টা, বস্ত্ৰ মন্ত্ৰণালয়

ইন্দোনেছিয়া, মেক্সিকো, ৰাছিয়ান ফেডাৰেশ্বন, দক্ষিণ আফ্রিকা আৰু তুৰস্ককে ধৰি প্ৰায় সকলোবোৰ উন্নয়নশীল অৰ্থনীতিত মধ্যমীয়া বৃদ্ধি পৰিলক্ষিত হৈছে, আৰু দীৰ্ঘ সময়ৰ সম্ভাৱনাৰে চীনত মাথোঁ সামান্য বৃদ্ধি পৰিলক্ষিত হয়।

ওপৰত উল্লেখ কৰা পৰিস্থিতিত চীনৰ অৰ্থনীতিৰ হ্ৰাস পোৱা ঘটনাই দেখুৱায় যে ই উদীয়মান অৰ্থনীতি, সৰু উন্নয়নশীল দেশ আৰু বিতৰণৰ অৰ্থনীতিত প্ৰভাৱ পেলাব পাৰে। তদুপৰি আৰু আশংকা কৰা হৈছে যে উন্নত দেশসমূহৰ ক্ষণভংগুৰ পুনৰুদ্ধাৰত, খেলি-মেলিৰ সৃষ্টি হ'ব পাৰে, বিশেষকৈ ইউৰো মণ্ডলত। ঐতিহাসিকভাৱে, বস্ত্ৰ উদ্যোগৰ বিকাশ হৈছে ঔদ্যোগীকৰণৰ জখলা, য'ত বৃহত মাত্ৰাত মহিলা আৰু কম-দক্ষ লোকসকলে চাকৰি লাভ কৰিছিল। যদিহে চীনৰ অৰ্থনীতিত বস্ত্ৰ খণ্ডৰ ক্ষুদ্ৰ হ'লহেঁতেন, তেন্তে উচ্চ দক্ষতাসম্পন্ন কৰ্মীৰ বাবে অন্য নিৰ্মাণ খণ্ড বা দ্ৰুতভাৱ বিস্তৃত সেৱা খণ্ডত জড়িত হৈ পৰিলহেঁতেন, যি বিশ্বত এক নতুন বস্ত্ৰ বাণিজ্য শৈলী সৃষ্টি কৰিলেহেঁতেন আৰু ভাৰতে সুযোগ ল'ব পাৰিলেহেঁতন, আনহাতে চীনো বৃহত্তম বস্ত্ৰ ৰপ্তানিকাৰীক হিচাপে পৰিগণিত হ'লহেঁতেন। বজাৰ নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত আৰ টি এ-ও গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। ইয়াৰ বাহিৰেও আৰ টি এ-ই সম্ভাব্য বাণিজ্য বিভক্তকৰণক লৈ আগুৱাই নিব পাৰে য'ত আমাৰ সুবিধা নহ'বও পাৰে।

**আন্তৰ্জাতিক বস্ত্ৰ ৰপ্তানি**

বৰ্তমান আন্তৰ্জাতিক পোছাকৰ বজাৰৰ আনুমানিক পৰিমাণ ১,১০ বিলিয়ন মাৰ্কিন ডলাৰ, আৰু ট্ৰেড পৰিমাণ ৭৫০ বিলিয়ন মাৰ্কিন ডলাৰৰো অধিক। ইউৰোপীয় সংঘ হৈছে বৃহত্তম উপভোক্তা বজাৰ, যাৰ বাৰ্ষিক পৰিমাণ হৈছে ৩৫০ বিলিয়ন মাৰ্কিন ডলাৰ। আন্তৰ্জাতিক বস্ত্ৰ আৰু পোছাক খণ্ডত প্ৰতি বছৰে ৫ শতাংশ হাৰে চি এ জি আৰ বৃদ্ধিৰে ২০১৫ চনত এই পৰিমাণ প্ৰায় ২,১০০ বিলিয়ন মাৰ্কিন ডলাৰ হ'ব বুলি ধাৰণা কৰা হৈছে।

বিশ্বৰ সৰ্ববৃহৎ পোছাক ৰপ্তানিকাৰী চীনৰ মুঠ ৰপ্তানিৰ পৰিমাণ বিশ্বৰ মুঠ পোছাক ৰপ্তানিৰ প্ৰায় ৩৫-৩৯ শতাংশ, ইয়াৰ পৰৱৰ্তী স্থানত আছে ইউৰোপীয় সংঘ, বাংলাদেশ, হংকং, ভিয়েটনাম, ভাৰত, তুৰস্ক, ইণ্ডনেছিয়া, মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু কম্বোডিয়া। বিশ্বৰ বৃহত্তম পোছাক আমদানিকাৰী হৈছে ইউৰোপীয় সংঘ, যাৰ বাৰ্ষিক আমদানিৰ পৰিমাণ বিশ্বৰ ভিতৰত ৩৫-৩৮ শতাংশ আৰু ইয়াৰ বিপৰীতে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ কাপোৰ আমদানিৰ পৰিমাণ প্ৰায় ১৮ শতাংশ আৰু জাপানৰ পৰিমাণ ৬ শতাংশ। ইয়াৰ পৰৱৰ্তী স্থানত আছে হংকং। তাৰ পিছত ক্ৰমান্বয়ে কানাডা, ৰাছিয়া, দক্ষিণ কোৰিয়া, অষ্ট্ৰেলিয়া, ছুইজাৰলেণ্ড আৰু চীন। কিন্তু এই সাতখন আমদানিকাৰী দেশৰ আমদানিৰ পৰিমাণ বিশ্বৰ মুঠ আমদানিৰ নামমাত্ৰহে। পৰৱৰ্তী পাঁচ বছৰ বা ততোধিক কাল চীন বস্ত্ৰ আৰু পোছাক যোগান ধৰাৰ ক্ষেত্ৰত প্ৰভাৱশালী হৈ থাকিব। বস্ত্ৰ কাৰখানা তথা সুবিধা নিৰ্মাণ আৰু আধুনিকীকৰণ/উন্নীতকৰণত বিনিয়োগ আকৰ্ষিত কৰিববৈলে সক্ষম হৈছে চীন, সমান্তৰালভাৱে ই হৈছে বস্ত্ৰ যন্ত্ৰ আমদানি কৰা শীৰ্ষ দেশ। গতিকে ই আন্তৰ্জাতিক বজাৰ বিস্তৃতকৰণৰ প্ৰয়োজন হ'ব কিন্তু আভ্যন্তৰীণ চাহিদা বৃদ্ধিয়ে আন্তৰ্জাতিক বজাৰ সংকুচিত কৰাৰ সম্ভৱনাও আছে।

**ভাৰতৰ বস্ত্ৰ আৰু পোছাক ৰপ্তানি**

ডব্লিউ টি অ' আন্তৰ্জাতিক ট্ৰেড পৰিসংখ্যা ২০১৫ অনুসৰি ২০১৪ চনত বিশ্বৰ সৰ্বমুঠ ৰপ্তানিৰ ৫.৮ শতাংশ অংশৰে ভাৰত হৈছে বিশ্বৰ তৃতীয় বৃহত্তম বস্ত্ৰ ৰপ্তানি কৰা দেশ। ২০১৪ চনত সৰ্বমুঠ প্ৰায় ৪১ বিলিয়ন মাৰ্কিন ডলাৰ ৰপ্তানিৰ ভিতৰত ১৮.৩ বিলিয়ন মাৰ্কিন ডলাৰ আছিল বস্ত্ৰ ৰপ্তানি আনহাতে আন্তৰ্জাতিকভাৱে এই পৰিমাণ প্ৰায় ৩১৪ বিলিয়ন মাৰ্কিন ডলাৰ। বিশ্বৰ ৩.৭ শতাংশ অংশৰে সৈতে পোছাক (আৰ এম জি) ৰপ্তানিৰ ক্ষেত্ৰত ভাৰত ষষ্ঠ বৃহত্তম দেশ। ২০১৪ চনত সৰ্বমুঠ প্ৰায় ৪১ বিলিয়ন মাৰ্কিন ডলাৰ ৰপ্তানিৰ ভিতৰত ১৮ বিলিয়ন মাৰ্কিন ডলাৰ হৈছে পোছাক (আৰ এম জি) ৰপ্তানি আৰু বছৰটোত আন্তৰ্জাতিক বাণিজ্যত মুঠ ৰপ্তানিৰ পৰিমাণ আছিল ৪৮৩ বিলিয়ন মাৰ্কিন ডলাৰ।

ভাৰতীয় বস্ত্ৰ উদ্যোগৰ ৰপ্তানিৰ আয়ে এক মান আৰু শক্তি সংযোজিত কৰিছে। অৱশ্যে আন্তৰ্জাতিক বজাৰৰ মন্দাৱস্থা আৰু বিদ্যুতৰ খৰচ, উচ্চ পৰিবহন ব্যয় আৰু কঠোৰ শ্ৰম আইনৰ দৰে আভ্যন্তৰীণ প্ৰত্যাহ্বানৰ মাজতো বস্ত্ৰ উদ্যোগে ৰপ্তানিৰ ক্ষেত্ৰত অন্যান্য খণ্ডৰ তুলনাত আশাপ্ৰদ ফল দেখুৱাইছে আৰু ২০১৫-১৬ চনত মুঠ ৰপ্তানিৰ ১৪ শতাংশ ৰপ্তানি বস্ত্ৰ উদ্যোগৰপৰাই হৈছে।

**নতুন উৎপাদন 'হাব'**

ভাৰতত এটা প্ৰতিযোগিতামূলক সুবিধা আছে, কিয়নো বাংলাদেশ আৰু ভিয়েটনামৰ দৰে দেশবোৰৰ দক্ষ শ্ৰমিকে কম বেতনতে সেৱা আগবঢ়োৱাৰ ফলত শ্ৰমিকৰ বেতনৰ পৰিমাণ লাহে লাহে হ্ৰাস পাইছে। ইতিমধ্যে বাংলাদেশৰ ঔদ্যোগ

খণ্ডৰ ৰপ্তানি মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় এক চতুৰ্থাংশৰ অধিক হৈছে আৰু বিশ্বৰ উৎপাদনৰ কেন্দ্ৰ হিচাপে বিকশিত হ'ব বুলি আশা কৰা হৈছে। বাংলাদেশ আৰু ভিয়েটনামৰ বাহিৰে কম্বোডিয়া, ইথিওপিয়া আৰু ম্যানমাৰ আদি দেশ হৈছে আৰ এম জি-বাণিজ্যৰ নবীনতম সম্ভাৱনাময় দেশ। আসন্ন বছৰসমূহত ম্যানমাৰত পোছাক উদ্যোগ বিকশিত হ'ব বুলি পূৰ্বাভাস পোৱা গৈছে। অনুমান কৰা হৈছে যে ২০১৫ চনৰ মধ্যভাগত প্ৰায় ২,৩০,০০০ শ্ৰমিকৰ বিপৰীতে ২০২০ চনত বস্ত্ৰ উদ্যোগত ১.৫ নিযুত কৰ্মসংস্থান মুকলি হ'ব বুলি ধাৰণা কৰা হৈছে। ম্যানমাৰে ৰাষ্ট্ৰীয় ৰপ্তানি নীতি ২০১৫-২০১৯ ৰ আওতাত বস্ত্ৰ আৰু পোছাক উদ্যোগৰ বাবে এক নীতি প্ৰকাশ কৰিছে যাতে কাটিং, মেকিং আৰু প্ৰচেছিং, চমুকৈ চি এ ম পিৰপৰা উদ্যোগটোক ফ্ৰী-অন-ব'ৰ্ড, চমুকৈ এফ অ' বি পৰ্যায়লৈ উন্নীত কৰিব পাৰি আৰু ইয়াৰদ্বাৰা মানসম্পন্ন বৃহত্তৰ পৰিমাণৰ সামগ্ৰী উৎপাদনেৰে ৰপ্তানি বজাৰ গঢ়ি তোলাৰ লক্ষ্য ম্যানমাৰৰ।

প্ৰতিযোগিতামূলক বস্ত্ৰ উদ্যোগৰ বাবে সকলো অপৰিহাৰ্য উপদান আছে ইথিঅ'পিয়াতঃ কেঁচামাল, কম মজুৰি আৰু কম বিদ্যুৎ ব্যয়। বস্ত্ৰ উদ্যোগৰ বাবে বিৰাট বৃদ্ধিৰ সম্ভাৱনাৰ কাৰণ হৈছে ভাল কপাহ স্থানীয়ভাৱে উৎপাদন হয়, কাপোৰৰ কাৰখানাসমূহ ঘৰুৱাভাৱে উৎপাদিত কপাহৰ ওপৰত নিৰ্ভৰশীল। বিদেশী বিনিয়োগকাৰীসকলক আকৃষ্ট কৰাৰ উদ্দেশ্যে ইথিঅ'পিয়াই সক্ৰিয়-ভাৱে বস্ত্ৰ খণ্ডত আধুনিকীকৰণ কৰি গৈছে। এ জি অ' এ-ৰ দ্য আফ্ৰিকান, গ্ৰ'থ এণ্ড অ'পৰ্চুনিটী এক্ট, এ জি অ' এন দ্য কমন মাৰ্কেট অব ইষ্টাৰ্ণ এণ্ড ছাউথাৰ্ণ আফ্ৰিকা আৰু বিভিন্ন দ্বিপাক্ষিক চুক্তিয়ে ৰপ্তানিৰ নতুন সুযোগ বৃদ্ধি কৰিছে। ইথিঅ'পিয়া হৈছে 'এভৰিথিং বাট আৰ্মছ' আঁচনিৰ অংশ যি কম উন্নয়নশীল হিতাধিকাৰী দেশক ইউৰোপীয় সংঘৰ বজাৰত সুযোগ দিবলৈ আৰম্ভ কৰা হৈছে।

বিশ্ববেংকে প্ৰকাশ কৰা তথ্য অনুযায়ী ২০১৫ চনত বাংলাদেশ, কম্বোডিয়া, ইথিঅ'পিয়া, ম্যানমাৰ আৰু ভিয়েটনামৰ বাৰ্ষিক মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ ক্ৰমে ৬.৬ শতাংশ, ৭ শতাংশ, ৯.৬ শতাংশ, ৭ শতাংশ আৰু ৬.৭ শতাংশ। এইবোৰ দেশ নতুন উৎপাদন আৰু ৰপ্তানিৰ কেন্দ্ৰ, চীনৰপৰা আঁতৰি আহি কৰ্মসংস্থান সৃষ্টি, বিনিয়োগ তথা উৎপাদন আৰম্ভ কৰিছে। সময়ৰ লগে লগে দক্ষিণ এছীয় দেশসমূহে অধিক গ্ৰাহকৰ ভেটি প্ৰস্তুত কৰিব বুলি আশা কৰা হৈছে।

টেক্সটাইল ইণ্টেলিজেন্স লিমিটেড, ২০১৬ ৰ মতে ২০০০ চনত দ্য আফ্ৰিকান গ্ৰোথ এণ্ড অপৰ্চুনিটী এক্ট, চমুকৈ AGOA ৰূপায়ণ কৰাৰ পিছৰে পৰা আফ্ৰিকাত বস্ত্ৰ আমদানি বজাৰ লক্ষণীয়ভাৱে বৃদ্ধি হৈছে। আংশিকভাৱে এই আইনখন আছিল মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বজাৰত শুল্কমুক্ত আৰু কোটামুক্ত প্ৰৱেশাধিকাৰৰ সুযোগ লাভ কৰি ছাব-ছাহাৰ আফ্ৰিকীয় দেশসমূহত পোছাক উৎপাদন বৃদ্ধি কৰাৰ উদ্দেশ্যে। এই আইন ৰূপায়ণ হোৱাৰ পিছতে উপ-ছাহাৰ আফ্ৰিকীয় দেশসমূহত ৰপ্তানিৰ পৰিমাণ বৃদ্ধি পাইছে, সেই হিচাপে এই অঞ্চলত পোছাক উৎপাদন বৃদ্ধি হৈছে আৰু আমদানিকৃত বস্ত্ৰ উপকৰণৰ চাহিদা বৃদ্ধি হৈছে। অৱশ্যে এই আইনৰ আন এক উদ্দেশ্য হৈছে স্পিনিং বয়ন, ৰং আৰু উৎপাদনৰ মাজেৰে সামগ্ৰিকভাৱে উপ-ছাহাৰা অঞ্চলত সম্পূৰ্ণ যোগান শৃংখলটো বিকশিত কৰি তোলা আৰু বিশেষ অঞ্চলটো নাইবা আমেৰিকাত প্ৰস্তুত কৰা সামগ্ৰীৰে মানসম্পন্ন পোছাক প্ৰস্তুত কৰা যাতে মাৰ্কিন যুক্তৰাষ্ট্ৰত অগ্ৰাধিকাৰমূলক প্ৰৱেশাধিকাৰৰ বাবে যোগ্যতা অৰ্জন কৰে।

যদিহে পণ্যদ্ৰব্য আৰু কৃষিজাত সামগ্ৰী নাইজেৰিয়া আৰু ইথিঅ'পিয়াৰ দৰে দেশৰ পৰা ক্ৰয় কৰে, তেন্তে আফ্ৰিকাৰ এক বিপুল সম্ভাৱনা আছে। প্ৰণিধানযোগ্য যে যি ১১ খন দেশে আফ্ৰিকাৰ মুঠ ঘৰুৱা উৎপাদনৰ ৫০ শতাংশ প্ৰতিনিধিত্ব কৰে, সেই অঞ্চলটোত সম্প্ৰতি ১৫ নিযুত পৰিয়াল মধ্যবিত্ত, আনহাতে ২০৩০ ৰ ভিতৰত এই পৰিমাণ ৪২ নিযুতলৈ বৃদ্ধি হ'ব বুলি ধাৰণা কৰা হৈছে। অৱশ্যে আফ্ৰিকাত আছে বিভিন্ন প্ৰত্যাহ্বান, যেনে নিৰাপত্তাৰ সমস্যা আৰু ৰাজনৈতিক অস্থিৰতা, লগতে স্বাস্থ্যৰ সমস্যা আৰু আন্তঃগাঁথনিৰ সমস্যাও আছে, ইয়াত পানী আৰু বিদ্যুতৰ উপলব্ধতাও নিচেই কম।

## ভাৰতীয় বস্ত্ৰ আৰু পোছাকৰ উদীয়মান বজাৰ কি?

লক্ষণীয়ভাৱে, আমাৰ বস্ত্ৰ ৰপ্তানিৰ শীৰ্ষ ১০ খন বজাৰৰ ৰাষ্ট্ৰৰ সৈতে ভাৰতৰ কোনো এফ টি এ বা পি টি এ নাই, ব্যতিক্ৰম মাথোঁ বাংলাদেশ, যি সাফটা-ৰ এক অংশীদাৰ। বিশ্ব অৰ্থনীতিৰ বৃদ্ধিৰ পৰিৱৰ্তনৰ ধাৰাৰ ওপৰত ভিত্তি কৰি বজাৰৰ বহুমুখীকৰণ অত্যন্ত প্ৰয়োজনীয় যাতে বহনক্ষম বৃদ্ধি আৰু ৰপ্তানিৰ নিশ্চিত কৰিব পাৰি, লগতে আমাৰ বস্ত্ৰ বজাৰৰ সম্ভাৱনা থকা দেশ/অঞ্চলৰ সৈতে যোগাযোগ ৰক্ষাৰ ওপৰতো দৃষ্টিপাত কৰিব লাগে। কপাহ আৰু উণৰ দৰে প্ৰাকৃতি তন্তুৰ সমান্তৰালভাৱে ফাইবাৰৰ দৰে মানৱসৃষ্ট তন্তুৰো বিশ্বজুৰি চাহিদা আছে।

কেঁচামাল, দামৰ অস্থিৰতা আৰু মজুৰিৰ ব্যয়ে সৰু সৰু উদ্যোগক অনিশ্চয়তালৈ প্ৰক্ষেপ কৰিব পাৰে। তদুপৰি বিদেশী বজাৰত প্ৰতিযোগিতাৰ বাবে দ্ৰুততাৰে আগবাঢ়িব লাগে যাতে সকলো বয়সৰ পছন্দৰ ফেশ্বন ট্ৰেণ্ডক আকৃষ্ট কৰিব পাৰি।


উত্তৰ আমেৰিকা আৰু ইউৰোপৰ দৰে উন্নত বজাৰত ভাৰতীয় ৰপ্তানিৰ চাহিদা হ্ৰাস পোৱাৰ ফলত ভাৰতীয় ৰপ্তানিকৰ্তাসকলৰ আৰু আমাৰ প্ৰতিযোগীতাসকলৰ ওচৰত প্ৰত্যাহ্বান সৃষ্টি হ'ব পাৰে যদি টিপিপি অনুমোদন কৰা হয়। তুলনাত্মকভাৱে ভৱিষ্যৎ বৃদ্ধিৰ মাত্ৰা সম্ভৱতঃ উন্নয়নশীল আৰু উদীয়মান অৰ্থনীতিৰ সৈতে আগবাঢ়িব আৰু অপেক্ষাকৃত উচ্চ হাৰত বৃদ্ধি হ'ব বুলি আশা কৰিব পাৰি। বজাৰত শক্তিশালীভাৱে উদীয়মান মধ্যবিত্ত শ্ৰেণীৰ উত্থানে দীৰ্ঘম্যাদী চাহিদা বৃদ্ধিত প্ৰভাৱ পেলায়। লেটিন আমেৰিকা, আছিয়ান, ইউৰেছিয়া আৰু ৱানা মাৰ্কেটছ আৰু অন্যান্য যেনে—তুৰস্ক, কানাডা আৰু অষ্ট্ৰেলিয়া আদি দেশত বজাৰৰ বহুমুখীকৰণৰ বাবে আলোকপাত কৰা উচিত। উল্লেখ কৰা গ্ৰাফত এই ইংগিতেই পোৱা গৈছে।

পশ্চিম এছিয়া আৰু উত্তৰ আফ্ৰিকা অঞ্চল (ৱানা) হৈছে এটা ক্ৰমবৰ্দ্ধমান পৰিৱৰ্তনশীল অঞ্চল। ভাৰতে এই অঞ্চলৰ ইজৰাইলৰ সৈতে এটা এফ টি এ-ৰ বাবে চেষ্টা কৰি আহিছে। ইজৰাইলৰ পোছাক উদ্যোগত অধিকাংশ সূতা আৰু ফেব্ৰিকৰ প্ৰয়োজনীয়তা মূলতঃ আমদানিৰ ওপৰত নিৰ্ভৰশীল। পোছাক আমদানিৰ ক্ষেত্ৰত ইজৰাইলৰ চি এ জি আৰ ৫ শতাংশ (২০১৫ চনত ১.৫ বিলিয়ন মাৰ্কিন ডলাৰ) আৰু ইয়াত ভাৰতৰ অংশ হৈছে মাত্ৰ এক শতাংশ। ইজৰাইলৰ বস্ত্ৰ আমদানিত ভাৰতৰ অংশ আছিল ৬ শতাংশ (২০১৫ চনত ০.২ বিলিয়ন)।


ইজিপ্ট হৈছে আফ্ৰিকা মহাদেশৰ বৃহত্তম কপাহ আৰু বস্ত্ৰ ক্লাষ্টাৰ। ইজিপ্টৰ অৰ্থনীতিৰ বৃহত্তম, বস্ত্ৰ উদ্যোগ বিভিন্ন আমদানিকৃত সূতা, কাপোৰ আৰু অন্যান্য সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰে। ইজিপ্টৰ পোছাক আমদানিৰ ক্ষেত্ৰত অতি বিশাল চি এ জি আৰ-ৰ ২০১৫ চনত বৃদ্ধি আছিল অভিলেখ পৰিমাণে ১৭ শতাংশ (০.২ বিলিয়ন) আৰু ইয়াত ভাৰতৰ অংশ মাত্ৰ ১ শতাংশ আছিল। এই উদ্যোগত আছে এটা উল্লম্বভাৱে সংহত কাৰ্যকৰী মডেল, যি পোছাক আৰু ঘৰুৱা বস্ত্ৰ পণ্যত সৰ্বাধুনিক প্ৰযুক্তিৰে তন্তুৰপৰা উৎপাদিত সামগ্ৰীলৈ উৎপাদনৰ সকলো পৰ্যায়ত প্ৰযোজ্য, য'ত আছে পেটাৰ্ণ মেকিং, স্প্ৰেডিং, কাটিং, চিলাই আৰু পেকেজিং। বস্ত্ৰ অৰ্থনীতি প্ৰধানতঃ কপাহৰ ওপৰত নিৰ্ভৰশীল, কিন্তু সাম্প্ৰতিক সময়ত দেশত মানৱসৃষ্ট ফাইবাৰ বস্ত্ৰৰ চাহিদাও বাঢ়ি আহিছে। এম এম এফ বস্ত্ৰৰ আমদানি স্থিৰভাৱে ক্ৰমবৰ্দ্ধিত হৈ আহিছে। বিশ্বৰপৰা ইজিপ্টৰ এম এম এফ আমদানিৰ চি এ জি আৰ বিগত পাঁচ বছৰত প্ৰায় ৩ শতাংশ। ভাৰত এখন মুখ্য যোগানকাৰী। ২০১৫ চনত ইজিপ্টৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ ৪.২ শতাংশ আৰু ইজিপ্টৰ বৃহৎ উৎপাদন ৰপ্তানিৰ ভেটিত বিনিয়োগ অব্যাহত থাকিব বুলি আশা কৰা হৈছে।

ভাৰতৰ মানৱসৃষ্ট ফাইবাৰ টেক্সটাইলৰ অন্যতম বজাৰ হৈছে তুৰস্ক। সাজ-পোছাকৰ খণ্ডত কেঁচা-মাল আৰু

তালিকা-১




তালিকা-২




**ওপৰৰ গ্ৰাফবোৰত একোটা প্ৰৱণতা বিশ্লেষণৰ প্ৰতিনিধিত্ব কৰিছে**

বিভিন্ন উপকৰণ, যেনে— ফাইবাৰ, সূতা আৰু ফেব্ৰিক আদিৰ ঘৰুৱা উৎপাদন পৰ্যাপ্ত নহয় বুলিব পাৰি, গতিকে তন্তু, সূতা আৰু ফেব্ৰিক ৰপ্তানিৰ বাবে বিশাল পৰিমাণে বস্ত্ৰৰ সামগ্ৰী আমদানিও কৰিবলগীয়া হয়। তুৰস্কত মুঠ ঘৰুৱা উৎপাদন প্ৰায় ৫৮ শতাংশ বাণিজ্য। ২০১৫ চনত তুৰস্কৰ বস্ত্ৰ আৰু কাপোৰ আমদানিৰ পৰিমাণ আছিল ২.৯ বিলিয়ন মাৰ্কিন ডলাৰৰ ওচৰা-উচৰি, কিন্তু ঋণাত্মক বৃদ্ধিহে পৰিলক্ষিত হৈছিল। গতিকে, তুৰস্কৰ ওপৰত আলোকপাত কৰাটো অত্যন্ত জৰুৰী, কিয়নো বজাৰৰ ২-৩ শতাংশ ভাৰতৰ অংশ।

বছৰ বছৰ ধৰি লেটিন আমেৰিকাৰ সৈতে ভাৰতৰ সম্পৰ্ক বাণিজ্যৰ বাহিৰলৈ প্ৰসাৰিত হৈছে। বিভিন্ন খণ্ডত বিনিয়োগ আৰু সহযোগিতা দেখা গৈছে, যেনে— শক্তি আৰু শিক্ষাৰ লগতে জি-২০, ব্ৰিকছ আৰু আই বি এছ এ (ভাৰত, ব্ৰাজিল, দক্ষিণ আফ্ৰিকা) ৰ দৰে বহুমাত্ৰিক মঞ্চত। মাৰ্কোচাৰ আৰু চিলিৰ সৈতে ভাৰতৰ এখন অগ্ৰাধিকাৰভিত্তিক বাণিজ্য চুক্তি আছে। এই চুক্তিৰ বাবে ভাৰত আৰু এল এ চি অঞ্চলত ব্যৱসায়ী সম্প্ৰদায়ে বিশাল সুযোগ লাভ কৰিছে। বস্ত্ৰ বাণিজ্যৰ দৃষ্টিকোণেৰে মেক্সিকো, পেৰু আৰু চিলি অতি গুৰুত্বপূৰ্ণ। আনহাতে মেক্সিকো আৰু চিলি বস্ত্ৰ আৰু পোছাকৰ বৃহত্তম আমদানি কৰা দেশ। ২০১৫ চনত মেক্সিকো, চিলি আৰু পেৰুৰ পোছাক তথা ঘৰুৱা বস্ত্ৰৰ মুঠ আমদানিৰ পৰিমাণ (ৰাষ্ট্ৰসংঘৰ কমট্ৰেড অনুযায়ী) ক্ৰমে ৪.১ বিলিয়ন মাৰ্কিন ডলাৰ, ৩.১ বিলিয়ন মাৰ্কিন ডলাৰ আৰু ০.৭ বিলিয়ন মাৰ্কিন ডলাৰ। এটা কথা উল্লেখনীয় যে এল এ চি দেশসমূহত আঞ্চলিক উদ্যোগসমূহ কম প্ৰতিযোগিতামূলক হৈ আছে আৰু এই দেশসমূহে চীনৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা কমাবলৈ চেষ্টা কৰি আহিছে। অৱশ্যে, এই বজাৰত ভাৰতৰ অংশ মাত্ৰ ১ শতাংশ। আনহাতে চিলিতে পোছাক আৰু ঘৰুৱা বস্ত্ৰৰ পৰিমাণ আছিল ৪ শতাংশ, মেক্সিক'ত পোছাক আৰু ঘৰুৱা বস্ত্ৰৰ পৰিমাণ ৩ শতাংশৰ বিপৰীতে পেৰুত পোছাক আৰু ঘৰুৱা বস্ত্ৰৰ পৰিমাণ হৈছে ২ শতাংশ। ইয়ে সূচায় যে ইয়াত আশাপ্ৰদ বৃদ্ধিৰ সম্ভাৱনা আছে।

**অন্যান্য উন্নত বজাৰ ঃ ওছেনিয়া আৰু কানাডা**

যেতিয়া আমি পৰম্পৰাগত বজাৰলৈ দৃষ্টিপাত কৰোঁ (উন্নত দেশবোৰৰ), মূল্য সংযোজিত সামগ্ৰী (পোছাক)ৰ ৰপ্তানিৰ কথা আহে। কানাডা এনে এখন বজাৰ য'ত পণ্য বস্ত্ৰৰ অংশ কমিছে, কিন্তু কাৰিকৰী বস্ত্ৰ উদ্যোগৰ দ্ৰুত প্ৰসাৰ দেখা গৈছে। শেহতীয়া তথ্যৰ ওপৰত ভিত্তি কৰি কাৰিকৰী বস্ত্ৰ ৰপ্তানিৰ পৰিমাণ ২০১৫ চনৰ ৮.৬ বিলিয়ন মাৰ্কিন ডলাৰৰ পৰা বৃদ্ধি হৈ ২০১৭ চনত ৯.৩ বিলিয়ন মাৰ্কিন ডলাৰ হ'ব বুলি ধাৰণা কৰা হৈছে। কাৰিকৰী বস্ত্ৰ উদ্যোগত সঘনে প্ৰয়োগ আৰু প্ৰযুক্তিৰ পৰিৱৰ্তন দেখা যায়, গতিকে ৰপ্তানিৰো সঘন পৰিৱৰ্তনৰ প্ৰৱণতা আছে। উত্তৰ আমেৰিকা হৈছে কাৰিকৰী বস্ত্ৰৰ বৃহত্তম আঞ্চলিক উপভোক্তা। ভাৰতে সমন্বিত অৰ্থনৈতিক অংশীদাৰি চুক্তিৰ সুযোগ গ্ৰহণ কৰি কানাডালৈ কাৰিকৰী বস্ত্ৰ ৰপ্তানিত গুৰুত্ব দিব পাৰে।

কাৰিকৰী বস্ত্ৰ হৈছে ভাৰতৰ বস্ত্ৰ উদ্যোগৰ দ্ৰুতভাৱে বধনশীল অন্যতম খণ্ড। বৰ্তমান বিশ্বৰ মুঠ কাৰিকৰী বস্ত্ৰৰ প্ৰায় ৯ শতাংশ ভাৰতত প্ৰস্তুত হয় বুলি অনুমান কৰা হয়। আইটিএ টেক্‌নিকেল টেক্সটাইল টপ মাৰ্কেট ৰিপ'ৰ্ট অনুসৰি কাৰিকৰী টেক্সটাইল খণ্ডত ভাৰতৰ বজাৰৰ অংশ ২০১৩ চনৰ ১১.৬ বিলিয়ন মাৰ্কিন ডলাৰৰপৰা বৃদ্ধি হৈ ২০১৭ চনত এই পৰিমাণ ২৬ বিলিয়ন মাৰ্কিন ডলাৰ হ'ব বুলি ধাৰণা কৰা হৈছে।

অষ্ট্ৰেলিয়াত টেক্সটাইল, ক্লথ এণ্ড ফুটৱেৰ, চমুকৈ টি চি এফ উৎপাদন উদ্যোগ বহুমাত্ৰিক আৰু বিভিন্ন সামগ্ৰী উৎপাদন কৰা হয়, যেনে-ৰেডি-টু-ইউজ টেক্সটাইল, পোছাক, কাৰ্পেট, জোতা, অট'ম'টিভ প্ৰয়োগৰ বাবে কাৰিকৰী (অ-নান্দনিক) বস্ত্ৰ। অষ্ট্ৰেলিয়াৰ কাপোৰৰ বজাৰ ৫ শতাংশ হাৰত চি এজি আৰ বৃদ্ধিৰে ২০২৫ চনত ২৫ বিলিয়ন মাৰ্কিন ডলাৰৰপৰা ৪৫ বিলিয়ন মাৰ্কিন ডলাৰলৈ প্ৰসাৰিত হ'ব বুলি ধাৰণা কৰা হৈছে। অষ্ট্ৰেলিয়াৰ সৈতে চলি থকা চি ই চি এ আলোচনাৰ মাধ্যমেৰে এই বজাৰত ভাৰতে সুযোগ সৃষ্টি কৰিব পাৰে। ❒

(বিভিন্ন ৱেবছাইটত পোৱা ৰিপ'ৰ্টৰ ইনপুটৰ সৈতে)

*'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ বিষয়ে পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাবলৈ বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়ায় যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।*

# জি এছ টিৰ সন্দৰ্ভত প্ৰধান মন্ত্ৰীৰ মন্তব্য

* সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) হ'ল "টীম ইণ্ডিয়াই গ্ৰহণ কৰা ৰূপান্তৰ সাধনৰ দিশত এটা ডাঙৰ পদক্ষেপ।"
* বিধেয়কখন গ্ৰহণ কৰাটো কোনো ৰাজনৈতিক দলৰ বাবে বিজয় নহয়, বৰং এই বিজয় হ'ল ভাৰতীয় গণতন্ত্ৰৰ কাৰণেহে।
* জি এছ টিৰ সন্দৰ্ভত যি ঐক্যমত প্ৰকাশ পায় সেইটোৱে প্ৰমাণ কৰে যে ভাৰতত ৰাষ্ট্ৰনীতি ৰাজনীতিতকৈও ওপৰত।
* **জি এছ টি হ'ল "এক ভাৰতৰ"** ডিঙিত সুশোভিত কৰা মালাত আৰু এটা মুকুতামণি। ৰেলৰে আৰু সৰ্বভাৰতীয় সেৱাৰ দৰে এয়া এটা ব্যৱস্থা তথা "ভাৰত নেট" আৰু "সাগৰমালাৰ" দৰে এটা দৃষ্টিভংগী স্বৰূপ।
* সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থাৰে আমি কৰ প্ৰক্ৰিয়াত একীকৰণ ভাৱক উন্মেষ কৰিবলৈ বিচাৰিছো। নতুন কাৰ্য ব্যৱস্থাত উপভোক্তা হ'ব সৰ্বোচ্চ।
* মানুহ, ধন, যন্ত্ৰ, সামগ্ৰী আৰু সময়ৰ ন্যায়োচিত ব্যৱহাৰ হ'ল সুস্থ অৰ্থনৈতিক নীতিৰ এটা গুৰুত্বপূৰ্ণ সূত্ৰ; আৰু জি এছ টিয়ে ইয়াক লাভ কৰাত সহায় কৰিব।
* জি এছ টিএ প্ৰকৃত সময়ৰ পৰিসংখ্যা অনাত সহায় কৰিব, কিয়নো ইয়াৰ শক্তি তথ্য সংগ্ৰহ কৰাৰ প্ৰযুক্তিতেই আছে। উপভোক্তাৰ মুদ্ৰাস্ফীতিৰ প্ৰভাৱ পেলাব পৰা বহুতো বিষয় জি এছ টিৰ পৰিসৰৰ বাহিৰত ৰখা হৈছে। এতিয়া জি এছ টিয়ে সংগ্ৰহকৰণত থকা দুৰ্নীতি তথা সংগ্ৰহৰ খৰচ হ্ৰাস কৰাত সহায় কৰিব।
* জি এছ টিৰ পৰা সৰু সৰু বেপাৰ-বাণিজ্য যথেষ্টভাৱে লাভান্বিত হ'ব আৰু জি এছ টিৰে অধিক নিৰাপদ অনুভৱ কৰিব।
* এই সংস্কাৰ সাধন কাৰ্যই "মেইক্ ইন্ ইণ্ডিয়া"ক উৎসাহিত কৰিব, ৰপ্তানিত সহায় কৰিব আৰু এনেদৰে বৰ্দ্ধিত পৰিমাণৰ বাবে যোগান ধৰি নিয়োগৰ ক্ষেত্ৰখনকো উৎসাহিত কৰিব।
* জি এছ টি হ'ল এনে এটা পদ্ধতি যি সকলো ভাৰতীয়কে উপকৃত তথা স্পন্দিত আৰু একীভূতভাৱে ৰাষ্ট্ৰীয় বজাৰক উৎসাহিত কৰিব।
* জি এছ টি সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদৰ এটা ভাল উদাহৰণো হ'ব আৰু ই ভাৰতক প্ৰগতিৰ এটা নতুন শিখৰলৈ লৈ যাব।

**সামগ্ৰী আৰু সেৱা কৰৰ আৰম্ভণি সম্পৰ্কে বিত্ত মন্ত্ৰীৰ উক্তি**

* চৰকাৰে দেশখনত সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থা আৰম্ভ কৰিবৰ বাবে ২০১৭ চনৰ ১ এপ্ৰিলত থিৰ কৰা লক্ষ্য ৰূপে চিন্তা-চৰ্চা কৰিছে।
* জি এছ টি কাৰ্যকৰণৰ পৰৱৰ্তী কালত ইয়াৰ পদ্ধতি অধিক সক্ষম, অধিক সমাধানযোগ্য হ'ব আৰু তাৰ আৱৰ্তৰ পৰা এৰাই চলা অধিক কঠিন হ'ব। কৰৰ ওপৰত কৰৰ হুৰ-মূৰকৈ আৰোপ কৰ প্ৰভাৱ তাত নেথাকিব। এনে বহু সামগ্ৰী আছে যিবোৰৰ ক্ষেত্ৰত কৰৰ কম হাৰ থাকিব অথবা একেবাৰে কৰ আৰোপ কৰাই নহ'ব।
* এখন ৰাষ্ট্ৰৰ বাবে একক কৰ ব্যৱস্থা হ'ব। সমগ্ৰ দেশতে সামগ্ৰী আৰু সেৱা সহজ হস্তান্তৰকৰণ কৰা হ'ব।
* সমগ্ৰ দেশখনেই এখন সংহত বজাৰত পৰিণত হ'ব। সৰলীকৰণ কাম-কাজ সহজ হ'ব। ই কম ছিদ্ৰ আৰু কৰ ফাঁকি দিয়া ঘটনা হ্ৰাসকৰাৰ পথ প্ৰশস্ত কৰিব আৰু সেই বাবে কৰৰ আধাৰ স্বাভাৱিকতেই পৰিব্যাপ্ত কৰা হ'ব। ই ৰাজ্যসমূহ তথা কেন্দ্ৰীয় চৰকাৰক উপকৃত কৰিব।
* এয়া হ'ল আমাৰ সংসদে সাধন কৰিবলৈ লোৱা আমাৰ দেশখনৰ কৰ ব্যৱস্থাৰ ক্ষেত্ৰত এটা ঐতিহাসিক সংস্কাৰ কাৰ্য। এয়া হ'ল এটা বৃহৎ সংস্কাৰ ব্যৱস্থা যি আগন্তুক কালত দেশৰ স্বাৰ্থৰ সপক্ষেই কাম কৰিব।

**জি এছ টিৰ সন্দৰ্ভত কিছু বিষয়ৰ প্ৰশ্ন আৰু উত্তৰ**

জি এছ টিৰ সন্দৰ্ভত সঘনে কৰা বিভিন্ন প্ৰশ্নৰ উত্তৰ তলত দিয়া হ'ল ঃ—

প্ৰশ্ন ঃ **জি এছ টি কি? ই কিদৰে কাম কৰে?**

উত্তৰ ঃ জি এছ টি হ'ল সমগ্ৰ দেশখনৰ কাৰণে এটা পৰোক্ষ কৰ—যি ভাৰতক এখন একীভূত উমৈহতীয়া বজাৰ কৰি তুলিব।

জি এছ টি হ'ল একেবাৰে প্ৰস্তুতকাৰীসকলৰ পৰা উপভোক্তালৈকে সামগ্ৰী আৰু সেৱা যোগানৰ ওপৰত আৰোপ কৰা এটা কৰ। প্ৰত্যেক স্তৰতে আদায় দিয়া উপজ কৰৰ ঋণ সুবিধা মূল্য সংযোজনৰ পৰৱৰ্তী স্তৰতো পোৱা যাব আৰু এইটোৱে জি এছ টিক প্ৰত্যেক স্তৰৰ কেৱল মূল্য সংযোজনৰ ওপৰতহে আৰোপ কৰা কৰ বিশেষ কৰি তুলিছে। চূড়ান্ত উপভোক্তাই এনেদৰে যোগান পৰিক্ৰমাত অন্তিম ডিলাৰে আৰোপ কৰা কেৱল জি এছ টিকহে বহন কৰিব লাগিব। এনে প্ৰক্ৰিয়াত পূৰ্বৰ সকলো স্তৰতে কিছু লাভজনক গতি দেখিবলৈ পাব।

প্ৰশ্ন ঃ **জি এছ টিৰ লাভসমূহ কি?**

উত্তৰ ঃ জি এছ টিৰ লাভসমূহ থুল-মূলকৈ হ'ল—

**বেপাৰ-বাণিজ্য আৰু উদ্যোগৰ বাবে**

* সহজে সমাপন কৰিব পাৰি। জি এছ টিৰ কাম-কাজ পৰিচালনাৰ বাবে সামগ্ৰিক আয়কৰ পদ্ধতি আধাৰস্বৰূপ হ'ব। সেই বাবে সকলো কৰ আদায় দিয়া কাম, যেনে— পঞ্জীকৰণ, কৰ দাখিলৰ ৰিটাৰ্ণ, পৰিশোধকৰণ ইত্যাদি বিষয়বোৰ কৰ দাতাসকলে অন্-লাইনত পাব আৰু এনে ব্যৱস্থাই কৰ সমাপন কাৰ্যক সহজ তথা স্বচ্ছ কৰি তুলিব।
* **কৰ হাৰ আৰু গাঁথনি একীভূতকৰণ ঃ** জি এছ টিয়ে পৰোক্ষ কৰৰ হাৰ আৰু গাঁথনি সমগ্ৰ দেশতে একেধৰণৰ কৰি কাম-কাজ সহজ কৰি তোলাটো নিশ্চিত কৰিব। আন কথাত কবলৈ গ'লে জি এছ টিয়ে দেশত কাম-কাজ কৰিবলৈ কৰৰ সন্দৰ্ভত নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰিব— লাগিলে তেনে ব্যৱসায়ৰ স্থান যিয়েই নহওক।
* **ওপৰা-উপৰি প্ৰভাৱ দূৰীকৰণ ঃ** সমগ্ৰ মূল্য পৰিক্ৰমা আৰু ৰাজ্যসমূহৰ সীমা চেৰাই কৰ ঋণ ব্যৱস্থাৰ সৰল পদ্ধতিয়ে কৰৰ ক্ষেত্ৰত আহি পৰা ইটো-সিটোৰ প্ৰভাৱ তেনেই সামান্য হোৱাটো নিশ্চিত কৰিব আৰু ই ব্যৱসায় কৰাৰ ক্ষেত্ৰত অস্বাভাৱিকভাৱে আহি পৰা খৰচৰ মাত্ৰাও হ্ৰাস কৰিব।
* **উন্নত প্ৰতিযোগিতামূলক ব্যৱস্থা ঃ** বেপাৰ-বাণিজ্য কৰাৰ ক্ষেত্ৰত লেন-দেনৰ খৰচ হ্ৰাসকৰণে বাণিজ্য আৰু উদ্যোগৰ বাবে মূৰকত এটা উন্নত প্ৰতিযোগিতামূলক পৰিৱেশৰ পথ মুকলি কৰিব।
* **প্ৰস্তুতকাৰক আৰু ৰপ্তানিকাৰক সকললৈ লাভ ঃ** জি এছ টিত কেন্দ্ৰ আৰু ৰাজ্যৰ ঘাই কৰবোৰৰ অন্তৰ্ভুক্তকৰণ, উপজ সামগ্ৰী তথা সেৱাসমূহৰ পূৰ্ণ আৰু বিস্তৃত আধাৰ তথা কেন্দ্ৰীয় বিক্ৰী কৰৰ অৱলুপ্তিকৰণে থলুৱাভাৱে প্ৰস্তুত কৰা সামগ্ৰী আৰু সেৱাসমূহৰ খৰচ হ্ৰাস কৰিব। ফলস্বৰূপে আন্তৰ্জাতিক বজাৰত ই ভাৰতীয় সামগ্ৰী তথা সেৱাসমূহৰ প্ৰতিযোগিতামুখিতাক বৃদ্ধি কৰিব আৰু ভাৰতৰ ৰপ্তানি সামগ্ৰীক উৎসাহিত কৰিব। দেশখনৰ সকলোতে বিৰাজমান হোৱা একক কৰ হাৰ আৰু নিয়মাৱলীসমূহে কৰ সম্পৰ্কীয় হিচাপ-নিকাচ আৰু তাৰ সমাধানৰ খৰচপাতি হ্ৰাস কৰাত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব।

**কেন্দ্ৰ আৰু চৰকাৰসমূহৰ বাবে ঃ**

* **কাম-কাজ সম্পাদন কৰিবলৈ সৰল আৰু সহজ ঃ** কেন্দ্ৰ আৰু ৰাজ্যিক পৰ্যায়ত থকা বিভিন্ন পৰোক্ষ কৰসমূহ জি এছ টি ব্যৱস্থাৰদ্বাৰা সলাবলৈ লোৱা হৈছে। আয়কৰ পদ্ধতিৰ শক্তিশালী ব্যৱস্থাৰে সামগ্ৰী আৰু সেৱা কৰ পৰিচালনা কৰিবলৈ এতিয়ালৈকে আৰোপ কৰা কেন্দ্ৰ আৰু ৰাজ্যৰ আন সকলোবোৰ প্ৰত্যক্ষ কৰতকৈ সহজ-সৰল হ'ব।
* **ছিদ্ৰ প্ৰতিহতৰ ক্ষেত্ৰত ভাল নিয়ন্ত্ৰণ ব্যৱস্থা ঃ** শক্তিশালী আয়কৰ আন্তঃগাঁথনি হেতু জি এছ টিয়ে ভালদৰে কৰ সমাপন কৰা কাৰ্যত সুফল প্ৰদান কৰিব। মূল্য সংযোজনৰ পৰিক্ৰমাত এটা স্তৰৰ পৰা আন স্তৰলৈ উপজ কৰ ঋণক জঞ্জালমুক্ত হস্তান্তৰকৰণ হেতু জি এছ টিক সজাই-পৰাই তোলাৰ ক্ষেত্ৰত এটা মজবুত কাৰ্যকৰণ ব্যৱস্থা গঢ় লৈ উঠে-যাৰ ফলত ই ব্যৱসায়ীসকলৰদ্বাৰা কৰ বিষয়ক কামবোৰ সমাধান কৰাত উদগণি জনাব।
* **অধিক ৰাজহ সংগ্ৰহৰ সক্ষমতা ঃ** জিএছটি ব্যৱস্থাই চৰকাৰৰ কৰ ৰাজহ সংগ্ৰহৰ খৰচ হ্ৰাস কৰিব বুলি আশা কৰা হৈছে আৰু তাৰ ফলস্বৰূপে অধিক ৰাজহ সংগ্ৰহৰ সক্ষমতাৰ দিশটোৰ পিনে লৈ যাব।

**উপভোক্তাসকলৰ কাৰণে ঃ**

* **সামগ্ৰী আৰু সেৱাৰ মূল্যৰ সমানুপাতে একক তথা স্বচ্ছতা প্ৰদান ঃ** মূল্য সংযোজনৰ প্ৰগতিশীল স্তৰত অসম্পূৰ্ণ কিম্বা কোনো উপজ কৰ ঋণ লাভ নকৰাকৈ কেন্দ্ৰ আৰু ৰাজ্যৰদ্বাৰা যি বিভিন্ন ধৰণৰ পৰোক্ষ কৰ আৰোপ কৰা হয় তাৰ বাবে দেশখনত এতিয়া প্ৰায় ভাগ সামগ্ৰী আৰু সেৱাৰ খৰচত বহু আঁৰত থকা কৰৰ বোজা লগ হয়। কিন্তু জি এছ টিৰ অধীনত প্ৰস্তুতকাৰীৰ পৰা উপভোক্তালৈ মাত্ৰ একক কৰহে থাকিব— যিটোৱে চূড়ান্ত উপভোক্তালৈ আদায় দিয়া কৰৰ ক্ষেত্ৰত স্বচ্ছতাৰ বাট মুকলি কৰিব।
* **সামগ্ৰিক কৰৰ বোজাত সকাহ ঃ** সক্ষমতা অৰ্জন কৰা আৰু ছিদ্ৰসমূহৰ বাধা প্ৰদান হেতু সৰহভাগ সামগ্ৰীৰ ওপৰত সামগ্ৰিকভাৱে পৰিব পৰা কৰৰ বোজা কমি আহিব আৰু তাৰ ফলত উপভোক্তাসকলক উপকৃত কৰিব। ❐